# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ৫/৩/২০২৫ বুধবাৰ**

**ইংৰাজী ০৫-০৩-২০২৫ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯.৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং. ৮১। শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীঅতুল বৰা, আৱকাৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি ক'ব নেকি?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈ দিম। ইতিমধ্যে উত্তৰ দিছে যে অসমত ১৮ শ ৩৬ খন বিলাসী সুৰা বিপনীৰ লগতে ১৬০ খন বাৰ আছে আৰু ইয়াৰ তথ্যও দিছে। আজি সমগ্ৰ ৰাজ্যত চৰকাৰে বা বিভাগে মাজে মাজে সুৰাপায়ী সকলৰ বিৰুদ্ধে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে, fine লয়। আৱকাৰী বিভাগ আৰু পুলিচৰ জৰিয়তে বিভিন্ন সময়ত checking কৰে আৰু দেখা যায় যে সুৰাপায়ী সকলে মদৰ দোকান বৃদ্ধি কৰাৰ লগে লগে বাৰৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে ৰাজ্যখনত বহু ব্যক্তি সুৰাৰ লগত জড়িত হৈ নিজৰ জীৱনো ধবংস কৰিছে, পৰিয়াললৈ অন্ধকাৰ নামি আহিছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি প্ৰশ্ন যে এই সুৰাৰ দোকান যিসময়ত এটা কথা অসমত সকলোৱে প্ৰশ্ন উত্থাপন কৰে যে বিদ্যালয়ৰ সংখ্যা কমি আছে, সুৰাৰ দোকানৰ সংখ্যা বৃদ্ধি পাই আছে। তেনেকুৱা সময়ত অসমৰ যুৱ চামক ৰক্ষা কৰাৰ স্বাৰ্থত এই সুৰাৰ দোকান যিসমূহ আছে, এই সুৰাৰ দোকান সমূহৰ জৰিয়তে চৰকাৰে tax আদায় কৰাৰ এটা কৌশল বা চৰকাৰৰ যিটো ভড়াল, সেই ভড়ালত ধন ঘটাৰ যিটো কৌশল সুৰাৰ জৰিয়তে কৰিছে নেকি? আৰু যদি কৰিছে সুৰাৰ জৰিয়তে ইপিনে ধন আহি আছে কিন্তু যুৱ চাম ধবংস হৈ আছে। এই বিষয়ে বিভাগে কি ভাৱে আৰু আহি থকা সময়খিনিত অসমৰ যুৱ চামক, অসমৰ যুৱক-যুৱতী সকলক, অসমৰ মানুহক সুৰাৰ পৰা ৰক্ষা পাবলৈ বৰ্তমান আৱকাৰী বিভাগে কি পদক্ষেপ ল'ব তাৰ বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, আৱকাৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সুৰাৰ প্ৰচলন বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰা আছে। বৃটিছে বিভাগটো সৃষ্টি কৰিছিল আৰু বৃটিছৰ পিছত দেশত, আমাৰ ৰাজ্যত সকলোতে কংগ্ৰেছ দলৰ চৰকাৰ হৈছিল। আৱকাৰী বিভাগটো তেতিয়াৰে পৰা আছে আৰু মালিক হৈছে কংগ্ৰেছ। তেওঁলোকে যিখিনি এৰি থৈ গ'ল, হয়তো নোৱাৰিলে কাৰণ সেই সময়ত আমি জানো যে কংগ্ৰেছে কানি বন্ধ কৰিবৰ কাৰণে চেষ্টা কৰিছিল, কিন্তু মদৰ বিৰুদ্ধে কৰা নাছিল। হয়তো public demand আছিল। তেতিয়া জনসংখ্যা ইমান নাছিল। এতিয়া জনসংখ্যা বৃদ্ধি পাইছে। আমি সদায় গুৰুত্ব দিছো ৰাজহ সংগ্ৰহ কৰাতো চৰকাৰৰ মুঠেই লক্ষ্য নহয়। কাৰণ আপোনালোকে জানে সন্মানীয়হুসদন মাননীয় অধ্যক্ষ মহোদয়, যে জানুৱাৰী মাহ অহাৰ লগে লগে তাৰ আগে আগে মাননীয় মুখ্যমন্ত্ৰীয়ে গৃহবিভাগ, পুলিচৰ লগত আৱকাৰীৰ লগত, পৰিবহণৰ

লগত এখন সভা কৰিছিল আৰু খুব strictly কৈছিল যে মানুহৰ জীৱনটো প্ৰথম। জীৱনৰ লগত আমি কোনেও খেলা কৰিব নালাগে আৰু সেই কাৰণেই যৌথভাৱে excise, transport, police আপোনালোকে জানে যে সুৰাপান কৰি যাতে drive নকৰে। এইক্ষেত্ৰত খুৱেই সজাগ হৈছিল আৰু তাৰ কাৰণে দুৰ্ঘটনা ইমান নহ'ল। এতিয়া মুল কথা হৈছে যে আমাৰ সংস্কাৰো আনিছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া অৰুণাচলৰ পৰা সুৰা আহে, ইয়াত মদ্যপায়ীৰ সংখ্যা বাঢ়িছে, জনসংখ্যা বাঢ়িছে। কিছুমান অঞ্চলত এতিয়াও বিভিন্ন কাৰণত মদপান নকৰিছিল, সেইবিলাক অঞ্চলতো মানুহে মদ্যপান কৰে। এতিয়া যিমান demand আহিছে, যিমান বিছাৰিছে আমাক IMFL, মদৰ দোকানেই হওঁক, ঠিক তেনেকৈ Country Liquor কিন্তু চৰকাৰে দিয়া নাই। Cabinate ত এই কথাখিনি বিস্তৃতভাৱে আলোচনা হোৱাৰ অন্তত তেনেকুৱা হাজাৰ হাজাৰ দৰ্শাস্ত আমাৰ হাতত আছে। আমি সেইটো কৰা নাই। কিন্তু অধ্যক্ষ মহোদয়, আমি এটা কথাৰ ওপৰত গুৰুত্ব দিছো স্বাস্থ্যটো মুল কথা। কাৰণ চুলাই মদৰ পৰিসৰটো আমাৰ ৰাজ্যখনত আছে। মই সেই কাৰণে সন্মানীয় সদস্য সকলক অনুৰোধ জনাম কাৰণ চুলাই মদত এনে কিছুমান বস্তু মিহলি কৰে মদতো কৰিবৰ কাৰণে গেলাবৰ কাৰণে, সোনকালে ঠিক কৰিবৰ কাৰণে যাতে চুলাই মদ উলিয়াব পৰা যায় তাত এনে কিছুমান বস্তু দিয়ে স্বাস্থ্যৰ কাৰণে অন্তত্য হানিকাৰক। আজি যদিও এই কথা আমি কৈছো আমাৰ বিভাগে কিছুমান কাম কৰি আছে। আজি দুদিন আগতে মেঘালয় Excise Departement ৰ লগত এটা বৃহৎ ঘাটি বৰ্ণীহাটতত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে আৰু নষ্ট কৰিবলৈ সক্ষম হৈছে। গতিকে চুলাই মদৰ বিৰুদ্ধে আমি ব্যৱস্থা ইতিমধ্যে লৈছো আমি খুৱেই ভাল পাম সন্মানীয় সদস্য সকলে যদি এইক্ষেত্ৰত আমাক সহযোগিতা কৰে। এতিয়া IMFL ৰাজ্যখনত কিমান আছে। Country Spirit কিমান আছে এই গোটেই সমুদায় তথ্যখিনি আমি ইতিমধ্যে সদনৰ মজিয়াত দিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই প্ৰশ্নত বা সুৰাৰ দোকানৰ বৃদ্ধিৰ মাজতে আকৌ কংগ্ৰেছ চৰকাৰকে টানি আনিছে। আপোনাৰ জৰিয়তে তেখেতক জনাব বিচাৰিম যে আজিৰ পৰা ১০ বছৰৰ আগত আমি গুৱাহাটীৰ কথা দেখো যে গুৱাহাটীত কিমান সুৰাৰ দোকান আছিল, কিমান বাৰ আছিল আৰু ১০ বছৰৰ সময় খিনিত বা BJP চৰকাৰৰ সময়খিনিত সমগ্ৰ ৰাজ্যখনৰ লগতে গুৱাহাটীতো মদৰ দোকান সমূহৰ জাক-জমকতা বাঢ়িল, বাৰৰ সংখ্যা বাঢ়িল আৰু এই কথাটো তেখেতে অস্বীকাৰ কৰিব নোৱাৰে। গতিকে আমাৰ প্ৰশ্ন হ'ল যে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি যে সুৰাপায়ী সকলৰ সংখ্যা বৃদ্ধি হৈছে। সুৰাৰ দোকানৰ অনুজ্ঞা পত্ৰৰ কাৰণে মানুহৰ ভিৰ বাঢ়িছে। গতিকে মানুহ মদৰ প্ৰতি বেছি আগ্ৰহী হৈছে, adicted হৈছে। গতিকে যিমানেই এনেকুৱা adicted হ'ব, অসমীয়া সমাজখন ধবংস হোৱাৰ পিনে সিমানেহ আগবাঢ়ি যাব। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আমাৰ একেবাৰে পোনপটীয়া প্ৰশ্ন যে অসম সুৰামুক্ত কৰিব নেকি? মদমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত এই চৰকাৰে কি ভাৱে? আমাৰ দাবী অসম মদমুক্ত হ'ব লাগে, সুৰামুক্ত হ'ব লাগে। এই চৰকাৰখনে অসমৰ ভৱিষ্যতৰ স্বাৰ্থত সুৰামুক্ত অসম কৰিব নেকি? দ্বিতীয় কথাটো গাৱেঁ-ভূঁঞে বিভিন্ন সুৰাৰ অনুজ্ঞা পত্ৰ দিছে এই জনবসতি অঞ্চলত তাৰ পৰা যথেষ্ট ক্ষতি হৈছে। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅতুল বৰা, আৱকাৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাবিলাক কোৱাটো সহজ, কিন্তু মই তো কৈছো যে ইয়াৰ মালিক হৈছে কংগ্ৰেছ। কংগ্ৰেছে যদি এইটো আৰম্ভ নকৰিলেহেঁতেন...(সদনত হুলস্থুল).....

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা), বিৰোধী দলৰ দলপতি** ঃ চাৰ, এইটো কি কথা কৈছে।

(সদনত হুলস্থুল)..

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথাটো উঠাই ল'ব লাগিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা), বিৰোধী দলৰ দলপতি** ঃ চাৰ, কংগ্ৰেছ দল মালিক হ'ব পাৰে নেকি? এটা regulated ব্যৱসায়। বে-আইনীভাৱে হ'লে কামত ধৰিব পাৰে। কিন্তু আইনত আছে। এইটো withdraw কৰি দিব। ইয়াত মালিক কোন ক'বলগা নহ'ব।

....(সদনত হুলস্থুল).....

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা), বিৰোধী দলৰ দলপতি** ঃ চাৰ, কংগ্ৰেছ কেনেকৈ মালিক হ'ব পাৰে ? চৰকাৰী ব্যৱসায়টো কোনোবাই পাব পাৰে। ব্যৱসায়টো যিকোনো মানুহে কৰিব পাৰে। গতিকে যদি আইনত থকা ব্যৱসায় হ'লে মালিক কোনোবা হ'ব পাৰে নেকি? নিয়মমতে কোনোবাই পাব পাৰে। সেইগতিকে এনেকুৱা কথা ক'লে সদনৰ মৰ্য্যদা হানি হ'ব। চাৰ, এইটো প্ৰত্যাহাৰ কৰক।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এই word টো expan কৰি দিয়া হ'ব। Hon'ble Minister.

**শ্ৰীঅতুল বৰা, আৱকাৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সচাঁ কথাই কৈছো, মিছা কথা কোৱা নাই।

....(সদনত হুলস্থুল).....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাক অমান্য কৰিছে।

....(সদনত হুলস্থুল).....

**মাননীয় অধ্যক্ষ** ঃ এইটো already expan হৈ গ'ল। Hon'ble Minister আপুনি specific উত্তৰ দি দিয়ক।

**শ্ৰীঅতুল বৰা, আৱকাৰী বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তথ্যসহকাৰে গোটেই কথাখিনি কৈছো। তেখেতসকলে কথাটো শুনি বেয়া পাব নালাগে।

মই কৈছো যে নিচামুক্ত এখন সমাজ আমি বিচাৰো। আমি মনে-প্ৰাণে কামনা কৰো যে উঠি অহা প্ৰজন্মই মাদক দ্ৰব্যৰ পৰা দূৰত থাকক। সেইকাৰণে মই পোন-প্ৰথমে মাননীয় সদস্য সকলক এইক্ষেত্ৰত সহায় কৰিবৰ বাবে বিনয়েৰে অনুৰোধ কৰিছো আৰু নিশ্চিতভাৱে আমি সেইক্ষেত্ৰত আগবাঢ়ি যাব পাৰিম। মই এই কথাটো স্পষ্টভাৱে কৈছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে কৈছে যে মদৰ পৰা ৰাজহ সংগ্ৰহ কৰাটো আমাৰ লক্ষ্য হ'ব নালাগে। কংগ্ৰেছৰ দিনত বহুত ঠাইত মহল আছিল। এতিয়া মহলবিলাক বন্ধ কৰি দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰফিকুল ডাঙৰীয়াই কওঁক।

**ড° ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সুৰাৰ দ্বাৰা বহুত মানুহ ক্ষতিগ্ৰস্ত হৈছে, বহুত মানুহৰ সংসাৰ ভাঙিছে, আমাৰ মা-ভণ্টিসকলৰ বহুত সমস্যা হৈছে। ডাক্তৰে সদায় সুৰা পান কৰিলে কি কি সমস্যা হ'ব তাৰ ওপৰত পৰামৰ্শ দিয়ে। তাৰ পৰা আমি সমান্য ৰাজহ

পাওঁ। সেইখিনিৰে কিন্তু ৰাজ্যখনো নচলে। আমাৰ অসমখন এতিয়া অলপ অলপকৈ আগবাঢ়ি গৈ আছে। গুজৰাট য'ত বি জে পি চৰকাৰ আছে আৰু অসমে গুজৰাটক অনুকৰণ কৰে। মোৰ পৰামৰ্শ হ'ল যে অসমেও গুজৰাট বিহাৰ আদিৰ দৰে মাদক দ্ৰব্য একেবাৰে বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে এই কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ইতমধ্যে ইয়াৰ ওপৰত উত্তৰ দিছে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে অসমত অন্য ৰাজ্যৰ তুলনাত অতি কম সুৰাৰ দোকান আছে আৰু যোৱা দহ বছৰত খুব কম সংখ্যক সুৰাৰ দোকানৰ লাইচেঞ্চ দিয়া হৈছে। মোক বহু সতীৰ্থ তথা বিৰোধী দলৰ সদস্য সকলে কয় যে ইয়াৰ ইমান চাহিদা আছে এই ক্ষেত্ৰত কিবা কৰিব পৰা যায় নেকি? মই কৈছো যে মাননীয় মন্ত্ৰী মহোদয়ে বৰ্তমান এইবোৰ বন্ধ কৰি থৈছে। ইয়াৰ ফলত বহু ধৰণৰ repurcation ও হয় আৰু ইয়াৰ পৰিণতি বহুত বেয়া হয়। গতিকে সেই দিশটোৰ ওপৰত আমি গুৰুত্ব দিছো। আজি উত্তৰ-পূৰ্বাঞ্চলৰে বহুত ৰাজ্য আছে য'ত সুৰাৰ প্ৰচলন নহয়, কিন্তু এনেকুৱা নহয় যে তাত মানুহে সুৰা সেৱন নকৰে। অৰুণাচলৰ পৰা সৰবৰাহ হৈ সৈই ৰাজ্যবিলাকত সোমায়। মিজোৰাম বা তেনে ৰাজ্য য'ত সুৰা বন্ধ আছে। মই আজি এই বিধান সভাত এই ৰাজ্যসূহৰ নাম উল্লেখ কৰাটো ঠিক নহয়, সেই ৰাজ্য সমূহত ড্ৰাগছ্‌ৰ প্ৰচলন বেছি হৈছে। কিবা এটা নিচা হয়তো বহুতক লাগে। সেইকাৰণে হয়তো তেওঁলোকে ব্যৱহাৰ কৰে। মই কৈছিলো যে কংগ্ৰেছে কানি বন্ধ কৰিবলৈ ব্যৱস্থা লৈছিল। ইয়াৰ বাবে মহামানৱ মহাত্মা গান্ধীয়েও আন্দোলন কৰিছিল। কিন্তু মদ বন্ধ কৰিবলৈ তেনেকুৱা কোনো বৃহৎ আন্দোলন হোৱা নাছিল। সেইকাৰণে মই কৈছো যে আমাৰ চৰকাৰে ধাৰাবাহিকতা ৰক্ষা কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৮২। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, কৃষি, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ণ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুবুৰীয়া ৰাজ্যই কৰা মাটি বেদখল আৰু সীমা-বিবাদ সম্পৰ্কত অসমৰ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ সীমা-বিবাদ দীৰ্ঘদিনীয়া। এই পৱিত্ৰ বিধান সভাত চৰকাৰে ইয়াৰ পূৰ্বে দাঙি ধৰা তথ্যমতে মেঘায়লয়ে অসমৰ ৩ হাজাৰ ৪ শ ৪১.৮৬ হেক্টৰ মাটি বেদখল কৰিছে। এই সীমা-বিবাদ নিষ্পত্তি কৰাৰ বাবে দয়োখন ৰাজ্যই আঞ্চলিক কমিটি গঠন কৰিছে ভাল কথা। ২৯-০৩-২০২২ তাৰিখে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ উপস্থিতিত দুয়োখন ৰাজ্যৰ বিবাদমান এলেকাৰ ৬ টা অঞ্চলক লৈ বুজাবুজি চুক্তি সম্পাদন হৈছে। ৩৬.৭৯ বৰ্গ কিলোমিটাৰ বিবাদমান ভূমি সেই ৬ টা অঞ্চল হ'ল কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰ তাৰাবাৰী, গিজাং, হাহিম, পলাশবাৰী ৰাজহচক্ৰৰ বকলাপাৰা, দিশপুৰ ৰাজহ চক্ৰৰ খানাপাৰা-পিলিংকাটা, কাছাৰ জিলাৰ ৰাতাচেৰা এই ৬ টা বিবাদমান এলেকাত অসমে সাংবিধানিক সীমাৰ ভিতৰত মেঘালয়ক এৰি দিয়া ভূমিৰ পৰিমাণ ১৮.৩৩ বৰ্গকিলোমিটাৰ। মোৰ প্ৰশ্নটো হ'ল যে অসম-মেঘালয়ৰ আন ৬ টা বিবাদমান এলেকা যেনে-দেশদুমৰীয়া, নংৱা মাউতাপুৰ, লাম্পি, বৰদোৱাৰ ব্লক-১ ব্লক-২, খানদূলি-পিছিয়াৰৰ সমস্যা এতিয়াও সমাধান হোৱা নাই। কামৰূপ জিলাৰ বকোৰ লাম্পিকে ধৰি আম ৬ টা এলেকা মেঘালয়ে নিজৰ দখললৈ নিবলৈ বাৰম্বাৰ চেষ্টা কৰি আছে। কিন্তু সেই এলেকাৰ স্থানীয় লোকে মেঘালয়ৰ লগত চামিল হ'ব খুজা নাই। কমিটি ও গঠন কৰা হৈছে।

গতিকে চৰকাৰে বিবাদমান এলেকাৰ জনসাধৰণৰ মতামতক গুৰুত্ব নিদি পূৰ্বৰ দৰে ভূমি এৰি দিয়াৰ পৰিকল্পনা আছে নেকি? সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি, আৰকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰেকিবুদ্দিন ডাঙৰীয়াৰ মনত যি সংশয় হৈছে যে অসমৰ ৰাইজৰ মতামত নোলোৱাকৈ চুবুৰীয়া ৰাজ্যক মাটি এৰি দিব নেকি? চুবুৰীয়া ৰাজ্যৰ লগত আমাৰ সীমা-বিবাদ অতি পুৰণি। কংগ্ৰেছ দল দিল্লী আৰু আমাৰ ইয়াত শাসনত থাকোতেই ৰাজ্যৰ সৃষ্টি হৈছিল। সেই সময়তে যদি once for all সীমা ঠিক কৰি দিয়া হ'লে আজিৰ অসমৰ সীমান্ত বা চুবুৰীয়া ৰাজ্যৰ সীমাত বসবাস কৰা লোকসকলে জীয়াতু ভুগিব নালাগিলেহেঁতেন। সেইবোৰ অঞ্চলত উন্নয়নত স্থবিৰতা আহিছে। মাজে মাজে বিভিন্ন ঘটনা সংঘটিত হৈছে। বহুলোকৰ মৃত্যুও হৈছে। এনেবোৰ ঘটনা যাতে অদূৰ ভৱিষ্যতে নঘটে আৰু এই বিষয়টোত যাতে একেবাৰে পুলিয়ে পোখাই মাৰিব পৰা যায়। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ ৰাজনৈতিক ইচ্ছা থকাৰ বাবে চুবুৰীয়া ৰাজ্যসমূহৰ লগত আলাপ-আলোচনাৰ মাজেৰে দ্বি-পাক্ষিক চুক্তিৰ জৰিয়তে সু-মীমাংসা কৰিবলৈ চেষ্টা কৰি অহা হৈছে। সেই মতে মই সন্মানীয় সদস্য গৰাকীক এই কথা জনাইছো আৰু তেখেতে তথ্যবিলাক পাইছে যে এতিয়ালৈকে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ লগত আমি কোন কেইটা বিষয়ত ঐক্যমতত উপনীত হ'ব পাৰিছো আৰু কোন কেইটা বিষয়ত ঐক্যমতত উপনীত হ'ব পৰা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰিজ'নেল কমিটি গঠন কৰি দিছিল। বেলেগ বেলেগ যিসমূহ গাওঁ আছিল, সেই গাওঁসমূহক ৰাখি কোন কি দায়িত্বত থাকিব তাত আমাৰ মাননীয়া বিধায়িকা নন্দিতা দাস ডাঙৰীয়ানীও সদস্যা আছিল আৰু আমিও সদস্য আছিলো। মই নিজেও সেই অঞ্চললৈ গৈছিলো। মানুহৰ মতামত সাপেক্ষে কেতবোৰ সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰা হৈছে। আটাইকেইটা বিবাদমান অঞ্চলৰ ক্ষেত্ৰত এতিয়াও আমি ঐক্যমতত অহা নাই। কাৰণ দুয়োখন ৰাজ্যৰ ৰিজ'নেল কমিটিৰ ৰিপোৰ্ট দুয়োখন ৰাজ্যই মাননীয় মুখ্যমন্ত্ৰী সকলৰ হাতত আহি পৰা নাই। আমি আশা কৰিছো যে অদূৰ ভৱিষ্যতে আমি এই সমস্যাবোৰ আলোচনা কৰি সমাধান কৰিব পাৰিম। ঠিক একেদৰে অৰুণাচল প্ৰদেশৰ ক্ষেত্ৰতো বহুতবাৰ আলোচনা হৈছে। ৰিজ'নেল কমিটিয়ে যুটীয়াভাৱে সেইবোৰ অঞ্চল পৰিদৰ্শন কৰিছে। নামচাইত যিখন সভা হৈছিল আৰু তাত যি সিদ্ধান্ত লোৱা হৈছিল, সেই সিদ্ধান্ত সমূহ ক্ষিপ্ৰতাৰে কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। মাননীয় গৃহমন্ত্ৰী আৰু দয়োখন ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত কিছু বুজাবুজি হৈছে। তদ্ৰূপ মিজোৰামৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে অসম আৰু মিজোৰাম সীমান্তত দুৰ্ভাগ্যজনক ঘটনা হৈছিল। তাৰ পিছতো সীমা বিবাদৰ বিষয়টো মীমাংসাৰ বাবে আমি নিজে আগবাঢ়ি গৈছিলো। সেই সময়ত অশোক সিংহাল ডাঙৰীয়া আৰু কেইবাগৰাকীও জ্যেষ্ঠ সদস্য গৈছিল আৰু ঠিক একেদৰে ইয়ালৈ আহিছিল। তিনি লানি আলোচনা মন্ত্ৰী পৰ্য্যায়ত হৈছে আৰু আমি আশা ৰাখিছো যে অদূৰ ভৱিষ্যতে আমি এই বিবাদ মীমাংসা কৰিব পাৰিম। ঠিক একেদৰে নাগালেণ্ডৰ লগত one to one কথা-বতৰা পতা হৈছে। কাৰণ চুপ্ৰিম কোৰ্টত এটা পি আই এল আছে। সেয়েহে সেই বিষয়টোত আমি বিশেষ আগবাঢ়িব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, চুবুৰীয়া ৰাজ্যৰ লগত থকা সীমা-বিবাদ আলোচনাৰ মাজেৰে সমাধান কৰিব বিচাৰিছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচল প্ৰদেশৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে কৈ আছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ গঠন হোৱাৰ ক্ষেত্ৰত প্ৰত্যেকটো কথাতে

কংগ্ৰেছক টানি নানিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ কৰিব বিচাৰিছো। আপুনি অসম ছাত্ৰ সন্থাৰ সভাপতি আছিল আৰু অসম চুক্তিৰ লগতো আপুনি জড়িত। ৰাজ্যসূহ গঠনৰ ক্ষেত্ৰত কি প্ৰক্ৰিয়া আছিল সেই বিষয়ে আপুনিও অৱগত। মাননীয় অধ্যক্ষ মহোদয়, অসম-অৰুণাচলৰ সীমা-বিবাদ আটাইতকৈ পুৰণি। অলপ আগতে এই সদনত মাননীয় মন্ত্ৰী মহোদয়ে দাখিল কৰা তথ্যমতে অৰুণাচলে ১৬ হাজাৰ ১৪৪.০১ হেক্টৰ মাটি বেদখল কৰি আছে। ২০-০৪-২০২৩ ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ উপস্থিতিত অৰুণাচলে ১২৩ খন গাওঁৰ ওপৰত বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছিল। ১২৩ খন গাওঁৰ ভিতৰত ৭১ খন গাঁৱৰ সীমা নিৰ্দ্ধাৰণ কৰা হৈছে যদিও চুক্তি স্বাক্ষৰ হোৱাৰ ছয় মাহৰ ভিতৰত বাকী ৫২ খন গাওঁৰ সীমা বিবাদ নিষ্পত্তি কৰাৰ কথা আছিল। ছয় মাহৰ সেই সময়-সীমা ইতিমধ্যে উকলি গ'ল। এই প্ৰক্ৰিয়াটো বৰ্তমান কি পৰ্য্যায়ত আছে, সেই বিষয়ে মই জানিব বিচাৰিছো। উচ্চতম ন্যায়ালয়ত অসম-অৰুণাচলৰ সীমা-বিবাদৰ এটা গোচৰো চলি আছে। গোচৰ নম্বৰ হৈছে OS.No. 01/1989 এই গোচৰটো বৰ্তমান কি অৱস্থাত আছে জানিব বিচাৰিছো। লগতে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই কথাও জানিব বিচাৰিছো যে অসম মিজোৰাম আৰু অসম নাগালেণ্ডৰ সীমা সমস্যা কেতিয়া সমাধান হ'ব? সীমান্ত এলেকা উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে Border Area Development Programme (BAD) ৰ অধীনত কিছুমান অঞ্চলত পুঁজিৰ আবণ্টণ বন্ধ কৰিছে নেকি? সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। শেহতীয়াকৈ গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ কেমপুৰ তিনি আলিত পুনৰ উত্তেজনাই বিৰাজ কৰিছে। সীমান্তত নগাৰ ভাবুকি, অ' এন জি চিৰ তৈলখাদ উঠাই নিবলগীয়া পৰিস্থিতিৰ পিছত এইবাৰ অসম-নাগালেণ্ড সীমান্ত্ত ২০ হেক্টৰ মাটিত দেনপুৰ তিনি আলিৰ সমীপত বিবাদমান এলেকাত নিৰ্মাণ কৰা সৌৰশক্তি light মোৰ সম্পূৰ্ণ নিৰাপত্তা বাহিনীয়ে মোৰ শক্তি (interruptions)

**মাননীয় অধ্যক্ষ মহোদয়ঃ** আপোনাক কি লাগে প্ৰশ্নটো কৰক।

**শ্ৰী ৰেকিবুদ্দিল আহমেদ, (ছয়গাঁও) ঃ** অধ্যক্ষ মহোদয়, মই শেষ কৰিছো (interruptions) শতাধিক মানুহে জোংলৈ ওলাই আহিছে (interruptions) .

**মাননীয় অধ্যক্ষ মহোদয়ঃ** মাননীয় মন্ত্ৰী আপোনাৰ কিবা উত্তৰ দিবলগীয়া আছে (interruptions)

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও) ঃ** সমস্যা কেতিয়া সমাধান হ'ব সেইটোৰে মন্ত্ৰী মহোদয়ে আমাক সুন্দৰকৈ বুজাই দিব লাগে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,সন্মানীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো আৰু তেখেতে কৈছে যে মই পোনপটীয়া ভাৱে কংগ্ৰেছৰ নামটো টানি আনিছো। কিন্তু , মই নাই ইতিহাসেহে কৈছো। সেই সময়ত কংগ্ৰেছ দলৰ চৰকাৰ আছিল (interruptions) মই অসত্য কথা এটা সদনৰ মজিয়াত কোৱা নাই (interruptions)

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও) ঃ** কেৱল কংগ্ৰেছ কংগ্ৰেছকৈ কথা টানি কিয় আনে চাৰ? (interruptions)

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** সেই সময়ত চৰকাৰে আছিল, এই কথাটো এতিয়া মই নকলেহে হ'ব। শুনিবলৈ বেয়া কিন্তু মই সচাঁ কথাটো ক'বলগীয়া হয়। সদনৰ মজিয়াত মিছা কথা ক'ব নোৱাৰে। মই ইতিহাসহে কৈছো। আপুনি বেয়া পাব নালাগে। মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচলৰ লগত

কথা- বতৰা হৈ আছে আৰু আপুনি নিজেই কৈছে যে ৭১ টা ঠাইত আনি সীমা বিবাদ নিস্পত্তি কৰিছো। কিন্তু , তাত Parliamentary election, State Election হোৱাৰ লগতে নতুন কমিটি কৰিব লগীয়া হোৱাত কিছু দেৰি হৈছে, কিন্তু নামচাইৰ ক্ষেত্ৰত যিখিনি বুজা-বুজি হৈছে সেইখিনি আখৰে আখৰে কাৰ্যকৰী কৰা হ'ব। দ্বিতীয়তে, গোলাঘাট জিলাৰ বিবাদমান এলেকা কেমপুৰ তিনি আলিৰ কথা তেখেতে কৈছে, এই সম্পৰ্কে চৰকাৰ অংগত আৰু চৰকাৰে কথা বিহিত ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিব। Counter Part ৰ লগত কথা- বতৰা হ'ব আৰু এই কথাখিনি আনি আলাপ আলোচনাৰে মাজেৰে মীমাংসা কৰিবলৈ নিশ্চয় চেষ্টা কৰিম।

**শ্ৰী অখিল গগৈ,ঃ** চাৰ মোৰ এটা Supplementary আছিল (interruptions)

**মাননীয় অধ্যক্ষ ঃ** নহ'ব। এতিয়া কমলাক্ষ দে পুৰকায়স্থ,(interruptions)

অখিল গগৈ ৰ কথা ৰেকৰ্ডত নাযাব।

**অখিল গগৈঃ** Not recorded as per direction of the Chair.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাটিগড়াৰ পৰা উত্তৰ শ্ৰীভূমি, দক্ষিণ শ্ৰী ভূমি, পাথাৰকান্দীলৈ border টো international border হয়। আজিৰ দিনত আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে যে ইয়াৰ দ্বাৰা গৰু আৰু ড্ৰাগছ সৰবৰাই হৈ থাকে। এই season টোত গৰু সৰবৰাহ অলপ বেছিকৈ হয়। এইটো হিন্দু- মুছলমানৰ সমস্যা নহয়। হিন্দু ইছলাম দুই পক্ষৰ মানুহৰ ঘৰৰ পৰা গৰু যায়। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়েক অনুৰোধ কৰিছো যে border টো যাতে অলপ শক্তিশালী কৰে, যাতে গৰু সৰবৰাহ নহয়। দ্বিতীয়তে, উত্তৰ শ্ৰী ভূমিৰ town অঞ্চলৰ প্ৰায় ৩.৫ কিঃ মিঃ আমি fencing কৰিব পৰা নাই। এই ক্ষেত্ৰত বাংলাদেশেত objection দি থাকে। গতিকে, এই অঞ্চলটোত fencing দি border টো কৰিব লাগে। কাৰণ হিন্দু মানুহৰ পৰা গৰু গ'লে বেছি দুখ পায়। অধ্যক্ষ মহোদয়, যোৱা এবছৰে কৰিমগঞ্জত প্ৰায় ৪৩ জন মানুহক ধৰিছে। তালিকাখন মোৰ পাব, সেইকাৰণে মই নকওঁ। গতিকে চৰকাৰ এইক্ষেত্ৰত কঠোৰ হ'ব লাগে আৰু কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিব লাগে, সেইটো মই চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীক মই ধন্যবাদ জনাইছো। আমি সকলোৱে জানো যে অসমৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰলৈ গৰু, মহৰ উপৰিও পূৰ্বতে যিবোৰ সৰবৰাহ হৈ আছিল, সেইবোৰ দূৰ কৰিবলৈ চৰকাৰে কিমান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ে আঙুলিয়াই দিছে, সেই বিষয়টো মাননীয় মুখ্যমন্ত্ৰীক অৱগত কৰিব। অসম-বাংলাদেশ সীমান্তৰ বেছিভাগ অঞ্চলেই শ্ৰীভূমি। কুচিয়া নদীখন থাকোতে এসময়ত মানুহে সেইফালেৰে চিনেমা চাবলৈও আহিছিল। বজাৰ কৰিবলৈও আহিছিল এতিয়া তাত river police, Vigilence BSF থকাৰ উপৰিও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা তাত বোল দৃষ্টি ৰখা হৈছে। গতিকে ভৱিষ্যতে আৰু চোকা দৃষ্টি ৰখা হ'ব। এইক্ষেত্ৰত fencing কিছু অসুবিধাৰ কাৰণে ভাৰত চৰকাৰৰ লগত এই বিষয়টো আলোচনা কৰিছো। আমি আশা কৰিছো যে এই বিষয়টোৰ ওপৰত এটা সস্থআলোচনা কৰিব পাৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, প্ৰশ্ন নম্বৰ ৮৩ জাকিৰ হুছেইন লস্কৰ, Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জাকিৰ হুছেন লস্কৰ, ( হাইলাকান্দি) ঃ** অধ্যক্ষ মহোদয়, আমি উত্তৰটো পাইছো। আমি এইটো পথ বিভাজনৰ বা বৈচ্যম হৈছে বুলি আমি ভৰা নাই, বা চৰকাৰে কিমান ঋণ লৈছে আমি

জ্ঞাত নহয়। কিন্তু এটা বস্তু জানোঁ, যে ক'ত বা সৰু সৰু ঋণ ল'লে মানুহবিলাকৰ civil যায় নিশ্চয় তেওঁলোকৰ civil ভাল সেয়েহে bank বিলাকে ঋণ দি আছে। আমি বাহিৰ কথা ক'ব নোৱাৰো, এইটো কাৰণে আমাৰ এটা অনুৰোধ মন্ত্ৰী মহোদয়ে নিজে গৈছিল তাত এটা te, আমি মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে এটা সময়ত প্ৰথম হাইলাকান্দিত 44 crore ৰ এটা কাম হৈছে। স্বাধীনতাৰ পিছত মন্ত্ৰী হাতত এই কামখিনি আৰম্ভ কৰিছে। আমি এইটো বিচাৰিছো যে balance কামটো যেতিয়া আছে এইটো মন্ত্ৰী মহোদয়ে যেনে-তেনে কামটো কৰি দিব লাগে। তেখেতে যেনেকা উত্তৰ দিয়ে আমাৰ ৬ খন বাগান আছে,বাগানৰ Management কাৰণে আমাৰ যিবিলাক employee আছে সকলোৰে মন্ত্ৰী মহোদয় ওচৰত অনুৰোধ কৰিছে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ঠিক আছে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া এই মথাউৰিটো পুনৰ নিৰ্মাণৰ কিছু সমস্যা আছে। অধ্যক্ষ ডাঙৰীয়া আমি ২০২৩ চনত ৪৪.১৯ কোটি টকাৰে আমি ইয়াৰ river bank টোৰ কাম আৰম্ভ কৰিছিলো। অধ্যক্ষ ডাঙৰীয়া কামখিনি আমি ৬৩ শতাংশ complete কৰিব পাৰিলো, বাকীখিনি আমি complete কৰিব পৰা নাই , কাৰণ তাৰ কাষৰ যিখিনি মানুহ তেখেতেসকলে Hon'ble Gauhati High Court লৈ Land acquisition ৰ Fees Demand ৰ কাৰণে কেচ কৰিলে, যাৰ ফলত আমি কাম বন্দ ৰাখিব কৰিব লগা হৈছে। অধ্যক্ষ ডাঙৰীয়া, এই বুলি আমি অসমত প্ৰায় ২৪০ কিলিমিটাৰৰ মথাউৰি নিৰ্মাণ কৰি আছো, আৰু যোৱা ৩ দিন আগত তাৰ review কৰিছিলো এই ২৪০ কিলিমিটাৰ প্ৰায় ৬০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। অধ্যক্ষ ডাঙৰীয়া, এই বুলি আমি সিদ্ধান্ত লৈছিলো যে যাৰ বহুত ঘৰ- দুৱাৰ যায় এইটো বেলেগ কথা। কিন্তু কোনোবাৰ আধা বিঘা মাটি যায় বা এক কঠা মাটি যায়, আমি তেওঁলোকক Land acquisition cost নিদিওঁ। কাৰণ বানপানীয়ে তেওঁলোকৰে ক্ষতিগ্ৰস্ত কৰিব। গতিকে সকলোৰে লগত আমি কথা পাতিলো, সকলোৰে মানি ল'লে আৰু এই কাৰণে আমি এই প্ৰয়া২৪০ কিলিমিটাৰ মথাউৰিত ৬০ শতাংশ কাম complete কৰিছো। মই আকৌ অনাগত দিনত এক মাহৰ বা দেৰ মাহত গোটেইখিনি কাম সম্পূৰ্ণ কৰিম। অধ্যক্ষ ডাঙৰীয়া,কতো Land acquisition ৰ issue আহা নাই, ওলোটাই এই যিসকল মানুহৰ মাটি গৈছে তেখেতলোক আমাক ইষ্টফা দি দিছে, এইটো কাৰণে আমি নতুন Policy কৰিছো অধ্যক্ষ ডাঙৰীয়া, কাৰণ মথাউৰিটো বনাওঁতে লাগে ২ কোটি টকা Land acquisition ত যায় আৰু ১ কোটি টকা, সিমান খিনি টকা আমি খৰচ কৰিবলৈ অধ্যক্ষ ডাঙৰীয়া নতুন এটা নিয়ম কৰিলো। যাৰ ঘৰত সন্মুখত মথাউৰি নাই তেওঁলোকৰে হ'ব। গতিকে তেওঁলোকে অলপ sacrifice কৰক তেওঁলোকৰ আধা বিঘা ১ কঠা মাটি এৰি দিয়ক যাতে আমি মথাউৰিটো বনাম পাৰোঁ। এই অনুসৰি সকলোৰে এই বুলি কাম কৰিছে। অধ্যক্ষ ডাঙৰীয়া, য'ত তেখেত যিটো নদীৰ কথা কৈছে যোৱাবাৰ বান-পানীত মই দুবাৰ গৈছো। Bridge খন চাবলৈ মই তিনি দিনৰ ভিতৰত গৈছো। Bridge ফিল-আপ কৰাৰ সময়ত ১৫ দিনৰ ভিতৰত মই আকৌ গৈছো,সম্পূৰ্ণভাৱে Bridge আমি ফিল-আপ কৰিছো। কিন্তু অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিখিনি কথা কৈছে, সেই গোটেইখিনি বহুত densely populated ঠাই। তাত land acquisition সম্ভৱে নহয়। গোটেই ঘৰ-দুৱাৰ ভাঙি মথাউৰি বনাব লাগিব। যিটো আমাৰ কাৰণে সম্ভৱ নহয়। তেখেত যিহেতু সেই ঠাইৰ বিধায়ক, তেখেতে যদি আমাক মাটি উলিয়াই দিব পাৰে আৰু আমি যিটো policy কৰিছো, no land acquisition

cost সেইটো যদি কৰি দিব পাৰে তেতিয়াহ'লে নিশ্চয় আমি তাত মথাউৰি পুনৰ নিৰ্মাণ বা নিৰ্মাণ কৰিবলৈ সাজু আছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত আমাৰ মন্ত্ৰী মহোদয়ে কোৰাটো সঁচা আৰু এটা কথা বুজিব লাগিব, পানী যেতিয়া উঠে যাক পায়, সন্মুখত থকাজনৰ ইমান ক্ষতি নহয়, মানে পানীটো তলত গুচি যায়, এই যিটো আঁচনি আমি কৈছো লালামুখৰ পৰা বৰ্ণীব্ৰিজ, আমি যদি চাওঁ PWD ৰ ৰাস্তা আছে। এই ৰাস্তাৰে আমি যাব পাৰো। আমি যদি এইটো চাওঁ তেতিয়াহ'লে land acquisition ৰ কোনো সমস্যা নাই আৰু তাৰ লগতে মন্ত্ৰী মহোদয়ে গৈ অংকে লংকা আৰু টোছলা সেইটো যাতে সোনকালে কৰে, নহ'লেতো এতিয়া আকৌ বাৰিষা আহি আছে, এইটো মোৰ এটা অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ। সন্মানীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছো, যিটো কামৰ কাৰণে আমি কাম বন্ধ কৰি ৰাখিবলগীয়া হৈছে, তেখেত সকলক যদি অলপ বুজাই বঢ়াই কেচটো উঠাই লয় সেই কামটো আমি তেতিয়া সম্পুৰ্ণ কৰিব পাৰো। পৰৱৰ্ত্তী সময়ত যদি land acquisition ৰ সমস্যা নাথাকে আমি অতিৰিক্ত মথাউৰি খিনিও নিৰ্মাণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এতিয়া প্ৰশ্ন নং ৮৪, সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ** চাৰ, চাৰ, চাৰ

**মাননীয় অধ্যক্ষঃ** নহয়, নহয় এইটো specific সমষ্টিৰহে প্ৰশ্ন।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অলপ সময় চাৰ, এইটো কাটাখাল নদীৰ সম্পৰ্কত। যোৱা বানপানী যেতিয়া হৈছিল মাননীয় মন্ত্ৰীয়ে কাটাখাল নদীলৈ গৈছিল, বৰাকভেলীৰ বৰাক নদীলৈ গৈছিল আৰু লগে লগে কামখিনি কৰিবলৈ তৎপৰতা লৈছিল। মই ধন্যবাদ জনাইছো অধ্যক্ষ মহোদয়। গোটেই মানুহবিলাক ৰাস্তাত থিয় হৈ আছিল, পাঁচ গ্ৰামৰ ভাঙ্গন বৰাকভেলীৰ গোটেই মানুহ আনকি ত্ৰিপুৰা মিজোৰামৰ যোগাযোগৰ একমাত্ৰ যোগসূত্ৰ। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লৈছিল fifteen finance commissionৰ যোগেদি। এই যোগাযোগটো কৰি দিব লাগে নহ'লে বৰাকভেলীৰ লগত একেবাৰে যোগাযোগ বিচিন্ন হৈ যাব, ত্ৰিপুৰা আনকি মিজোৰামো affected হ'ব, এইটো কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, সেইটোত আমাক fifteen financeত কিছু টকা দিয়াৰ কথা আছিল যদিও এতিয়ালৈ হৈ উঠা নাই। পৰৱৰ্ত্তী সময়ত যিহেতু সেই ঠাই খিনি খুব important, মোৰ মনত আছে, তাত খুব strongly temporary কাম কৰি দিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । এতিয়া প্ৰশ্ন নং ৮৪, সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষঃ** Supplementary

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ দুটা প্ৰশ্ন আছিল, এটা হ'ল শেহতীয়াকৈ দিব্যাংগ সকলৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত যি ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোটৰ চৰকাৰে যি পদক্ষেপ লৈছে। মই বহু দিনৰ পৰা বিধায়ক হৈ আছো electronic wheelchair দিয়া, electronic bycycle দিয়া বা দিব্যাংগসকলক বেপাৰ-বাণিজ্য কৰিব পৰাকৈ electric vehicle প্ৰদান কৰা আজিলৈকে

পোৰা নাছিলো। মই আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী তথা মন্ত্ৰী মহোদয়ক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। এটা আৰু প্ৰশ্ন আছিল যে ALIMCO ৰ দ্বাৰা যি সকল left out এতিয়াও আমি দেখা পালো বিভিন্ন গাওঁ, বাগানত যোৰাতে সমষ্টিত, অলপ থাকি গ'ল। সেইখিনিৰ কাৰণে কিবা ব্যৱস্থা কৰিব নেকি? এইটো প্ৰশ্ন মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক কৰিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, আমি ALIMCO ৰ যোগেদি ৯৯০ গৰাকী ব্যক্তিক বিভিন্ন ধৰণে সহায় কৰিছো আৰু কৰিব নালাগে বুলি মই কোৱা নাই। পৰৱৰ্ত্তী সময়তো দিব্যাংগ সকলৰ সহায়ক হৈ উঠাৰ কাৰণে নিশ্চিতভাৱে কাৰ্য্যসূচী হাতত ল'ম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিছে, ধন্যবাদ জনাইছো। মোৰ দ্বিতীয় প্ৰশ্ন এটা হ'ল যোৰহাটত শেহতীয়াকৈ দেখা গ'ল তিনিটা বিশেষভাৱে social justice বিভাগৰ দ্বাৰা বৃদ্ধা আশ্ৰম old age home পৰিচালিত হৈ আহিছে।কিন্তু তিনিওটাই ব্যক্তিগত। চৰকাৰী বুলিবলৈ নাই। মাননীয় প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাম যে স্বাধীনতা হোৱাৰ পিছৰে পৰা কোনো এখন চৰকাৰে কেতিয়াও দিব্যাংগ সকললৈ এটা বিশেষ পৰিকল্পনা লৈ আঁচনি প্ৰস্তুত নকৰিলে, বৰ্তমান চৰকাৰ খনৰ দিনত দেখা পালো মাননীয় প্ৰধানমন্ত্ৰীৰ নেতৃত্বত অটল ভাওঁ যোজনা প্ৰস্তুত কৰিছে। মোৰ দ্বিতীয় প্ৰশ্ন এই আঁচনি খনৰ জৰিয়তে যদিও আমি নিবিচাৰো আৰু বৃদ্ধাশ্ৰম হোৱাতো মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ে যেনেধৰণে চৰকাৰী কৰ্মচাৰীক দুদিনৰ বাবে পৰিয়ালৰ লগত থাকিবৰ বাবে, বৃদ্ধা মাক-দেউতাকৰ লগত থাকিবৰ কাৰণে ব্যৱস্থা কৰি দিছে বৰ্তমান ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোটৰ চৰকাৰে আৰু এটা সুন্দৰ পদক্ষেপ গ্ৰহণ কৰিছে প্ৰণাম আয়োগ গঠন কৰি যিটো পদক্ষেপ গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক কালিও আজিৰ প্ৰশ্নটো অনাৰ কাৰণে মই চাব বিচাৰিছিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** অধ্যক্ষ মহোদয়, মই প্ৰশ্নটোৱে কৰিব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক সভাতে কৈ আহিছে যে appointment letter দিয়োতেও, চৰকাৰক একো কৰিব নালাগে, মাক-দেউতাকৰ সেৱা লৈ চাকৰিলৈ যাব লাগে। মোৰ প্ৰশ্নটো হ'ল যে বৃদ্ধাশ্ৰম নিবিচাৰো তৎস্বত্তেও দেখা গ'ল মৰিয়ণীত যিহেতু railway junction আছে, বহুতো বৃদ্ধ লোকসকল তাত আহি আছে। আমি যেতিয়া সোধো বিভিন্ন কাৰণত হয়তো তেওঁলোকক হয়তো ঘৰৰ পৰা উলিয়াই দিলে, হয়তো পাহৰি গ'ল।

**মাননীয় অধ্যক্ষঃ** এতিয়া কি কৰিব লাগে? প্ৰশ্নটো কৰক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** অধ্যক্ষ মহোদয়, যোৰহাটত এটা বৃদ্ধাশ্ৰমৰ প্ৰয়োজন। অটল ভাওঁ যোজনাৰ অধীনত যিহেতু চৰকাৰলৈ কেন্দ্ৰীয় চৰাকাৰে ৰাজ্যিক চৰকাৰক নিৰ্দেশ দিছে, সেই আঁচনিৰ অধীত মৰিয়ণীত এখন বৃদ্ধাশ্ৰম দিব নেকি? এই কথাটো লৈ মই মোৰ বন্ধু কেইজনৰ লগত আলোচনাও কৰিছো যে তেওঁলোকে ২০ লাখ টকাৰে বৃদ্ধাশ্ৰম খন বনাইও দিব মাত্ৰ চৰকাৰে এই বৃদ্ধাশ্ৰমখনৰ পৰিচালনাৰ দায়িত্ব ল'ব নেকি?সেইটো মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, সন্মানীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। আমি বৃদ্ধাশ্ৰম প্ৰয়োজনত বনাব লাগে, কিন্তু বহুত বেছি উৎসাহিত কৰিব নালাগে। তেখেতে ভাল কথা কৈছে যে প্ৰণাম আঁচনি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আনিছিল আৰু মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াই সকলো সময়তে কয় যে পিতৃ-মাতৃক সেৱা কৰিব লাগে। আনকি অসম চৰকাৰে প্ৰত্যেক বছৰে চৰকাৰী কৰ্মচাৰী সকলক ছুটীয়ে দিয়ে, যাতে পৰিয়ালৰ লগত থাকিব পাৰে। বিভিন্ন কাম এইখিনি সময়ত আমাৰ চৰকাৰে কৰা পৰিলক্ষিত হৈছে। কিন্তু তথাপিও মই কৈছো কিছু কিছু ব্যক্তিয়ে পিতৃ-মাতৃক নাচায়, বয়স হ'লে পিতৃ-মাতৃক সেৱা নকৰে, তেখেতসকলৰ বাবে বৃদ্ধাশ্ৰম প্ৰয়োজনীয়। কিন্তু এই মূহুৰ্ত্তত আমি আজিয়েই বনাম বুলি তেখেতক মই ক'ব পৰা অৱস্থাত নাই। কিন্তু ক'ৰবাত যদি বৃদ্ধাশ্ৰম হয় যেনেকৈ আমাৰ সোণাপুৰত বৃদ্ধাশ্ৰম আছে বা অন্যান্য ঠাইত বৃদ্ধাশ্ৰম আছে, তেখেতসকলক আমি অৰ্থনৈতিকভাৱে সকাহ দিওঁ, যদি সন্মানীয় সদস্য গৰাকীয়ে মৰিয়ণীত বৃদ্ধাশ্ৰম বনায়, তেতিয়াহ'লে তাতো আমি financial assistance দিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮৫, সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী অতুল বৰা, কৃষিমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** Supplementary.

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে আমাৰ আলোপত্তি মাজৰ চৰত এটা SDO অফিচ Subdivisional Agriculture Office আছে, তাৰ পৰা ২৪ জন ষ্টাফ, কিন্তু মই আজি বিধায়ক হোৱাৰ ১৫ বছৰ হ'ল কিন্তু সেই অফিচটোত এদিনো কোনো মানুহ, কোনো ষ্টাফ গৈ নবহে,তেওঁলোকে বৰপেটাৰ পৰা চলায়। যোৱা পাঁচটা বছৰে প্ৰশ্ন কৰি আছো যে এই অফিচটো functional কৰক। মন্ত্ৰীয়ে সদায় উত্তৰ দিয়ে, কেতিয়াবা উত্তৰ দিয়ে এইটোৰ কাৰণে estimate বনাই থকা হৈছে। কেতিয়াবা উত্তৰ দিয়ে ২৫ লাখ টকা ধাৰ্য্য কৰা হৈছে, কেতিয়াবা উত্তৰ দিয়ে sanction হৈছে, কেতিয়াবা উত্তৰ দিয়ে re-tendering হ'ব। কিন্তু আজিলৈ ১৫ বছৰে এই ২৫ লাখ টকাৰে অফিচটো repairing ও নকৰিলে আৰু অফিচাৰো গৈ নবহিলে। গতিকে এতিয়া এই প্ৰশ্নত ইয়াৰ আগতে ৭ ফেব্ৰুৱাৰী, ২০২৪ ত ক'লে যে এইটো repairing ৰ কাৰণে ২৫ লাখ sanction কৰা হৈছে। আজি আকৌ কৈছে যে but it was dropped due to non sanctioning of the fund. এইটো এটা উদাহৰণ। দুই নং উদাহৰণ, অসমৰ প্ৰতিটো ADO ৰ under ত এটাকৈ Knowledge centre বনোৱাৰ কথা প্ৰস্তাৱ ল'লে। মোৰ বাঘবৰত তিনিটা ADO আছে কিন্তু এটা Knowledge centre sanction দিয়া বুলি ক'লে। তাৰো কিন্তু কাম আৰম্ভ হোৱা নাই। মই সদায় প্ৰশ্ন কৰি থাকো আৰু বিভিন্ন সময়ত বিভিন্ন উত্তৰ দিয়ে। ২০২৪ ৰ ফেব্ৰুৱাৰীত উত্তৰ দিলে যে previous contractor refused to execute the work. So, re- tender done on 24 January 2024, bid evaluating is going on. কিন্তু আজি আকৌ উত্তৰ দিছে যে a knowledge centre at Alupati by re-allocating one centre from Sibsagar.But the NABARD guideline does not allow for inter-district re-allocation.If the Minister use to continue giving shit like answer, better we don't submit it.------হুলস্থুল------

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই shit শব্দটো বাদ দিব লাগে। Shit শব্দটোৰে কি বুজাইছে, আমাক বুজাই দিয়ক। --- -----হুলস্থুল-----

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** This is really shit.আপুনি যদি কাম নকৰে কৈ দিয়ক। আমি প্ৰশ্ন নকৰোঁ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক কি লাগে, আপুনি সেই প্ৰশ্নটো কৰক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, পূৰ্ব গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনৰ এটা মৰ্য্যাদা আছে। যি তি শব্দ ইয়াত ব্যৱহাৰ কৰিবলৈ দিব নোৱাৰোঁ। গতিকে এই শব্দটো expunge কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই শব্দটো expunge কৰা হ'ল।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় মন্ত্ৰীয়ে এবাৰ ক'লে sanction হ'ল
---interruption---

**মাননীয় অধ্যক্ষ ঃ** আপুনি ভালদৰে প্ৰশ্নটো কৰক যে আপুনি কি বিচাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ ----------**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া question no-86, শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি please বহক। আপুনি যিটো ক'লে সেইটো কোনো প্ৰশ্নই নহয়, তাৰ কি উত্তৰ থাকিব? ---হুলস্থুল-------

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন আজি আনিছিলো সেইটোৰ উত্তৰ পাইছো কিন্তু গণতান্ত্ৰিক ব্যৱস্থাটোত সংবিধানে আমাক তিনিটা স্তম্ভ দিছে আৰু এই তিনিটা স্তম্ভক আমি সকলোৱে সন্মান কৰো- Legislature, Judiciary, Executive কিন্তু আমাৰ গণতন্ত্ৰত সংবাদ মাধ্যমক এটা চতুৰ্থ স্তম্ভ বুলি ক'ব বিচাৰে আৰু আমি সকলোৱে এইটোৰ মান্যতা দি আহিছো। সংবাদ মাধ্যমৰ জৰিয়তে জনগণৰ মনৰ খবৰ আমি পাওঁ। আজি মোৰ যিটো প্ৰশ্ন, যদিও মই সংবাদ মাধ্যমৰ পৰা অলপ দূৰত থাকো, এই প্ৰশ্নটো আজি মই এইকাৰণেই আনিছো যে তেওঁলোকে মোক এবাৰ লগ কৰিছিলে। যোৰহাট জিলা সাংবাদিক সন্থাই মোক এটা প্ৰশ্ন শুধিছিলে মই দেখিলো যে এইটো প্ৰশ্ন মই চৰকাৰৰ পৰা লোৱাৰ পাছতহে উত্তৰ দিবলৈ সক্ষম হ'ম। সেইকাৰণে মই প্ৰশ্নটো কৰিছো যে সাংবাদিকৰ ক্ষেত্ৰত কিমানে প্ৰাণ

হেৰুৱাইছে সেই সংখ্যাটো সন্থাই দিছে মোক৩৪ জন। কিন্তু আজি আমাক যিটো উত্তৰ দিছে তাত কৈছে ১৪ জন সাংবাদিকে আততায়ীৰ হাতত প্ৰাণ দিছে। মোক দিয়া চাৰ্টখন মই মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে পঠিয়াই দিম যাতে তেওঁ এইখন চেক কৰিব পাৰে আৰু যদি শুদ্ধ হৈছে তেতিয়াহ'লে সেইখিনি আমি তেওঁলোকক জনাই দিয়া ভাল যে এইখিনি কেচ এতিয়াও আমাৰ হাতত নাই। এতিয়া মই লগতে এটা কথা শুধিব বিচাৰিছো যে আমি যিটো তথ্য আজি পাইছো তাৰে দুটা কেচ CBI ৰ হাতলৈ গৈছিল- পৰাগ দাস আৰু অনিল মজুমদাৰ যদিহে মোৰ নামটো ভুল হোৱা নাই। কিন্তু CBI য়ে এইটোৰ final report কিবা দিলেনে নাই এই কথাটো কোৱা নাই। এইটো ক'লে ভাল হ'ব। বাকীখিনিৰ ক্ষেত্ৰতো যি ১২ জনৰ কথা ইয়াত দিছে তেওঁলোকৰ কিছুমান কেচ drop হৈছে নেকি, evidence নোপোৱাৰ ফলত সেই কথাটো মই অলপমান clear কৈ আপোনাৰ পৰা জানিবলৈ পালে ভাল পাম।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া। তেখেত এজন খুব সন্মানীয় সদস্য, তেখেতে অধ্যক্ষও আছিলে, মোৰ ক'বলৈ অলপ অসুবিধা হৈছে। যেতিয়া তেখেতে প্ৰশ্নটো আনিছিলে আৰু মোৰ বিভাগৰ পৰা উত্তৰ দিলে যে তাৰ উত্তৰ আমাৰ হাতত নাই। কাৰণ এইটো related to Home Department. তথাপিও মই ক'লো যে যিহেতু তেখেত যথেষ্ঠ সন্মানীয় সদস্য, গতিকে মই তেখেতক তেনেকৈ উত্তৰ নিদিওঁ। Home Department ৰ পৰা উত্তৰ আনি হ'লেও দিম। গতিকে অধ্যক্ষ ডাঙৰীয়া, Home Department য়ে আমাক ক'লে যে এই মুহূৰ্তলৈকে ১৪ জন সাংবাদিক আততায়ীৰ হাতত নিহত হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিখিনি প্ৰশ্ন মোক কৰিছে, মই আকৌ এবাৰ Home Department ৰ লগত আলোচনা কৰিম আৰু পৰৱৰ্তী সময়ত যদি কিবা ক'বলগা থাকে, নিশ্চয়কৈ আপোনাক জনোৱা হ'ব।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধ্যনবাদ দিছো। লগতে পেঞ্চনৰ যিটো কথা সেইটো আপোনালোকৰ বিভাগৰ পৰা হয় নে Home Department ৰ পৰা হয়?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** আমাৰ বিভাগৰ ফালৰ পৰা হয়।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেতিয়াহ'লে সেই ক্ষেত্ৰত যিটো পেঞ্চন দিছে সকলোকে একেই দিয়ে নেকি, ৮০০০ টকা মাহেকত? মই ভাৱো এইটো অলপ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিলে ভাল যদি অলপ এইটো increase কৰিব পাৰি। তেতিয়া তেওঁলোকে অলপ সুবিধা পাব। তেওঁ ঢুকালে তেওঁৰ পৰিবাৰে মাত্ৰ ৪০০০ টকা পায়। এই কথাখিনি তেখেতসকলে জনাইছে। মই সংবাদ মাধ্যমক ভাল পাওঁ বা বেয়া পাওঁ আমি সদায় সন্মান দিবই লাগিব কাৰণ আমি গণতন্ত্ৰত আছো। গতিকে এই কথাটো আপুনি যদি কেতিয়াবা চায় আৰু সংখ্যাটোও বহুত কম হয়, বছৰি মাত্ৰ ১০ জনমানেহে পায়, সাংবাদিক বহুত আছে, গতিকে তেওঁলোকৰ সংখ্যাটো অলপ বঢ়াব পাৰি নেকি সেইটো চালে মই সুখী হ'ম।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনসংযোগ বিভাগে ১৪০ জন

সাংবাদিকক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰত্যেক বছৰে আমি ২০ জনকৈ সাংবাদিকক select কৰো আৰু ৮০০০ টকাকৈ পেঞ্চন দিওঁ। এতিয়ালৈকে ইয়াৰে ১১ জন সাংবাদিক মৃত্যু মুখত পৰিছে। গতিকে ১১ জন সাংবাদিকৰ পৰিয়ালে ৪০০০ টকাকৈ পায় আৰু ১২৯ জন ৮০০০ টকাকৈ পায়। সন্মানীয় সদস্য গৰাকীৰ যিটো পৰামৰ্শ সেইটো মই আন্তৰিকতাৰে গ্ৰহণ কৰিছো। এই ক্ষেত্ৰত ভৱিষ্যতে আৰু অলপ পেঞ্চন বঢ়াব পাৰো নেকি তাৰকাৰণে seriously চিন্তা কৰিম বুলি মই সদনক আশ্বস্থ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং -৮৭, শ্ৰী আব্দুল ৰহিম।

**শ্ৰী কৌশিক ৰায়,মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ৰেচন কাৰ্ডলৈ। উত্তৰটো মই পাইছো যে বৰপেটা জিলাত ১৪, ০৯,৭৩৪ জন হিতাধিকাৰীক লৈ ৩,৮৮,২৩৭ টা পৰিয়ালক সামৰি লৈছে, গোটেই ৰেচন কাৰ্ড মিলাই। এতিয়াও বৰপেটা জিলাত বাদ পৰিছে ৬৮৬১ টা পৰিয়াল। এতিয়া মই আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক শুধিব খুজিছো যে আমি যিটো অভিযোগ পাই আছো যে যিটো পৰিয়ালত ৪ জনতকৈ কম সদস্য আছে,তেওঁলোকৰে যিমানে ৰেচন কাৰ্ড apply কৰিছিলে, তাৰে maximum ration card drop কৰি দিয়া হৈছে। গতিকে যিহেতু এতিয়াও ৬০০০ ৰ ওপৰত পৰিয়াল নতুনকৈ লোৱাৰ ব্যৱস্থা আছে, কিমান দিনৰ ভিতৰত এই ৪ জনতকৈ কম সদস্য থকা পৰিয়াল সমূহক NFSA ৰ অধীনত নতুনকৈ ৰেচন কাৰ্ড লোৱাৰ ব্যৱস্থা কৰিব এই কথাটো মন্ত্ৰী ডাঙৰীয়াই জনাব লাগে কাৰণ ইতিমধ্যে কোৱা হৈছে যে অসমত প্ৰায় ৬ লাখতকৈ অধিক নতুন কাৰ্ড সামৰি লোৱাৰ বাবে ব্যৱস্থা আছে। গতিকে আমাৰ বৰপেটা জিলাৰ এই ৬ হাজাৰৰ ওপৰৰ যি পৰিয়াল drop হৈছে এই পৰিয়াল সমূহক কেতিয়া সামৰি লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৌশিক ৰায়, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যোৱা ডিচেম্বৰ মাহৰ ১৫ ডিচেম্বৰ, ২২ ডিচেম্বৰ আৰু ২৮ ডিচেম্বৰ তাৰিখত তিনিটা phase ত ৰেচন কাৰ্ড দিয়াৰ যি প্ৰক্ৰিয়া গোটেই অসমৰ ১২৬ টা বিধান সভা সমষ্টিত কৰিছো। অসমৰ কেবিনেটৰ এটা সিদ্ধান্ত আছিল যে অৰুণোদয়ৰ কামটো চলি আছে আৰু যিসকলৰ ৰেচন কাৰ্ড আছে তেনেকুৱা পৰিয়ালক আমি অৰুণোদয় দিম। আমি দেখা পাইছো যে বহুত ৰেচন কাৰ্ড থকা হিতাধিকাৰীয়ে ৰেচন পাই আছিল কিন্তু ৰেচনটো partition কৰাৰ কাৰণে তেওঁলোকে আবেদন কৰিছে। এতিয়া আমি বেলেগ ৰেচন কাৰ্ড ল'ব পাৰো। সেইকাৰণে Food and Civil Supply বিভাগৰ Inspector বিলাকৰ পৰা ভেৰিফিকেশ্যন লোৱাৰ পিছতহে এইসকলক ৰেচন কাৰ্ড দিয়াৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। বৰপেটা জিলাতো আমি ১২,৯৯৮ নতুন ৰেচন কাৰ্ডৰ জৰিয়তে ৫৭,২০৬ গৰকী হিতাধিকাৰী সামৰি লৈছো। বিধায়ক ডাঙৰীয়াই কৈছে যে আৰু ৬ লাখ ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা আমাৰ আছে। অসম মন্ত্ৰী সভাই অনুমোদন দিলে অহা দিনত আমি এইটো সম্পূৰ্ণ কৰিম।

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ specific প্ৰশ্নটো আছিল যে মেক্সিমাম ক্ষেত্ৰত ৪ জনতকৈ কম সদস্য থকা পৰিয়ালে apply কৰিলে reject কৰা হৈছে।

গতিকে এইটো intentionally কৰা হৈছে নেকি এই বিষয়টো মাননীয় মন্ত্ৰী মহোদয়ে ভালকৈ উত্তৰ দিব লাগে আৰু এটা কথা হৈছে বহু সমবায়ত দেখা গৈছে যে নতুন সদস্য ৰেচন কাৰ্ডত add কৰাৰ যিটো বিধান বা নতুন সদস্যক সাঙুৰী লোৱাৰ যিটো ব্যৱস্থা এইটোত কিছুমান সমবায়ত monopoly কৈ এটা টাৰ্গেট দিয়া হৈছে আৰু কিছুমান সমবায়ৰ পৰা যি পৰিয়ালে ৰেচন পাই আছে সেই পৰিয়ালৰ নতুন সদস্যক সাঙুৰী লোৱাৰ ব্যৱস্থাটো তেওঁলোকক দিয়াই নাই, টাৰ্গেটেই দিয়া নাই। এনেকুৱা বৈষম্য কিয় হৈছে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে ভালকৈ তদন্ত কৰি ৪ জনতকৈ কম থকা পৰিয়াল সমূহক নতুনকৈ আকৌ ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু যিবিলাক সমবায়ত নতুন সদস্য add কৰাৰ যিটো provision এইটো কেতিয়ালৈকে কৰিব এই কথাৰ উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ে দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪ জনৰ কম সদস্যৰ পৰিয়ালে ৰেচন কাৰ্ড নোপোৱাকৈ থকা নাই। আমি single person কো ৰেচন কাৰ্ড দিয়াৰ চেষ্টা কৰিছো আৰু দিছো।

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪ জনৰ কম সদস্য থকা বহু পৰিয়াল deprive হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে প্ৰয়োজন হ'লে তদন্ত ঘোষণা কৰক, সদন কমিটি বনাওঁক আৰু ইয়াৰ এটা সুব্যৱস্থা কৰক। এইটো intetionally কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰটো দিবলৈ দিয়ক।

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে অস্বীকাৰ কৰি আছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰত্যাহ্বান জনাইছো যে এনেকুৱা হাজাৰ হাজাৰ উদাহৰণ আছে। বৰপেটা জিলাত শ শ পৰিয়াল আছে।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেৱল বৰপেটা জিলাতে নহয় অসমৰ বিভিন্ন জিলাত এনেকুৱা হৈছে যে single member family ক আমি ৰেচন কাৰ্ড দিয়া নাই। কিন্তু বহু ঠাইত যিসমূহ genuine পোৱা গৈছে তাত আমি দিছো। অসমৰ গোটেই জিলাত single, double বা তিনিজন মেম্বাৰ থকা পৰিয়াল ও cancel হৈছে আৰু দিয়াও হৈছে। য'ত ভেৰিফিকেশ্যন কৰি আমি সকলো ঠিক পাইছো তাত দিয়া হৈছে। কিন্তু কোনো মানুহে আগত ৰেচন পাই আছিল এনেকুৱা মানুহৰ ৰেচন বন্ধ হৈছে এনেকুৱা হোৱা নাই। তেওঁলোকে যি origianl parent ration card আছিল সেই কাৰ্ডৰ পৰা ৰেচন পাই আছে। আমাৰ জিলা সমূহৰ যি টাৰ্গেট আছিল, আমাৰ cooperative ক টাৰ্গেট দিয়া হোৱা নাছিল। আমি GP wise টাৰ্গেট দিছিলো। সেইকাৰণে মই কৈছো যে অসম মন্ত্ৰী সভাই অনুমোদন জনালে আমি ৬ লাখ নতুন ৰেচন কাৰ্ড দিব পাৰিম।

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি ভুৱা হিতাধিকাৰী হয় আমাৰ ক'বলগীয়া নাই। তেওঁলোকৰ উচিত তদন্ত কৰি বিহীত ব্যৱস্থা লওঁক।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভুৱা হিতাধিকাৰী কোৱা নাই।

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বিধায়ক, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিন্তু মই বাৰম্বাৰ অনুৰোধ কৰিছো ৪ জনতকৈ কম সদস্য থকা বহু দৰিদ্ৰ পৰিয়ালে ৰেচন কাৰ্ডৰ কাৰণে আবেদন কৰাৰ পিছতো তেওঁলোকে ৰেচন কাৰ্ড পাবলৈ সক্ষম হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। ইয়াৰ উপৰিও মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিহেতু নতুনকৈ দায়িত্ব লৈছে গতিকে তেওঁ এই গোটেই বিষয়টোৰ ওপৰত কিমানখিনি উপলব্ধি কৰিব পাৰিছে মই নাজানো। কিন্তু তেওঁ এই বিষয়টো উপলব্ধি কৰিবলৈ চেষ্টা কৰি আছে বুলি মোৰ অনুমান হয়। মোৰ কথাটো হ'ল বৰপেটা জিলাত ৬৮৬১ টা পৰিয়ালক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল। গতিকে এই পৰিয়াল সমূহক অন্তৰ্ভুক্ত কৰাৰ পৰা কোনে বাদ দিলে বা কি কি পদ্ধতিত তেওঁলোকক বাদ দিয়া হ'ল এই গোটেই বিষয়টোৰ ওপৰত তেখেতে কাৰ লগত আলোচনা কৰিলে। যোগান বিভাগৰ কিছুমান বিষয়াই তেওঁলোকৰ ইচ্ছা মতে এই পৰিয়াল সমূহক বাদ দিছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাব বিচাৰিছো যে কিছুদিন আগতে বৰপেটা জিলাৰ যোগান বিভাগটো এনেকুৱা এটা পৰ্য্যায়লৈ গৈছে যে তেওঁলোকে দালালৰ লগত হে সম্পৰ্ক ৰক্ষা কৰি চলে। কিন্তু বৰ্তমান আয়ুক্ত ডাঙৰীয়াই এই দালাল ৰাজটো বন্ধ কৰিছে। আমাৰ গাৰ্জেন মিনিষ্টাৰ ডাঙৰীয়াইও এই বিষয়ে জানে। মোৰ কথা হ'ল যে যোগান বিভাগত যি দালালৰাজ চলাই মানুহৰ পৰা টকা-পইচা লৈ ৰেচন কাৰ্ড বনাইছিল আৰু সেই দালালৰাজৰ কৱলত ৬৮৬১ টা পৰিয়াল ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হ'ল। গতিকে যোগান বিভাগত যিসকলে দীৰ্ঘদিন ধৰি এই কামখিনি কৰি আছে তেখেতসকলৰ ওপৰত এটা তদন্ত হ'ব লাগে। এই ৬৮৬১ টা পৰিয়ালক কোনে বাদ দিলে বা কি পদ্ধতিত বাদ দিয়া হ'ল এইবিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত ঘোষণা কৰিব লাগে।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগত ৰেচন কাৰ্ড দিয়াৰ ক্ষেত্ৰত বাচনিৰ এটা পদ্ধতি আছে। আমাৰ বিভাগত এখন C-form আছে আৰু এই ফৰ্মখনতেই হিতাধিকাৰী সকলে ৰেচন কাৰ্ডৰ বাবে আবেদন কৰিব লাগে। ৰেচন কাৰ্ড আবেদনৰ বাবে দুটা .ব্যৱস্থা আছে। এটা হৈছে New inclusion আৰু আনটো হৈছে New inclusion in old ration card.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আৰু মন্ত্ৰী ডাঙৰীয়া, যোগান বিভাগত থকা লোকসকলে কাৰো কথা নামানে। এই বিষয়টোৰ সম্পৰ্কত মাননীয় অভিভাৱক মন্ত্ৰী ডাঙৰীয়াই জানে। তাত যোগান বিভাগে নিজৰ ইচ্ছামতে দালালৰ জৰিয়তে কাম কৰি আছে। বৰপেটাৰ কোনো বিধায়ক ইয়াত জড়িত হৈ থকা নাই।

**শ্ৰী কৌশিক ৰায়, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিষয়টোত আপোনালোক কিয় জড়িত নহ'ল?

শ্ৰী **আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক জড়িত কৰাই নাই।

..................................সদনত হুলস্থুল........................................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ দিয়ক।

..................................সদনত হুলস্থুল........................................

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ যিগৰাকী যোগান বিষয়া আছে তেওঁৰ ওপৰত তদন্ত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে এজন এজনকৈ কওঁক। আৰু এক মিনিট সময় আছে। ইয়াৰ পিছৰ প্ৰশ্ন নং ৮৮।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি লাহৰীঘাটৰ

যিসকল লোকে খেতি-বাতি কৰি চলি আছে তাত কোনো ধৰণৰ শীতল ভঁৰাল দিয়া হোৱা নাই। আপুনি যদি চাই তেন্তে তাৰ বেছিভাগ খেতিয়কেই বিলাহী ......................

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাত মই সন্তুষ্ট হোৱা নাই। যোৱা এবছৰ আগতে যে মোৰ সমষ্টিৰ খাৰুপেটীয়াত The Assam State Marketing Board ৰ অন্তৰ্গত এটা cold storage স্থাপন কৰিছিল যদিও সেইটো আজিলৈকে কাৰ্যকৰী হোৱা নাই। মোৰ দলগাওঁ সমষ্টিত ইউৰিয়াৰ নাটনি হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘন্টাৰ সময় অন্ত পৰিল।

Point of Order.

**শ্ৰী আমিনুল ইছলাম, ধিং (জ্যেষ্ঠ)ঃ** আমাৰ প্ৰশ্নৰ উত্তৰবিলাকত A, B, C, D এনেদৰে কিছুমান anexure আৰু online কিছুমান link দিয়া হয় ।কিন্তু online ত বিচাৰিলে এইটো খোলা নাযায়। এই সম্পৰ্কত মই NeVA ৰ অফিচতো কেইবাবাৰো গৈছো। কিন্তু তেওঁলোকেও খুলি দেখুৱাব পৰা নাই। প্ৰশ্নৰ anexure বিলাক যদি আমি ৩-৪ দিনলৈ চাব নোৱাৰো তেন্তে কি হ'ব ছাৰ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ............

(সদনত হুলস্থূল)

(Nothing will go on record)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া, মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা special motion আৰু এটা breach of privilege দিছিলো। এই দুটাৰ বিষয়ত আপোনাৰ পৰা মতামত বিচাৰিছো।

(সদনত হুলস্থূল)

(House adjourned for 15 minutes)

**(মাননীয় উপাধ্যক্ষ মহোদয়ে ১০-৫০ বজাৰ পৰা পুনৰ সদনৰ কামকাজ আৰম্ভ কৰে)**

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য এজনে racial statement দিছে, এইটো এটা যাতে পৰম্পৰা নহয়। আমাৰ এই পবিত্ৰ সদনত তাৰ কাৰণে তেখেতে ক্ষমা খুজিব লাগে। যদি ক্ষমা নোখোজে, পিছটো এনেকুৱা racial statement বোৰ continue হৈ থাকিব আৰু সদনৰ কাৰণে এটা বেয়া পৰম্পৰা হ'ব। দ্বিতীয়তে সদনত ভুল উত্তৰ দিয়াটো বন্ধ কৰিব লাগে। কৰিব নোৱাৰিলে নোৱাৰো , ন'হব তেনেকৈ উত্তৰ দিলে ভাল। ভুল উত্তৰবোৰ দি থাকিব নালাগে। এই বিষয় আপুনি ব্যৱস্থা ল'ব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আমি দুখন notice দিছিলো, এখন breach of privilege আৰু এখন sense of motion এই বিষয়ে কিবা সিদ্ধান্ত লৈছে নেকি, বা ল'ব নেকি এই বিষয়ে জনালে ভাল পাম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ডাঙৰীয়া, বিৰোধী দলৰ পৰা আমি এটা -- প্ৰস্তাৱ পাইছো মন্ত্ৰী অশোক সিংঘল ডাঙৰীয়াৰ বিৰুদ্ধে ।এইটো আমি প্ৰেৰণ কৰিছো অশোক সিংঘল ডাঙৰীয়াৰ মতা-মতৰ কাৰণে। পৰৱৰ্তী সময়ত ইয়াৰ ওপৰত সিদ্ধান্ত লোৱা হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, লগতে এটা breach of privilege আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো ইতিমধ্যে expunge কৰিছে, তেওঁৰ শব্দটো, গতিকে এইটোত আৰু বেছি লাগি থাকিব নালাগে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে সদনত ক্ষমা খুজিব লাগে, তেখেতে ক'ব কিয় তেনেকে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নি)** ঃ ছাৰ, যদি ক'বলৈ দিয়ে মই এটা কথা ক'ব বিচাৰিছো। Hon'ble Supreme Court of India ৰ পৰা Order ওলাইছে, তাত স্পষ্ট কৈ কৈছে যে মিঞাঁ-তিঞাঁ, পাকিস্তানী এই শব্দবোৰ unparliamentary নহয়, আৰু এইবোৰ ক'ব পাৰি।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক বহক, সকলো বহক। মিঞাঁ শব্দটো আমাৰ শ্বেৰমান আলি ডাঙৰীয়া, আপুনি সদনত মিঞাঁ শব্দটো support কৰে নেকি?

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আমি যিখিনি unparliamentary বুলি গন্য কৰিম, সকলো ষ্টেটমেন্ট আমি expunge কৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো প্ৰসংগ কৈছে এই প্ৰসংগত চুপ্ৰিম কোৰ্টে কৈছে, In poor taste অৰ্থাৎ এটা বেয়া শুনাই, কিন্তু বহুতৰ উপাধি থাকে তেনেকুৱা। আগতে তেনেকুৱা উপাধি আছিল, গতিকে কেনেকুৱা প্ৰসংগত কৈছে তাৰ ওপৰত নিৰ্ভৰ কৰিব। মানুহৰ উপাধি যদি থাকে সেইটো সলনি কৰিব নোৱাৰি আৰু অসমীয়াটো এনেকুৱা কিছু উপাধি আছে, যিটো অন্য ঠাইত বেয়া বুলি কোৱা হয়, সেই গতিকে তেওঁ কথাটো ক'বলৈ কেনেকৈ সাহস কৰিলে, এনেকুৱা ধৰণে কোৱা উচিত নাছিল, সেই গতিকে এনেকুৱা নকৰিবলৈ অনুগ্ৰহ কৰি ভৱিষ্যতলৈ আপুনি সতৰ্ক কৰি দিব লাগে।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৮৫ চনৰ পৰা এই সদনত বিধায়ক হৈ আছো। আজিলৈকে Cheat শব্দটো ১২৬ জন বিধায়কৰ কোনো এজন বিধায়কৰ মুখত ওলোৱা নাই। সেই কাৰণে Cheat শব্দটো ওলোৱাৰ পিছতেই এই ঘটণাটো হৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ এই শব্দটো expunge কৰি দিয়া হৈছে, আৰু সতৰ্ক কৰি দিয়া হৈছে, যাতে ভৱিষ্যতে এনেকুৱা ধৰণৰ মন্তব্য বিলাক দিয়াৰ পৰা দূৰত থাকে। এতিয়া শূণ্যকালীন ঘন্টা আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৈছিলো এই সদনত প্ৰত্যেকবাৰেই misleading, ভুল উত্তৰ দি থকা হয়, এতিয়া breach of privilege আনিও লাভ নহয়। গতিকে এইটোক Cheat বুলি নকয় কি বুলি কম।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ বহক, বহক, সকলো বহক। আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি শূণ্যকালীন ঘন্টাত আপোনাৰ জৰিয়তে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীক যোৱা ৩ মাৰ্চ তাৰিখে অগ্ৰদুত কাকতত প্ৰকাশিত নগাওঁত ১১ মাহত আবেদন কৰিও কামৰ পৰা বঞ্চিত ২৫ হাজাৰ ৯৩৫ গৰাকী জৰ কাৰ্ডৰ শ্ৰমিক এনেৰেগাৰ কামৰ পৰা বঞ্চিত জৰ কাৰ্ডৰ শ্ৰমিক শীৰ্ষক বাতৰিটো দৃষ্টিগোচৰ কৰিব বিচাৰিছো, আৰু ইয়াতে

এনেৰেগাৰ কামত যিটো দেখা পাইছো, যোৱা প্ৰায় ৮-৯ মান আমাৰ পঞ্চায়তৰ PRI member সকল নাই, পঞ্চায়ত সভাপতি, AP member তেওঁলোকৰ কাৰ্য্যকাল উকলি গ'ল। এতিয়া যি অৰাজকতা এটা চলি আছে বিভাগত, আমি দেখিছো যে MGNREGA Scheme বিলাক লওঁতে মানে need based স্কীম বিলাক যিবিলাক ৰাইজৰ দৰকাৰ তেনেকৈ লোৱাতকৈ এইয়া যে কিছুমান বিভাগৰ যি সকল বিষয়া কৰ্মচাৰী তেওঁলোকে নিজস্ৰ খিয়ালখুচি মতে এনেকুৱা স্কীম বিলাক লোৱা হৈছে। যিবিলাক হয়টো কম কাম কৰিলেও বেছিকৈ টকা ধৰিব পাৰি বা এটা স্কীম সম্পুৰ্ণ হোৱাৰ পিছত সেই স্কীমৰ নামটো সলনি কৰি বেলেগ নাম দি একে স্কীমটো দেখুৱাও তেনেধৰণৰ কিছুমান অৰাজকতা চলি আছে বুলি আমি ইয়াত পাইছো। আৰু যোৱা ১১ মাহত মানে নগাওঁ জিলাত প্ৰায় ৩, ৭১,৩১৯ জৱ কৰা শ্ৰমিক আছে, ৩,৭১,৩১৯ ৰ ভিতৰত ৩, ৪৫,৩৮৪ গৰাকী জৱ কৰা শ্ৰমিকে apply কৰিছিল । কিন্তু দেখা গ'ল তাৰ ভিতৰত ২৫, ৯৩৫ গৰাকীয়ে কামে নাপলে তেওঁলোক বঞ্চিত হ'ল আৰু এম জি এনেৰেগাৰ গাইড লাইন মতে যি সকলে কাম বিচাৰে, তেওঁলোকক কাম দিব লাগিব ১০০ দিনৰ কামৰ গেৰাণ্টি ইয়াত থাকে। কিন্তু দেখা গ'ল যে এই ১০০ দিনৰ কামৰ গেৰাণ্টিটো পিছৰ কথা যোৱা এটা বছৰত নগাওঁ জিলাত মাত্ৰ ১,৫৭৩ জন, তেওঁলোকে মাত্ৰ ১৫৭৩ জনে ১০০ দিনৰ কাম পালে। ৩ লাখ ৭৩ হাজাৰৰ ভিতৰত। গতিকে এই মাত্ৰ ১৫৭৩ জনে পালে বাকী আৰু এইটো হায়েন্ত পাইছে বতদ্ৰৱা ব্লকত, ৭৩৩ জনে ১০০ দিনৰ কাম পাইছে। আৰু বাজিয়াৰা ব্লকত মাত্ৰ এজনে পাইছে, দলংঘাট ব্লকত ২০ জনে বঢ়মপুৰ ব্লকত ৮২ জনে , জুৰীয়া ব্লকত ৭৪ জন, কলিয়াবৰত ১২ গৰাকী, কঠীয়াতলিত ২৯ গৰাকী, খাগৰিজানত ১৮১ গৰাকী, লাওঁখোৱাত ২৪০ গৰাকী, পশ্চিম কলিয়াবৰত ৮ গৰাকী, পাখীমুড়ীয়াত ৫২ গৰাকী। এনেকে এই কেইজনে মাত্ৰ ১০০ দিনৰ কাম পাইছে। বাকী ২৬,৭ ৭৭ জনে তেওঁলোকে কামে নাপালে। মাননীয় উপাধ্যক্ষ মহোদয়, গাওঁ অঞ্চলৰ যিখিনি unskill labourer আছে যাতে তেওঁলোকে ১০০ দিনৰ কামৰ নিশ্বয়তা পায়। কিন্তু ইয়াৰ ওলোটা ছবি খনহে আমাৰ নগাওঁ জিলাত দেখা পোৱা গৈছে লগতে নগাওঁ জিলাত বুজন পৰিমানৰ ভূৱা Job Card আৰু অস্তিত্বহীন Job Card দেখা পোৱা গৈছে। কিছুমান ধনী মানুহৰ নামতো Job Card বনাই থোৱা হৈছে। যি সকলে কোনো কাম নিবিছাৰে। চৰকাৰৰ বিভাগে এতিয়ালৈকে ভূৱা আৰু অস্তিত্বহীন Job Card বিলাক এতিয়ালৈকে বন্ধ কৰা নাই। ইয়াৰোপৰি কিছুমান ক্ষেত্ৰত দেখা যায় যে পঞ্চায়তৰ প্ৰতিনিধিৰ হাতত ১৫০/২০০ Job Card থকা দেখা যায় আৰু যেতিয়াই কিবা কাম থাকে তেতিয়া তেওঁলোকে এই Job Card বোৰ দেখুৱাই পইছাটো আদায় কৰে। কিন্তু যি জন আচল Job Card Holder তেওঁ গমেই নাপায় যে তেওঁৰ কাৰ্ড ক'ত ব্যৱহাৰ হৈ আছে আৰু কোনে ব্যৱহাৰ কৰি আছে। এই অৰাজগতা বিলাকৰ কাৰণে নগাওঁ জিলাত MGNREGA ৰ কাম বোৰৰ অতি ক'ম পৰিমানে হৈছে। ৩লাখ ৭১ হাজাৰ যি Job Card Holder আছে তেওঁলোকৰ বেছিভাগে আজি কালি কাম নাপায় বা কাম কৰিবলৈ আগ্ৰহী নহয় কাৰণ তেওঁলোকে মাত্ৰ ২২৯ টকা পায়। কাৰণ যদি তেওঁলোকে বাহিৰত অন্য কাম কৰে তেতিয়া হ'লে ৫০০/৬০০ টকা হাজিৰা পায়। ইয়াত যিহেতু হাজিৰা বহুত ক'ম পাই আৰু কাম বিচাৰি ফুৰিব লগিয়া হয় তাৰ বাবে MGNREGA আঁচনিখন নগাওঁ জিলাত ধোৱা চাঙত উঠা বুলি কব পাৰি। গতিকে মই মন্ত্ৰী মহোদয়ক এই কথাটো জনাব বিচাৰিছো যে এই বিষয়ত তেখেতে নজৰ দিয়ে আৰু লগতে যিবোৰ ভূৱা আৰু অস্থিতহীন Job Card বোৰ নোহোৱা কৰি তাৰ ঠাইত যিবোৰ মানুহৰ সচাকৈ Job Card ৰ প্ৰয়োজন আছে আৰু যিয়ে কাম কৰিব বিচাৰে

তেওঁলোকৰ নামত Job Card Issue কৰিব লাগে। ইয়াৰ লগে লগে বিল, জলাশয় উন্নয়ন, মাটি পেলোৱা, বৃক্ষ ৰোপণ, খহনীয়া প্ৰতিৰোধ আদিৰ দৰে নাম দি কিছুমান আঁচনি লোৱা হৈছে, যিবোৰ কামৰ অগ্ৰগতি কেতিয়াও দৃষ্টিগোচৰ নহয়। এইবিলাক কামৰ পৰা ৰাইজৰ বিশেষ কোনো উন্নয়ন নহয়। গতিকে আমি যি দৰে শ্ৰমিক সকলৰ ১০০ দিনৰ কাম পোৱাটোৰ নিশ্চয়তা কৰিব বিচাৰিছো ইয়াৰ লগে লগে য'ত ৰাইজৰ প্ৰয়োজনীয় কাম কৰিব লগিয়া আছে, ৰাস্তাৰ প্ৰয়োজন আছে কিন্তু ৰাস্তাটো আমি এই আঁচনি ধৰিব নোৱাৰো, কিন্তু ৰাস্তা বিলাক ইমান বোকাময় হৈ আছে তাত বোলে এইবোৰ ধৰিব নোৱাৰি, লগতে কৰবাত স্কুলৰ উন্নয়নৰ প্ৰয়োজন আছে, কৰবাত ৰাস্তাৰ মাজত পুখুৰী সদৃষ গাত হৈ আছে সেইবোৰ বোলে কৰিব নোৱাৰি কাৰণ Guideline য়ে এইবোৰৰ অনুমতি নিদিয়ে। কৰবাত যদি খহনীয়াত ৰাস্তা ভাঙি গৈছে তাক মেৰামতি কৰিব নোৱাৰি বা কৰবাত যদি বাহৰ কিবা চাং ৰ প্ৰয়োজন আছে এই বোৰ বোলে কৰিব নোৱাৰে Guideline অনুসৰি। যিবোৰ Need base কাম আছে, যিবোৰৰ পৰা ৰাইজৰ উপকাৰ হয় সেইবোৰ যদি Guideline মতে কৰিব নোৱাৰে কিন্তু অন্যহাতে এনেকুৱা কিছুমান আঁচনি লোৱা হয় যৰ পৰা এজনো মানুহৰ উপকাৰ নহয়। গতিকে এই কথা বিলাক আমি চিন্তা কৰাটো দৰকাৰ কাৰণ ইয়াত টকাৰো অপচয় হৈ আছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক আগতে কৈছিলো যে সদনৰ পৰা এটা প্ৰস্তাৱ লৈ অসমত যিবোৰ আঁচনিৰ অতিকে দৰকাৰ সেইবো আঁচনিহে যাতে ভাৰত চৰকাৰে Guidelineত ধৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ Hon'ble Minister Job Guarantee and Utilization of momey.

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰী অমিনুল ইছলাম (জেষ্ঠ) ই আজি শূন্য কালিন ঘন্টাত যিটো বিষয় উথাপন কৰিছে যে MGNREGA ৰ কামৰ পৰা বঞ্চিত শ্ৰমিক। এই বিষয়টো আনাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। তেখেতৰ বক্তব্যৰ মাজত এখাৰ কথা কৈছে যে আমাৰ MGNREGA শ্ৰমিক সকলক মাননী দিয়া হয় ২৪৯ আৰু তাৰ বিপৰিতে বাহিৰত কাম কৰিলে বহুত বেছি পইছা পাই, এই কথাটো তেখেতে নিজে স্বীকাৰ কৰিছে তাৰ বাবে আমি ভাল হে পাব লাগে। অসমত যিমানে Job Card সংখ্যা কমি যায় সেইটো সেইটো আমাৰ কাৰণে এটা বেলেগ সংকেত, কাৰণ মানুহে বেলেগ ঠাইত কাম কৰিব গৈছে। যিখন ৰাজ্যত Job Card সংখ্যা বেছি তাৰ মানে সেইখন ৰাজ্যত নিবনুৱাৰ সংখ্যা বেছি।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ নহয় নহয়।

**মাননীয় উপাধ্যক্ষ** ঃ অখিল গগৈ আপুনি বহক আপোনাৰ ইয়াত কোৱাৰ কোনো অধীকাৰ নাই।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী** ঃ অখিল গগৈ ডাঙৰীয়া আপুনি এই কথাটো বেলেগ Device ত আনিব। আপোনালোকৰ কাৰণে এইটো নেতিবাচক খৱৰ কিন্তু মই এইটো পঢ়ি আনন্দ পাইছো, কাৰণ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ মানুহে এতিয়া Job Card ৰ কাম কৰিব বাদ দিছে কাৰণ ২৪৯ টকা আমি দিওঁ আৰু এইটো অসম চৰকাৰে নিৰ্ধাৰণ কৰা নাই এইটো কৰিছে ভাৰত চৰকাৰে। ভাৰত চৰকাৰে কৈছে ২৪৯ টকা আৰু বাগানত পায় ২৫০ টকা। আমি বাগানৰ প্ৰতিটো পৰিয়ালৈ গৈ Job Card দিছো কিন্তু তেওঁলোকে কৈছে যে আমি কিয় কাম কৰিব যাম কাৰণ Unskill labour এজনে যদি মানুহৰ ঘৰত কাম কৰিব যায় ৫০০ টকা পায়।

তাৰ বাবে দিনক দিনে অসমত Job Card সংখ্যা কমি আহিছে। আৰু এইটোত মই বিভাগীয় মন্ত্ৰী হিচাপে সুখী। অন্যই কি ভাৱে মই নাজানো কিন্তু মই সন্তুস্ত যে Job Card ৰ সংখ্যা যিমানে কমি আহে তাত মই সুখী কাৰণ এইটো সম্ভৱ হৈছে মাননীয় মুখ্যমন্ত্ৰী নেতৃত্বৰ চৰকাৰৰ। মই জনাব বিচাৰিছো যে কোনো ভূৱা Job Card নাই কাৰণ আজি কালি এইবোৰ আধাৰ কাৰ্ডৰ লগত সংযোগ কৰা হৈছে। আমাৰ শ্ৰী অমিনুল ইছলাম (জেষ্ঠ) ডাঙৰীয়াই যি কথা কৈছে যে ৩,১৬,২১২ Job Card আছে নগাওঁ জিলাত আৰু তাৰ বিপৰিতে সক্ৰিয় Job Card ৰ সংখ্যা ২,২২,৩২৯।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য সকল কথা নাপাতিব কাৰণ মন্ত্ৰীয়ে উত্তৰ দি আছে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী** ঃ এইটো অনুগ্ৰহ কৰি সুনি লওক আমাৰ বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে ভূৱা Job Card এখনো নাই। Job Card আছে Active আৰু Inactive. নগাওঁ জিলাত Job Card ৰ সংখ্যা হৈছে ৩,১৬,২১২ তাৰ ভিতৰত সক্ৰিয় Job Card হৈছে ২,২২,৩২৯ খন। Job Card ৰ থকা পৰিয়ালৰ সদস্যৰ সংখ্যা হৈছে ১,৬৩,৭২৬ খন আৰু তেওঁলোকৰ ভিতৰত ইতিমধ্যে কাম দিয়া হৈছে ১,৬৩,৫৬৫ জনক। মাত্ৰ আমি কাম দিবলৈ বাকী আছো ১৬১ জনক আৰু এই ১৬১ জনক অহা ১৫ দিনৰ ভিতৰত কাম দিম ইতিমধ্যে আমি বিভাগক নিৰ্দেশ দিছো। গতিকে আমি শ্ৰমিক যে বঞ্চিত হৈছে এনেকুৱা কথা নহয় ১,৬৩,৭২৬ জন শ্ৰমিকৰ ভিতৰত আমি ১,৬৩,৫৬৫ জনক আমি কাম দিছো আপুনি কৈ আছে যে ১০০ দিনৰ কাম দিব লাগে কিন্তু ২৪৯ টকাৰ কাৰণে আমি কাকো যোৰ কৰি ধৰি আনিব নোৱাৰো। তেওঁলোকে যদি কাম বিছাৰে আমি দিম কিন্তু তেওঁলোকে বাহীৰত পোৱা ৫০০ টকাৰ ঠাইত ২৪৯ টকাত কিয় কাম কৰিব। গতিকে ইয়াত যিটো ১০০ দিনৰ কথা লিখা আছে সেইটো practicl নহয়। ইয়াৰ ওপৰিও নগাওঁ জিলাত যদি আমি চাওঁ তেতিয়া হলে ২০২২ চনৰ পৰা তেতিয়া হলে নগাঁও জিলাৰ বিভিন্ন উন্নয়ন খণ্ডত ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত মুঠ ১,৩১,৬৩৯ খন আঁচনি কৰা হৈছে আৰু তাত এতিয়াও কাম চলি আছে আৰু আগন্তুক দিনলৈ কাম আৰু আৰম্ভ হ'ব। গতিকে নগাঁও জিলাত যিমান বোৰ আঁচনি লোৱা হৈছে, সেইটোৰ ওপৰত যদি আমি চাওঁ যে নগাঁও জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা যেনেকৈ সৰ্বাধিক পাইছে, ঠিক তেনেকৈ MGNREGA ৰ আঁচনিও সৰ্বাধিক পাইছে আৰু আজি কালি যিহেতু Geotagging কৰা হয় (পূৰ্বৰ চৰকাৰৰ দিনত এইবোৰ আছিল যে যদুৰ ঘৰৰ পৰা হৰিৰ ঘৰলৈ এবাৰ কৰিলে, পৰবৰ্তী সময়ত আকৌ হৰিৰ ঘৰৰ পৰা যদুৰ ঘৰলৈ কৰিলে), গতিকে আজি কালি এটা কামৰো ফাঁকি দিব নোৱাৰে। গতিকে আপোনাৰ জিলাখনত যিমানখিনি হৈ আছে, তাৰ উপৰিও কোনোবাই যদি তেনেকুৱাকৈ বেলেগ কাম নকৰি MGNREGA ত ২৫০ টকাত যদি কাম কৰিবলৈ বিচাৰে, আমি আগন্তুক দিনত কাম দিবলৈ সাঁজু আছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শূণ্য কালীন ঘন্টা, সন্মানীয় সদস্য শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা, ৰূপহীহাট** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, "ৰূপান্তৰিত অজুহাতত ২০২১ চনত প্ৰাদেশীকৰণৰ পৰা বঞ্চিত মাদ্ৰাছা শিক্ষক" শূণ্য কালীন ঘন্টাত উত্থাপন কৰিব দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা খণ্ডৰ বিশেষ অৰিহনা যোগোৱা ঐতিহাসিক মাদ্ৰাছা শিক্ষা বিলুপ্তি এই চৰকাৰী সিদ্ধান্তৰ বাবে মাদ্ৰাছা পৰিষদৰ পৰা স্বীকৃতিপাপ্ত বৰ্তমানৰ পৰিবৰ্তিত এম ই স্কুল আৰু হাইস্কুল বোৰ ২০০৪, ২০০৫, ২০০৬ চনত স্বীকৃতিপাপ্ত। স্বীকৃতিপাপ্ত

বিদ্যালয়সমূহে বিত্তীয় সাহাৰ্য্য পাই থকা অৱস্থাত মাদ্ৰাছাসমূহ ৰূপান্তৰিত কৰা হৈছে, সাধাৰণ বিদ্যালয়লৈ। মাদ্ৰাছা স্কুলসমূহত অধ্যয়ন কৰি অসমৰ বিভিন্ন ঠাইত ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক, ৰাজনীতিবিদৰ জন্ম হৈছে। ২০১৩ চনৰ পৰা ২০১৯ চনলৈ মুঠ পাঁচবাৰকৈ জিলা আৰু ৰাজ্যিক পৰ্য্যায়ৰ বাচনি হৈ বিত্ত বিভাগত অনুমোদনৰ বাবে অপেক্ষাকৃত ১৬২ খন এম ই আৰু হাইস্কুলৰ ১৬৭০ জন শিক্ষক কৰ্মচাৰী প্ৰাদেশীকৰণ, তেওঁলোকৰ পদসমূহ প্ৰাদেশীকৰণ কৰা নহ'ল। এইটো অতি দুৰ্ভাগ্যজনক আৰু অ-মানৱীয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ২০০৬ চনৰ আগলৈকে স্বীকৃতিপাপ্ত অন্য শিক্ষানুষ্ঠানসমূহৰ নিযুক্তি আৰু Tutor হিচাপে আৰ্থিক সকাহ দিয়া হ'ল। কিন্তু মাদ্ৰাছাৰ শিক্ষাৰ শিক্ষকসকলৰ ক্ষেত্ৰত সেইটো কৰা নহ'ল। গতিকে তেওঁলোকৰ ক্ষেত্ৰত এটা বৈষম্য আচৰণ কৰা হৈছে বুলি আমি অনুমান কৰিছো। কিন্তু ২০০৬ চনৰ স্বীকৃতিপাপ্ত মাদ্ৰাছা শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে বৈষম্য হৈছে। গতিকে আমি কামনা কৰো এই বৈষম্য নীতিসমূহ পৰিহাৰ কৰি সবকা সাথ, সবকা বিকাশ যিটো চৰকাৰৰ শ্লোগান, সেইটো যাতে কাৰ্য্যকৰী কৰে তাৰ বাবে আমি আহ্বান জনাইছোঁ। অসমৰ মাদ্ৰাছা পৰিষদৰ পৰা স্বীকৃতিপাপ্ত বিদ্যালয়বোৰক ৰূপান্তৰিত কৰা অজুহাতত তেওঁলোকক বঞ্চিত কৰা হ'ল। Repealing Act. 2020 ৰ জৰিয়তে মাদ্ৰাছা প্ৰাদেশীকৰণ আইন সমূহ বাতিল কৰিলে হয়, কিন্তু ইয়াৰ পৰিবৰ্তে কোনো আইন প্ৰনয়ন কৰি মাদ্ৰাছা শিক্ষকসকলৰ ক্ষেত্ৰত কোনো ধৰণৰ বিবেচনা কৰা নহ'ল। গতিকে প্ৰাদেশীকৰণৰ পৰিবৰ্তে বেলেগ এখন আইন প্ৰনয়ণ কৰি হ'লেও, তেওঁলোকক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমৰ মাদ্ৰাছা সমূহ সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰি ছাত্ৰ-ছাত্ৰীসকলক ডাক্তৰ, ইঞ্জিনিয়াৰ সৃষ্টিৰ শিক্ষাৰে আগুৱাই নিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিশ্ৰুতি সম্পূৰ্ণ ৰূপায়ন কৰাৰ বাবে মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক আহ্বান জনাইছোঁ। আজি এই মাদ্ৰাছা সমূহ convert কৰি সাধাৰণ বিদ্যালয়লৈ লৈ যোৱা হ'ল। কিন্তু সাধাৰণ বিদ্যালয়লৈ লৈ যোৱাৰ পিছতো আজিলৈকে শিক্ষকসকলক Tutor হিচাপেও তেওঁলোকক নিযুক্তি দিয়া নহ'ল। গতিকে ২০০৪ আৰু ২০০৫ চনত যি স্বীকৃতিপাপ্ত সাধাৰণ বিদ্যালয়, ২০২১ চনত Tutor হিচাপে নিযুক্তি দিয়া হৈছিল। গতিকে ৰূপান্তৰিত মাদ্ৰাছাসমূহ, ২০০৪ আৰু ২০০৫ চনৰ যি বিলাক স্বীকৃতিপাপ্ত শিক্ষকসকল আছে, তেওঁলোকক Tutor হিচাপে ল'ব লাগে। Provision of Repealing Act. ৰ জৰিয়তে মাদ্ৰাছা প্ৰাদেশীকৰণ সকলো আইন বাতিল কৰা হৈছে। চলিত বিধান সভাত এই আইনখন সংশোধনী ব্যৱস্থা লৈছে, convert হোৱা স্কুল সমূহৰ সম্বন্ধে যি অনুচ্ছেদ, এটা অনুচ্ছেদ সংযোজন কৰি হলেও convert স্কুলসমূহৰ শিক্ষক-শিক্ষয়ত্ৰীসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা ল'ব লাগে আৰু তাৰ বাবে মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

মানৱসম্পদ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা এই সকল শিক্ষকে বছৰৰ পিছত বছৰ ধৰি শিক্ষাদান কৰাৰ পিছতো আজি তেওঁলোকৰ হাঁহাকাৰ অৱস্থা এটাৰ সৃষ্টি হৈছে। তেওঁলোকে তেওঁলোকৰ পৰিয়ালটোক ভৰণ-পোষণ দিব পৰা অৱস্থা নাইকিয়া হৈ গৈছে। আজি যিসকলে হাজিৰাৰ কাম কৰে, তেওঁলোকে দৈনিক মজুৰি পায়, তেওঁলোকে পৰিয়ালটোক কোনো মতে চলাই নিব পাৰে। কিন্তু যিসকল শিক্ষাগুৰুৱে বছৰৰ পিছত বছৰ ধৰি শিক্ষাদান দি আহিছে, তেওঁলোকে তাৰ বিনিময়ত একো নাপালে। আজি তেওঁলোকৰ পৰিয়ালৰ পোহ পালত হাঁহাকাৰ সৃষ্টি হৈছে। গতিকে মানৱতাৰ দৃষ্টিত এই অসহায়, দুৰ্গত শিক্ষসকলৰ ক্ষেত্ৰত যাতে নিযুক্তিৰ

ব্যৱস্থা কৰা হয়, তাৰ বাবে মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, স্বীকৃতিপাপ্ত মাদ্ৰাছা বুলি যিখিনি মাদ্ৰাছাৰ কথা ইয়াত মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰিছে, সেইখিনি প্ৰকৃতাৰ্থত venture মাদ্ৰাছা। যিখিনি প্ৰাদেশীকৃত মাদ্ৰাছা আমাৰ আছিল, ২০২০ চনত সেইখিনি সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰা হ'ল আৰু venture মাদ্ৰাছাৰ প্ৰাদেশীকৰণৰ কাৰণে ২০১১ চনত এখন প্ৰাদেশীকৰণ এখন আইন হৈছিল। পৰবৰ্তী সময়ত ২০১৩ আৰু ২০১৪ চনত ইয়াৰ সংশোধনী হৈছিল। গতিকে ২০১১ চনৰ আইনৰ অধীনত যিখিনি প্ৰাদেশীকৰণ কৰিবলগীয়া আছিল, সেইখিনি প্ৰাদেশীকৰণ কৰা হ'ল আৰু প্ৰাদেশীকৰণ কৰা পিছত সেই মাদ্ৰাছাখিনি ২০২০ চনৰ পিছত সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰা হ'ল। এতিয়া ২০১৭ চনত আমাৰ সাধাৰণ বিদ্যালয়সমূহৰ প্ৰাদেশীকৰণ আইন - "The Assam Educational Provincialization of Services of Teachers and Re-organization of Educational Institutions Act., 2017" - এই আইনখনৰ আঁওতাৰ ভিতৰত venture মাদ্ৰাছা বিলাক নাহে আৰু ইয়াৰ লগে লগে সেই সময়ত থকা মাদ্ৰাছা আৰু সংস্কৃত - এই দুয়োখন board ভঙ্গ হ'ল। সংস্কৃত টোল বিলাকো আমি সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰি কৰিলো। গতিকে আজিৰ তাৰিখত মাদ্ৰাছা আৰু সংস্কৃত টোল, তাৰ প্ৰাদেশীকৰণৰ কোনো আইনগত ব্যৱস্থা আমাৰ হাতত নাই। মই পুনৰবাৰ জনাও যে যিখিনি venture সংস্কৃত টোল আছে বা যিখিনি venture মাদ্ৰাছা আছে, এই খিনিৰ প্ৰাদেশীকৰণৰ কোনো আইনগত ব্যৱস্থা নাই। বৰ্তমান সময়ত আমি সংস্কৃত টোল আৰু মাদ্ৰাছা, এই দুয়োটাই আমি Repealing Act. ৰ জৰিয়তে বাতিল কৰিলো। যিখিনি প্ৰাদেশীকৰণৰ হৈ আছিল, সেই প্ৰাদেশীকৃত সংস্কৃত টোল আৰু মাদ্ৰাছা আমি সাধাৰণ বিদ্যালয়লৈ ৰূপান্তৰিত কৰিলো। বিষয়টো ইয়াতে সমাপ্ত হৈছে। ধন্যবাদ উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডল। (শূণ্য কালীন ঘন্টা)

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৫ মাৰ্চ, ২০২৫ তাৰিখে দৈনিক অসম বাতৰিত প্ৰকাশিত বাতৰি ***"দেশত কৰ্মসংস্থাপনতাত ভয়াবহ ৰূপ"***।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ এটা অভিলাষী আঁচনি আছিল..

মহাত্মা গান্ধী নিশ্চিত গ্ৰাম উন্নয়ন আঁচনি। অৱশ্যে সেইটো আমাৰ UPA চৰকাৰৰ দিনত অহা আঁচনি। কেন্দ্ৰীয় চৰকাৰ প্ৰথম অহাৰ ফলত ইয়াক যথেষ্টখিনি সমালোচনা হৈছিল পিছলৈ ইয়াক প্ৰশংসা কৰা দেখা গৈছে NDA চৰকাৰে, ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই। কিন্তু আমি লক্ষ্য কৰিছো যোৱা কেইবছৰে এই আঁচনিৰ অধীনত ভাৰত চৰকাৰে যিটো বছৰেকীয়া প্ৰাক্কলন ক্ৰমান্বয়ে কমাই অনা হৈছে। এই বছৰে দেখা গৈছে যে বাজেট হ্ৰাস কৰাৰ কাৰণে কৰ্মসংস্থাপনত পাৰ্থক্যতা আহিছে। বিভিন্ন চেক্টৰত মানুহে নিয়োগ পাই স্কীল লেবাৰ যি বিলাক আছে কিন্তু আমাৰ স্কীল লেবাৰৰ সংখ্যা যথেষ্ট কম। ভাৰত বৰ্ষতে হওঁক উত্তৰ পূৰ্বাঞ্চলতে হওঁক বা অসমতে হওঁক। আনস্কীলত মানুহৰ সংখ্যা বেছি আৰু এই আনস্কীলত মানুহ খিনিক কাম কৰাৰ সহজ উপায় আমাৰ এমজিএনৰেগা আঁচনি। কিন্তু এই আঁচনি যেতিয়া বাজেট কম হৈ থাকে আৰু ঠিক মেনেজমেন্টত যথেষ্টখিনি ক্ৰুটি দেখা গৈছে। মেনেজমেন্টত ক্ৰুটি কেনেকৈ হৈছে ভাৰত চৰকাৰে গোটেই ৰাজ্য সমূহক আমাৰ অসমকো নিৰ্দেশ দিছিল ২০২২ তো দিছিল কেইবাখনো চিঠি D.O

লেটাৰ দিছিল যে টেকনিকেল চেল P&RD বিভাগত টেকনিকেল চেল বনাব লাগে আৰু তেওঁলোকে কৈছে যে অলপ মই আমাৰ কমিচনাৰ, প্ৰধান সচিবকো লিখিছিল টেকনিকেল চেল কেনেকৈ হ'ব লাগে কিন্তু এই টেকনিকেল চেলটো নোহোৱাৰ কাৰণে যিটো এমজিএনৰেগাত যি কামকাজ সেইটো সঠিক ভাৱে ৰূপায়ণ হোৱা নাই। কাৰণ ইয়াত দেখা গৈছে এমজিএনৰেগা এইটো সম্পূৰ্ণ টেকনিকেল বস্তু। কিন্তু সম্পূৰ্ণ non-technical মানুহৰ দ্বাৰা ইয়াক govern কৰি থকা হোৱাৰ কাৰণে আজি ইয়াৰ পৰিকল্পনা সমূহো ঠিক হোৱা নাই। আমাৰ বিডিঅ' বিলাক ননটেকনিকেল মানুহ, পঞ্চায়তৰ সচিববোৰো ননটেকনিকেল মানুহ কিন্তু in-general কাম বিলাক তেওঁলোকৰ দ্বাৰা কৰি থকা হৈছে। যিটো ভাৰত চৰকাৰে যি সিদ্ধান্ত লয় প্ৰত্যেক ৰাজ্যত দি দিয়ে। কেইবাখনো ৰাজ্যত দেখা গৈছে টেকনিকেল চেল constitute কৰিছে কিন্তু আমাৰ অসমত এই টেকনিকেল চেলটো constitute হোৱা নাই। তাৰোপৰি ইয়াত থকা যিবিলাক engineer section ৰ মানুহ সকলক প্ৰমোচন দি ক'ৰবাত বিডিঅ'ৰ অধীনত Executive engineer দিয়ে, তেওঁলোকক বিডিঅ'ৰ অধীনত দিয়াৰ কাৰণে অলপ মান তেওঁলোকৰ ego লগাৰ দৰে হৈ যায়। যেতিয়া বিডিঅ' য়ে যেতিয়া assistant Executive engineer ৰ ACR লিখিব লগীয়া হৈ যায় তেতিয়া assistant Executive engineer য়ে অলপ হীনমান্যতাত ভোগে। কৰবাত তেওঁলোকে performance এটা যথেষ্ট কৰিলে লচ হয়। সেই engineering section টো properly constitute কৰি বাজেট ঘাটি আহিছে কিন্তু যিখিনি বাজেট পাইছে সেই খিনিকে যদি properly scheme লৈ যদি implement কৰা যায় মই ভাৱো যে এই employment পোৱাৰ লগে লগে আমাৰ গাঁও অঞ্চলত যিবিলাক basic needs আছে যিবিলাক other department ৰ linkage দিব নোৱাৰি কভাৰ কৰিব নোৱাৰি পাছ কৰিব নোৱাৰে সেই খিনি P&RD বিভাগে এমজিএনৰেগা আঁচনিক সেইখিনি স্পৰ্শ কৰিব পাৰিব। মই এইখিনিকে কৈ মোৰ বক্তব্য ইমানতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত দেশত কৰ্মসংস্থাপনৰ অভাৱনীয়া ৰূপৰ শীৰ্ষক যি বাতৰি কাতত প্ৰকাশ পাইছে এই বিষয়ে আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। উপাধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে সমগ্ৰ দেশত আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কয় বা বিভিন্ন সভাই সমিতিয়ে বা সদনতো কৈছে যে ২৫ কোটি লোক দৰিদ্ৰসীমাৰেখাৰ পৰা মুক্ত হৈছে। ঠিক তেনেকুৱা এটা সময়ত আমি যদি দেখো এমজিএনৰেগাৰ ক্ষেত্ৰত ২০২৩ চনত নৱেম্বৰ মাহত এমজিএনৰেগাৰ কাম বিচৰা পৰিয়ালৰ সংখ্যা ১৭৬৭০০০০ হোৱাৰ বিপৰীতে ২০২৪ চনত নৱেম্বৰ মাহত এই আঁচনিত কাম বিচৰা পৰিয়ালৰ সংখ্যা ১৮৩৬০০০০ লৈ বৃদ্ধি হৈছে। ঠিক তেনেকৈ ২০২৩ চনত ডিচেম্বৰ মাহত এই আঁচনিৰ কাম বিচাৰিছিল ১৯৯৩০০০০ তাৰ তুলনাত ২০২৪ চনৰ ডিচেম্বৰ মাহত কাম বিচৰা পৰিয়ালৰ সংখ্যা ২১৫৮০০০০ লৈ বৃদ্ধি হ'ল। আৰু তাৰ বিপৰীতে আমি যদি একেবাৰে শেষলৈ যাওঁ ২০২৪ চনৰ ২১১৯০০০০ ৰ বিপৰীতে ২০২৫ চনত ২১৮০০০০০ পৰিয়ালে কাম বিচাৰিছে। ইয়াৰ দ্বাৰা দেখা যায় যে দেশত দৰিদ্ৰসীমা ৰেখাৰ তলত মানুহৰ সংখ্যা কমা নাই বৰঞ্চ এমজিএনৰেগাৰ কাম বিচৰা মানুহৰ সংখ্যা যেতিয়া বৃদ্ধি হয় দৰিদ্ৰসীমা ৰেখাৰ তলত থকা মানুহৰ সংখ্যা বৃদ্ধি হৈছে। অলপ আগতে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এটা ৰিপ্লাইত কথা খিনি কৈছে, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই কেইটামান তথ্য দিব বিচাৰিছো যি তথ্য তৰাবিহীন প্ৰশ্ন নং

১৯০ ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ৰিপ্লাই দিছে অসমত মুঠ জৰকাৰ্ডৰ সংখ্যা ৬৪.৬৩ লাখ। আৰু active জৰকাৰ্ডৰ সংখ্যা বিভাগীয় মতে যিটো দেখো ৩৮.৫ লাখ। আৰু ইয়াৰে ১০০ দিনৰ কাম এই বিত্তীয় বৰ্ষত এশ দিনৰ কাম ইতিমধ্যে পাইছে ১৭৯২০ জনে যিটো ৪-৩-২০২৫ তাৰিখলৈকে আমি যদি হিচাপ কৰো। ঠিক তেনেকৈ আমি যদি এপ্ৰোভ বাজেট লেবাৰ বাজেটৰ কথা কওঁ যেতিয়া আমি দেখো ২০২৩-২৪ বৰ্ষত ৯০০ লাখ টকা এপ্ৰোভ বাজেট আছিল। ২০২৪-২৫ বৰ্ষত যোৱাবছৰ যিটো ৯০০ লাখ আছিল ২০২৪-২৫ ত এপ্ৰোভ বাজেট হৈছে মাত্ৰ ৬০০ লাখ টকা। গতিকে এই যে যোৱা বাৰতকৈ এইবাৰ কমি আহিছে ইয়াৰ দ্বাৰা বহু মানুহে কাম পাবলৈ সক্ষম হোৱা নাই। বহু মানুহে কাম বিচাৰিছে । ঠিক তেনেকৈ খৰচ কৰা ধনৰ কথা যদি মই কেইখন মান জিলাৰ কথা উল্লেখ কৰো ২০২৩-২৪ত বজালী জিলাত মাননীয় মন্ত্ৰী ডাঙৰীয়াই প্ৰতিনিধিত্ব কৰা বজালী জিলাত ২০২৩-২৪ ত খৰচ কৰা ধনৰ তালিকা আছিল ৩০১৭.৫৭ আৰু ২০২৪-২৫ ত ২৭-২-২৫ ইং তাৰিখে বিত্তীয় বৰ্ষত আমি দেখো বজালী জিলাত ১৫৭৯.৬ লাখ টকা খৰচ কৰিছে। ঠিক তেনেকৈ বৰপেটা জিলাৰ কথা আমি দেখো ২০২৩-২৪ চনত এনজিএনৰেগা আঁচনিৰ জৰিয়তে খৰচ কৰিছে ১১৬৯৮.২৯ লাখ টকা আৰু ২০২৪-২৫ ত ২৭-২-২০২৫ ইং তাৰিখলৈ এনজিএনৰেগাৰ নামত খৰচ কৰিছে ৫০৩৭.৪২ লাখ টকা। ঠিক তেনেকৈ বঙাইগাঁও জিলাত আমি দেখো ৬১৭১.৩৪ লাখ টকা ২০২৩ আৰু ২০২৪ চনত খৰচ কৰিছে, ঠিক তেনেকৈ বঙাইগাঁৰত ২০২৪-২৫ ত ২৭-২-২০২৫ ইং তাৰিখলৈ খৰচ কৰিছে ২১৮০.৩১ লাখ টকা। দৰং জিলাৰ কথা যদি আমি উল্লেখ কৰো ২০২৩-২৪ চনত ১১৮৮ লাখ টকাৰ পৰিবৰ্তে ২০২৪-২৫ ত দৰঙত খৰচ কৰিছে ২৭-২-২০২৫ ইং তাৰিখলৈ ৮৯৫৭.৮৫ লাখ টকা। গতিকে ইয়াৰ জৰিয়তে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি এই তথ্যখিনি এই কাৰণে বুজা যায় যে এমজিএনৰেগাৰ যিটো বাজেট সেই বাজেট ইতিমধ্যে অসমে কমকৈ লাভ কৰিছে কেন্দ্ৰীয় চৰকাৰৰ পৰা। অসমে এমজিএনৰেগাৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি আনিবলৈ এতিয়া সক্ষম হোৱা নাই যাৰ কাৰণে active জৰকাৰ্ডৰ সংখ্যা কমি আহিছে active জৰকাৰ্ডৰ সংখ্যা কমাৰ লগে লগে লেবাৰ বাজেট কমি আহিছে আৰু অসম আজি বঞ্চিত হৈছে হাজাৰ হাজাৰ লাখ লাখ মানুহে জৰকাৰ্ডৰ কাম বিচাৰি আছে কিন্তু কাম পোৱা নাই। তাৰ অৰ্থ এটাই যে পুঁজি নাই এমজিএনৰেগাৰ নামত আৰু নিবনুৱাৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈ গৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ নাই, আপুনি কি বিচাৰিছে?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাওঁ যে এমজিএনৰেগাৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি বেছিকৈ আনিব লাগে আৰু যিটো এক্টিভ জৰকাৰ্ড সেই এক্টিভ জৰকাৰ্ড সকলো ১০০ দিনৰ কাম নিশ্চিতকৰণ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীৰণিজিৎ কুমাৰ দাস, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিটো শূণ্যকালীনৰ বিষয় বাতৰি কাকতৰ যিটো উদ্ধৃতি দিছে, সেই সমগ্ৰ দেশৰ উদ্ধৃতি দিছে। আৰু দেশৰ উদ্ধৃতি দিয়াৰ লগতে তেখেতে কথাৰ প্ৰসংগত অসমৰ কিছু কথা কৈছে। মই ইতিমধ্যে খন্তেক আগতে কলো যে জৰকাৰ্ডৰ নামত যিমানে আমাৰ কাম কৰি নাহো কিয় সেইটো আমাৰ ফালৰ পৰা ঘাই সুচাংক অসম খনৰ কাৰণে। তাৰমানে মানুহে অন্য কামলৈ ধাৱমান হৈছে।

**আমাৰ বিধায়ক জাকিৰ হুছেইন সিক্দাৰ ডাঙৰীয়াই শূন্যকালীন ঘন্টাত যিটো বিষয় আনিছে , বিষয়টোত বাতৰি কাকতত যিটো উদ্ধৃতি দিছে সেইটো সমগ্ৰ দেশৰে উদ্ধৃতি দিছে লগতে তেখেতে**

**অসমৰ কিছু কথা কৈছে - মই ইতিমধ্যে কৈ গৈছো যে, জৰ কাৰ্ডৰ নামত আমাৰ যিমানে কাম ক'মি আহিব সেইটো আমাৰ অসমৰ কাৰণে এটা ভাল খবৰ । অৰ্থ্যাৎ মানুহখিনি আন আন কামলৈ ধাৱমান হৈছে - মানুহে জৰ কাৰ্ডৰ ২৫০ টকাৰ কামৰ বিপৰীতে অন্য স্কীম বা শ্ৰমিকৰ কামৰ বাবে ৫০০ টকা পায় গতিকে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰৰ দিনত জৰ কাৰ্ডৰ কাম এৰি অন্য কামলৈ ধাৱমান হোৱাটো এই সদনে দেখিছে ভাৰত চৰকাৰক আমি ধন্যবাদ জনাইছো যে, যোৱাবেলি ৬ কোটি মেনডেছ আমাক দিছিলে তাৰ পিছত অন্য ৰাজ্যই কৰা বাবে অতিৰিক্ত তিনি কোটি মেনডেজ আমাৰ ৰাজ্যলৈ দিলে । এইবাৰ এডিশ্যনেল টাৰগেট পোৱা নাই । অহা এক এপ্ৰিলৰ পৰা যেতিয়া নতুন কাম আৰম্ভ হ'ব তেতিয়া আমি আৰু ৬ কোটি মেনডেজ পাম গতিকে সেই খিনিৰে আমি যথেষ্ঠ কাম দিব পাৰিম বুলি আশাবাদী ।** ১০০ দিনৰ কামটো কোনোবাই বিচাৰিলেহে দিব লাগে। এই কামটো জৰ কাৰ্ড লোৱাৰ বা শ্ৰমিকক দিব লাগিব বুলি কোনো মেণ্ডেটৰী নহয়। গতিকে মইতো কৈছো - ২৫০ টকাত জৰ কাৰ্ডৰ কাম নিবিচাৰি ৫০০ টকাত কাম কৰা ভাল । মই অলপ আগতে কৈছো যে, বাগানত প্ৰত্যেক ঘৰতে জৰ কাৰ্ড দিয়াৰ পিচতো কাম কৰিবলৈ নাহে । কাৰণ বাগানত পাত চিঙি তেওঁলোকে ২৫১ টকা পায়। কিন্তু তেওঁলোকে বেংকলৈ যাব নালাগে পোনে পোনে বাগানৰ পৰাই পইচাটো পায় কিন্ত আমাৰ পইচাটো আধাৰৰ জৰিয়তে বেংক একাউন্টলৈ গুছি যায়। সেই কাৰণে বাগান অঞ্চলত আমি জৰ কাৰ্ড দিও সফল হ'ব পৰা নাই। আমি আগন্তুক দিনত আমাৰ যি বিত্তীয় বৰ্ষ আহি আছে তেতিয়া আমি বঢ়াবলৈ চেষ্টা কৰিম। যিহেতু ২০২৬ চনত পুনৰ নিৰ্বাচন হ'ব গতিকে আমাৰ কিছুমান সপোন আছে আশা আছে। আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা বঢ়াবলৈ যদি পাৰো এই বিষয়ে আমাৰ এটা চিন্তা চৰ্চা আছে যে ভাৰত চৰকাৰৰ ওপৰিও মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ জৰিয়তে ২০২৬ চনৰ পিচত প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ সমান্তৰালভাৱে মুখ্যমন্ত্ৰী আৱাস যোজনাৰ চিন্তা কৰা হৈছে কিন্তু আমাৰ ইয়াত মুখ্যমন্ত্ৰী আৱাস যোজনাৰ প্ৰয়োজনীয়াতা নাই কাৰণ আজি কিছুদিন আগতে ৫ লাখ ঘৰৰ ইতিমধ্যে পুনৰ আবন্টন দিলে। হয়তো কিছুদিন পিচত আপোনালোকে নিজেই সেই অনুষ্ঠানত থাকিব পাৰিব। ইয়াৰ উপৰিও বৰ্ত্তমান যিমান মানুহৰ কেঁচা ঘৰ আছে সকলো মানুহক আমি চেল্ফ চাৰ্ভে কৰাৰ কথা কৈছো। যিসকলৰ কেঁচা ঘৰ আছে সেই সন্দৰ্ভত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰেছ কনফাৰেন্স কৰি আপোনালোকক জনাব। এই ঘৰসমূহ যেতিয়া হ'ব তেতিয়া এম জি এন ৰেগাৰ কাম আহিব। ৩১ হাজাৰ টকাৰ কাম প্ৰতিটো প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ বিপৰীতে থাকিব গতিকে এম জি এন ৰেগাৰ বাবে কোনো চিন্তা নাই । ২০৩১ চনত ভাৰত চৰকাৰে যিমান দিব তাৰ পিচত আমাৰ অসম চৰকাৰে তাৰ আধা দিয়াৰ সিদ্ধান্ত লৈছো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, কাৰ্য্যসূচী নং ২ , আণ্ডাৰ ৰুল - ৫৪ । অনাৰেবল মেম্বাৰ - লিডাৰ অৱ ডি অপজিশ্যন দেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনাইছো । উপাধ্যক্ষ মহোদয়, মোৰ বিষয়টো আছিল 'জলবায়ু দ্ৰুত পৰিৱৰ্ত্তনে কৃষি খণ্ডৰ ক্ষেত্ৰলৈ আনিছে প্ৰত্যাহ্বান' । মহোদয়, আমাৰ অসমত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ হৈ থাকে । এই কথাটো আমি সকলোৱে জানো কাৰণ আমাৰ ভূমিকম্পৰ চেনচিটিভ য'ন-৫ত অসমত অৱস্থিত, আৰু যোৱা দুই দিনত আমি কেইবাটাও ভূমি কম্পৰ আভাস পাইছো। আজিও আমি বিধান সভাত বহি থাকোতে ভূমিকম্প হোৱাৰ

অনুভৱ হ'ল। ঠিক তেনেকৈ ভূমিকম্পৰ উপৰিও বাৰ্ষিক যি বছৰেকীয়া বানপানী হয় ইয়াৰ ফলতো আমাৰ অসমৰ প্ৰতিবছৰে যথেষ্ট ক্ষতি হয় আৰু এই বিষয়টো আমি সকলোৱে উপলিব্ধ কৰো। মহোদয় বানপানীৰ কথা ক'বলৈ গ'লে বিশেষকৈ-যোৱা সময়ছোৱাত বিশেষকৈ দুটা দশকত আটাইতকৈ বেছি বানপানী হৈছিল। যদি ভূমিকম্পৰ কথা কওঁ তেতিয়া হ'লে ১৮৯৭ চন আৰু ১৯৫০ চনৰ কথা সকলোৱে কয়। বান পানীৰ ক্ষেত্ৰত স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত ১৯৫৪, ১৯৬২, ১৯৭২, ১৯৭৭, ১৯৮৪,১৯৮৮,১৯৯৮,২০০২,২০০৪, ২০১২, ২০১৯, ২০২০ আৰু ২০২২ চনত প্ৰবল বানপানীৰ কথা আমি মনত পেলাব লাগিব। ২০২২ চনত বানপানীত আমাৰ কিমান ক্ষতি হৈছিল আমি সকলোৱে অৱগত ঠিক তেনেকৈ যোৱা সময়চোৱাত দেখা গৈছে অসমত বিভিন্ন অঞ্চলত যিটো শিল বৰষুণ হৈছে আৰু এই সকলোবিলাক হৈছে প্ৰকৃততে বতৰ পৰিৱৰ্ত্তনৰ বাবে। গোলকীয় পৰিৱৰ্ত্তনৰ বাবে উষ্ণতা বৃদ্ধিৰ বাবে আৰু ইয়াৰ ফলত যি অৱতৰীয়া বৰষুণ হয় বা উষ্ণতা বৃদ্ধিৰ ফলত শস্য উৎপাদনত যথেষ্ট তাৰতম্য হয় আৰু হ্ৰাস হয়। এই গোটেইবিলাক কথাই আমাৰ ক্ষতি কৰিব। এই অৱস্থা সৃষ্টি হোৱাৰ ফলত, বানৰ ফলত শস্য নষ্ট হয় আৰু খৰাঙৰ ফলত শস্যৰ যি পূৰ্ণতা পাব লাগে সেই পূৰ্ণতা নহয়। আৰু যদি খৰাং হৈ থাকে যিহেতু অসমৰ সকলো মাটিত জলসিঞ্চনৰ ব্যৱস্থা নাই তাৰ বাবে কৃষকৰ সমস্যা হয়। আমাৰ অসমৰ প্ৰায় ৭০ ৮০ শতাংশ মানুহে কৃষিজীৱি । সেই গতিকে কৃষিৰ ক্ষেত্ৰত যি প্ৰভাৱ হয় আমাৰ শস্য উৎপাদন হ্ৰাস হোৱাৰ বাবে লগতে জলসিঞ্চনৰ কৃত্ৰিম ব্যৱস্থা কৰিব লগা হোৱাৰ বাবে কৃষিৰ উৎপাদনো যথেষ্ট কম হৈ পৰে । মহোদয়, জলবায়ু পৰিৱৰ্ত্তনৰ বাবে ভাৰতবৰ্ষত গ্ৰীস্মকালত অধিক তাপমাত্ৰা বৃদ্ধি হৈছে ।গ্ৰীস্মপ্ৰবাহ বৃদ্ধি পাইছে ।ইন্টাৰনেশ্যনেল লেৱাৰ অৰ্গেনাইজেশ্যনৰ ২০১৯ চনত প্ৰতিবেদন অনুসৰি ২০৩০ চনৰ ভিতৰত ভাৰতবৰ্ষৰ ৩৪ মিলিয়ন চাকৰি গোলকীয়া উষ্ণতা বৃদ্ধিৰ বাবে সমাপ্ত হ'ব পাৰে। ঠিক তেনেকৈ সাগৰ জলপৃষ্ঠৰ বৃদ্ধিৰ বাবে অধিক বানপানী হ'ব আৰু ৱৰ্ল্ড বেংকৰ শেহতীয়া এক তথ্য অনুসৰি বানপানীৰ ফলত ভাৰতৰ আধা জনসংখ্যাৰ জীৱন ধাৰণৰ মান নিম্নগামী হ'ব ।ইণ্ডিয়ান এগ্ৰিকালচাৰেল ৰিচাৰ্চ ইনষ্টিটিউটৰ তথ্য অনুসৰিও জলবায়ু পৰিৱৰ্ত্তনে কৃষিৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব। ২ ডিগ্ৰী তাপমান বৃদ্ধিৰে ঘেঁহুৰ উৎপাদন হ্ৰাস কৰিব আৰু উত্তৰ অঞ্চলত ইয়াৰ অৰ্থাৎ নৰ্দান ইণ্ডিয়াত প্ৰভাৱ বেছি হ'ব ঠিক তেনেকৈ ধানৰ ক্ষেত্ৰত ২ ডিগ্ৰীৰ পৰা ৪ ডিগ্ৰী চেলচিয়াচ তাপমান বৃদ্ধি হ'লে আমাৰ ধানৰ উৎপাদন হ্ৰাস হ'ব আৰু উত্তৰ পূৰ্বাঞ্চলত ইয়াত যথেষ্ট প্ৰভাৱ পৰিব আৰু ক্ষতি হ'ব। হিমালয়ৰ বৰফমালা যিটো হাৰত গলি গৈছে তাৰ বাবে আমাৰ বানপানী কেতিয়াবা বেছি হয় আৰু কেতিয়াবা নিয়মীয়াও নহয়। তাৰ ফলত পানীৰ যি সমস্যা হয় সেইখিনি এতিয়া দেখা পোৱা গৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু উপনৈত বৰ্তমানে জাহাজ চলাব নোৱাৰা অৱস্থা হৈছে।২০১৪ চনৰ চৰকাৰী তথ্য অনুসৰি , ২০৩০ চনত পানীৰ চাহিদা ভাৰতবৰ্ষৰ জনগণৰ বাবে যিমান লাগে তাৰ অৰ্ধেক আমি পূৰাব পাৰিম আৰু ৬০ কোটি মানুহে পানীৰ অভাৱ অনুভৱ কৰিব আৰু দুই লাখ মানুহে পানীৰ অভাৱত মৃত্যুমুখত যোৱা সময়ছোৱাত পৰিছে। মহোদয়, এই গোটেইবিলাকৰ উপৰিও আজিম প্ৰেমজি স্কুলৰ ক্লাইমেট চেঞ্জৰ তথ্য অনুসৰি ১৫- ২০ বছৰ ভিতৰত অসমৰ অধিকাংশ জিলাতে জলবায়ু পৰিৱৰ্ত্তনৰ প্ৰভাৱ পৰিব তাৰ ফলস্বৰূপে বৰষুণৰ মাত্ৰা কমাৰ লগতে উষ্ণতা বৃদ্ধি পাব। এই কথাখিনি প্ৰফেছাৰ শান্তনু গোস্বামীয়ে প্ৰথমবাৰৰ বাবে ৰাজহুৱা কৰিছে। গোলকীয় ক্লাইমেট চেঞ্জৰ ফলত মাজুলী, যোৰহাট আদি জিলা সমূহত গ্ৰীস্মৰ প্ৰভাৱ পৰিব আৰু হিট ষ্ট্ৰ'ক ইত্যাদিৰ ফলত বহু মানুহ, শিশু মৃত্যুমুখত পৰিব।

ভাৰতবৰ্ষৰ আটাইতকৈ sensitive ২৫ খন Global warming ৰ climate change ৰ affected জিলা তাৰ ভিতৰত ১৫ জিলা আমাৰ অসমতে আছে আৰু অসমত এনেধৰণৰ Global Warming Climate Change ৰ ফলত নতন নতুন কীট-পতংগৰ সৃষ্টি হ'ব পাৰে. যিবিলাকৰ আক্ৰমণ হ'লে বাঁহ গছ , মাছ, ধান আৰু অন্যান্য খেতিৰ উৎপাদন হ্ৰাস হ'ব আৰু কৃষকৰ তুমুল প্ৰত্যাহ্বান হ'ব। সকলো খেতি পথাৰত যিহেতু আমাৰ নিশ্চিত জলসিঞ্চন ব্যৱস্থা নাই, সেইগতিকে কৃষকৰ আয় হ্ৰাস হোৱাটো নিশ্চিত আৰু আমাৰ অসমত যিহেতু বৃক্ষৰোপণ যথেষ্ট কৰিছিলো যোৱা সময়ছোৱাত চৰকাৰীভাৱে ৩০ শতাংশ ভূমি বনাঞ্চল বুলি দাবী কৰিলেও যোৱা দুটা দশকত ২৬ শ বৰ্গ কিলোমিটাৰ বনভূমি হ্ৰাস পাইছে আৰু এইটো আমাৰ জলবায়ুৰ পৰিবৰ্তনৰ অন্যতম কাৰক হৈছে যাৰবাবে আমি এইটো মানৱসৃষ্ট প্ৰাকৃতিৰ উপৰিও মানৱৰ দ্বাৰা তৈয়াৰী কৰা এটা বিপদ বুলি ক'ব পাৰি। মহোদয়, ইয়াৰ লগত মই অন্য এটা কথাৰ প্ৰতি বিশেষকৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে, অসমক গোটেই বিশ্বতে চাহৰ বাবে জানে, এশিঙিয়া গড়ৰ বাবে জানে আৰু চাহ খেতি সকলো অঞ্চলত কৰিব নোৱাৰি, যদিও বহুতে প্ৰচেষ্টা কৰে। দাৰ্জিলিঙৰ চাহৰ যেনেকৈ বিশেষ গুণ আছে, অসমৰ চহৰো তেনেকুৱা গুণ আছে আৰু এই চাহৰ বাবে যি বিশেষ তাপমাত্ৰা লাগে global warming ৰ ফলত ১ ডিগ্ৰী বৃদ্ধি হ'লেও চাহৰ যি output পোৱা নাযাব পাৰে আৰু ইয়াৰ তথ্য ভাৰতীয় চাহ উদ্যোগে ইতিমধ্যে অৱগত কৰিছে। ২০২৪ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰ মাহলৈকে ভাৰতৰ চাহৰ উৎপাদন ১ হাজাৰ ১১২ মিলিয়ন কেজি হোৱাৰ পৰিৱৰ্তে ২০২৩ চনত এই চাহৰ পৰিমাণ ১ হাজাৰ ১৭৮ মিলিয়ন কেজি আছিল। অৰ্থাৎ একেসময়তে যোৱা বছৰ আমি ৬৪ মিলিয়ন কম চাহৰ উৎপাদন কৰিবলৈ সক্ষম হৈছো। উন্নত মানদণ্ডৰ চাহৰ বাবে নৱেম্বৰত পাত তোলা দন্ধ কৰাৰ বাবে মুঠ ১২০ মিলিয়ন কেজি যোৱাবছৰ চাহ কম উৎপাদন হৈছিল আৰু চাহ উদ্যোগটো ২ শ বছৰ পুৰণা, এই উদ্যোগত পোনপোটীয়াকৈ আৰু প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বহু লোক জৰিড় হৈ আছে। একোখন নগৰৰ ব্যৱসায় কেন্দ্ৰ চাহ উদ্যোগৰ বাবে অসমত স্থাপিত হৈছিল। ক্ষুদ্ৰ চাহ খেতিৰ ব্যৱস্থা হোৱাৰ বাবে বহু অসমীয়া থলুৱা যুৱক-যুৱতীয়েও এই চাহ খেতি কৰি উদ্যোগী হিচাপে আত্মপ্ৰতিষ্ঠা লাভ কৰিছে। বিশেষকৈ চাহ উদ্যোগক কেনেকৈ এই global warming ৰ পৰা ৰক্ষা কৰিব পাৰি আৰু যিহেতু চাহ কম হ'লেও চাহৰ মুল্য বৃদ্ধি হ'ব পাৰে, উৎপাদনৰ মুল্য বৃদ্ধি হ'ব পাৰে, গতিকে চাহিদাৰ লগতে এই গোটেইবিলাক কথাৰে বৃহৎ এক সংকটৰ সন্মুখীন হ'ব লাগিব। ইউৰোপীয়ান ইউনিয়নে শেহতীয়াকৈ maximum residue level তিনিটা component ৰ বাবে lower কৰি দিছে আৰু এইখিনি কৰাৰ ফলত চাহৰ যি ইউৰোপলৈ export হয়, সেই market ও আমাৰ সংকুচিত হ'ব। তেনেক্ষেত্ৰত আমি কেনেকৈ কি উপায় কৰিব পাৰি এই কথাখিনি চিন্তা কৰিব লাগিব। অসমৰ এটা প্ৰতিষ্ঠান চাহ উদ্যোগে কৰিছিল Toklai Tea Research Institute যোৱা সময়ছোৱাত এই Toklai Tea Research Institute ৰ আৰ্থিক অৱস্থা বেয়া হোৱাৰ বাবে তেওঁলোকে নতুন নতুন পদ্ধতি, নতুন চাহ পুলিৰ বাবে research কৰিবলৈ বিশেষ ভাৱে সক্ষম হোৱা নাই আৰু এই গোটেই বিলাকৰ বাবে আমি ৰাজ্য চৰকাৰে কেনেকৈ Toklai Tea Research Institute ক কেনেকৈ সক্ষম কৰিব পাৰে সেই কথা আমি চাব লাগিব। সামাজিক সচেতনতা fosil fuel ৰ ব্যৱহাৰ কমাব লাগিব আৰু কেনীয়াৰ নিচিনা দেশে আফ্ৰিকাত চাহো কৰে তাত তেওঁলোকে ইতিমধ্যে চাহৰ লগত alternative কিবা কৰিব পাৰে নেকি cropping ব্যৱস্থা কৰিছে যাতে চাহ উদ্যোগৰ লগত জড়িত শ্ৰমিকক সকলেও ভালদৰে থাকিব পাৰে। আমাৰ

চৰকাৰখনৰ ফালৰ পৰা Assam State Action Plan for Climate Change ৰ ক্ষেত্ৰত যিটো nodel বিভাগ হিচাপে বন বিভাগক দিয়া হৈছে নে বিজ্ঞান আৰু প্ৰযুক্তি আৰু বতৰ বিজ্ঞানক দিয়া হৈছে এই কথাখিনি স্পষ্ট হ'ব লাগে। আমি ২০২০ চনৰ পৰা ২০৩০ চনলৈকে ১০ বছৰীয়া action plan এটা কেন্দ্ৰীয় চৰকাৰক দিছিলো। কিন্তু ইয়াৰ চেংশ্যন মাত্ৰ ২০২৪ চনত আহিছে। কিয় আমাৰ ৪ বছৰ পলম হ'ল ? ইমান গুৰুত্বপূৰ্ণ বিষয়টোত এইক্ষেত্ৰত মই চৰকাৰৰ পৰা জানিব বিচাৰো আৰু জলবায়ু পৰিবৰ্তনৰ কু-ফলৰ ফলত ৰাজ্যখনত ভয়াৱহ ৰূপত উদ্ভৱ সমস্যা সমাধানৰ ক্ষেত্ৰত অনুমোদিত কৰ্ম আঁচনিখন জিলাসমূহত কেতিয়া কাৰ্যকৰী কৰা হ'ব। এই গুৰুত্বপূৰ্ণ কৰ্ম আঁচনিখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কোন কোন বিভাগক জড়িত কৰা হ'ব, কোন কোন বিভাগে ইয়াৰ কাম আৰম্ভ কৰিছে, ৰাইজে কেনেকৈ ইয়াত অংশগ্ৰহণ কৰিব, ৰাইজৰ প্ৰতিনিধি কেনেকৈ যুক্ত হ'ব এই গোটেইখিনি স্পষ্টভাৱে উল্লেখ কৰি এই প্ৰত্যাহ্বানটো আমি কেনেকৈ গ্ৰহণ কৰিম এই বিষয়ত চৰকাৰৰ কি পৰিকল্পনা এই গোটেইখিনি আমাক অৱগত কৰিবলৈ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সময়ৰ উপযোগী এটা গুৰুত্বপূৰ্ণ বিষয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই ইয়াত উত্থাপন কৰাৰ কাৰণে মই অশেষ ধন্যবাদ জনাইছো আৰু আপুনি ইয়াত আজি অনুমতি দিয়াৰ কাৰণে আপোনাকো ধন্যবাদ জনাইছো। তেখেতে যথেষ্ট reference আৰু তথ্য সহকাৰে গোটেই বক্তব্যটো দাঙি ধৰিছে আৰু ঠিক তেনে ধৰণে বক্তব্যটো দাঙি ধৰাৰ কাৰণে আলোচনাৰ বাবে এটা ফলপ্ৰসু পৰিৱেশ হৈছে বুলি মই ভাবিছো। মই বিষয়টো কোৱাৰ আগতে তেখেতৰ তথ্যৰ ক্ষেত্ৰত দুই এটা কথা কৈ যাব বিচাৰিছো. তেখেতে বানপানীৰ কথা কৈছে যে যোৱা আমি প্ৰায় ২০০১ চনৰ পৰা এতিয়ালৈকে প্ৰায় ২০ টা প্ৰৱল বান পাইছো। তেখেতে চন কেইটা কৈ গৈছে মই চনকেইটা repeat কৰিব বিচৰা নাই আৰু ঠিক তেনে ধৰণে বানপানীৰ লগতে তেখেতে যিটো global warming ৰ কাৰণে শস্য উৎপাদন কমি যাব কৈছে এই দিশটো সকলোবোৰ তথ্য দৃষ্টিগোচৰ হৈছে আৰু এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কি আঁচনি লৈছে, এইখিনি কথা মই আপোনালোকৰ ওচৰত দাঙি ধৰিবলৈ প্ৰয়াস কৰিম আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈছে ইয়াৰ আগতে মই সদনত এইটো দাঙি ধৰিছিলো যে ২৫ খন জিলাৰ ভিতৰত গোটেই ভাৰতবৰ্ষৰ ১৫ খন affect কৰিব পৰা জিলা অসমত আছে। গতিকে অসম যথেষ্টখিনি ইয়াৰ কাৰণে concern হ'ব লাগিব, এই কথাটো আমি গুৰুত্ব সহকাৰে লোৱা বিষয়। এইক্ষেত্ৰত মই তেখেতে যিটো বাতৰিৰ reference ত এই বিষয়টো আনিছে সেই বাতৰিটো আছিল **"জলবায়ুৰ দ্ৰুত পৰিৱৰ্তনে কৃষি ক্ষেত্ৰলৈ আনিছে প্ৰত্যাহ্বান"** এইটো অসম কৃষি বিশ্ববিদ্যালয়ত বতৰ বিজ্ঞানৰ তিনিদিনীয়া এখন ৰাষ্ট্ৰীয় সন্মিলন হৈছিল তাত যথেষ্টখিনি ৰাষ্ট্ৰীয় নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বতৰ বিজ্ঞানীয়েও অংশ গ্ৰহণ কৰিছিল আৰু এই যিখন সন্মিলন, এই সন্মিলনখন সৌভাগ্যক্ৰমে মইয়ে উদ্বোধন কৰিবলৈ সুযোগ পাইছিলো আৰু তাত এই বিষয়খিনি আলোচনা হৈছিল। আমাৰ Science and Technology বিভাগৰ Director কে ধৰি বিষয়াসকল তিনিওদিন এই আলোচনা চক্ৰত উপস্থিত আছিল যাৰ জৰিয়তে আমাৰ বিভাগে এইক্ষেত্ৰত এই বিষয়টোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈছিল আৰু এই বাতৰিটোৰ প্ৰসংগতেই তেখেতে আজি গোটেই প্ৰসংগখিনি উল্লেখ কৰিছে। আজি আমি যিটো বিষয়ক লৈ আলোচনালৈ গৈ আছো ইয়াত কৈছে যিটো বিশ্বজুৰি উষ্ণতা বাঢ়িছে এইটো যদি আমি দেখিবলৈ পাওঁ যে বিশ্বত অষ্টাদশ শতিকাত

যিটো উদ্যোগ বিপ্লৱ আৰম্ভ হৈছিল তেতিয়াৰ পৰা এতিয়ালৈকে এই গোটেই দীঘলীয়া সময়ছোৱাত 1.1 degree celsius আমাৰ বৃদ্ধি পাইছে। 1.1 degree celsius বৃদ্ধি পোৱাৰ লগে লগে ইমানখিনি আমি পৰিৱৰ্তন দেখিছো আৰু যথেষ্টখিনি পৰিৱৰ্তন যোৱা ৪০-৫০ বছৰৰ ভিতৰত দ্ৰুতগতিত হৈছে। প্ৰায় ৪০ বছৰ, ইয়াত থকা সকলোৱে এই পৰিৱৰ্তন খিনি আমি প্ৰত্যক্ষ কৰিছো। ৪০ বছৰৰ কথা আমাৰ প্ৰায় সকলোৰে মনত আছে। এইখিনি সময়ৰ ভিতৰতে ইয়াৰ এটা পৰিৱৰ্তন হৈছে। আজি আলোচনাটোৰ বিষয়ত কৃষি ক্ষেত্ৰতখনত কিমান impact হৈছে এই বিষয়টোক লৈ আহিছো কৃষি ক্ষেত্ৰখনত ইয়াৰ প্ৰভাৱ যথেষ্টখিনি পৰিছে আৰু জলবায়ু পৰিৱৰ্তন কঢ়িয়াই অনা প্ৰধান বিপদটো হৈছে যে ইয়াৰ যিটো বতৰৰ লক্ষণ যেতিয়া বৰষুণ হ'ব লাগে তেতিয়া বৰষুণ নহয়, খৰাং হৈ যায়। যেতিয়া বৰষুণ হ'ব নালাগে, বৰষুণ হয়। যেতিয়া কৃষি ক্ষেত্ৰত উষ্ণতা লাগে, সেই সময়ত উষ্ণতা যিমান দৰকাৰ তাতকৈ বৃদ্ধি হয়। চাহ খেতিৰ লগত এইটো খুব ওতঃপ্ৰোত ভাৱে জড়িত। চাহৰ ক্ষেত্ৰত বৰষুণ আৰু উষ্ণতাৰ ওপৰত চাহৰ কুৱালিটি নিৰ্ভৰ কৰে। এই গোটেই বিষয়টোৰ ওপৰত যথেষ্টখিনি বৈজ্ঞানিকসকলে আলোচনা-বিলোচনা কৰিছে আৰু এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছো। জলবায়ু পৰিৱৰ্তন অসম ৰাজ্যিক যিখন কাৰ্য্যপৰিচালনা আছে, (State Action Plan on Climate Change 2.O) ইয়াত আমি ১৯৮১ চনৰ পৰা ২০১৯ চনৰ এই সময়খিনি জলবায়ুৰ গতি-বিধিৰ ওপৰত বিশ্লেষণ কৰি পৰিৱেশৰ উষ্ণতা ক্ৰমশ বৃদ্ধি হোৱা আৰু ঋতু ভিত্তিত বাৰ্ষিক বৃষ্টিপাত তাত হ্ৰাস হোৱা এই গোটেই বিশ্লেষণখিনি আমাৰ ফালৰ পৰা তাত কৰা হৈছে। মই অকণমান আগতে কৈছো যে বানপানীৰ ক্ষেত্ৰত ১৯৫০ চনৰ পৰা ২০১৯ চনলৈ এই সময়ছোৱাত ২০ টাতকৈ অধিক বানপানীত আমি প্ৰভাৱিত হৈছো। ইয়াৰ ওপৰত কিছুমান ব্যৱস্থা ল'বলৈ আগবাঢ়িছো। মই কেইদিমান আগতে যোৰহাটৰ এখন সন্মিলনলৈ যাওঁতে তাত এটা আধাৰশিলা স্থাপন কৰিছিল। সেই বিষয়টো হৈছে ভাৰত চৰকাৰৰ আৰ্ট এণ্ড চায়েঞ্চ মিনিষ্ট্ৰিৰ জৰিয়তে আমাৰ সহযোগত কৃষি খণ্ডত বতৰ বিজ্ঞানৰ আগতীয়া তথ্যৰে উপকৃত কৰিবৰ বাবে আমাৰ জলবায়ু পৰিৱৰ্তন বিষয়ত প্ৰতিকুলতাৰে মুখামুখি হ'বলৈ আমি অসমক চাৰিটা Zone ত ভাগ কৰিছো। সেইকেইটা হৈছে - যোৰহাট, তেজপুৰ, গোঁসাইগাওঁ আৰু শিলচৰ। এই চাৰিটা অত্যাধুনিক Zone, যোৰহাটৰটো মই যিদিনাখন গৈছিলো সেইদিনাখন আধাৰশিলা স্থাপন কৰিছো আৰু এই গোটেই ৰাজ্যখনৰ বতৰৰ আগজাননী এই চাৰিটা Indian Doppler Radar Weather ৰ পৰা আমি পাম। ইয়াৰ পৰা পোৱাৰ পিছত আমাৰ যিসকল বৈজ্ঞানিক আছে, তেওঁলোকে এই সম্পৰ্কে বিশ্লেষণ কৰিব। বতৰ আৰু কৃষিৰ মাজত আমি কেনেধৰণে সহবাহ কৰিব লাগিব মানে কেনেধৰণে আগবাঢ়িব লাগিব। আমাৰ বিৰোধী দলৰ দলপতিয়ে উল্লেখ কৰাৰ দৰে ভৱিষ্যতে হ'ব পৰা বিপদসমূহৰ লগত মুখামুখি আমি কেনেকৈ কৰিম? আমি বতৰৰ আগজাননী লৈ এই বিপদৰ লগত মুখামুখি কৰিব লাগিব। এই বিপদৰ লগত মুখামুখি কৰিবলৈ আমি চাৰিখন ঠাইত চাৰিটা radar স্থাপন কৰিব লাগিব আৰু এই স্থাপন কৰাৰ কাম ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু আমি এই ধৰণে খৰতকীয়াকৈ কাম কৰিবলৈ আগবাঢ়ি আছো। আপোনালোকে শুনি ভাল পাব যে ভাৰত চৰকাৰে Bio E-3 যিখন প'লিচি লৈছে, Bio Technology for Economy, Environment, Employment. E-3 means Economy, Environment, Employment. এই প'লিচিখন ভাৰত চৰকাৰে ২০২৪ চনৰ শেষৰ ফালে নবেম্বৰ, ডিচেম্বৰ মাহত লৈছে। অসম প্ৰথম ৰাজ্য যিখনে এইখন প্ৰথমে গ্ৰহণ কৰিছে আৰু যোৱা ৩১ জানুৱাৰীত কেবিনেটত এইখন পাচ কৰা হৈছে। আমাৰ বিজ্ঞান আৰু

প্ৰযুক্তিবিদ্যা বিভাগৰ মাননীয় মন্ত্ৰী জিতেন্দ্ৰ সিং ডাঙৰীয়াই আমি প্ৰথম ৰাজ্য বুলি জনাইছে আৰু ইয়াৰ বাবে আমাক অভিনন্দন দিছে। ইয়াৰ বাবে MOU খন আমাৰ Advantage Assam ত হোৱাৰ কথা আছিল যদিও Bio Technology যিজন চেক্ৰেটাৰী তেওঁ আহিব নোৱাৰাৰ বাবে নহ'ল। কিন্তু এইখন অতি সোনকালে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত কাম কৰাৰ বাবে MOU খন হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এই বিষয়টো অতি বৃহৎ আৰু গুৰুত্বপূৰ্ণ । ইয়াৰ ওপৰত গোটেই দিন জোৰা আলোচনা কৰিলে ভাল হয়। আপোনালোকে উত্থাপন কৰিব আৰু আমি ইয়াৰ ওপৰত আলোচনা কৰিলে ভাল হ'ব। Rule-54 ত ইমান বেছি আলোচনা কৰিব নোৱাৰি।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত নোডেল মিনিষ্ট্ৰি পৰিৱেশ মন্ত্ৰালয় নে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰালয় সেইটো কৈ দিলে ভাল হয়।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Bio E-3 প'লিচিত Climate Smart Agriculture এইটো তাৰ ভিতৰৰ এটা বিশেষ গুৰত্বপূৰ্ণ বিষয়। গতিকে আপুনি অনা বিষয়টো আমি যেতিয়া এই প'লিচিখনৰ কাম কৰিবলৈ লম তেতিয়া এইটো খুব ইয়াৰ গুৰুত্ব পাব আৰু ইয়াৰ ভিতৰত এইটো অন্তৰ্ভূক্ত হৈ আছে। আপুনি বিভাগৰ বিষয়ে সুধিছিলে যে এই বিভাগটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা নে পৰিৱেশ আৰু বন বিভাগ। আমাৰ চৰকাৰৰ ক্ষেত্ৰত এতিয়া Science and Techonology and Climate Change.বুলি আছে। আজি ১৫ বছৰ ধৰি Climate Change Cellনামৰ এটা চেল আছে। সেই চেলটোৱেই এতিয়া বিভাগ হিচাপে ইয়ালৈ আহিছে। ইয়াৰ আগতে বন বিভাগৰ লগত আছিল। State Action against Climate Change. আমাৰ কমিটিখন এতিয়াও বন বিভাগৰ অধীনত আছে। বন বিভাগৰ লগত থাকিব নে নাই চৰকাৰে বিবেচনা কৰিব। তেখেতে বন বিভাগৰ লগত আৰু কি কি বিভাগ আছিল বুলি মোক প্ৰশ্ন কৰিছে। বিভাগ কেইটা হৈছে- বন বিভাগ, কৃষি বিভাগ, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, জলবায়ু পৰিৱৰ্তন, শক্তি বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ, মীন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ণ আদি বিভাগৰ সদস্য সকল, সেই বিভাগৰ জ্যেষ্ঠ চেক্ৰেটাৰীসকল থাকি এই বিভাগটোৰ এইখন State Action Plan on Climate Change হৈছে আৰু সেই কমিটিখনো হৈছে। বৰ্তমান আমি এই ধৰণে কাম কৰি আছো আৰু আশা কৰিছো চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগ আৰু Science Technology and Climate Change এই আটাইখিনিয়ে একেলগে কাম কৰি যাব আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ যিটো নেতৃত্ব তাৰ কাৰণে আমি এইখিনি কথাত আন ৰাজ্যতকৈ আগতীয়াকৈ আগবাঢ়ি যাব পাৰিছো। তেখেতকো ধন্যবাদ জনাইছো, আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়া তেখেতে সঁচাকৈয়ে এটা গুৰুত্বপূৰ্ণ বিষয় আজি উত্থাপন কৰিছে। উত্থাপন কৰাই নহয় এটা তথ্যযুক্ত বক্তব্যৰে এইটো আলোচনালৈ অনাৰ কাৰণে মই তেখেতক ধন্যবাদ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। বিৰোধী দলৰ দলপতি ডাঙৰীয়াই সুন্দৰ এটা বিষয় আনিছে আৰু মন্ত্ৰী মহোদয়েও খুব সুন্দৰ initiative লৈছে। সেইবাবে মই দুয়োগৰাকীকে ধন্যবাদ জনাইছো। এতিয়া Rule-301। কাৰ্য্যসূচী নং-৩। সন্মানীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই কওঁক।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ৩০১ ৰ জৰিয়তে এটা সময়ৰ এটা ইতিহাসৰ কিছু কথা আলোচনাৰ পোষকতা কৰিছো। আমি সকলোৱে জানো যে

অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছে আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ যি আমাৰ মূল বৈশিষ্ট যে অসমীয়া ভাষাটো প্ৰায় ১৫ শ বছৰ পুৰণি ভাষা। সেই কথা আমাৰ অসমীয়া ভাষাৰ প্ৰাচীনত্ব প্ৰমাণ কৰিবৰ বাবে আমাৰ হাতত যি সম্বল আছিল সেই সম্বল আছিল সৰুপথাৰৰ নগাজুৰি খনিকৰ গাঁৱৰ শিলালিপি আৰু সৰু পথাৰৰে দুবৰণি শিলালিপি। এই দুয়োখন শিলালিপি চতুৰ্থ, পঞ্চম শতিকাৰ বুলি প্ৰতিষ্ঠা হৈছে আৰু সেই সময়ছোৱাত দুবৰণি আৰু নগাজুৰি খনিকৰ গাঁৱৰ শিলালিপি আৱিষ্কাৰ হোৱাৰ সময়ছোৱাত আচলতে দৈয়াং, ধনশিৰি উপত্যকাৰ সৰুপথাৰত কি সভ্যতা বিৰাজ কৰিছিল, কোন ৰাজবংশৰ ৰাজত্ব আছিল বা সেই সময়ৰ সভ্যতা কেনেধৰণৰ আছিল, তাৰ বিস্তৃত আলোচনা আজিলৈকে হোৱা নাই। অধ্যক্ষ মহোদয়, সেই সময়ৰ যি নগাজুৰি খনিকৰ গাঁৱৰ শিলালিপি তিনিটা খণ্ডত পোৱা গৈছিল, তেনেকৈ দুবৰণিতো আমি বহু কেইখন শিলালিপি পাইছো য'ত ৰত্ন বৰ্মন, বসুন্ধৰা বৰ্মন, বিশ্লেষ বৰ্মন আদি ৰজাৰ নাম উল্লেখ আছে। আমি যদি গভীৰভাৱে চাওঁ ভাৰতবৰ্ষত সেই সময়ত গুপ্ত ৰাজ্য আছিল। আমি যদি এলাহাবাদৰ শিলালিপি চাওঁ, তাৰে শিলালিপিত সেই সময়ৰ সীমান্তৱৰ্তী বা প্ৰান্তীয় ৰাজ্যসমূহৰ কথা উল্লেখ কৰা হৈছে। শিলালিপিত এটা কথা লিখা হৈছে যে-"সমতাত ডবকা কামৰূপ নেপাল কীৰ্তিপুৰা"। এই যিকেইখন ৰাজ্যৰ কথা কোৱা হৈছে সেইকেইখন হ'ল গুপ্ত সাম্ৰাজ্যৰ সমসাময়িক ভাৰতৰ বিভিন্ন ঠাইত থকা প্ৰান্তীয় ৰাজ্যসমূহ। অসমৰ ক্ষেত্ৰত বৰ্মন বংশই ৰাজত্ব কৰা সেই সময়ৰ কামৰূপ ৰাজ্যৰ সবিশেষ বুৰঞ্জীয়ে ঢুকি পাইছে। কিন্তু ডবকা ৰাজ্যৰ বিষয়ে আলোচনা-বিলোচনা হোৱা নাই আৰু ডবকা ৰাজ্যৰ বিষয়ে যথেষ্ট অধ্যয়ন আৰু গৱেষণাৰ সম্বল আছে। আমি যিখিনি কথা লক্ষ্য কৰিছো যে সৰুপথাৰৰ দুবৰণিত ঐতিহাসিক সম্বল উদ্ধাৰ হৈছে, এই দুবৰণি অঞ্চলেই আছিল সেই সময়ৰ ডবকা ৰাজ্যৰ ৰাজধানী । আজি তাত যিসমূহ প্ৰাচীন কীৰ্তিচিহ্ন আৱিষ্কাৰ হৈছে, এই কীৰ্তিচিহ্ন সমূহ এটা সময়ত পূৰাতত্ত্ব বিভাগে আৱিষ্কাৰ কৰা সময়ত সেই অঞ্চলৰ ড° হেমেন্দ্ৰ নাথ দত্ত ডাঙৰীয়াই শিৱসাগৰৰ চৰাইদেউ আৰু সৰুপথাৰৰ দুবৰণি, এই দুখন ঠাই World Heritage Site হ'ব পাৰে বুলি Archaeology Survey of India লৈ প্ৰতিবেদন প্ৰেৰণ কৰিছিল। পৰৱৰ্তী অৱস্থাত চৰাইদেউক World Heritage Site ঘোষণা কৰা হ'ল কিন্তু দুবৰণিৰ সম্পৰ্কত বিশেষ গৱেষণা বা অধ্যয়ন এতিয়ালৈকে হোৱা নাই। অধ্যক্ষ মহোদয়, দুবৰণিৰ সভ্যতা এনেকুৱা যে দুবৰণি অঞ্চলত যদি আপুনি চায়, তাত মানুহৰ ঘৰে ঘৰে ঐতিহাসিক মূৰ্ত্তি উদ্ধাৰ হৈছে। তাত শতাধিক এনে ধৰণৰ শিলৰ মূৰ্ত্তি উদ্ধাৰ হৈছে যিবিলাক এটা সময়ৰ সভ্যতা আৰু সংস্কৃতিৰ ৰাজত্বৰ পৰিচয় দিয়ে। দুবৰণিত আমি কিছু দিনৰ পূৰ্বে যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে তাত আৱিষ্কৃত সূৰ্য্যৰ মূৰ্ত্তিক লৈ এটা মন্দিৰ প্ৰতিষ্ঠা কৰিছো। তাত যি শিলত সূৰ্য্যৰ মূৰ্ত্তি আৱিষ্কাৰ হৈছে, সেই একেটা শিলতে সাতটা ঘোঁৰাই টানি নিয়া এখন ৰথত এজন সাৰথি আছে, তাত সূৰ্য্য দেৱতাৰ মূৰ্ত্তি আছে আৰু তাতে সূৰ্য্যৰ দুয়োগৰাকী পত্নী সন্ধ্যা আৰু ছায়াৰ মূৰ্ত্তি আছে। দুবৰণিৰ আশে-পাশে ১-২ বিঘা মাটিত ইটা কিছুমান আছে যিবোৰ চেপেটা আৰু হাজাৰ বছৰ পুৰণি। দুবৰণিৰ ঐতিহাসিক ঠাই যিখিনি পূৰাতত্ত্ব বিভাগে লৈ থৈছে, তাৰ চাৰিওফালে পুখুৰী আছে। সেই পুখুৰীৰ মাজত ৰজাদিনীয়া ঘৰৰ ভগ্নাৱশেষ আছে। কোৱা হয়, কৌটিল্যৰ অৰ্থশাস্ত্ৰত যি জল দুগৰ্ৰ ব্যৱস্থাৰ কথা উল্লেখ আছে, তাৰ সম পৰ্যায়ত দুবৰণিত এক ৰাজধানী নিৰ্মাণ কৰা হৈছিল। দুবৰণি অঞ্চলত যি বিষ্ণু মূৰ্ত্তিৰ আৱিষ্কাৰ হৈছে, এই বিষ্ণু মূৰ্ত্তি যদি চায়, তাৰ অৱয়ৰ হুবহু অযোধ্যাৰ ৰাম মন্দিৰৰ লগত অৱয়ৱৰ লগত ৭০% মিল

আমি দেখিবলৈ পাওঁ। আজিৰ পৰা প্ৰায় ১৭০০ বছৰ পূৰ্বে সৰুপথাৰৰ দুবৰণি অঞ্চলত যি ডবকা ৰাজ্যৰ ৰাজধানী আছিল, সেই ডবকা ৰাজ্যৰ ধনশিৰি নদীৰে বহিঃৰাজ্যৰ লগত বেপাৰ বাণিজ্য কৰাৰ বাবে এটা নলা নিৰ্মাণ কৰি নাওঁ আহিব পৰাৰ ব্যৱস্থা আছিল। দুবৰণি অঞ্চলত ভগৱান বৰাহৰ মূৰ্ত্তি আৱিষ্কাৰ হৈছে। ভগৱান বৰাহৰ মূৰ্ত্তি অৱিষ্কাৰ অসম তথা অন্য অঞ্চলত নাই। অধ্যক্ষ মহোদয়, সূৰ্য্য দেৱতাৰ প্ৰতিমূৰ্ত্তি প্ৰতিষ্ঠা কৰি মন্দিৰ নিৰ্মাণ কৰা ইমান সহজ কথা নহয়। কোনাৰ্কত মন্দিৰ নিৰ্মাণ হৈছিল কিন্তু তাত সূৰ্য্য দেৱতাৰ পূজা-অৰ্চনা সম্ভৱ হোৱা নাই। দুবৰণিত যিবোৰ ঐতিহাসিক সম্পদ আৱিষ্কাৰ হৈছে, সেই সম্পদবোৰৰ সম্পৰ্কত আমি যদি গুৰুত্ব সহকাৰে আলোচনা বা অধ্যয়ন কৰোঁ ....interruptions...

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সময় আৰু নাই।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ)ঃ** অসমৰ ইতিহাসৰ এটা গুৰুত্বপূৰ্ণ সময়ৰ কথা মই কৈছো। মোক অকণমান সময় দিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** সময় বেছি নাই, এক মিনিটত কৈ শেষ কৰক।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ)ঃ** আমি যদি সেই সময়ছোৱাৰ অধ্যয়ন কৰোঁ, অসমৰ বুৰঞ্জীত এটা নতুন অধ্যায় মুকলি কৰিব পৰা হ'ব। কামৰূপ আৰু ডবকা দুখন ৰাজ্যৰ কথা এলাহবাদ লিপিত আছে। দুবৰণিৰ শিলালিপিত মহাভাৰতৰ কথা উল্লেখ আছে। দুবৰণি আৰু নগাজৰি শিলালিপিত অসমীয়া ভাষাৰ প্ৰাচীনত্ব উপলব্ধি আছে। সেয়েহে মই অনুৰোধ জনাওঁ যে দেৱভূমি দুবৰণিৰ ওপৰত অধিক গৱেষণা হওঁক। পূৰাতত্ত্ব বিভাগ আৰু অসমৰ শিক্ষা বিভাগে গৱেষণাৰ ব্যৱস্থা কৰক। বিশেষকৈ, অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ পিছত, ধ্ৰুপদী ভাষাৰ জৰিয়তে গৱেষণাৰ যি ব্যৱস্থা আছে, সেই ব্যৱস্থাৰ জৰিয়তে দুবৰণি অঞ্চলত ব্যাপক গৱেষণা কৰি এই অঞ্চলৰ ইতিহাস উদ্ধাৰ কৰিবৰ বাবে মই পৱিত্ৰ সদনৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াই অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ প্ৰেক্ষাপটত গোলাঘাটৰ সৰুপথাৰ অঞ্চলৰ যি ঐতিহাসিক সমল, সেই সম্পৰ্কে আজি বিধান সভাত মূল্যৱান তথ্য উত্থাপন কৰিছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো আৰু এই সুযোগতে মই ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো যে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ লগতে বেংগলী ভাষাকো ধ্ৰুপদী ভাষাৰ মৰ্যাদা দি এটা ঐতিহাসিক বিতৰ্কৰ ওৰ পেলাইছে। ইয়াৰ জৰিয়তে অসমীয়া ভাষালৈ উপযুক্ত মৰ্যাদা আগবঢ়ালে। ১৮৩৬ চনত সাম্ৰাজ্যবাদী ব্ৰিটিছে, তেওঁলোকৰ কু-অভিসন্ধি বা বিভাজনৰ ৰাজনীতিৰ কাৰণতে হওঁক, ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ অসমত বেংগলী ভাষাক ৰাজ্য ভাষা হিচাপে প্ৰচলন কৰিছিল। ইয়াকে লৈ পিছত বৌদ্ধিক মহলত এক বিতৰ্কৰ সৃষ্টি হৈছিল। বহুতে এইটো ক'বলৈ যত্ন কৰিছিল যে অসমীয়া ভাষাটো স্বতন্ত্ৰীয় ভাষা নহয়। ই বেংগলী ভাষাৰ পৰা উৎপত্তি হোৱা এটা ভাষা। বহুতে আকৌ কৈছিল যে বেংগলীহে অসমীয়াৰ পৰা সৃষ্টি হোৱা ভাষা। এই সকলো বিতৰ্কৰ ওৰ পেলাই অসমীয়া আৰু বেংগলী দুয়োটাই সুকীয়া সুকীয়া দুটা স্বতন্ত্ৰীয় ভাষা আৰু দুয়োটা ভাষাই ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি পায়। দুয়োটা ভাষাই হাজাৰ বছৰ বৰ্তি থকা ভাষা। এই স্বীকৃতিৰ জৰিয়তে ইয়াৰ সমল সমূহ পোহৰলৈ আহিল যে অসমীয়া ভাষা প্ৰাক্-ঐতিহাসিক যুগৰ পৰা প্ৰচলিত হৈ অহা এই

অঞ্চলৰ এটা ভাষা। ভূ-প্ৰাকৃতিক ভাৱে যদি আজি অসমখনৰ অৱস্থিতি আমি চাওঁ তেতিয়া হ'লে আমি দেখা পাম যে আমাৰ দক্ষিণ-পূৱ এছিয়ালৈকে এই অঞ্চলৰ সম্পৰ্ক আছে। এই অঞ্চলত খাছী-জয়ন্তীয়া পাহাৰ, নগা পাহাৰ, অৰুণাচল ইত্যাদি ৰাজ্যসমূহৰ জৰিয়তে পৰিৱেষ্টিত হৈ আছে। তাৰ মানে ই অতি স্বাভাৱিক যে অসমত যি ভাষা বিকশিত হৈছে সেই ভাষা কেৱল আৰ্য্য মূলীয় ভাষা নহয়। এই ভাষাৰ লগত অষ্ট্ৰিকসকলৰ, তীব্বতীয়-বাৰ্মান সকলৰ অৱদান আছে। বেংগলী আৰু উড়িয়া ভাষা মাগধী পাকৃতৰ পৰা উদ্ভৱ হ'লেও ইয়াৰ পৰা গুণগতভাৱে অসমীয়া ভাষাৰ যি বিশেষত্ব, সি অসমীয়া ভাষালৈ তীব্বতীয়-বাৰ্মান ভাষা গোষ্ঠীৰ অৱদান । বেংগলী ভাষালৈ অষ্ট্ৰিক ভাষা, দ্ৰাবিড় ভাষাৰ অৱদান আছে। কিন্তু অসমত যি ধৰণে সেই তীব্বতীয়-বাৰ্মান linguistic group ৰ ভাষাৰ অৱদান আছে সেইটো অন্য ভাষাৰ ক্ষেত্ৰত নাই। সেইটোৱে অনন্য, সেইটোৱেই unique আৰু এই uniqueness টোৱে আমাক স্বকীয়তা প্ৰদান কৰিছে। ইয়াৰ পিছৰ ঘটনাটো হ'ল যে আমি কেৱল ভাষাকলৈয়ে সীমিত নহয়, ইয়াৰ পুৰাতত্ত্বৰ লগতো সম্পৰ্ক আছে। আজি মাননীয় বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াই যিখিনি কথা উল্লেখ কৰিছে আৰু ময়ো গোলাঘাটত নুমলীগড়ৰ কাষত ডেউপাহাৰত গৈয়ো যিখিনি উপলব্ধি কৰিছোঁ যে গোলাঘাট জিলাত এক প্ৰাচীন সভ্যতা প্ৰাক আহোম যুগতে তাত প্ৰতিষ্ঠিত হৈছিল। অৰ্থাৎ স্বৰ্গদেউ চুকাফা আহি অসমত ৰাজ্য প্ৰতিষ্ঠা কৰাৰ আগতে গোলাঘাট জিলাত ৰাজ্য প্ৰতিষ্ঠা আছিল আৰু তাতে সভ্যতা বিৰাজ কৰিছিল। যি সভ্যতাৰ পৰিচয় এই দ্ৰুৰৰণি শিলালিপি, খনিকৰ গাওঁৰ শিলালিপি হওঁক বা নুমলীগড়ৰ দেউপাহাৰৰ যি ভগ্নাৱশেষ মন্দিৰ তাৰ দ্বাৰাই ই প্ৰমাণিত হয়। ঠিক একেধৰণে আমি জানো যে প্ৰাচীন কামৰূপে অসমৰ এক অনবৈদ্য সেই সময়ৰ আমাৰ এক ঐতিহাসিক সমল আছে, ইয়াতে সভ্যতা বিৰাজ কৰিছে। একে ধৰণে এটা সভ্যতা বিৰাজ কৰিছিল কমতাপুৰ অঞ্চলত। একে ধৰণে সভ্যতা বিৰাজ কৰিছিল ৰজা ডেডছুং কছাৰী সকলৰ যি ৰাজ্য আছিল তেওঁলোকৰ সময়ত গতিকে এই সকলো বিলাক সম্পৰ্কে অধ্যয়ণ কৰা তাৰ অতি প্ৰয়োজনীয়তা আছে, বৰ্তমান আমি বিভিন্ন ৱিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ যি আসন প্ৰতিষ্ঠা কৰিছো। সেই আসনে কেৱল শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলীৰ ওপৰতে অধ্যয়ণ কৰিব সেইটো নহয়, সেইটো এটা যুগ আছিল অসমীয়া সাহিত্যৰ যদি আমি যুগ বুলি চাওঁ, তেনেহ'লে আমি আদি যুগ বুলি ক'ব পাৰো যিহেতু আদি যুগ আমাৰ মৌখিক মন্ত্ৰ সমূহ আছিল। চৰ্য্যাপদ সমূহ আছিল । এই আদি যুগৰ পিছত এটা শংকৰী যুগ আৰম্ভ হৈছে, সেই শংকৰী যুগৰ সাহিত্যৰ ভাষাৰ এক বিশেষ গুৰুত্ব আছে। গতিকে এই শংকৰদেৱৰ নামৰ যিসমূহ আসন আমি প্ৰতিষ্ঠা কৰিছো সেই বিশ্ববিদ্যালয়সমূহলৈ মই নিজে ব্যক্তিগত ভাৱে চিঠি লিখিম যে তেওঁলোকে এই যুগটোৰ সামগ্ৰিকভাৱে সাহিত্যৰ ভাষা আমাৰ যি ধ্ৰুপদী ভাষা এতিয়া হ'ল, তাৰ পৰিপ্ৰেক্ষিত্বত সেই ভাষা সম্পৰ্কেও যাতে তেওঁলোকে অধ্যয়ণ কৰে । মই বিশ্ববিদ্যালয় সমূহক আহ্বান জনাওঁ এই বিধানসভাৰ তৰফৰ পৰা । এই যে গোলাঘাট জিলাত বিশেষকৈ ডবকা ৰাজ্যৰ যি ঐতিহাসিক সমল সমূহ আছে, সেই সমল সমূহৰ বিস্তৃত অধ্যয়ণ হ'ব লাগে আৰু সেই বিস্তৃিত অধ্যয়ণ কৰিবৰ কাৰণে মই বিশ্ববিদ্যালয় সমূহক আমাৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান সমূহক, গৱেষক সকলক বিধান সভাৰ তৰফৰ পৰাই অনুৰোধ জনাইছো। কামৰূপ অনুসন্ধান সমিতিয়ে কামৰূপৰ প্ৰাচীন ঐতিহ্য সমূহৰ অধ্যয়ণ তেওঁলোকে শৃংখলাবদ্ধভাৱে কৰি আছিল, সেয়া এতিয়াও আধৰুৱা হৈ আছে। মই নিজে কামৰূপ অনুসন্ধান সমিতিৰ লগত কথা পাতিছো আৰু এই অসমাপ্ত যিখিনি অধ্যয়ণ আছে কামৰূপ সম্পৰ্কে সেইখিনিকো মই আগুৱাই নিবলৈ অনুৰোধ জনাম। ঠিক তেনেধৰণে কমতাপুৰক লৈ যিখিনি আমাৰ আছে আৰু কছাৰী

ৰাজ্যখিনিক লৈ যিখিনি সমল আছে, তাত অধ্যয়ণৰ বাবে ব্যৱস্থা কৰিম। আহোমসকলৰ এটা খুব ভাল অভ্যাস আছিল বুৰঞ্জী লিখা। বুৰঞ্জীৰ সেই পৰম্পৰাকে ঐতিহ্য আহোম ৬০০ বছৰীয়া ৰাজত্বই আমাক দি থৈ গৈছে। গতিকে আহোম ৰাজত্বৰ সমল আহোম স্বৰ্গদেউ সকলে আমাক প্ৰদান কৰি থৈ গৈছে। কিন্তু ডবকা ৰাজ্য হওঁক, কছাৰী ৰাজ্য হওঁক কামৰূপ হওঁক বা কমতাপুৰ হওঁক ইয়াত আমাৰ এতিয়াও বহুত গবেষণাৰ প্ৰয়োজন আছে। বৰ্তমান ধ্ৰুপদী ভাষাৰ মৰ্য্যদা পোৱাৰ পৰিপ্ৰেক্ষিত্বত এই ঐতিহাসিক সমল সমূহৰ অধ্যয়ণৰ ব্যৱস্থা , শিক্ষা বিভাগৰ তৰফৰ পৰা আমি বিশেষ উদ্যোগ আমি গ্ৰহণ কৰিম। লগতে আমি ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে আমি ঘেষণা কৰিছো আৰু কিতাপৰ ঘোষণা কৰিবলৈ যাওঁতে আমি ধ্ৰুপদী ভাষাৰ যি মৰ্য্যদা লাভ কৰিছো, তাকো celebrate কৰি এটা কিতাপৰ জৰিয়তে,পঢ়াৰ জৰিয়তে আমি তাতে যদি celebrate কৰিব পাৰো তাৰ কাৰণেও বিস্তৃত কাৰ্য্যসূচী লৈ আমি খুব সোণকালে আপোনালোকৰ আগত বিস্তৃত কাৰ্য্যসূচী প্ৰদান কৰিম। সেই কথাখিনি কৈ মই পুনৰবাৰ শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়াক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ক'ব বিচাৰিছো। মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে, উত্তৰ খিনিত মোটামুটি সন্তুষ্ট। তেখেতৰ কথাখিনিয়ে নৱম, দশম শতিকাৰ পাছৰ কথাখিনি reflect কৰিছে। মই যিখিনি কথা কৈছো চতুৰ্থ শতিকা বা আদি কালৰ কথা কৈছো। সেইখিনিৰ সম্পৰ্কত গৱেষণা আৰু অধ্যয়ণৰ প্ৰয়োজনীয়তাৰ কথা মই অনুভৱ কৰিছো আৰু মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অসমৰ আটাইতকৈ পূৰণি ইতিহাসৰ অধ্যয়ণৰ কাৰণে বিভাগৰ ফালৰ পৰা যেনেকৈ বিশ্ববিদ্যালয়ক অনুৰোধ কৰিছে অন্তত সৰুপথাৰ, বৰপথাৰ দুইখন মহাবিদ্যালয়, বুৰঞ্জী বিভাগত তেখেতে আৰ্থিকভাৱে সহযোগ কৰক যাতে এই দুইখন মহাবিদ্যালয় ঠাইতে থকা এই সমল সমূহৰ ওপৰত বিস্তৃত অধ্যয়ণৰ গৱেষণা কৰিব পাৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। **আমাৰ সময় বহুত সীমিত। সেইটোৰ কাৰণে আজি Special Mention 301 ইয়াতে আমি সমাপ্ত কৰিলো। এতিয়া Reply টো পাব আপোনালোকে। পুনৰ notice দি দিব অন্যথা Reply department ৰ পৰা পাই যাব। এতিয়া আমাৰ তিনিটা Under Rule-50ৰ ওপৰত আলোচনা আছে। এতিয়া Item no-4.**

**শ্ৰী অশোক সিংহাল, স্বাস্থ্যমন্ত্ৰী ঃ অধ্যক্ষ মহোদয়, শ্ৰী ৰূপজ্যোতি কুৰ্মীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে, মই reply টো ইয়াতে দি দিছো।**

**মাননীয় অধ্যক্ষঃ ঠিক আছে, ইয়াতে reply টো দি দিলে হ'ল আৰু শ্ৰী আমিনুল ইছলামৰো আছিল। যদি reply টো আছে আপুনি পাই যাব। এতিয়া Item no-4. সন্মানীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া।**

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয়া অধ্যক্ষ মহোদয়, মই Bodoland University Court ৰ পূৰ্বৰ সদস্যসকলক কাৰ্য্যকাল উকলি যোৱাত Bodoland University আইন ২০০৯ ধাৰা 15(1) and Sub section B (XVI) ৰ অধীনত Bodoland University Court ৰ সদস্য পদৰ বাবে অসম বিধান সভাৰ সকলো সদস্যৰ মাজৰ পৰা ৭ জন সদস্য নিৰ্বাচন কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিলো। নৱনিৰ্বাচিত সদস্য সকলে তিনিবছৰৰ বাবে কাৰ্য্য নিবাস কৰিব।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটোৰ সপক্ষে যিসকলে আছে, তেখেতসকলে কওঁক হয়,

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো উৎথাপন কৰা হ'ল।

যিকোনো আৱশ্যকীয় ওপৰত সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব। এতিয়া Item No-5. সন্মানীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয়া অধ্যক্ষ মহোদয়, এতিয়া মই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আইন ৰ 17(9) নং আইন ধাৰাৰ অধীনত অসম বিধান সভাৰ সকলো সদস্যৰ মাজৰ পৰা ২ জন সদস্য কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় পৰিচালনা পৰিষদলৈ কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিলো। নৱনিৰ্বাচিত সদস্য সকলে তিনিবছৰৰ বাবে কাৰ্য্য নিবাস কৰিব।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটোৰ সপক্ষে যিসকলে আছে, তেখেতসকলে কওঁক হয়,

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহয়

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো উৎথাপন কৰা হ'ল।

সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দি দিব।

এতিয়া আমাৰ **Under Rule-50** ৰ তিনিটা বিষয় আমি লৈছো আৰু ইয়াৰে প্ৰথম Item No-7. আমাৰ Detention Camp ৰ ওপৰত যিটো Rule-50 ত উত্থাপন কৰিছে, সেইটো আমি আগতেত আৰম্ভ কৰো। গতিকে প্ৰথমতে শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (ধিং, জ্যেষ্ঠ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধানসভাৰ কাৰ্য্যপৰিচালনা বিধিৰ ৫০ নং ৰ অধীনত এটা অতি গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ বিষয়ৰ ওপৰত মই কেইটামান কথা ক'বলৈ গৈ আছো আৰু মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই ভাৱো এইটো প্ৰথমবাৰ অসম বিধানসভাৰ মজিয়াত বিষয়টো সামগ্ৰিকভাৱে আলোচনা কৰাৰ সুযোগ পাইছো। অধ্যক্ষ মহোদয় মই ভাৱো যে ১ ঘন্টাৰ ভিতৰত গোটেইখিনি সামৰি এটা coverage দিম, লাগিলে আমাৰ পিছৰ বক্তা দুই এজনক ক'ব যদি থাকি যায়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং, জ্যেষ্ঠ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰণ এই বিষয়টো লৈ বহুত ভুল বুজা-বুজি আছে আৰু এইটো অসমৰ আৰ্থ-সামাজিক পৰিস্থিতি ৰাজনৈতিক পৰিস্থিতিত বিগত ৪০-৫০ বছৰ ধৰি এই বিষয়টো প্ৰভাৱ বিস্তাৰ কৰি আছে। আৰু অধ্যক্ষ মহোদয়, ইয়াত আপোনাৰ জৰিয়তে, মন্ত্ৰী মহোদয় সকলৰ লগতে, শাসকীয় দলৰ বিধায়ক সকল আৰু আমাৰ বিৰোধী দলৰ বিধায়ক সকল প্ৰত্যেককে মই এটা অনুৰোধ জনাম এই বিষয়টোৰ যিটো বাস্তৱ প্ৰতিচ্ছবি বা এইটো লৈ আমাৰ বিভিন্ন দল সংগঠনৰ মাজৰ বিভিন্ন কিছুমান ভুল বুজা-বুজি হৈ থাকে বা এই বিষয়টো লৈ বহুতে বহুত ধৰণৰ মুনাফাও লুটে, গতিকে আমি এবাৰ এই বিষয়টো বুজিব চেষ্টা কৰো। প্ৰথম কথা হ'ল এই যে D-voter যিসকল হ'ল, ইয়াত দুই ধৰণৰ আছে, কিছুমান হ'ল D-voter আৰু কিছুমান আছে D-voter নহয়, যিসকলৰ নামত বিদেশী ন্যায়ধীকৰণত কেচ reffer কৰ হ'ল। প্ৰথমতে ১৯৯৭ চনত যেতিয়া অসমত ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছিল তেতিয়া মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কমাৰ মহন্ত আছিল। যেতিয়া মই অসম বিধান

সভাত দিয়া প্ৰশ্নৰ উত্তৰত গম পালো তেতিয়া ৬৫১০১ জন লোকক সন্দেহজনক বুলি 'D VOTER' হিচাপে চিহ্নিত কৰা হৈছিল। আৰু তেতিয়া চৰকাৰে কৈছিল যে অসমত এই ৬৫১০১ জনৰ বাহিৰে আৰু কোনো সন্দেহজনক লোক নাই যদি সন্দেহজনক লোক আছে তাৰ ভিতৰত হয়তো যদি বিদেশীও থাকিব পাৰে বা কোনোবা যদি ওলাব পাৰে, এই কথাটো কৈছিল। তাৰ পিছত ২০০১ চনত এই বিষয়টো লৈ তেতিয়া কংগ্ৰেছ দলৰ পৰা তৰুণ গগৈ ছাৰে জমিয়তৰ লগত আলোচনা কৰি চুক্তি কৰিছিল। আৰু জমিয়তে এটা কথা কৈছিল যে এই ৭৩,১০১ জনক 'D VOTER' সজাই তেওঁলোকক নাগৰিকত্ব অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল আৰু আপোনালোকক সমৰ্থন কৰিম যে আপোনালোকে আমাৰ এই সমস্যাটো সমাধান কৰে। তেতিয়া তেখেতে কৈছিল যে ঠিক আছে আমি এই সমস্যাটো সমাধান কৰিম। তাৰ পিছত দেখা গ'ল যে পৰৱৰ্তী ১৫ বছৰৰ পিছত এই সমস্যাৰ সমাধান নহ'ল আৰু 'D VOTER' ৰ সংখ্যাটো বঢ়াই ৫ লাখৰ ওপৰত লৈ যোৱা হ'ল। গতিকে এই বিষয়টো এই সদনক জনাব বিচাৰিছো, মই ২০১৩ চনৰ নৱেম্বৰ মাহত অগ্ৰদূত কাকতত এটা article পাইছিলো ড° দেবেন্দ্ৰ নাথ মুক্তিয়াৰৰ। তেওঁ তেতিয়া নগাওঁ জিলাৰ চাপানলৰ ওচৰত ওখন চাহ বাগিছাত কৰ্মৰত আছিল। তেওঁৰ ঘৰত এগৰাকী চাহ জনগোষ্ঠীৰ বন কৰা ছোৱালী আছিল , সেই ছোৱালীজনীয়ে ক'লে, ছাৰ, মই বাৰে বাৰে ভোটাৰ অফিচত মোৰ নাম দিওঁ, নামটো উঠা নাই। তেতিয়া তেখেতে কৈছিল যে তোমাৰ কাৰণে মই নগাওঁ ইলেকচন অফিচত direct যাম আৰু গৈ তোমাৰ এই বিষয়টো আলোচনা কৰিম। তেতিয়া ড০ দেবেন্দ্ৰ নাথ মুক্তিয়াৰে লিখিছিল যে মই নগাওঁ District Election Officer ৰ অফিচত আধা ঘন্টা বহি আছো, District Election Officer য়ে ভোটাৰ তালিকা এখন লৈ পাত লুটিয়াই আছে আৰু আধাঘন্টামান মোৰ লগত মাতবোল কৰা নাই। পিছত মই ক'লো যে ছাৰ, মই এটা কামৰ কাৰণে আহিছিলো ছোৱালী এজনীৰ কাৰণে আৰু আধা ঘন্টা আপুনি ভোটাৰ তালিকাৰ পাতবিলাক ওলোটাই আছে আৰু একো লিখাও নাই। কলম জোকাৰি আছে। তেতিয়া District Election Officer য়ে কৈছিল যে মই এটা বিপদত পৰিলো। অসম চৰকাৰৰ গৃহ বিভাগৰ পৰা মোলৈ নিৰ্দেশ আহিছে যে কিছুমান নিৰ্দিষ্ট অঞ্চলৰ ভোটাৰ তালিকাৰ, প্ৰত্যেক গাৱঁৰ ভোটাৰ তালিকা ২০-২৫ টা লৈ D লগাই দিব লাগে। মই যে আধা ঘন্টা এখন গাৱঁৰ লিষ্ট লৈছো মই পাতবিলাক ওলোটাই আছো, মোৰ কলমেদি কোন ব্যক্তিক মই D লিখিম, সেইটো মোৰ মানৱতাই ধৰা নাই। যাৰ নামতে মই D টো লিখিম সেই মানুহজনৰ পৰিয়াটো ধ্বংশ হৈ যাব আৰু নাগৰিকত্বৰ পৰা বঞ্চিত হৈ যাব আৰু ভোটাৰ অধিকাৰৰ পৰা বঞ্চিত হৈ যাব। আৰু তেওঁৰ লৰা ছোৱালী উচ্চ শিক্ষাত admission ল'ব নোৱাৰিব, চাকৰি নাপাব, লাইচেঞ্চ নাপাব, contract permit নাপাব, বৃদ্ধ পেঞ্চন নাপাব, তেওঁলোকে passport নাপাব, সকলো ধৰণৰ নাগৰিকত্বৰ পৰা বঞ্চিত হৈ যাব। কৈছে ওপৰৰ পৰা নিৰ্দিষ্ট এলেকাৰ প্ৰত্যেক ভোটাৰ লিষ্টত ২০-২৫ টা D বনাব লাগে। ওপৰৰ নিৰ্দেশ মানিবও লাগে। এতিয়া মই কলম লৈ বহি আছো যে কাক মই বিপদত পেলাওঁ, কাৰ নামত D লিখিম। তেতিয়া ২০১৩ চনত ড° দেবেন্দ্ৰ নাথ মুক্তিয়াৰে এই কাহিনী এই কাৰণে লিখিলে যাতে অসমৰ মানুহে গম পায় যে বাস্তৱতাটো কি। মই তেখেতক শ্ৰদ্ধা জনাইছো যে ড° দেবেন্দ্ৰ নাথ মুক্তিয়াৰে এটা বাস্তৱ প্ৰতিচ্ছবি অগ্ৰদূত কাকতত লিখিছিল আৰু ইয়াত আৰু এটা কথা যে ভোটাৰ লিষ্টত কাৰোবাৰ নামত সন্দেহ হ'লে তাৰ নামত D লিখা হয় আৰু এই D লিখাৰ আগতে অসমৰ মাননীয় গুৱাহাটী হাই কোৰ্টৰ যি instruction আছিলে আৰু নাগৰিকত্ব আইনৰ কেইবাবাৰো সংশোধন হৈছিল ১৯৬৪ ত। এই

সংশোধনীমতে কাৰোবাৰ ওপৰত যদি সন্দেহ হয় যে এই মানুহজন ভাৰতীয় নহয় বা বিদেশী হয়, তেতিয়া Border SI অসমত প্ৰত্যেক থানাত যে দিয়া হৈছে, সেই Border SI সকলে সেই ঘৰৰ নিৰ্দিষ্ট মানুহৰ ঘৰত যাব লাগে যে আপোনাৰ ওপৰত আমাৰ সন্দেহ হৈছে আৰু আপোনালোক ভাৰতীয় নহয় বুলি আমি information পাইছো। গতিকে আপোনালোকৰ প্ৰয়োজনীয় কি তথ্য পাতি আছে সেই বিলাক আমাক show কৰক। তেতিয়া সেই পৰিয়ালে যদি তেওঁলোকৰ নাগৰিকত্ব সমৰ্থনৰ প্ৰতি যদি একো দেখাব নোৱাৰে তেতিয়া দুই নং step টো দিয়া আছিলে যে তেতিয়া তেওঁলোকে এই গাৱঁৰ গাওঁবুঢ়া আৰু ওচৰ পাজঁৰৰ যিসকল বয়োজ্যেষ্ঠ লোক আছে তেওঁলোকক একেলগে মাতি গাওঁবুঢ়াক সুধিব যে এই পৰিয়ালটো কিমান দিন আগৰ পৰা ইয়াত আছে, তেওঁলোকৰ background কি, তেওঁলোক ক'ৰ পৰা আহিছে, এই কথাটো তেওঁলোকে গাওঁবুঢ়া আৰু ওচৰ চুবুৰীয়া সকলক সুধি মুৰব্বী সকলৰ পৰা লিখিত লৈ যদি তেওঁলোকেও কয় যে এই লোকজন সন্দেহজনক, তেওঁলোক ক'ৰ পৰা আহিছে ৩ বা ৫ বছৰ আগত আমি নাজানো, ইহঁতৰ background আমি নাজানো আৰু ইয়াতে ক'ৰ পৰা আহিছে আমি নাজানো, তেওঁলোকৰ linkage আমি গম পোৱা নাই। কাগজ পাতি যদি দেখাব পৰা নাই, তেতিয়া তেওঁলোকক foreigners tribunal ত ৰেফাৰ কৰিব, তেওঁলোকৰ নামত D লগাব আৰু তেওঁলোকৰ ওপৰত বাকী proceeding হ'ব। কিন্তু এই যে কেইবালাখ মানুহক D সজোৱা হ'ল foreigners tribunal ত ৰেফাৰ কৰা হ'ল। এটা কেচ অসমত নাই যে সেই পৰিয়ালত Border Police গৈ তেওঁলোকৰ নাগৰিকত্বৰ প্ৰমান পত্ৰ বিচাৰিছে বা তেওঁলোকৰ নাগৰিকত্বৰ প্ৰমান দিব নোৱাৰাৰ কাৰণে গাওঁবুঢ়া জনক বা ওচৰৰ মুৰব্বী লোকসকলক মাতি, তেওঁলোকক সোধা পোছা কৰি, তেওঁলোকৰ পৰা জবান বন্দীত চহী লৈ তাৰ পিছত foreigners tribunal ত ৰেফাৰ কৰা এটাও কেচ নাই। গোটেই কেইটা কেচ AC room ত বহি বহি D লিখি দিয়া হ'ল। তেওঁলোকক কোনো তদন্ত কৰা নহ'ল। এটা পৰিয়ালৰ ঘৰত যোৱা নহ'ল। তেওঁলোকৰ নাগৰিকত্বৰ তথ্য পাতি বিচৰা নহ'ল। একমাত্ৰ AC room ত বহি বহি নামৰ register ত D লিখি এই পৰিয়ালবিলাকক সৰ্বনাশ কৰি দিয়া হ'ল। তেওঁলোকৰ বংশ, তেওঁলোকৰ পুতেক- জীয়েকৰ ভৰিষ্যৎ পৰ্য্যন্ত বিপদত পেলাই দিয়া হ'ল।

অধ্যক্ষ মহোদয়, যদি আপুনি অসম বিধান সভাৰ পৰা এটা সৰ্বদলীয় সজাতী দল যদি আপুনি বনাই দিয়ে, যেন D VOTER ক'ত ক'ত আছিল আৰু যদি বাস্তৱতে আমি তেওঁলোকৰ ঘৰত যাওঁ আৰু সুধো যে আপোনালোকৰ ঘৰত, D হোৱাৰ আগত Border SI আহিছিল নেকি? কিবা document বিচাৰিছিল নেকি, কিবা তথ্য পাতি দিছিল নেকি? গোটেই অসমত এটাও কেচ নাই। সকলোতে ঘৰত বহি বহি জধে মধে মানুহক এনেকৈ লগাই দিয়া হৈছে। এজন মানুহৰ ওপৰত D লগাই দিয়া হ'ল কিন্তু তেওঁৰ পিতৃ মাতৃ ভাৰতীয় নাগৰিক আৰু তেওঁলোকৰ ভোটাৰ লিষ্টত নাম আছে, তেওঁৰ ককায়েকৰ, বায়েকৰ, ভনীয়েকৰ নাম ভায়েকৰ নাম আছে। তেওঁলোকৰ ভাই ককাই ৫ জন। ৩ নং মানুহজন হঠাৎ বিদেশী হৈ গ'ল।তেওঁলোকৰ judgement ও হৈ গ'ল, detention camp ত বন্দী হৈ গ'ল। এই গৰাকীৰ পিতৃ-মাতৃ ভাৰতীয়, তেওঁৰ ককা দেউতা পৰ্য্যন্ত NRC ত নাম আছিল, তেওঁৰ আইতাৰ নাম আছিল অথবা সকলো লৰা-ছোৱালীৰে নাম আছিল তাৰ মাজতে এজন ব্যক্তিক বিদেশী কৰি দিলে। এনেধৰণৰ ৯৫ শতাংশ কেচ আছে য'ত গোটেই পৰিয়াল ভাৰতীয় কিন্তু এজন বিদেশী। আচহুৱা কাণ্ডকাৰখানা হৈ আছে। এই কথাবিলাক যদি অসম বিধান সভাৰ পৰা সজাতী দল সৰ্বজনীয় দল যদি অধ্যক্ষ মহোদয়ে

এটা বনাই দিয়ে, ground level ৰ পৰা চাব কেনেকৈ ভাৰতীয় সকলৰ নাগৰিকত্ব লৈ কেনেকৈ হেতালি খেলা হৈ আছে। কেনেকৈ কোনো ধৰণৰ verification নোহোৱাকৈ যধে মধে মানুহক D লগাই বিদেশী সজাই detention camp ত বন্দী কৰা হৈছে, পৃথিৱীৰ কোনো দেশত এই system নাই। অসমৰ বাহিৰে ভাৰতবৰ্ষত কোনো ৰাজ্যত এই system নাই। একমাত্ৰ পৃথিবীৰ ভিতৰত ভাৰতৰ ভিতৰত একমাত্ৰ ৰাজ্য অসম য'ত এনেকুৱা ধৰণৰ আসোঁৱাহ নাভূত-নাশ্ৰুত কাণ্ড কাৰখানাৰে মানুহক DeVOTER সজোৱা হৈছে। যিসকল নাম Foreigners Tribunal ত refer কৰে, নিয়মমতে তেওঁলোকে কেচটো ৰেফাৰ কৰাৰ আগতে এজন verification officer নিয়োগ কৰি তেওঁ নাগৰিকত্বটো প্ৰমান কৰিব লাগে। যেতিয়া আমি গম পালো অসম বিধান সভাত মই যোৱা চৰকাৰৰ দিনত প্ৰশ্ন উত্থাপন কৰিছিলো, মই নিৰ্দিষ্টকৈ আমাৰ জুৰীয়া এলেকাত যে তাত কিমানজন মানুহৰ নামত D লগোৱা হ'ল বা Foreigners Tribunal ত refer কৰা হ'ল। যদি তেওঁলোকৰ ঘৰত verification officer গৈছিল, তেওঁলোকে কি প্ৰতিবেদন দিছিল। মই এনেকুৰা ২০০২৫ টা মান কেচৰ তথ্য বিচাৰিছিলো। তাৰ পিছত দেখিলো যে অসম বিধান সভাত তথ্য বিলাক দিয়া হ'ল, সেই তথ্যবিলাকত দেখিছো কোনোবা agriculture Officer, কোনোবা JE বা কোনোবা বিভাগৰ ইঞ্জিনিয়াৰক ভেৰিফিকেশ্যন অফিচাৰ দিয়া হৈছিল আৰু তেওঁলোকে লিখিছে যে এই মানুহজনৰ পৰিয়ালৰ কোনো নথিপত্ৰ নাই, তেওঁলোকে একো কাগজ-পত্ৰ দেখুৱাব নোৱাৰিলে, তেওঁলোক ক'ৰ পৰা আহিছে গাওঁৰ কোনো মানুহে বা গাওঁবুঢ়াইও একো নাজানে। গোটেই অঞ্চলৰ মানুহে তেওঁলোকক চিনিয়েই নাপায়। গতিকে তেওঁলোক সন্দেহজনক বিদেশী বুলি ভেৰিফিকেশ্যনৰ এটা ৰিপোৰ্ট দিয়া হৈছিল। পিছত মই সেই গাওঁবিলাকত গ'লো আৰু তেওঁলোকক কলো যে অমুক Agriculture Officer, JE বা কোনোবা বিভাগৰ ইঞ্জিনিয়াৰ তেওঁলোকৰ ঘৰলৈ আহিছিল নেকি। তেতিয়া তেওঁলোকে ক'লে যে আমাৰ ইয়াত অহা নাই। গাওঁবুঢ়াজন বা আন কোনেও নাজানে। অৰ্থাৎ ভেৰিফিকেশ্যনৰ নামত ইয়াত আৰু এটা নাভূত-নাশ্ৰুত কাণ্ড অফিচত বহি বহিয়েই ৰিপোৰ্ট লিখি দিলে। যিগৰকীয়ে ভেৰিফিকেশ্যনৰ বাবে সেই ঘৰলৈ যোৱাই নাই। গতিকে মই সকলো দলকে প্ৰথমে অনুৰোধ কৰি এই বিষয়টো এইকাৰণেই কৈছো যে বহুতে ভাৱে এই যে ইমান বিদেশী ওলাল। মাননীয় অধ্যক্ষ মহোদয়, পিছত লাগিলে আমাৰ বক্তাক সময় কম দিয়ক। মই এই বিষয়টো এইকাৰণেই স্পষ্ট কৰিব বিচাৰিছো যে সকলো দলৰ মাজত যিটো ভুল বুজাবুজি আছে, এই বিষয়টো লৈ ৪০-৫০ বছৰ ধৰি অসমত এটা ৰাজনীতি মেৰুকৰণ হৈ আছে। গতিকে এই বঞ্চিত, লাঞ্চিত মানুহখিনিৰ যিটো দুৰৱস্থা, যিটো মনৰ আবেগ এইটো আমাৰ দলৰ বহুতেই বুজি নাপায়। তেওঁলোকে ভাৱে যে অসমত বিদেশী থাকে, অসম বিদেশীৰ চৰণীয়া পথাৰ, অসম বিদেশীৰে ভৰি গ'ল, দ্বি-ভোটাৰ মানেই বাংলাদেশী। কেনেকৈ তেওঁলোকক দ্বি-ভোটাৰ বনোৱা হ'ল, কেনেকৈ তেওঁলোকৰ পিঠিত বিদেশীৰ কলংক পৰিল। মাননীয় অধ্যক্ষ মহোদয়, Foreign tribunal ত আৰু এটা কথা আজি ক'ব লাগিব যে অসম ত মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ থাকোতে তেওঁলোকে কেবিনেট ডিচিশ্যন লৈ Foreign tribunal এটা বনাইছিল। Foreign tribunal ত মই এনেকুৱা বহুত কেচ দেখিছো যে এজন মানুহৰ তাত ১৯ টা তথ্য দিছে। য'ত ভোটাৰ লিষ্টৰ কেইবাটাও কপি, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পঞ্চায়তৰ চাৰ্টিফিকেট, স্কুল চাৰ্টিফিকেট, PRC, NRC আদিকে ধৰি ১৯ টা ডকুমেন্টৰ ভিতৰত দেখিলো ১৫ টা ডকুমেন্টত তেওঁৰ নামৰ লগত পিতৃৰ নাম আছে। তাৰপিছতো Foreign tribunal য়ে এটা

judgement দিলে যে - He or She could not established his relationship with projected father. তেওঁৰ পিতৃক projected father কৈছে। গতিকে he is foreigner বা বাংলাদেশী। Foreign tribunal বিলাকে কি দৰে কাম কৰি আছে। মই আপোনাক পুনৰ অনুৰোধ জনাইছো যে এখন সৰ্ব্বদলীয় টীম বনাই দিয়ক। আমি সেই judgement বিলাক চাম। তাত দেখিব কিমান bias. কেনেকৈ তেওঁলোকে ভাৰতীয় নাগৰিকজনক সকলো তথ্যপাতি দিয়াৰ পিছতো বিদেশী বুলি judgement দি দিছে। গতিকে এনেবোৰ বিষয় হাইকোৰ্টত গ'লেই ফাইলৰ ওপৰত লিখি দিয়ে যে তেওঁলোক বিদেশী। ফলত এইবোৰ মানুহে ক'তো জাষ্টিচ নাপায়। এইক্ষেত্ৰত মই ভাবো যে চৰকাৰৰ গৃহ বিভাগে এই বিষয়টোৰ এক্টিভ কাৰ্য্যকলাপবোৰ চোৱা উচিত যে এইবোৰ কেনেধৰণে চলি আছে। এইদৰে মানুহবোৰক যধে-মধে বিদেশী বুলি কোৱা হ'ল । মই আপোনাৰ জৰিয়তে এটা কথাত ধন্যবাদ জনাব বিচাৰিছো যে আমাৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াৰ সময়চোৱাত অসম বিধান সভাত এই বিষয়টোক লৈ প্ৰশ্নকালীন সময়চোৱাত এটা উত্তেজনা হৈছিল। তেতিয়া তেওঁ কৈছিলো যে আপোনালোকে সদনত হুলস্থুল নকৰিব ইয়াৰ পৰিৱৰ্ত্তে তেখেতৰ চেম্বাৰত এটা সৰ্ব্বদলীয় প্ৰতিনিধিৰ দ্বাৰা এখন সভা অনুষ্ঠিত কৰিম আৰু এই সভাখন খুব সম্ভৱ ২০১৯-২০ চনত হৈছিল। তেখেতৰ চেম্বাৰত আমাৰ প্ৰত্যেকটো দলৰে ২ জনকৈ প্ৰতিনিধিক মাতি এখন সভা অনুষ্ঠিত কৰিছিল। সেই সভাখনত গৃহ বিভাগৰ আয়ুক্ত, Assam State Director Officer, DIG(Border), IGP আৰু বিভিন্ন বিভাগৰ আয়ুক্ত সকল উপস্থিত আছিল। সেই সভাখনত মই আৰু আমাৰ মাননীয় দলপতি হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আছিলো। ১৯৫১ চনৰ NRC ত কিছু মানুহৰ নাম থকা লোক কিয় দ্বি-ভোটাৰ হ'ল এই কথা আমি তাত কৈছিলো। তেতিয়া মই খেলটো বুজি পাইছিলো যে দ্বি-ভোটাৰ কেনেকৈ হয় আৰু এই বিষয়টোক লৈ কি চলি আছে। ইয়াত যিসকল আমোলা-কৰ্মচাৰী আছে তেওঁলোকে মাইনুটচ্ লিখক যে আজিৰ পৰা নতুনকৈ যাতে অসমত আৰু দ্বি-ভোটাৰ নহয়। আগত যিখিনি দ্বি-ভোটাৰ আছিল সেইখিনিৰ কেচ চলি থাকিব। ১৯৯১ চনৰ NRC ত থকা মানুহক দ্বি-ভোটাৰ কৰিব এই খেলটো মই বুজি পালো। এই কথাটো মই শ্ৰদ্ধাৰে স্মৰণ কৰিছো যে মাননীয় শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াৰ অধ্যক্ষতাত এই সিদ্ধান্তটো লোৱা হৈছিল। এই কথাটো মাইনুটচ্ত লিখা আছে। গতিকে মই ভাবো এই বিষয়টোৰ ওপৰত এটা সৰ্ব্বদলীয় প্ৰতিনিধিৰ দল গঠন কৰি দিয়ক যাতে আমি আলোচনা কৰি ইয়াৰ এটা স্থায়ী সমাধান উলিয়াব পাৰো। যাতে এই দূৰ্ভগীয়া মানুহখিনিয়ে ন্যায় পায় এই কথাটো আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰী দিপায়ন চক্ৰৱৰ্ত্তী।

**শ্ৰী দিপায়ন চক্ৰৱৰ্ত্তী, শিলচৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়াই অনা 'বিদেশীৰ দোহাই দি অসমৰ ডিটেনশ্যন কেম্পত বন্দী হৈ থকা ভাৰতীয় নাগৰিকক অবৈধভাৱে আটক কৰা বন্ধ কৰা আৰু অসমৰ ডিটেনশ্যন কেম্পৰ পৰা তাৎক্ষনিক ভাৱে মুক্তি দিয়াৰ প্ৰয়োজন' এই বিষয়টো আলোচনাৰ বাবে মোক সময় দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

আমি প্ৰথমেই আন্তরিকভাবে ধন্যবাদ জ্ঞাপন করতে চাই ভারতীয় জনতা পার্টীর কেন্দ্রীয় সরকার ও অসমের মাননীয় মুখ্যমন্ত্রী মহোদয়কে, যাদের নেতৃত্বে আমি লক্ষ্য করেছি Detention camp এ থাকা দেশ বিভাগের বলি হয়ে যারা ভারতবর্ষে এসেছিলেন তাদের সংঙ্গা কি তা

নির্ধারণ করার জন্য আমি সরকারকে ধন্যবাদ জানাচ্ছি। আমরা জানি যে কংগ্রেস সরকারের সময় অর্থাৎ ২০০৮ সালে এই Detention camp এর কথা উল্লেখ করা হয়েছে। ডিটেনশন কেম্প সেখান থেকেই শুরু হয়েছে, ভারতীয় জনতা পার্টির সরকারের সময় থেকে নয়। Detention camp এ থাকা হিন্দু illegal migrants যারা পাকিস্থান, বাংলাদেশ, আফগানিস্থান থেকে এসেছিলেন ২০১৯ সালে Parliament একটা সিদ্ধান্ত নেয়, সে্ই সিদ্ধান্ত অনুযায়ী আমরা লক্ষ্য করেছি ৩১ ডিসেম্বর ২০১৪ সালের আগে আসা হিন্দু, শিখ, বৌদ্ধ, জৈন বা খ্রীষ্টান তাদের অন্ততপক্ষে দেশ বিভাগের বলি হয়ে আসা অনুপ্রবেশকারী বলা যাবেনা। তাদের জন্য সরকার সিদ্ধান্ত নিয়েছে যার জন্য আমি আন্তরিক ভাবে ভারতীয় জনতা পার্টীর সরকারকে ধন্যবাদ জানাচ্ছি। এই সদনে একটা আলোচনা হওয়া দরকার, আমরা লক্ষ্য করেছি যে ভারতীয় জনতা পার্টির সরকার আসার পর ২০১৬ সাল থেকে এই Detention camp এ বিশেষ করে হিন্দু ধর্মাবলম্বীর মানুষ যারা রয়েছেন তারা অনেকেই ছাড়া পেয়েছেন। ২০১৬ সালের পর থেকে ডিটেনশন ক্যাম্পের ডি ভোটারের এই কেসগুলো সরকার আর নিচ্ছে না। ভারতবর্ষে স্বাধীনতার পর illegally অনেক মুসলিম মানুষ ভারতবর্ষে প্রবেশ করেছে, আজ ওদের অনেককেই সনাক্ত করে Detention camp রাখা হয়েছে। এই বিষয়টি গুরুত্ব সহকারে আলোচনা করা দরকার । ২০১৯ সালে পার্লামেন্টে যে বিলটি পাশ হয়েছে তাকে গুরুত্ব দিয়ে আজ বাংলাদেশ থেকে আসা হিন্দু, শিখ, বৌদ্ধ, খ্রীষ্টান, জৈন যারা ভারতবর্ষে এসেছেন তাদের অন্ততপক্ষে মুক্তি দেওয়া হোক। আর তাদের জন্য একটা বিহীত ব্যবস্থা করা দরকার। আমরা লক্ষ্য করি যে অনেকেই রেশন কার্ড থেকে বঞ্চিত হচ্ছিলেন, ভারতীয় জনতা পার্টির সরকার ও মাননীয় হিমন্ত বিশ্ব শর্মার নেতৃত্বে finger print এই যে ব্যবস্থাটা সেটাও মাননীয় গৃহমন্ত্রীর সাথে কথা বলে মাননীয় মুখ্যমন্ত্রী একটা সমাধান করে দিয়েছেন। সেইজন্য তাকে আন্তরিকভাবে ধন্যবাদ জ্ঞাপন করতে হয়। ডিটেনশন ক্যাম্পে প্রকৃত ভারতীয় নাগরিকরা যারা রয়েছেন তাদেরকে মুক্তি দিয়ে, আর যারা আমাদের দেশের নাগরিক না তাদের জন্য সরকারি যে টাকা পয়সা খরচ হচ্ছে তাদের জন্য একটা বিহীত ব্যবস্থা সরকার যাতে করতে পারে তার জন্য আমি অনুরোধ রাখছি। আমাদের সরকার আসার পর বিভিন্নভাবে যারা বঞ্চিত ও লাঞ্ছিত ছিলেন কংগ্রেস সরকারের সময়, তাদেরকে আজকের বিজেপি সরকার রেশন কার্ড দিতে সক্ষম হয়েছে। তাদের অনেককেই অরুণোদয় কার্ড দিতে সক্ষম হয়েছে। যারা আয়ুষ্মান ভারত থেকে বঞ্চিত ছিলেন তাদের আয়ুষ্মান ভারত কার্ড দেওয়া সম্ভব হয়েছে। তাই এই বিষয় সদনে উথাপন করার জন্য আমি আমিনুল ইসলামকে ধন্যবাদ জ্ঞাপণ করছি কিন্তু এই বিষয়টাকে অত্যন্ত গুরুত্ব সহকারে দেখে আমি আবারও বলতে চাইছুপাকিস্থান ও বাংলাদেশ থেকে মাইনোরিটি সম্প্রদায়ের মানুষ এখানে এসে ভারতবর্ষে অবৈধভাবে আছেন তাদের বিরুদ্ধে সরকার যাতে একটা বিহীত ব্যবস্থা করেন । আমাদের পূর্ব-পাকিস্থান থেকে আসা যারা মাইনোরিটি অর্থাৎ হিন্দু, বৌদ্ধ, শিখ, খ্রীষ্টান তাদেরকে যাতে এই ডিটেনশন ক্যাম্প থেকে বের করার একটা উপায় বের করতে পারি তার জন্য আজ বিধান সভায় একটা অনুরোধ রেখে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুদা। ৭ মিনিট দিয়া হৈছে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** Detention camp ত আৱদ্ধ হৈ থকা আটাইখিনি লোক বিদেশী হয় নে নহয় এইটো এটা যথেষ্ট বিতৰ্কৰ বিষয়। যিসকল লোক বিদেশী তেওঁলোকক বিদেশলৈ

ঘূৰাই পঠোৱাত আমাৰ আপত্তি নাই। কিন্তু যিসকলে বাংলাদেশ দেখাই নাই তেওঁলোকক বাংলাদেশী সজাই বছৰ বছৰ ধৰি Detention camp ত আৱদ্ধ কৰি ৰাখি থোৱাটো সভ্য সমাজৰ বাবে গ্ৰহণযোগ্য হ'ব নোৱাৰে। অধ্যক্ষ মহোদয়, কিছুদিন পূৰ্বে গোৱালপাৰা জিলাত ৰশ্মিনাৰা নামৰ এগৰাকী ন মাহৰ গৰ্ভৱতী মহিলা যাৰ ককাক এজন স্বাধীনতা সংগ্ৰামী ব্যক্তি আছিল; যাৰ ঘৰত সংগ্ৰামৰ সঁজুলিবোৰ আছে, বংলাবাহাত যাক মাটিৰ পট্টা দিয়াৰ ৰেকৰ্ড আছে, সেই গৰ্ভৱতী মহিলা ৰশ্মিনাৰা, তেখেতৰ নাতিনীক বিদেশী বুলি notice দিলে। কিছুমান border police এ থানাত বহি ভোটাৰ লিষ্ট চাই আনুমানিক ভাৱে কিছুমান মানুহৰ নামত বিদেশী বুলি গোচৰ দিয়ে আৰু এনেকুৱা গোচৰৰ ভিত্তিতেই ৰশ্মিনাৰাকো গোৱালপাৰা বিদেশী ন্যায়াধীকৰণত মাতিলে । যিজনী মহিলা ইতিমধ্যে এটা চাৰি আৰু এটা দুবছৰীয়া সন্তানৰ মাতৃ আৰু বৰ্তমান ন মাহৰ গৰ্ভৱতী আৰু হাজিৰ হোৱাৰ লগে লগে তেওঁৰ ওপৰত কোনো ধৰণৰ বিচাৰ প্ৰক্ৰিয়া নকৰাকৈ পোনে পোনে কোকৰাঝাৰৰ Detention camp লৈ প্ৰেৰণ কৰা হ'ল। তাৰ পিছত যিদিনা Gauhati High Court ৰ পৰা জামিন লোৱা হৈছে সেইদিনা কোকৰাঝাৰ হস্পিতালত তেওঁৰ সন্তান প্ৰসৱ হৈছে। এনেকুৱা ধৰণৰ অমানৱীয় কাৰ্য্য বিদেশীৰ নামত আমাৰ অসমত চলি আছে। অধ্যক্ষ মহোদয়, যিসকল লোকৰ Detention camp ত মৃত্যু হৈ আছে সেই সকলৰ মৃতদেহ কিন্তু বাংলাদেশলৈ পঠোৱা হোৱা নাই। তেওঁৰ মৃতদেহ মৰ্গতো ৰখা হোৱা নাই। তেওঁৰ মৃতদেহ গাঁৱত থকা পৰিয়ালৰ লোকক মাতি চমজাই দিয়া হৈছে আৰু ঘৰলৈ নি নিজৰ পৰিয়ালৰ লোকে সৎকাৰ কৰিছে। যদি তেওঁ প্ৰকৃততে বাংলাদেশী, তেওঁৰ মৃতদেহ বাংলাদেশলৈ পঠোৱা হোৱা নাই কিয় ? গোটেই পৰিয়ালৰ মানুহখিনি স্বদেশী কিন্তু তাৰ মাজৰ পৰা দুজনক বাংলাদেশী সজাই হাৰাশাস্তি কৰি থকা হৈছে। গতিকে যদি বুলি বিদেশী বুলি চিনাক্ত কৰা হয় তেওঁক কিয় Detention camp লৈ প্ৰেৰণ কৰা হয় ? যদি প্ৰকৃততে বিদেশী, তেওঁ যিখন দেশৰ নাগৰিক সেই দেশলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব। Detention camp ত থাকি চৰ্ত সাপেক্ষে জামিনত যিসকলক মুকলি কৰি দিয়া হৈছে তেওঁলোকৰ জামিনদাৰ সকল কিন্তু তেওঁলোকৰ পৰিয়ালৰেই অসমৰ এজন বাসিন্দা হয়। জামিন দিয়াৰ পিছত কিছুমান চৰ্ত বান্ধি দিছে যে সপ্তাহে সপ্তাহে তেওঁলোকে থানাত গৈ হাজিৰ হ'ব লাগিব। কিন্তু এনেকুৱা কিছুমান ব্যক্তি আছে যি ৰোগাক্ৰান্ত আৰু যাৰ থানাত হাজিৰ হ'বলৈ পইছা -পাতিৰ অভাৱ, যিসকল দুখীয়া- দৰিদ্ৰ, তেওঁলোকৰ ঘৈণীয়েক আৰু পুত্ৰই কোলাত লৈ গৈ থানাত হাজিৰা দিব লগীয়া হোৱাৰো উদাহৰণ আছে। গতিকে Detention camp ত পঠোৱা আৰু থানাত হাজিৰা দিয়াৰ ক্ষেত্ৰত মানুহক যি হাৰাশাস্তি দি থকা হৈছে সেইটো বন্ধ কৰিব লাগে। ভাৰতবৰ্ষৰ মহামান্য উচ্চতম ন্যায়ালয়ে এটা ৰায় দিছে যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগেয়ে অহা লোকসকল স্বদেশী হয়। গতিকে সন্দেহৰ ওপৰত ভিত্তি কৰি কাকো হাৰাশাস্তি দিব নোৱাৰে। প্ৰথমে কোন দেশৰ নাগৰিক সেইটো বিচাৰ কৰি যদি বিদেশী বুলি প্ৰমাণিত হয়, বিদেশী প্ৰমাণপত্ৰ লৈ বিদেশী সাব্যস্ত কৰি তাৰ পিছত বিতাৰণৰ বাবে যাতে তেওঁৰ নামত গোচৰ তৰাৰ ব্যৱস্থা কৰা হয় । থানাত বহি ভাৰতীয় নাগৰিক সকলক বিদেশী সজাই হাৰাশাস্তি দিয়াটো বন্ধ কৰিব লাগে বুলি এই সদনত অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ। আপোনাৰ নিৰ্দ্ধাৰিত সময় তিনি মিনিট।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ। মই নিজেই ১৯৯৭ চনত Parliament ৰ নিৰ্বাচনৰ সময়ত যেতিয়া বৰপেটাত নিৰ্বাচনী বিষয়াৰ

কাৰ্য্যালয়ত সোমাইছিলো তেতিয়া দেখিছিলো যে টেবুল বা ডেস্ক পাতি লৈ কিছু কৰ্মচাৰীয়ে ভোটাৰ তালিকাৰ পৰা 'D' mark কৰি গৈ আছে। মই তেতিয়া সুধিলো এইটো কেনেকৈ হৈছে ? তেতিয়া স্বাভাৱিক ভাৱে ক'লে যে ১৫% দিবলৈ দিছে। আমি ১৫% মানুহক 'D' লিখি আছো। এইটো আছিল ১৯৯৭ চনৰ অৱস্থা। মই যেতিয়া ২০১৬ চনত নিজে নিৰ্বাচন খেলিছিলো তেতিয়া Detention camp ক লৈ ভাৰতীয় জনতা পাৰ্টীয়ে খুব স্পষ্ট ভাৱে কৈছিল, আমি যদি নিৰ্বাচিত হওঁ তেতিয়া Detention camp উঠাই দিম। ক'ৰবাত ক'ৰবাত বিজেপি নেতাই Detention camp নাই বুলিয়েই কৈ দিছিল। যেতিয়া খুব স্পষ্ট ভাৱে ওলাই আহিল যে Detention camp is there, তাৰ পিছতো তেওঁলোকে কৈছে আমি উঠাই দিম। ইয়াৰ পিছত ২০১৬ চনত তেওঁলোক ক্ষমতাত আহিল। তাৰপিছত আকৌ ২০২১ চনত তেওঁলোক ক্ষমতাত আহিছে। এতিয়া Detention camp ত মোৰ সমষ্টিৰ পৰাই হাজাৰ- হাজাৰ মানুহ আৱদ্ধ হৈ থকা দেখিছো। এতিয়া বেংগলী- হিন্দু Detention camp ত আছে আৰু মোৰ বৰপেটা ৰোডৰো তিনিগৰাকী বেংগলী- হিন্দু Detention camp ত মৃত্যুৰ মুখত পৰিছে আৰু তেওঁলোকৰ শৰদেহ উলিয়াই আনি সৎকাৰ কৰিবলৈ যাব লগীয়া হোৱাৰ নিচিনা দুৰ্ভাগ্যজনক পৰিস্থিতি হৈছে। এই Detention camp ত কেনেকৈ যায়, বহুতো Ex -party decision হয় Tribunal ত । কাৰণ notice এ নাপায়, তেওঁলোকে গম নোপোৱাকৈয়ে তেওঁলোকৰ বিৰুদ্ধে কেচ উঠি পাৰ হৈ যায়। তেওঁলোক অশিক্ষিত মানুহ, কাৰোবাৰ ৮০ বছৰ বা ৭৫ বছৰ বয়স। এনেকুৱা বয়সৰ পুৰুষ- মহিলাক যেতিয়া tribunal লৈকে মাতে, তেওঁলোকে প্ৰথম অৱস্থাত গমেই নাপায় আৰু শেষত যেতিয়া গম পায় তেওঁৰ নামটো establish কৰাৰ কোনো সুযোগেই নাপায়। আজি এনেকুৱা হৈছে যে বিজেপি চৰকাৰৰ বহু কথা মৌখিক নিৰ্দেশত চলি আছে, যেনেকৈ মুছলমানে হিন্দু লোকৰ মাটি কিনিব নোৱাৰে। এনেধৰণৰ মৌখিক নিৰ্দেশ গোৱালপাৰা আৰু বৰপেটাত চলিছে। ঠিক তেনেকৈ মই জনাত tribunal লৈও কিছু মৌখিক নিৰ্দেশ যায় যে ইমানখিনি কেচ dispose কৰিব লাগিব, ইমানখিনি কেচ বিদেশী সজাব লাগিব। এনেকুৱা দুৰ্ভাগ্যজনক পৰিস্থিতিত মানুহে ন্যায় নোপোৱাৰ সময়ত এই Detention camp বিলাক যথেষ্ট পৰিমাণে এটা অমানৱীয় ব্যৱস্থা। এতিয়া যিসকলক Detention camp ত ৰাখিছে, তেওঁলোক যদি সঁচাকৈ বিদেশী হয়, বিচাৰ-বিবেচনাৰ সকলো সুযোগ পোৱাৰ পিছত বিদেশী চিহ্নিত হয়, তেওঁলোকক Detention camp ত ৰাখি থোৱাৰ কোনো কথা নাই। উচ্চতম ন্যায়ালয়ে ইতিমধ্যে ৰায় দিছে যে তেওঁলোকক কিয় Detention camp ত বন্ধ কৰি ৰাখিছে? কিন্তু এই ক্ষেত্ৰত আমাৰ দৃষ্টিত পৰিছে যে সুবিচাৰ তথা প্ৰকৃত ন্যায় তেওঁলোকে পোৱা নাই। তেওঁলোকে নিজক defend কৰাৰো সুযোগ পোৱা নাই। পিতৃ ভাৰতীয় কিন্তু জীয়েকজনী হৈ গৈছে বিদেশী, ল'ৰা-ছোৱালী, ঘৈণীয়েক ভাৰতীয় কিন্তু পিতৃ হৈছে বিদেশী। এনেকুৱা বহু ঘটনা, বেছিভাগ ঘটনাই তেনেকুৱা হৈছে। উপাধিৰ গণ্ডগোলৰ বাবেই দোষী সাব্যস্ত হৈছে, সেই কাৰণে এইটো অমানবীয় ঘটনা। এইটো treasury bench ৰ সদস্যই কৈছে, যে এতিয়া বঙালী, হিন্দু সকলক Detention Camp ৰ পৰা উলিয়াই অনাৰ ব্যৱস্থা তেওঁ কৰিব কৈছে, চৰকাৰক। কিয় কেৱল Bengali Hindu? সকলো ভাৰতীয় নাগৰিক যি সকল অযথা এটা বিপদৰ সন্মুখীন হৈছে আৰু এই গোটেই tribunal ব্যৱস্থাটো, এইটো হাইকোৰ্টৰ এটা অৰ্ডাৰ মতেই হৈছিল। এই tribunal ৰ ব্যৱস্থাটো এতিয়া স্বাভাৱিক ভাবে বাতিল কৰাৰ দৰকাৰ, কাৰণ tribunal বিলাকে যথাযথ ভাবে কাম কৰিছে

বুলি মই নাভাবো। আৰু tribunal ৰ এই ব্যৱস্থাটো বাতিল কৰি দি অসমত যি সকল ভাৰতীয় নাগৰিক, বিভিন্ন এজেঞ্চি আছে চৰকাৰৰ, সেই এজেঞ্চিৰ জৰিয়তে তেওঁলোকে অনুসন্ধান কৰিব পাৰে। কোনোবা যদি ভাৰতীয় নাগৰিক নহয়, আমাৰ দেশত সোমাই আছে, ৭১ চনৰ আগলৈকে হাত নিদি ৭১ চনৰ পিছত যদি কোনোবা সোমাইছে, তেওঁলোকক চিহ্নিতকৰক, তাৰ বিচাৰ কৰক। তাৰ কাৰণে tribunal লাগিব বুলি কোনো কথা নাই। এই ক্ষেত্ৰত মোৰ স্পষ্ট মত হৈছে যে Detention Camp উঠাই দিব লাগে, ভাঙি দিব লাগে। ভাঙি দি যিসকল প্ৰকৃত বিদেশী আমাৰ ৰাজ্যত আছে, তেওঁলোকক চিনাক্ত কৰণ কৰি বিতাৰণ কৰাৰ ব্যৱস্থাটো কৰিব লাগে। এইটো অমানৱীয় ব্যৱস্থা, আমাৰ ৰাজ্যখনত আছে, গোটেই ভাৰতবৰ্ষত নাই, আমাৰ ৰাজ্যত আছে, এই ব্যৱস্থাটো উঠাই দিব লাগে।

**সভাপতি** ঃ ধন্যবাদ। এতিয়া কমলাক্ষ দে পুৰকায়স্থ, আপোনাৰ সময় ৩ মিনিট।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তর শ্ৰীভূমি)ঃ-** মাননীয় সভাপতি মহোদয়, বিষয়টি অনেক গুরুত্বপূর্ণ বিষয়। এই বিষয়টি আজকের নয় সভাপতি মহোদয়। এটা অনেক পুরোনো বিষয়। আমিও এই বিষয় নিয়ে কয়েকবার প্রশ্ন উত্থাপন করেছিলাম। Chairman Sir, the land-mark of freedom strugle in Assam আজকের এই ইতিহাস এ ক্যাবিনেট মিশন যখন হয়েছিল এবং সেই মিশনের সিদ্ধান্ত মতে আমাদের আসাম তখন দেশ বিভক্ত হয়ে এই অঞ্চল থেকে চলে যাওয়ার পরিকল্পনা ছিল। কিন্তু সেই সময় নেতাজী সুভাষ চন্দ্র বসু সুরমাভ্যালির বিধায়ক যারা ছিলেন বাবু বসন্ত দাস, কামিনী দাস, অক্ষয় দাস ওদেরকে সঙ্গে নিয়ে সেই সোনালী যুগ সা শাহাদুল্লাকে চিফ মিনিষ্টার থেকে সরিয়ে অর্থাৎ মুসলিম লীগের সরকারকে সরিয়ে তখন নেতাজী সুভাষ চন্দ্র বসু গোপীনাথ বরদলৈকে মুখ্যমন্ত্রী বানান। সেটাই ইতিহাস।

এখানে অনেকেই বলছেন ডি-ভোটারের কথা। আমরা যদি অধ্যয়ন করি তাহলে দেখতে পারব বর্তমানে আসামে **২৩৭** জন ডি ভোটার আছেন। কেন্দ্রীয় সরকারে তুষার মেহেতা অ্যাডভোকেট জেনারেল যে এফিডএভিড দিয়েছেন সেখানে বলেছেন যে **৬৩** জনকে বাংলাদেশ পাঠানো হবে সেই সিদ্ধান্ত হয়েছে। **৬৩** জনকে বাংলাদেশ পাঠানো হবে কিন্তু কত জন ডিটেনশন্ ক্যাম্পে আছেন? বাকিগুলোর কোন হদিস নেই। স্যার, আমি একটি কথা বলতে চাই যে আজকের দিনে যে সমস্যা এই সমস্যাটি কে তৈরি করল? আমি ধন্যবাদ জ্ঞাপন করছি আমাদের মাননীয় মুখ্যমন্ত্রীকে, এই সমস্যার সমাধানের জন্য ওনার যে প্রচেষ্টা,ওনার মানষিকতাকে। আমার শিলচরের মাননীয় বিধায়ক বলেছেন সিটিজেনসিপ অ্যামেন্ডমেন্ট বিলের কথা। বলেছেন হিন্দু, শিখ, বুদ্ধিষ্ট, খৃষ্টিয়ানদের কথা। আমি এই দেশে জন্মগ্রহণ করলাম। আমি আসামে জন্মগ্রহণ করলাম। এই দশের জলবায়ুতে আমি বড় হলাম। আজকের দিনে এই বিলের পক্ষে এই বিলের জন্য যে সমস্যা, এই বিলের যে নোটিফিকেশন বের হয়েছে তার ফলে একটি খারাপ পরিবেশ সৃষ্টি হয়েছে। কিন্তু আমার প্রশ্ন মতে আমি বিধান সভায় একটি প্রশ্ন করেছিলাম বর্তমান সময় যে অনুপ্রবেশ চলছে সেই অনু প্রবেশের তালিকা দেখলে দেখা যাবে কাদের অনুপ্রবেশ চলছে? কি পরিবেশ নিয়ে চলছে? আজ আমি শ্রীভূমির এসপি থেকে তথ্য নিয়েছি ৪৪ জন বিগত এক বছরে ধরা পরেছে। প্রথম থেকে ৪৪ জনের নাম যদি পড়ে শুনাই তাহলে এখানে আমাকে অনেকেই খারাপ পাবে। এই পরিবেশ কেন সৃষ্টি হচ্ছে? আজ সেখ হাসিনা তিনি এরকম একজন মহিলা তিনি বুঝতে পেরেছেন উনি যদি ভারতে আসেন তাহলে উনি সুরক্ষিত থাকবেন। বাংলাদেশ ওনার জন্য সুরক্ষিত নয়। বাংলাদেশের পরিবেশ সুরক্ষিত নয়, বাংলাদেশে হিন্দুরা সুরক্ষিত নয়। সেটা আমরা অস্বীকার

করতে পারি না। সেই সময় আমি মনে করি মূখ্যমন্ত্রীর চিন্তাধারা, প্রচেষ্টা, মানষিকতায় আজ যে পরিবেশ সৃষ্টি হল সামনের দিন সেটা সুষ্ঠ সুন্দর হোক আমরা আগামীতে যাতে এগিয়ে নিয়ে যেতে পারি সেই কথাগুলো বলে আমি আমার বক্তব্য শেষ করছি।

**সভাপতি ঃ** ধন্যবাদ, এতিয়া গোবিন্দ চন্দ্র বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি) ঃ** মাননীয় সভাপতি মহোদয়, আজি বিধায়ক আমিনুল ইচলাম ডাঙৰীয়াই যি বিষয়টো উত্থাপন কৰিছে তাৰ ওপৰত মই দুষাৰমান ক'ব বিচাৰিছো যে এখন দেশৰ সুৰক্ষাৰ কাৰণে আৰু দেশখনৰ যি নাগৰিক তেওঁলোকৰ সাংবিধানিক অধিকাৰ দিবৰ কাৰণে বিশেষকৈ দেশত যাতে বিদেশীৰ আধিপত্য নচলে বা বিদেশী নাগৰিক সকলে নিজৰ ইচ্ছামতে ঘুৰা ভাৰতীয় বৈধ নাগৰিক সকলৰ সা- সুবিধাৰ পৰা বঞ্চিত কৰিব নোৱাৰে তাৰ কাৰণে Detention Camp ৰখা উচিত। এই কথা চিন্তা কৰি অসমত ২০০৮ চনত গুৱাহাটী হাইকোৰ্টৰ নিৰ্দেশ মতে আমাৰ Detention Camp স্থাপন কৰা হ'ল আৰু সেই সময়ত যিহেতু আছু আন্দোলনৰ যি চুক্তি হৈছিল, চুক্তিৰ আধাৰত অসমৰ নাগৰিক পঞ্জী নিৰ্ধাৰণ কৰা হৈছিল, নাগৰিক হয়নে নহয় সেই বিষয়ে অনুসন্ধান কৰা হৈছে। এই অনুসন্ধানত বহুতক ডি ভোটাৰ বুলি চিনাক্ত কৰা হ'ল। ডি ভোটাৰ বুলি চিনাক্ত কৰাৰ পাছত তেওঁলোকক কেনেকৈ ৰখা যায়, মুকলি কৈ বিচৰণ কৰিব দিয়া নহ'ব এই কথা চিন্তা কৰি সিদ্ধান্ত লোৱা হৈছিল। যিহেতু এখন দেশৰ স্বাধীনতা ৰক্ষাৰ ক্ষেত্ৰত বিদেশী সকলৰ অধিপত্য যাতে নচলে এই কথাখিনি সুৰক্ষিত ৰখাটো দেশৰ চৰকাৰী সিদ্ধান্তকাৰী এই কথাখিনি ব্যৱস্থা কৰা হৈছিল আৰু সেই কাৰণে আমি বিষেশকৈ আমাৰ দেশৰ সুৰক্ষাৰ কাৰণে Detention Camp প্ৰয়োজন আছিল। আৰু যিসকলক ডি ভোটাৰ হিচাপে, সন্দেহযুক্ত নাগৰিক বুলি কোৱা হৈছিল, তেওঁলোকক মুকলি ভাবে চলিবলৈ নিদি তেওঁলোকক Detention Camp ত ৰখাটো দৰকাৰ। কিন্তু এই কথাখিনি মনত ৰখাটো উচিত। এইখিনি মই চৰকাৰক অনুৰোধ কৰিছো যে যি সকল ডি ভোটাৰ হিচাবে তাত ৰখা হ'ল তেওঁলোকৰ সঠিক সময়ত বিচাৰ কৰি যদি কিবা হয় নাগৰিক হয় বুলি প্ৰমান হয় তেতিয়া হ'লে তেওঁৰ যিটো দেশৰ নাগৰিক বুলি প্ৰমাণ হয়, তেওঁক তাত পঠাই দিব লাগে আৰু ভাৰতীয় নাগৰিক বুলি প্ৰমাণ যদি হয়, তেওঁক এৰি দিব লাগে। এইখিনি মই সমৰ্থন কৰো। কিন্তু Detention Camp একেবাৰে নালাগে বুলি কোৱাটো যুক্তিসংগত নহয়। স্বাধীন দেশ হিচাবে, স্বাধীন দেশৰ নাগৰিক সকলক সুৰক্ষিত কৰাটো চৰকাৰৰ দায়িত্ব আৰু সেই দায়িত্ব চৰকাৰে ইতিমধ্যে পালন কৰিছে। মাননীয় সভাপতি মহাশয়, ২০০৮ চনত অসমত ৬ টা Detention Camp বনাব লাগে বুলি মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে নিদেৰ্শ দিছিল। এইবোৰ নিৰ্মাণ কৰা হ'ল আৰু ২০১৮ চনত ভাৰত চৰকাৰৰ অনুমোদন ক্ৰমে মাটিয়াত প্ৰায় ২ লাখ ৮৫ হাজাৰ হেক্টৰ বৰ্গ কিঃ মিঃ ত এই কেম্প স্থাপন কৰা হ'ল। এতিয়া যি সকল তাত আছে তেওঁলোকৰ বাবে মোৰ চৰকাৰলৈ এটাই অনুৰোধ যে যিসকল ভাৰতীয় নাগৰিক বুলি চিনাক্ত হ'ল, হিন্দুয়ে হওক, মুছলিমেই হওক বা যি কোনো ধৰ্মৰ লোকে হওক তেওঁলোকক যাতে এৰি দিয়া হয়। আৰু যি সকল ভাৰতীয় নাগৰিক নহয় বুলি প্ৰমানিত হয় তেওঁলোক যি দেশৰ নাগৰিক সেই দেশলৈ প্ৰত্যাবৰ্তন কৰিব লাগে। আৰু এই ক্ষেত্ৰত এটা সময়সীমা ঠিক কৰিলে ভাল হয় লগতে উক্ত কেম্পত থকা মানুহ খিনিক মানবীয় দৃষ্টি ভংগীৰে চাই তেওঁলোকৰ যি খিনি সা সুবিধা লাগে সেইখিনি দিয়াৰ বাবে মোৰ অনুৰোধ থাকিল। Detention Camp আমি বেলেগ দেশতো দেখা পাওঁ লগতে আমাৰ পশ্চিমবংগটো এই কেম্প আছে। গতিকে Detention Camp ৰ ব্যৱহাৰ বহু বছৰ আগৰ পৰাই আছে। যেনে হিটলাৰৰ সময়টো

Detention Camp আছিল আৰু ৰাছিয়ান আন্দোলনৰ সময়তো এই কেম্পৰ ব্যৱস্থা আছিল আৰু সেইসময়ৰ Detention Camp বোৰৰ অৱস্থা অতি জঘন্য আছিল। কিন্তু আমাৰ ইয়াত থকা কেম্প বিলাকত অমানবীয় কাৰ্য্য হোৱা নাই। Detention Camp ত যিসকল দেশীয়ে হওঁক বা বিদেশী লোক আছে তেওঁলোকক যাতে মানবীয় সা-সুবিধাখিনি দিয়া হয় সেইটোয়ে মোৰ চৰকাৰৰ ওচৰত অনুৰোধ। লগতে মই কওঁ যে আমাক Detention Camp লাগিব বিশেষকৈ অসমত ইয়াৰ প্ৰয়োজন আছে।

**মাননীয় সভাপতি ঃ** মাননীয় সদস্য আপোনাক ৫ মিনিট দিয়া হৈছিল সেইটো পাৰ হৈ গ'ল।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী ঃ** মাননীয় সভাপতি মহাশয়, মই এটা কথাকৈ সামৰিছো যে Detention Camp ত থকা মানুহ খিনিক মানবীয় সা-সুবিধাখিনি দিব লাগিব। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ, আপোনাক ৩ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ ঃ** মাননীয় সভাপতি মহোদয়, আপোনালোকে জানে যে এই Detention Camp সৃষ্টি হোৱাৰ আগৰ এটা কাহিনি নিশ্চয় অৱগত। এইটো হৈছে ১৯৯৭ চনত যেতিয়া অগপ চৰকাৰ আছিল তেতিয়া এই D-Voter ৰ সৃষ্টি হয়। এই D-Voter সৃষ্টিৰ পিছতে Detention Camp ৰ ধাৰণাটো আহিল। ১৯৯৮ চনত ভাৰত চৰকাৰৰ গৃহ বিভাগে এটা নিৰ্দেশনা পঠাইছিল প্ৰত্যেক খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ যে Detention Camp খুলিব লাগে। তাৰ ভিত্তিত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০০৮ চনত বিপ্লৱ কুমাৰ শৰ্মাৰ আদালতে বিদেশী ন্যায়াধীকৰণ ৰ কেচ চলি থকা সময়ত কিছুমান সন্দেহযুক্ত বিদেশীক বিদেশী বুলি ঘোষনা কৰাৰ পিছত নোহোৱা হৈ যায় বুলি তেখেতে ৰাজ্য চৰকাৰক এটা নিৰ্দেশ দিলে যে Detention Camp খুলি তেওঁলোকক বিচাৰ চলি থকা অৱস্থাত ধৰি ৰাখিব লাগে বা বিদেশী বুলি ঘোষনা হোৱাৰ পিছত বিতাড়ণৰ সময়লৈকে তেওঁলোকক আবদ্ধ কৰি ৰাখিব লাগে। কিন্তু এই কথাটো উপৰুৱা ভাৱে চালে ঠিকে আছে। কিন্তু অতি দুখৰ বিষয় যে যিটো আগত দুজন মান ব্যক্তাই কৈছে যে সম্পূৰ্ন একপক্ষীয় ভাবে উচ্চ ন্যায়ালয়ত এই ব্যৱস্থাটো চলি আছে। যেনে কাৰোবাৰ মা দেউতা সকলো ভোটাৰ কিন্তু পুত্ৰ D-Voter। সেইকাৰণে মই কৈছো যে আমাৰ দেশত যিহেতু সংসদক সৰ্বোচ্চ ক্ষমতা দিয়া হৈছে নাগৰিকত্বৰ ক্ষেত্ৰত, সেইহে ভাৰতীয় সংসদে যদি এখন আইন প্ৰনয়ন কৰে আৰু এই ক্ষেত্ৰত যদি আমাৰ বিধান সভাৰ পৰা এটি প্ৰস্তাৱ যায় তেতিয়া হ'লে ভাল হয়। কিয়নো ভাৰতবৰ্ষৰ কতো এনেকুৱা D-Voter ৰ আৰু Detention Campৰ নাৰকীয় ব্যৱস্থা কতো নাই । ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত যদি কোনোবা বিদেশী অসমত আহিছে তেওঁলোকৰ বিৰোধে আইনগত ব্যৱস্থা লৈ তেওঁলোকক বিতাড়ণ ৰ ব্যৱস্থা লওঁক তাত আমাৰ আপত্তি নাই। এই কথাটো অসমৰ প্ৰত্যেকটো ৰাজনৈতিক দল বা অৰাজনৈতিক দল সংগঠনে মানি লৈছে। কিন্তু ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ ভাৰতীয় নথিপত্ৰ থকাৰ পিছতো কেৱল এক পক্ষীয় ভাৱে কাম কৰাটো আমি নিবিচাৰো। সকলোৱে জানে যে D-Voter ৰ কেচ বোৰ যেতিয়া ৰেফাৰ কৰা হয় তেতিয়া থানা পৰ্যায়ত থকা সমিতি খনৰ সন্মুখত দাখিল কৰিব লাগেদ আৰু সেই সমিতি খনত তাৰ স্থায়ী মানুহ থাকে আৰু সেই কমিটি খনে Approval কৰাৰ পিছতহে বিদেশী ন্যায়াধীকৰণলৈ পঠাব পাৰে। কিন্তু এই ক্ষেত্ৰত কোনো ধৰণৰ নিয়ম নিতী নামানি এক পক্ষ ভাৱে Foreigners Tribunal লৈ refer কৰা হয় । যাৰ ফলত দিনক দিনে এনেকুৱা কেচবোৰ বৃদ্ধি হব ধৰিছে। গতিকে মই অসম চৰকাৰক অনুৰোধ কৰিছো যে ভাৰতীয় সংসদ হৈছে সৰ্বচ্চ

ক্ষমতাৰ অধিকাৰী আৰু NRC হৈছে ইয়াৰ সমাধানৰ এক মাত্ৰ চাবি কাঠি। বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু সেইসময়ৰ কংগ্ৰেছৰ চৰকাৰৰ দিনত যি NRC ৰ কাম আৰম্ভ হৈছিল তেতিয়া এইজন মুখ্য মন্ত্ৰীয়ে কৈছিল যে প্ৰত্যেক জন ভাৰতীয় নাগৰিক যাৰ ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰ বৈধ নথি-পত্ৰ আছে তেওঁলোকৰ নামৰ আগত D বা C বা Z হলেওঁ তেওঁলোকৰ নাম NRC ত আহিব। আৰু সেইধৰণে যদি NRC কৰা হয় কাৰণ NRC এতিয়াও সম্পূৰ্ণ হোৱা নাই, এতিয়াও Rejection slip অহা নাই বা Hearing ৰ ব্যৱস্থা কৰা নাই। গতিকে মই ভাবো যে যদি NRC ৰ কাম ভালকৈ কৰা হয় তেতিয়া হ'লে D-Voter ৰ সমস্যা সমাধান হ'ব আৰু অসমৰ এক জলন্ত সমস্যৰ সমাধান হ'ব। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় সভাপতি ডাঙৰীয়া, আজি এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা হৈছে। অসমত নাগৰিকত্বৰ নামত যি বিভীষিকা চলি আছে আৰু ইয়াৰ নামত বহুতো লোকৰ যি দুখ আৰু কষ্ট হৈছে এই বিষয়ে আমি বিভিন্ন সংবাদমাধ্যম বা সম্পৰ্কত থকা ব্যক্তি সকলৰ পৰা জানো। বৰ্তমানলৈকে D-Voter ৰ তালিকাত থকা মানুহৰ সংখ্যা হৈছে প্ৰায় ৯৬ হাজাৰ আৰু তাৰ পৰা এতিয়ালৈকে ৫৭৭ জনক এতিয়ালৈকে বিদেশী হিচাপে চিনাক্ত কৰা হৈছে। আৰু Foreigners Tribunal সমূহত প্ৰায় ৯৬ হাজাৰ কেচ pending হৈ আছে ২০২৩ চনৰ তথ্য মতে। এতিয়ালৈকে ভাৰতৰ পৰা বাংলাদেশলৈ কিছু মানুহক deport কৰা হৈছে। যদি আমি চাওঁ ঘোষিত বিদেশীৰ তথ্য তাত দেখা যাব যে প্ৰায় ১লাখ ৭৯ হাজাৰ মানুহক বিদেশী হিচাপে ঘোষনা কৰা হৈছে। দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত আমাৰ দেশলৈ যেতিয়া অন্যান্য শত্ৰ দেশৰ পৰা কিছু মানুহ আহিছিল তেওঁলোকক চিনাক্ত কৰণ কৰিবৰ বাবে Foreigners Ordinance ১৯৩৬ কৰা হৈছিল আৰু পৰবৰ্তী সময়ত তাৰ নামাকৰণ কৰা হৈছিল Foreigners Act,1946। আৰু এই Foreigners Act মতে যেতিয়া কোনো এজন মানুহৰ ওপৰত বিদেশী হিচাপে ব্যৱস্থা গ্ৰহণ কৰা হয় তেতিয়া সেই মানুহ জনে Article 14, Article 19 আৰু Article 21 ৰ সকলো অধিকাৰ হেৰুৱাই। ১৯৯৭ চনত কোনো ধৰণৰ বিচাৰ নকৰাকৈ লাখ লাখ নামৰ আগত D-Voter লগাই দিয়া হৈছিল আৰু সেই D-Voter কেচ এতিয়া লৈকে শেষ হোৱা নাই এতিয়াও হাজাৰ হাজাৰ D-Voter ৰ কেচ pending হৈ আছে যাৰ এতিয়া লৈকে Reference বনাব পৰা নাই। ইয়াৰ কাৰণ হ'ল কাৰোবাৰ ওপৰত যদি সন্দেহ কৰা হয় পুলিছে হওক বা নিৰ্বাচন আয়োগে হওক তেতিয়া তাৰ তথ্য বা প্ৰমাণিক দলিল তাৰ লগত গাঁঠি দিব লাগে। গতিকে যি সকল D-Voter বিৰুদ্ধে সেই তথ্য নাই তেওঁলোকৰ ওপৰত তদন্ত কৰি তেওঁলোকক D-Voter ৰ পৰা মুক্ত কৰি দিয়া হওক। ১৯৭১ চনৰ পিছত অহা প্ৰত্যেক জন বিদেশীক যিকোনো প্ৰকাৰে আমাৰ দেশৰ পৰা বিতাড়িত কৰিব লাগে। কিন্তু ১৯৭১ চনৰ আগত অহা প্ৰতিজন নাগৰিকে সন্মানপূৰ্বক ভাৰতীয় নাগৰিক হিচাপে বাস কৰাৰ অধিকাৰ পাব লাগে। এইলোক সকলক D-Voter ৰ নামত সকলো অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। তেওঁলোকৰ ভোটাধিকাৰ নাই, আধাৰকাৰ্ড পাব নোৱাৰে, চৰকাৰী সা-সুবিধা পাব নোৱাৰে, কিন্তু তেওঁলোকৰ মা-দেউতা ভাৰতীয়, ককা ভাৰতীয় কিন্তু সকলো ভাৰতীয় মানুহৰ মাজৰ পৰা কোনোবাজনক বিদেশী বনাই যি অত্যাচাৰ বা অন্যায় এই ১/১.৫ লাখ মানুহৰ লগত কিয় কৰি থকা হৈছে। আৰু এতিয়াও যি সকলৰ নামৰ আগত D-Voter আছে আৰু যাৰ নামত Foreigners Tribunal ৰ সন্দেহ আছে বা নতুন কেচ আছে আৰু যদি তেওঁলোকৰ সন্তান ২০০৩ চনৰ পিছত জন্ম লাভ কৰে তেওঁলোকক সকলো

অধিকাৰৰ পৰা বঞ্চিত কৰি বিদেশী নাগৰিকৰ দৰে ব্যৱহাৰ কৰা হয়। এই সমস্যাটো এটা ৰাজনৈতিক সমস্যা আৰু ৰাজনৈতিক সমস্যা কেতিয়াও আইনী ভাৱে সমাধান হ'ব বুলি মই নাভাবো। ৰাজনৈতিক ভাৱে এই সমস্যাবোৰ সৃষ্টি কৰা হৈছিল আৰু ৰাজনৈতিক ভাৱে ইয়াৰ সমাধান আনিব লাগিব। এইটো অতি দুখৰ বিষয় যে ২০০১ চনৰ পৰা ২০১৬ চনলৈ আমাক ভাল পোৱা সেই নির্দিষ্ট জনগোষ্ঠীৰ পৰা ভোট আদায়ৰ বাবে বিশেষ দলে অসমত ক্ষমতাত থকাৰ পিছতো এই মানুহখিনিৰ কাৰণে উপহাৰ স্বৰূপে বনাইছে detention camp, এই খিনিৰ কাৰণে বনাইছে reference case আৰু শ শ Foreigners Tribunal। অতি দুখ আৰু পৰিতাপৰ বিষয়। আজি তেওঁলোক নাগৰিকত্বৰ সমস্যাৰ সমাধান বিচাৰি, আপোনালোক ক্ষমতাত থকাৰ সময়ত সেই ব্যৱস্থা কৰা নাছিল।

মাননীয় সভাপতি মহোদয়, অর্থনৈতিক ভাৱে পংগু কৰাৰ কাৰণে কাৰোবাৰ নামত D-voter, কাৰোবাৰ নামত refernece case দি দিয়াটো যথেষ্ট, এটা জনগোষ্ঠীক, এটা প্ৰজন্মক, এটা পৰিয়ালক, এটা বংশক এই ধৰণে শেষ কৰি দিয়া হৈছে। এই সম্পৰ্কে আমি আমাৰ স্ব-ৰচিত কবিতাৰ জৰিয়তে আমাৰ আবেগখিনি ক'বলৈ বিচাৰিছো।

আমি কবিতাৰ জৰিয়তে আবেগখিনি এই কাৰণে বিচাৰিছো, এই বিষয়বিলাক লৈ যেতিয়া চৰ্চা কৰো, দীৰ্ঘ সময়ৰ পৰা আমি এই বিষয়ত বিভিন্নজনক লগ পাইছো, বিভিন্ন জনৰ লগত কথা-বতৰা পাতিছো, আজিৰ সময়তো মোৰ সমষ্টিৰ পৰা কেইবাজনো লোক detention camp ত আছে। যিসকলৰ কেচ মই মোৰ সিমিত পুঁজি মোৰ সামৰ্থৰ পৰা চলাই আছো। মই তেওঁলোকক জানো, তেওঁলোকৰ বংশ, পৰিয়াল সকলোকে জানো। তেওঁলোকে আজি detention camp ত আছে, দুই এদিনত কোনাবা এজন ঢুকাব। তেওঁলোকক লগ কৰিবলৈ যাব বিচাৰিছিলো, গৃহ বিভাগে আমাক অনুমতি আজিলৈকে দিয়া নাই। দুবাৰ দুবাৰকৈ আমাৰ দলৰ পৰা তেওঁলোকলৈ চিঠি প্ৰেৰণ কৰা হ'ল, বিভাগৰ পৰা অনুমতি দিয়া নাই। detention camp ৰ ভিতৰত যি কদৰ্য্যময় পৰিস্থিতি, তেওঁলোকক যি অভাৱ আৰু অনাটনৰ মাজত ৰখা হয়, তাত যিসকল ব্যক্তিক মানসিকভাৱে তৰচাৰ কৰি পাগল পৰ্য্যান্ত বনাই দিয়া হৈছে। এই ধৰণৰ অমানসিক কাণ্ড detention camp, consentation camp ত কিয় চলে, তাৰ বাবে মাননীয় সভাপতি মহোদয়, আমি চাব যাব লাগে আৰু মই দাবী কৰো যে সদনৰ পৰা এটা সমিতি detention camp, consentation camp সমূহলৈ প্ৰেৰণ কৰিব লাগে। আমি যদি আৰু ক'বলৈ যাওঁ আৰু কথা আছে, যিবিলাক কথা আজি ইয়াত ক'ব বিচৰা নাই।

মাননীয় সভাপতি মহোদয়, মই মোৰ কবিতা কৈছো - "মোৰ মাৰ নামত ডি ভোট" মোৰ কবিতাৰ শিৰোনাম।

সূৰ্যটো দেখিছো ডুবিবলৈ ধৰিছে।
ৰঙা আকাশ ক'লা হৈ গৈছে,
মই যাব লাগিব অনেক বাট,
সন্মুখত কেৱল আন্ধাৰ আৰু আন্ধাৰ
দেউতা হাতলৈ গৈছে, মা কোৰ্টলৈ গৈছে,
কেছৰো হাজিৰা আছে।
ময়ো আছো ঘৰৰ পৰা বহু যোজন দুৰত।
ঘৰত খাবলৈ নাই, দুখীয়াই সমাবায় চাউল পায়।

আমাৰ মাৰ নামত ডি ভোট,
এয়া আমি এই দেশৰ আৱৰ্জনা।
দুখীয়াই চাউল, দাইল পালেও,
সেই চাউলৰ সদ আমাৰ নাই।
ভনী জনীৰ দেঙ্গু হৈছে, সৰু ভাইটিয়ে চাহৰ দোকানত বাচন ধুইছে,
আৰু মই সভ্য সমাজৰ চৰকাৰী ৰাজপথত থিয় হৈ,
মাথো চিৎকাৰ কৰিছো, কোনোও চিৎকাৰ নেদেখে, কোনেও নেদেখে......।

মাননীয় সভাপতি মহোদয়, নথি পত্ৰৰ যেতিয়া ম্যাদ পৰা সম্ভাৰ লৈ এজন অশিক্ষিত মানুহে Foreigners Tribunal লৈ যোৱা যায় আৰু Foreigners Tribunal য়ে inclusive হৈ তাতে কাম নকৰে। নথি পত্ৰ সমূহৰ ক্ষেত্ৰত যেতিয়া Foreigners Tribunal আপুনি লৈ যাব, দেখা পাব যে এটা বানান ভুলৰ কাৰণে, K ৰ ঠাইত Q লিখা কাৰণে, যেনেকুৰাকৈ কাদিৰ, Quadir লিখিব পাৰি, Kadir ও লিখিব পাৰি। যদি Foreigners Tribunal ৰ মেম্বাৰে ইচ্ছা কৰিলে Quadir, Kadir একে নহয়, তেতিয়া আপোনাক Foreigner বনাই দিব পাৰে আৰু মই challege কৰি কব পাৰো যে এই সদনৰ ১২৬ জন সদস্য, আটাইখিনিৰ নামত Foreigners Tribunal কেচ চলাওঁক, ৫০ শতাংশ মানুহ পাছ কৰিব নোৱাৰে। এই প্ৰক্ৰিয়াত চলে Foreigners Tribunal। Foreigners Tribunal এটা quasi Judicial process, তেওঁলোকে কোন ভাৰতীয়, তেওঁলোকক বিচাৰি উলিয়াব লাগিছিল, কোন বিদেশী, এইটো তেওঁলোকে ৰায় দিয়াৰ মানুহ নাছিল। যদি বিদেশী হয়, চৰকাৰে তেওঁলোকক সেই দেশত পঠিয়াই দিব লাগিছিল, কিন্তু পাৰা নাই আৰু তেওঁলোকক কি কৰা হৈছে illegally detend কৰা হৈছে।

এতিয়া detention camp কেন্দ্ৰ কৰি কেচ চলিছিল, কভি'ডৰ আগত সেই তিনি বছৰৰ ভিতৰত সকলোকে যাক report কৰিব নোৱাৰিব, তাক জামিন দিব লাগিব। পৰৱৰ্তী সময়ত কভি'ডৰ পিছত দুই বছৰ কৰা হৈছে আৰু আগতে surity bond দিয়া হৈছিল, সেইটো উঠাই লোৱা হৈছে। এজন জামিনদাৰ হলে এতিয়া হয়। অৰ্থাৎ detention camp ত কাকো দুই বছৰৰ ওপৰত ৰাখিবই নোৱাৰে। তেনেহলে এই মানুহখিনিক হাৰাশাস্তি কৰা মানে কি?

মাননীয় সভাপতি মহোদয়, মই আৰু এটা কবিতা কম, তাৰ আগতে এটা সৰু ঘটনা কৈছো। Foreigners Tribunal আৰু অসম পুলিচৰ বোৰ্ডাৰ বিভাগে কিমান ধৰণৰ বদমাচি কৰে সেই কথাটো কবলৈ লৈছো। Foreigners Tribunal ৰ যেতিয়া নটিচ বোৰ্ডাৰ পুলিচৰ জৰিয়তে কাৰোবাৰ ঘৰলৈ পঠিয়াব লাগে, সেই নটিচ নপঠিয়াই। সভাপতি মহোদয়, দেখা যায় তেওঁলোকে নটিচ সমূহ গছত লগাই থব বা কৰাবাত পেলাই দিব। তাৰ উজ্জ্বল প্ৰমান ২০২১ চনৰ Supreme Court ৰ কেচ -Misor Ali Vs Union of India ত আপুনি চাব পাৰে য'ত ব্যক্তিজনৰ ঘৰ ঠিকনা সকলো পুলিচৰ ওচৰত থকাৰ পিছতো তেওঁলোকে ব্যক্তিজনৰ ঘৰলৈ নটিচ পঠিয়াই দিয়া নাই।

গতিকে সভাপতি মহোদয়, মই অন্তিমত Foreigners Tribunal ত বিচাৰ প্ৰক্ৰিয়াৰ মাজত যেনেকুৰাকৈ কষ্ট হয়, এজন অশিক্ষিত মানুহ, আজি যদি মোক ইয়াতে সোধা হয় যে আপোনাৰ ককা দেউতাৰ যি কেইজন সতি সন্তান আছে, তেওঁলোকৰ নাম সোধা হয়। তেনেকুৰাকৈ

এজন অশিক্ষিত মানুহক সোধা হয় যে 'আপোনাৰ পেহাৰ নাম কওঁক?, পেহী নাম কওঁক,'। মোৰ ৭, ৮ জন পেহা পেহী আছে, ময়ো কব নোৱাৰিম, মই গোটেই কেইজনৰ নাম নাজানো। তেওঁলোকক যেতিয়া সোধা হয়, তেতিয়া কৈ দিয়া হয় যে এইটো projected mother, এইটো projected father - সাক্ষী দিবলৈ যায়, যিসকলে জন্মৰ দেখিছিল।

মাননীয় সভাপতি মহোদয়, মই অন্তিম এটা কবিতা গাই দিবলৈ খুজিছো।

Quit India - মোৰ চিৰবিচিন্ন কবিতা।

মহোদয়, ঠিয় হৈ আপোনাৰ মুখখন চাই ভাবিছিলো যে আপুনি চাগে ন্যায়ৰ অৱতাৰ, মই দুচকু মুদি কৈ গৈছিলো মোৰ জন্ম কণ্ডুলি শৈশৱ, যৌৱন, বৃদ্ধকাল, ৰায়ত quit India বাচবাৰী সকলো, আপুনি লিৰিলি বিদাৰি ওৰলি যোৱা মোৰ কাগজবোৰ চাই গৈছিল, ধিজ ধাজকৈ মোহৰো মাৰিছিল, কলমৰেও মাৰে লম্বা আচ, মোৰ কাণত পৰি থাকিব আৱাজ। কিন্তু মোৰ চকু খোলা নাই, বুকু মোৰ ধৰধৰকৈ কপিছে, অলপ পিছত চুক মেলি চাই দেখো,মোৰ দুহাত ধৰি আছে দুই খাকী পোচাক ধাৰি ভেৰনীয়া বন্দুকে। এনেকৈ মোক লৈ অনা হ'ল কুটাশালত। ইয়াতে পাৰ হৈ আছে মোৰ দিন অনাহাৰে, অৰ্ধহাৰে, সন্মাহীন অপৰাধীৰ দৰে, নিৰ্দয় আৰু অন্যায় ভাৱে। অপৰাধ মোৰ পৰিচয়, প্ৰমাণ মোৰ বেশ-ভূষা আৰু ভাষা, শাস্তিত দেশহীনতা। ধন্যবাদ, মহোদয়।

**মাননীয় সভাপতি** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী অজয় কুমাৰ ৰায়।

**শ্ৰী অজয় কুমাৰ ৰায়, বিজনী** ঃ মাননীয় সভাপতি মহোদয়, Rule 50 ৰ অধীনত সন্মানীয় সদস্য শ্ৰী অমিনুল ইছালম (জ্যেষ্ঠ) ডাঙৰীয়া এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। আচলতে আজি যদি এই বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ যোৱা হয় তেতিয়া ইয়াতে এটা কথা স্পষ্ট হ'ব যে আজি বিধান সভাৰ পবিত্ৰ সদনত কিছু এনেকুৱাও সদস্য আছে যিসকলে নিজৰ জাতি নিজৰ সংস্কৃতি যদি বিশ্বাস কৰিছে, যদি সঁচাকৈ ভাল পাইছে, তেতিয়া নিশ্চয়কৈ এই বিষয়ে positive আলোচনা তেওঁলোকে কৰিব। মই এটা কথাই ক'ব বিচাৰিছো যে detention camp আৰু D-voter ৰ জন্ম কৰ পৰা হৈছিল, কোনে সৃষ্টি কৰিছিল, কোন চৰকাৰৰ দিনত হৈছিল, আৰু সেই চৰকাৰৰ দিনত হোৱা সেই দলৰ সদস্য ইয়াতে বহি আছে, তেওঁলোকে আজি বৰ্তমানৰ চৰকাৰখনক সমালোচনা কৰিবলৈ বিচাৰিছে। কিন্তু তেওঁলোকে নিজৰ বুকুত হাত ৰাখি পেলাই কব লাগে যে সেই সময়ত যি চৰকাৰে এই detention camp আৰু D-voter আনিলে, আনি কিয় বিদেশীৰ নামত ভাৰতীয় সকলক হাৰাশাস্তি দিলে আৰু সেই দলৰ সদস্য হৈ আজি ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ চৰকাৰখনক সমালোচনা কৰাত তেওঁলোকৰ মনত অলপো প্ৰশ্ন জগোৱা নাই নে? এবাৰো তেওঁলোকে ভৰা নাই নে যে সঁচাকৈ আমি সেই তেওঁলোকৰ community ৰ পৰা belong কৰো নে নাই? এই কথাটো কিন্তু তেওঁলোকৰ মনত এবাৰ প্ৰশ্ন কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, আজি আমি গৌৰৱৰে কব পাৰো যে যি বিদেশীৰ কথা কোৱা হৈছে, একমাত্ৰ মানৱতাৰ খাতিৰত আৰু মানৱতাৰ দৃষ্টিত যদি কোনোবা চৰকাৰে চাইছে, এক মাত্ৰ ভাৰতীয় জনতা পাৰ্টিৰ বৰ্তমানৰ মিত্ৰজোটৰ চৰকাৰখনে চাই, তেওঁলোকে সেই চৰকাৰ খনে জামিন দি হলেও তেওঁৰ নিজৰ পৰিয়ালৰ লগত থকাৰ ব্যৱস্থা কৰি দিছে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। তেওঁলোকে আজিলৈকে চৰকাৰৰ ওচৰত নটশীৰে স্বীকাৰ কৰিব লাগে যে একমাত্ৰ যদি মানৱতা আছে এইখন চৰকাৰৰ আছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আছে। মই ভুক্তভোগী মই জানো মই মোৰ সমষ্টিৰ মধুবালা মণ্ডল নামৰ এজনী বিদ্ধ মহিলাই ৩ বছৰ detention campত থাকিছিল মই নিজেই উলিয়াই আনিছো। তেওঁৰ নাম মধুবালা মণ্ডল কিন্তু

মধুবালা দাসৰ কেছত তেওঁ ৩ বছৰ detention campৰ জেলত থাকিব লগীয়া হৈছিল। তেওঁ পোৱা জালাযন্ত্ৰণা পাৰ কৰি মই ইয়াতে আহিছো। মোৰ ঘৰত কাম কৰা যি গৰাকী মহিলা আছিল তেওঁক কোকৰাঝাৰৰ detention campত আছিল। তেওঁ যেতিয়া detention campৰ পৰা ওলাই আহে সেই ৰাস্তাতে তেওঁৰ স্বামীয়ে একচিডেন্ট হৈ মৃত্যুবৰণ কৰিব লগীয়া হয়। সেই স্থানৰ পৰা মই উঠি অহা ল'ৰা। প্ৰশ্ন হয় সেই সময়ৰ চৰকাৰক, প্ৰশ্ন হয় আজি বহি থকা সেই দলৰ কেইজনমান সদস্যৰ ওপৰত। যে সচাঁকৈ তেওঁলোকে বিচাৰিছেনে এই detention camp আৰু ডি ভোটাৰৰ ওপৰত আলোচনা হোৱাতোঙ্গ মই ধন্যবাদ জনাম কৃতজ্ঞতা জনাম মাননীয় আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াক, ইমান ডাঙৰ এটা বিষয় আজি ইয়াত আলোচনা কৰিবলৈ লৈছে। এই সুযোগ আমি পাইছো। আমি এই চৰকাৰ খনক সকলোৰে অসম বাসীৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিব লাগে। কিছুমান সদস্যই বক্তব্যৰ মাজেৰে কৈছে যদি বাংলাদেশী তেওঁলোকক বাংলাদেশত পঠাই দিব লাগে। হয় প্ৰমাণ আছে আছে উদাহৰণ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰ খনে পঠাইছে কেইদিনমান আগত বাংলা দেশৰ পৰা আহিছিল ৰফিকুল ইছলাম কালাম নামৰ এজন ল'ৰা, মুস্কান আব্দুল ৰহমান, আখতাৰ হুছেইন সেই সকলক পঠাই দিয়া হৈছে, এইখন চৰকাৰে পঠাই দিছে। উদাহৰণ আছে, আছে উদাহৰণ, আজি প্ৰশ্ন হয় যে সচাঁকৈ তেওঁলোকে কি বিচাৰিছে? তেওঁলোকে আলোচনাটো বিচাৰিছেনে নাই? তেওঁলোকে যে আজি এইখন চৰকাৰক প্ৰশ্ন কৰে? মই আশা ৰাখিম যে এই প্ৰশ্ন যাতে তেওঁলোকে দ্বিতীয়বাৰ নকৰে যদি সচাঁকৈ তেওঁলোকে বিচাৰিছে যে এই সমস্যাৰ সমধান হ'ব লাগে তেতিয়া সেই সময়ৰ যি চৰকাৰ খনে সেই সমস্যা সৃষ্টি কৰি গৈছে সেই চৰকাৰৰ পৰা সেই দলৰ পৰা তেওঁলোকে নিশ্চয়কৈ যদি তেওঁলোকৰ অঞ্চলৰ সেই ভাৰতীয় সকল যি সকলৰ নামত detention campত ৰখা হৈছে, যি সকলৰ নামত ডিভোটাৰ নামাৰে তেওঁলোকক নটিছ কৰা হৈছে সেই সকল মানুহৰ স্বাৰ্থত বা সেই সকলৰ মূখৰ পিনে চাই তেওঁলোকে সেই দলৰ পৰা নিজৰ সদস্য পদ ত্যাগ কৰিব লাগে। মই আজি এই পবিত্ৰ বিধান সভাত কব পাৰো যে এইবোৰ সমস্যা যিবোৰ আধাৰ কাৰ্ডৰ সমস্যা আছিল যি জন মানুহে আধাৰ কাৰ্ডৰ কাৰণে বিভিন্ন চৰকাৰী আঁচনিৰ পৰা বাদ পৰিছিল, একমাত্ৰ যদি সেই সমস্যা সমধান কৰিছে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই খন চৰকাৰে কৰিছে। এই খন চৰকাৰৰ ওচৰত আমি অসমবাসী হিচাপে ভাৰতীয় হিচাপে চিৰকৃতজ্ঞ থাকিব লাগিব। আজি জল জল পট পট হ'ব ধৰ্মীয়া সংখ্যালঘু জনসাধৰণে আজি বুজি পাব আচলতে তেওঁলোকৰ কোনো বিচাৰিছে যে তেওঁলোকৰ সমস্যা সমধান হ'ব।

**শ্ৰীআমিনুল ইছলাম, সভাপতি (কনিষ্ঠ)ঃ** আপোনাৰ সময় সমাপ্ত হৈছে।

**শ্ৰীঅজয় কুমাৰ ৰয়, বিজনীঃ** সভাপতি মহোদয়, আজি মই আকৌ এবাৰ আপোনাৰ জৰিয়তে আমিনুল ইছলাম (জেষ্ঠ্য) ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো যে ইমান ডাঙৰ এটা সমস্যা বিধান সভাৰ পবিত্ৰ সদনত উঠাইছে। এই সমস্যা যদি সমধান কৰে তেতিয়াহলে এইখন চৰকাৰে কৰিব। সেই কথাটো আমি সকলোৰে জানো আৰু আমাৰ বিশ্বাস আছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওপৰত। এই কথাখিনি কৈ মোৰ বক্তব্য মই সামৰিছো, ভাৰত মাতা কি জয়।।

**শ্ৰীআমিনুল ইছলাম, সভাপতি (কনিষ্ঠ)ঃ** ধন্যবাদ। এতিয়া শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** শ্ৰদ্ধেয় সভাপতি মহোদয়, মই আচলতে অজয় কুমাৰ ৰয় ডাঙৰীয়াক তেখেতৰ বক্তব্য শুনি সচাঁকৈ ভাল পালো এটা বস্তু যে তেখেতে সচাঁকৈ অসমত থকা বেঙ্গুলী হিন্দু মানুহৰ যিটো sentiment সেইটোক আজি উত্থাপন কৰিছে। কিন্তু যদিও তেখেতে কেইটামান

কথা কৈছে যে নহয় ডিভোটাৰটো কংগ্ৰেছে আনিলে, কিন্তু আচলতে ডিভোটাৰটো আহিছিল ১৯৯৭ চনত যেতিয়া অসম গণ পৰিষদ অসমত ৰাজ্য চৰকাৰত আছিল আৰু কেন্দ্ৰত বাজপেয়ী চৰকাৰ বা বিজেপি চৰকাৰ আছিল। গতিকে সেই ধন্যবাদটো চাগে এতিয়া গালিলৈ ৰূপন্তৰিত হ'ব, কাৰণ যিহেতু বিজেপিয়ে আৰু এজিপিয়ে কৰিছিল আৰু টি এন চেশ্যন আমাৰ তেতিয়া Chief Election Commissioner আছিল, তেখেতৰ দিনত এই ঘটনাটো সংঘটিত হৈছিল। আজিৰ দিনটোত ২৬৭ জন এনেকুৱা detention campত মানুহ আছে আৰু ডিভোটাৰত এতিয়া নাম অন্তৰ্ভুক্ত হৈ থকা মানুহৰ সংখ্যাটো প্ৰায় ৯৬ হাজাৰ। আজি এই দুয়োটা বিষয়কলৈ যে detention campত ৰখা মানুহ বিলাক আৰু ডিভোটাৰত হাৰাশাস্তি কৰি থকা মানুহ বিলাকৰ বিষয়ে আলোচনা হৈছে। আৰু আমি সকলোৰে জনাৰ দৰকাৰ যে ডিভোটাৰত অকল হিন্দু বেঙ্গুলী বা মুছলমান মানুহ নহয়, আমাৰ নেপালী মানুহ মানে গোৰ্খা আৰু কোচ ৰাজবংশী মানুহ আৰু আমি দেখিছো যে এইটো গোৱালপাৰাৰ হাজং মানুহ আৰু গাৰো মানুহ, ৰাভাও এজন দুজন আছে কৰবাত আৰু হিন্দু বেঙ্গুলী আৰু মুছলমান। সকলোৰে আমি দেখিছো যে ডিভোটাৰৰ নামত এনেকৈ বিভিন্ন সময়ত গণ্ডোগ'ল কৰি থকা হয়। গতিকে মই ভাৱো যি সকল ডিভোটাৰ বুলি কথা নাই আৰু তেওঁলোকক এতিয়া এনআৰচি খন যিহেতু হৈ গ'ল গতিকে কোন বিদেশী হয় কোন স্বদেশী হয় ওলাই গ'ল। আৰু  যিবিলাক এনআৰচি ত যদি কোনোবাই কয় যে নহয় এনআৰচি খন শুদ্ধ নহয়, তেতিয়াহলে সেইখনত যিখিনি আপোনাৰ কৰিবলগীয়া আছে সেইখনত যিখিনি সংশোধনী কৰিব লগীয়া আছে সেইখন কৰক আৰু এনআৰচি খনত অলপ ইয়াতো এবাৰ আমাৰ বিধান সভাতো দাখিল কৰক এনআৰচি ৰ সম্পূৰ্ণ কপি আৰু আমি সকলোৰে এইটো recommend কৰি দিও বিধান সভাতো আৰু চেন্ট্ৰল চৰকাৰে সেইটো লৈ লওক আৰু তাৰ পিছত বিদেশী সমস্যাটো চিৰদিনৰ কাৰণে শেষ কৰি পেলাও। নহলে ডিভোটাৰটোকলৈ এতিয়া যি ধৰণে পলিটিক্চ হৈ আছে, আজি মানুহ সকলক, সচাঁকৈ নিজেই দেখিলে বেয়া লাগে আৰু ডিভোটাৰৰ মই সকলো কাগজ বিলাক চাইছো।

**শ্ৰীআমিনুল ইছলাম, সভাপতি (কনিষ্ঠ)** ঃ Rule 50 under ত detention campটোহে বিষয় আছে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মোৰ ২ মিনিট হৈছেহে।

**শ্ৰীআমিনুল ইছলাম, সভাপতি (কনিষ্ঠ)** ঃ ৩ মিনিট হ'ল আপোনাৰ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আপুনি সভাপতি আছে আপুনিও ইমান হুলস্থূল কৰিলে কেনেকৈ হ'ব? নহলে মই সদায় খেদাই খাই থাকো। অনুগ্ৰহ কৰি আৰু ২ মিনিট দিয়ক।

**শ্ৰীআমিনুল ইছলাম, সভাপতি (কনিষ্ঠ)** ঃ ১ মিনিট।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আৰু অলপ দিয়ক না, আপুনি মোৰ কাষতে বহে, আকৌ এনেকুৱা কৰিছে নে ওপৰলৈ গৈ। এতিয়া ডিভোটাৰৰ প্ৰশ্নটো চিৰকালৰ কাৰণে নাইকিয়া কৰি দিব লাগে। যদি ডিভোটাৰৰ থকা কোনোবা এজন সচাঁকৈ বিদেশী তেওঁলোকক আমি য'ৰ পৰা আহিছে তালৈকে পঠাই দিব লাগে। কিন্তু মই চৰকাৰী পক্ষক এটা কথা জনাব খোজো যে আপোনালোকে চাব মোৰ প্ৰশ্নৰ উত্তৰতে দিছে যে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ দিনতো যদি বিদেশী ঘুৰাই পঠোৱা সংখ্যাটো বেছি আছিল হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ দিনত বিদেশী ঘুৰাই পঠোৱা সংখ্যাটো একেবাৰে কম। তৰুণ গগৈৰ দিনত তাতকৈ বহুত বেছি আছিল। 'ডি' ভোটাৰৰ কেচটো চিৰ কালৰ বাবে নাইকীয়া

কৰিব লাগে । যদি ডি-ভোটাৰত থকা কোনোবাজন সঁচাকৈয়ে বিদেশী তেন্তে তেওঁলোক য'ৰ পৰা আহিছে আমি তেওঁলোকক তালৈকে পঠিয়াব লাগে। কিন্তু মই চৰকাৰী পক্ষক এটা কথা জনাব খোজো, আপোনালোকে চাব যে, মোৰ প্ৰশ্নৰ উত্তৰতে দিছে যে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ দিনত বিদেশী ঘুৰাই পঠিওৱা সংখ্যাটো যদিও বেছি আছিলে হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰৰ দিনত বিদেশী ঘুৰাই পঠিওৱা সংখ্যাটো একেবাৰে ক'ম আছিলে । তৰুণ গগৈৰ দিনত তাতকৈ বহুত বেছি আছিল, ঘুৰাই পঠিওৱা - যিবিলাক চিহ্নিত বিদেশী । ইয়াত কি কাৰণে কৰিব পৰা নাই কাৰণ ইয়াত আটাইতকৈ ডাঙৰ হেঙাৰটো হ'ল বাংলাদেশৰ লগত আমাৰ কোনো extradition ট্ৰিটি নাই । মই ভাবো অসম বিধান সভাতএইটো আজিৰ দিনটোত এটা প্ৰস্তাৱ হ'ব লাগে যে বাংলাদেশৰ লগত আমাৰ এখন বন্দী প্ৰত্যাপন চুক্তি হ'ব লাগে । তেতিয়া অমানৱীয়ভাৱে নহয়, মানুহৰ নিচিনাকৈ - আমেৰিকাৰ পৰা যেনেকৈ আমাৰ ভাৰতীয় মানুহক খেদি পঠিয়াইছে, তেনেকৈ নহয় । নৰেন্দ্ৰ মোদীৰ ডাঙৰীয়াৰ দিনত যিটো বেয়া অৱস্থা কৰিছে, পৃথিৱীত কেতিয়াও ভাৰতীয় মানুহৰ এনে অৱস্থা হোৱা নাছিলে । আমি লাজ পাইছো । তেনেকুৱা অৱস্থা যাতে কোনোক্ষেত্ৰতে অসমত হ'ব নোৱাৰে- বিদেশৰ পৰা আহিলেও তেওঁলোকো মানুহ গতিকে মানুহৰ নিচিনাকৈ সন্মানসহকাৰে আমি ঘুৰাই পঠিয়াম কাৰণ আমাৰ ইয়াত ঠাই দিবলৈ মাটি নাই । আমাৰ নিজৰ কাৰণেই ঠাইৰ অভাৱ । আমি নিজেই ককাই- ভাইৰ মাজত কাজিয়া কৰি আছো । এতিয়া মই ডেটেনশ্যন কেম্পৰ কথাটো শেষত ক'ব বিচাৰিছো - গোটেই পৃথিৱীত মানৱ অধিকাৰ কৰ্মীসকলে কৈছে ডিটেনশ্যন কেম্পৰ ক্ষেত্ৰত যে এইটো এটা ভয়াবহ বস্তু । পৃথিৱীৰ কোনো গণতান্ত্ৰিক দেশত ডিটেনশ্যন কেম্প থকা উচিত নহয় । আপোনালোকে জানে , মই ডিব্ৰুগড় জেইলত আছো তাতো ডিটেনশ্যন কেম্প , মই যোৰহাট জেইলত আছিলো তাতো ডিটেনশ্যন কেম্প, নগাও জেইলত আছিলো তাতো ডিটেনশ্যন কেম্প, মই গোৱালপাৰা জেইলত আছিলো তাতো ডিটেনশ্যন কেম্প আছে । গতিকে তাত কোন জাতিৰ মানুহ বিদেশী প্ৰমাণিত হয় মই সকলো কথা জানো । কোন জাতিৰ মানুহৰ কিমান সংখ্যক বিদেশী হয় মই সৰ জানো । মোৰ লগত সংখ্যা আছে । গতিকে মই এটাই কথা অনুৰোধ কৰিব খোজো যে, ডিটেনশ্যন কেম্পৰ ধাৰণাটো নাইকীয়া কৰিব লাগে । ডিটেনশ্যন কেম্পত যদি বিদেশী আছে তেওঁক সোনকালে বিতাড়িত কৰিব লাগে। আৰু যিসমূহ স্বদেশী আছে তেওঁলোকক যদি যোগ্যতা আছে ইয়াতে উপযুক্ত মৰ্য্যদা সহকাৰে বসবাস কৰিবলৈ দিব লাগে । বিশেষকৈ হিন্দু বেংগলী মানুহসকলক । মই ১৯৭১ চনৰ আগৰখিনিৰ কথাহে কৈছো- পিছৰখিনি আমি বিজেপিক দায়িত্ব দিছো । ১৯৭১ চনৰ আগত অহা যিমান হিন্দু বেংগলী মানুহ আছে , তেওঁলোকৰ ওপৰত যিটো অত্যাচাৰ হৈছে , এইটো সদনে উপেক্ষা কৰা উচিত নহয়। মই সকলোকে ধন্যবাদ জনাই অসমত ডিটেনশ্যন কেম্প বন্ধ বন্ধ কৰিবলৈ আহ্বান জনাইছো।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ) মানকাছাৰ (সভাপতি )** ঃ ধন্যবাদ , বিধায়ক ডাঙৰীয়া। এতিয়া জাকিৰ হুছেইন সিক্‌দাৰ ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা চলি আছে, আপুনি ক'বলৈ সুবিধা দিয়া বাবে ধন্যবাদ জনাইছো । ১৯৯৮ চনত যেতিয়া কেন্দ্ৰত বিজেপি চৰকাৰ আছিল তেওঁলোকে এটা নিৰ্দেশ দিছিল যে ডিটেনশ্যন কেম্প অসমত স্থাপন কৰিব লাগে । ১৯৯৮ চনৰ আগত ১৯৯৬ চনত যেতিয়া অসমত অসম গণ

পৰিষদ দলে চৰকাৰ চলাই আছিল , সেই অসম গণ পৰিষদ দলৰ চৰকাৰে ১৯৯৭ চনৰ পৰা ভাৰতীয় মানুহখিনিক ভাৰতীয় ভোটাৰসকলক, ভোটাৰ লিষ্টত সন্দেহযুক্ত বা ডি-ভোটাৰ হিচাপে চিহ্নিত কৰিছে । ১৯৯৭ চনত ডি ভোটাৰ হিচাপে চিহ্নিত কৰা কাম প্ৰথম আৰম্ভ কৰিছিল অসম গণ পৰিষদ দল নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে আৰু কেন্দ্ৰীয় বিজেপি চৰকাৰে ১৯৯৮ চনত ডিটেনশ্যন কেম্প স্থাপন কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ প্ৰদান কৰিছিল । সভাপতি ডাঙৰীয়া, ভাৰতীয় জাতীয় কংগ্ৰেছ দলে মনে প্ৰাণে প্ৰতি মুহুৰ্ত্ততে বিচাৰে অসম বিদেশীমুক্ত হোৱাটো । তাৰ বাবে প্ৰয়াত মুখ্যমন্ত্ৰী মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ দিনত এন আৰ চি ৰ কাম আৰম্ভ কৰিছিল, যিটো কাম এটা পৰ্য্যায়ত গৈছিল , অসমত যেতিয়াৰ পৰা বিজেপি চৰকাৰ আহিল তেওঁলোকে সম্পূৰ্ণ হোৱা এন আৰ চিখন বন্ধ কৰি থ'লে । আজি এন আৰ চিখন হোৱা হ'লে , এন আৰ চিখনক যদি মৰ্য্যদা দিলেহেঁতেন আজি অসমত স্বদেশী বিদেশী কিমান স্পষ্ট হ'লহেতেঁন । গতিকে সভাপতি ডাঙৰীয়া আজি বহুতে ইয়াত হাঁহিছে কথা পাতিছে কিন্তু যেতিয়া নিজৰ পৰিচিত বা ঘৰৰ কাষৰ মানুহ তেওঁৰ চৈধ পুৰুষ, মা দেউতা, ককা এইখন ভাৰতৰ মাটিত জন্ম গ্ৰহণ কৰিছে তাৰ পিচতো তেখেতৰ পৰিয়ালটোক ডি ভোটাৰ সজায় , হাত ভৰি বান্ধি যেতিয়া ডিটেনশ্যন কেম্পত প্ৰেৰণ কৰিব বৰ্ডাৰ পুলিছে - এইখিনি যিটো পৰিয়ালত ঘটিছে তেওঁলোকেহে উপলব্ধি কৰিব পাৰিব ইয়াৰ কিমান যাতনা । যিসকলৰ লগত হোৱা নাই তেওঁলোকে কেতিয়াও উপলব্ধি কৰিব নোৱাৰে। সভাপতি ডাঙৰীয়া, কিন্তু বেদনাদায়ক 'ডি' ভোটাৰ কেনেকৈ নিৰ্দ্ধাৰণ কৰে। কোনজন ব্যক্তি ডাউটফুল ভোটাৰ, কোনজন ব্যক্তি ডি ভোটাৰ হিচাপে চিহ্নিত কৰিব ইয়াৰ পদ্ধতি কি , এই পদ্ধতিটোত যথেষ্ঠখিনি ভূল । কোনো এজন মানুহক যেতিয়া সন্দেহ হয় যে এইজন অসমীয়া নহয় , এইজন অসমৰ নহয়, ভাৰতীয় নহয়, এই জন বিদেশী , কিন্তু সন্দেহ হ'লে লগে লগে ' ডি' বহুৱাব নোৱাৰে । ' ডি' বহুৱাৰ আগতে এটা পদ্ধতি থাকে , এটা নিয়ম কানুন থাকে । এই নিয়ম কানুন বৰ্ডাৰ পুলিছে কেতিয়াও পালন নকৰে । কোনো এজন ব্যক্তি ' ডি' ভোটাৰ। তেওঁ নাজানে। তেওঁক সুবিধা দিয়া নহয় যে তেওঁ স্বদেশী। তেওঁ যেতিয়া গ'ম পাই কোৰ্টত যায় , কোৰ্টত উপযুক্ত নথি পত্ৰ দিয়াৰ পিচতো তেওঁক অগ্ৰাহ্য কৰা হয় । গতিকে সবাপতি ডাঙৰীয়া, এনেকুৱা ' ডি ' ভোটাৰ সজাই আজি বহু ভাৰতীয় মানুহৰ স্বাধীনতা খৰ্ব কৰা হৈছে। মই মাত্ৰ এটা আপোনাক উদাহৰণ দিব বিচাৰিছো - যে ' ডি' ভোটাৰ চিহ্নিত বহু মানুহে কেচ খেলি আজি স্বদেশীৰ মান্যতা পাইছে , এতিয়া প্ৰশ্ন হ'ল - কোৰ্টত কেচ খেলি খেলি যেতিয়া উপযুক্ত নথি পত্ৰ দাখিল কৰি এজন ব্যক্তি যেতিয়া কোৰ্টত স্বদেশী হিচাপে মাণ্যতা লাভ কৰে এতিয়া এই ব্যক্তিজনক কোনে ' ডি' ভোটাৰ বনালে। কোনজন বৰ্ডাৰ পুলিছে ডি ভোটাৰ কৰিলে তেওঁৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহয়। মোৰ দাবী হ'ল যিজন বৰ্ডাৰ পুলিছ বিষয়াই ডি ভোটাৰ হিচাপে চিহ্নিত কৰিব তেওঁক দায়িত্ব ফিক্সড কৰিব লাগে । ডি বোটাপ বনোৱাৰ পিচত যদি প্ৰমান কৰিব নোৱাৰে তেওঁৰ শাস্তি কি হ'ব ? কোৰ্টত যেতিয়া কেচ খেলিব লাগে লাখ লাখ টকা খৰছ কৰিব লাগে । দুখীয়া দৰিদ্ৰ মানুহ ডি ভোটাৰ হিচাপে চিহ্নত কৰাৰ পিচত যেতিয়া লাখ টকা কোৰ্টত খৰছ কৰিব লগা হয় তেতিয়া এই লাখ টকা ক'ৰ পৰা আহে? আমাৰ একেবাৰে স্পষ্ট কথা কোনো জেন মানুহক ' ডি' ভোটাৰ হিচাপে সজোৱাৰ আগত স্পষ্টভাৱে জানিব লাগে ডি ভোটাৰ হয়নে নহয় আৰু ডি ভোটাৰ চিহ্নিত কৰিলে তেখেত যে স্বদেশী তাৰ উপযুক্ত প্ৰমাণ , তথ্য দাখল কৰিবলৈ সুবিধা প্ৰদান কৰিব লাগে । যোৱা ২ চেপ্টেম্বৰ বৰপেটা বৰ্ডাৰ পুলিছে পুৰুষ মহিলা সহ ২৮ জন ব্যক্তিক ডিটেনশ্যন কেম্পলৈ প্ৰেৰণ কৰিছে । ২৮ জন ব্যক্তিক আলোচনা কৰিম বুলি মাতি আনিছে , কোনো সুযোগ দিয়া নাই,

পুলিছ বাছত উঠাই গোৱালপাৰাৰ ডিটেনশ্যন কেম্পলৈ প্ৰেৰণ কৰিছে । আপোনালোকে খবৰ ল'লে দেখিব, তেওঁলোকৰ আত্মীয় স্বজন- মাক দেউতাক সকলো ভাৰতীয় - কিন্তু কথা নাই- বতৰা নাই - মাক ভাৰতীয় তেওঁৰ ল'ৰা বিদেশী । গতিকে ডিটেনশ্যন কেম্পৰ পৰা স্বদেশী মানুহক উলিয়াই আনিব লাগে - ডি ভোটাৰৰ যিসকলক চিহ্নিত কৰিছে তেওঁলোকক তথ্য দাখিলৰ সুবিধা দিব লাগে -- ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, মানকাছাৰ (সভাপতি)** ঃ ধন্যবাদ। ড° ৰফিকুল ইছলাম। আপোনাৰ সময় ৩ মিনিট।

**ড° ৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় সভাপতি মহোদয়, বহুতেই গুৰুত্বপূৰ্ণ বিষয়। সদনৰ সমূহ সন্মানীয় সদস্য আছে গতিকে মই এটা important point লৈ যাম। সকলোকে অনুৰোধ কৰিম মনোযোগেৰে শুনিব। সমাজত বসবাস কৰা, এজন মানুহৰ সকলোতকৈ গুৰুত্বপূৰ্ণ সম্পত্তি হ'ল নাগৰিকত্ব। সকলো থাকিও যদি নাগৰিকত্ব নাথাকে, সেইজন মানুহৰ কোনো মান সন্মান নাই, সেইজন মানুহৰ কোনো অস্তিত্ব নাথাকে। গতিকে এজন বৈধ ভাৰতীয়, এজন Bonafide Indian Citizen যেতিয়া বিদেশীৰ নামত চিনাক্ত কৰি তেখেতৰ নামত কেছ চলে, সেইজন মানুহ যে কিমান depression ত যায়, কিমান সমস্যাত থাকে আৰু বিশেষভাৱে বাকী সংখ্যালঘু আৰু ধৰ্মীয় সংখ্যালঘু এই দুটা সম্প্ৰদায়ে অসমৰ এই বিষয়টোৰ আমি মুখামুখী হৈছো আৰু সৰু সৰু কিছু জনগোষ্ঠীয়ে এই সমস্যাত জৰ্জৰিত। কিন্তু মাননীয় সভাপতি মহোদয়, মই কৈছো যে যিসকল বিদেশী সেই সকলক চিনাক্ত কৰি বিদেশত পঠালে আমাৰ ক'বলগা নাই। আমাৰ পাৰ্টীৰ ব্যক্তিগত মত। ১৯৭১ চনৰ পিছত কোনো ব্যক্তি যদি আহিছে, যিজনেই নহওঁক কিয় সেইজনক পঠিয়াব লাগে তাৰ লগত আমি একমত। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে ভাৰতীয় নাগৰিকক কেনেকৈ বিদেশী বনায় মই সদনৰ এজন সদস্য। মোৰ ককাদেউতাৰ জন্ম কলগাছিয়াত, ১৯৩৬ চনৰ কলগাছিয়াৰ land record তেখেতৰ নামত, তেখেতৰ দুজন সন্তান। মোৰ ককাদেউতাৰ দুজন সন্তান মোৰ দেউতা আৰু মোৰ জেঠা ১৯৫১ চনত তেখেতসকলৰ নাম আছে। মোৰ মাৰ নাম আছে, মোৰ জেঠীৰ নাম ১৯৫১ চনৰ NRC ত আছে। মোৰ জেঠাৰ নাম আছে, মোৰ জেঠাৰ যিজন ডাঙৰ ল'ৰা চাদুল্লাহ তেখেতৰ নাম NRC আছে, তেখেতৰ এজনী ছোৱালী, সেইজনীক 'ডি' লগাই আজি কোৰ্টলৈ গৈ আছে। বৰপেটা কোৰ্টত গৈ তাইৰ নামত foreigner কেছ চলি আছে। যি dynesty কলগাছিয়াত ১৯৩২ চনত establish হোৱা প্ৰাইমাৰী বিদ্যালয় মোৰ ককাই বনাইছিল। সেই ঘৰৰ ছোৱালীৰ নামত মোৰ লগত একেলগে স্কুললৈ গৈছিল সেইজনী ছোৱালী ঘৰত কাম কৰা ছোৱালী কোনোদিন টাউন বজাৰত নাযায়, তাইৰ নামত ন'টিচ দি বৰপেটা কোৰ্টত কেছ চলাই থকা হৈছে এনেধৰণৰ উদাহৰণ দিছো। মোৰ সমষ্টিৰ আক্ৰাছ আলী ১৯৫১ চনৰ NRC ত তেখেতৰ নাম আছিল detention camp ত তেখেতক আবদ্ধ কৰা হৈছিল। মই তেখেতৰ পৰিয়ালৰ লগত যোগাযোগ কৰি হাইকোৰ্টৰ পৰা সেইজন মানুহ release হ'ল। ১৯৫১ চনৰ NRC ত থকা মানুহকো বিদেশী সজোৱা হৈছে। এইবাৰ ২৮ জন মানুহ বৰপেটাৰ পৰা উঠাই লৈ গ'ল। মোৰ সমষ্টিত কেইবাজনো ব্যক্তি আছিল, যিসকলক মই ব্যক্তিগতভাৱে জানো। সেইসকলৰ মাক-দেউতাকৰ নাম NRC ত আছে, সেইসকলৰ নিজৰ ভোটাৰ লিষ্টত নিজৰ নাম আছে, পৰিয়ালৰত যদি ১০০ জন মানুহ আছে ৯৯ জন ভাৰতীয় মাজৰ পৰা এজন কেনেকৈ বিদেশী হয়। ৫ জন ভাই-ককাই আছে, ৪ জন ভাৰতীয়, এজন মাজৰ পৰা কেনেকৈ বিদেশী হয়। মা- দেউতাক ভাৰতীয়, ককা দেউতাক সকলো ভাৰতীয় মাজৰ পৰা নাতি-নতিনী কেনেকৈ বিদেশী

হয় এই ভাৱেই সজাইছে। গতিকে কেনোবা যদি বিদেশী সচাঁকৈ আছে, সেইজনক detention camp ত লৈ যাওঁক, আমেৰিকা, লণ্ডন, বাংলাদেশ, পাকিস্থানত পঠাওঁক। আমাৰ ক'বলগীয়া নাথাকে। কিন্তু বৈধ ভাৰতীয়।

**(সদনত উপবিষ্ট মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন)**

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Please conclude.

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শেষ কৰিছো। ১৯৯৭ চনৰ পৰা যিটো কৈছে তেতিয়াৰ চৰকাৰৰ পৰা আৰম্ভ হৈছিল, কিন্তু এই বস্তুটো তেতিয়াৰ পৰা continue চলি আছে। ১৯৯৭ চনৰ পৰা এতিয়া ১ লাখৰ ওচৰা-ওচৰি আছিল। ২০০১ চনৰ পৰা ২০১৫ চনলৈকে সেইটো সংখ্যাত গৈ ৫ লাখ হ'ল এই যে সমস্যা মই কওঁ যে, চৰকাৰ যি গ'ল সেই সকল ব্যক্তি এতিয়া নাই। আজি AGP তেখেত সকলৰ মন আছিল জন্ম হৈছিল বিদেশী খেদিম বুলি কিন্তু 'কা' তেখেত সকলে মানি ল'লে আমিও নো কি কৰিম। ১৯৭১ চনৰ পৰা ২০১৪ চনলৈকে আমি কৈছো এজন ব্যক্তিও থাকিব নালাগে। কিন্তু যি দলৰ জন্ম হৈছিল বিদেশী খেদিম বুলি সেই দলে এইটো মানি ললে। যিয়েই নহওঁক, মাননীয় উপাধ্যক্ষ মহোদয়, যেনেকৈ অসম cabinate য়ে সিদ্ধান্ত লৈছিল গোৰ্খা সকলৰ নামত যদি 'D' আছে উঠাই দি তেখেতসকলক ৰখাই তেখেত সকল ভাৰতীয় অসমত আছে, থাকিব। ঠিক মই বিদেশীৰ পৰা উঠাবলৈ বিচৰা নাই তেনেকুৰা resolution লওঁক, SP, DC বা Circle Officer বা আৰু কোনো ব্যক্তিক judicial ৰ দায়িত্ব দি এই যে লাখ লাখ মানুহৰ নামত বিদেশীৰ কেছ আছে tribunal যিহেতু justice পোৱা নাই local court বহাই গাওঁত বহি এই dynasty, এটা dynasty ৰে ১০০ জনৰ ৯৯ জন যেতিয়া ভাৰতীয়, এজন মানুহ বিদেশী হ'ব নোৱাৰে এইটো common কথা। এই সকলো কথা বুজি শুনি এই কেছবিলাক dismissed কৰি শেষ কৰিব লাগে। Cabinet য়ে এনেকুৰা এটা সিদ্ধান্ত লৈ এই কেছবোৰ সমাধা কৰিব লাগে আৰু যিখিনি বৈধ, যিখিনি অবৈধ বিদেশী সেইখিনি বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে আমি সেই সকলৰ লগত নাই। মই repeat নকৰো। বৰ দুৰৱস্থা detention camp ত আবদ্ধ থকা সেই সকলক মুক্তি দিয়াৰ ব্যৱস্থা কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী । শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত Rules of Procedure and Conduct of Business in Assam Legislative Assembly Under Rule 50. মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) তেখেতে যিটো বিষয় আজি সদনত আনিছে আৰু detention camp ৰ ওপৰত আৰু ইয়াত আমাৰ মাননীয় সকলো দলৰে সদস্য সকলে অংশ গ্ৰহণ কৰিছে। বিষয়টো details আলোচনা হৈছে, ভাল হৈছে আলোচনা হোৱাৰ কাৰণে। নহ'লে কিছুমান ভুল কথা আমাৰ মানুহৰ মাজলৈ গুচি যায়। যাৰ ফলত সমাজখন আমাৰ অস্থিৰ হৈ যায়। এতিয়া প্ৰশ্নটো আছিল আজি গোটেই বিষয়টো আছিল যে বৈধ ভাৰতীয়ক বিদেশী সজাই ডিটেনশ্যন কেম্পত বন্দী কৰা পৰম্পৰাবদ্ধ হ'ব লাগে। এইটোৱে আছিল। কিন্তু এই বিষয়টো ডি ভোটাৰৰ। এই বিষয়টো অন্যান্য বিষয় বিলাকত আহে। সকলোৱে যেনেকৈ কথাখিনি ক'লে, গতিকে ডি ভোটাৰটো এটা বেলেগ বিষয়। এইটো এটা বেলেগ বিষয়। ডি ভোটাৰৰ কথাটো বেলেগকৈ আহিব লাগিছিল, সেইটো বেলেগকৈ আহিব লাগিছিল। গতিকে আজিৰ দিনটোত এটা কথা মই সদনক জনাওঁ যে বিদেশী ন্যায়াধীকৰণ foreigners tribunal আৰু আদালতৰ ৰায় অবিহনে কিমান নাগৰিকক বিদেশী সজাই transit camp ত ৰখা হোৱা

নাই আৰু আজিকালি এইটো detention camp বুলি নকয়, এইটো transit camp বুলি কয়। Detention Camp শব্দটো উঠি গৈছে। Transit camp এই কাৰণেই কৈছে যে যিসকল transit camp ত আছে, তেওঁলোকক নিজৰ নিজৰ স্ব-দেশলৈ ঘুৰি যোৱাৰ কাৰণে তেওঁলোকক তাত ৰাখিছে আৰু ৰখাৰ কাৰণে আজিৰ দিনত এইটো detention camp বুলি নকয় সেইটো transit camp বুলি কোৱা হয় আৰু শ্ৰীঅখিল গগৈ ডাঙৰীয়াই কৈছে তেওঁ ডিব্ৰুগড় জেলত থাকোতে তাতো detention camp, শিলচৰত থাকোতে তাতো detention camp, গোৱালাপাৰা থাকোতে তাতো detention camp এই ছয়খন ঠাইত আগতে তেনেকুৱা camp আছিল, নথকা নহয়। কিন্তু প্ৰশ্নটো হৈছে এই camp ৰ পৰা ২০২৩ চনত আটাইখিনিকে আনি আমাৰ গোৱালপাৰা মাটিয়াৰ transit camp ত ৰখা হৈছে। তেতিয়া অসমৰ বিভিন্ন ঠাইত তেনেকুৱা ধৰণৰ transit camp নাই। যিসকল সন্দেহযুক্ত নাগৰিকৰ গোচৰ ৰুজু হৈছিল আৰু বিদেশী ন্যাধীকৰণৰ গোচৰ চলি থকা নিজকে ভাৰতীয় নাগৰিক বুলি প্ৰমাণ কৰিবলৈ সমৰ্থ নহয়, তেনেলোকক বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ৰায় দিয়ে আৰু সেই ব্যক্তিক প্ৰত্যাবৰ্তন নোহোৱা পৰ্য্যন্ত এই camp ত ৰখা হয়। ইয়াত কথা কিছুমান দিছে আমাৰ যিবিলাক 'ডি' ভোটাৰ হ'ল, 'ডি' ভোটাৰ কোনো চৰকাৰে কৰা নাই, কোনো পুলিচেও কৰা নাই। 'ডি' ভোটাৰ কৰিছে Election Commission য়ে। গতিকে Election Commission য়ে State ক direction দিছে Õ⌗ŋ Election Commission এ সেইটো কৰিছে। চৰকাৰে কৰা নাই। ইয়াত সদনত ব্যাখ্যা দিয়া হৈছে যে কোনোবাই ঘৰত বহি এ চি ৰুমত বহি দ্বি-ভোটাৰ কৰিছে। সেইটো নহয় দ্বিতীয় কথাটো হ'ল যে কোনো ব্যক্তিৰ স্বাধীনতা খৰ্ব হোৱা নাই। কাৰণ কৰোবাক যদি দ্বি-ভোটাৰ বুলি কোৱা হৈছে তেওঁক দ্বি-ভোটাৰ কোৱাৰ লগে লগে তেওঁ হাইকোৰ্টক এপ্ৰোচ কৰিব পাৰে। হাইকোৰ্টে যদি তেওঁৰ দ্বি-ভোটাৰ হোৱা নাই তেওঁ চুপ্ৰিম কোৰ্টতো এপ্ৰোচ কৰিব পাৰে। যি জন লোকক নিৰ্ব্বাচন আয়োগে দ্বি-ভোটাৰ বুলি ক'লে তেওঁ চুপ্ৰিম কোৰ্ট আৰু হাইকোৰ্ট দুটা Appellate Authority ত আবেদন কৰিব পাৰে। তেওঁলোকে তাত গৈ নিজৰ নথি-পত্ৰ দেখুৱাই ভাৰতীয় নাগৰিক বুলি আবেদন কৰিব পাৰে। তেওঁৰ তথ্যভিত্তিত কোৰ্ট আৰু বিদেশী ন্যায়াধীকৰণে যদি সন্তুষ্ট হয়, তেতিয়া তেওঁক ভাৰতীয় নাগৰিক বুলি ঘোষণা কৰি দিব আৰু তেওঁ transit camp ৰ পৰা ওলাই আহিব পাৰিব। মাননীয় সদস্য দুই এজনে কৈছে যে মানব অধিকাৰ আয়োগে transit camp ক লৈ আপত্তি কৰিছে। কিছুমান মাননীয় সদস্যই অসমৰ বাহিৰে পৃথিৱীৰ ক'তোৱেই এনেকুৱা transit camp নাই বুলি কৈছে। পৃথিৱীত নহয় ভাৰতবৰ্ষৰ কোন কোন ৰাজ্যত এনেকুৱা transit camp আছে, মাননীয় সদস্যসকলে এবাৰ চাই ল'ব লাগে। মাননীয় সদস্য গোবিন্দ বসুমতাৰী ডাঙৰীয়াই দেশ আৰু নাগৰিকৰ সুৰক্ষাৰ কাৰণে এনেকুৱা কেম্পৰ কেতিয়াবা প্ৰয়োজন হয় বুলি কৈছে। তেখেতে এই কথাটো বুজিছে কাৰণ এটা সংগ্ৰামৰ মাজেৰে তেখেত আহিছে। তৃতীয় কথাটো হ'ল যে আজিৰ দিনটোত মানুহখিনিক এইটোও সুবিধা দিছে যে ২০২০ চনত যিসকল মানুহ বিদেশী ন্যায়াধীকৰণত আছিল, আগতে তিনি বছৰ আছিল, এতিয়া দুবছৰ কৰা হৈছে, তেনেকুৱা লোকক ভাৰতীয় নাগৰিকে তেওঁলোকৰ হৈ যদি কয় যে তেওঁলোকে আৰু ডিটেনশ্যন কেম্পত থাকিব নালাগে আৰু তেখেতে তেওঁৰ বেইল ল'ব বিচাৰিছে। ৫ হাজাৰ টকাৰ বেইল লৈ তেওঁ নিজৰ লগত লৈ যাব পাৰিব। এইধৰণৰ ব্যৱস্থাও কৰা হৈছে। গোবিন্দ বসুমতাৰী ডাঙৰীয়াই কৈছে যে তেওঁলোকে যিখিনি সুবিধা পাব লাগে তাৰ পৰা তেওঁলোকক বঞ্চিত কৰিব নালাগে। তেওঁলোকক বঞ্চিত কৰা হোৱাও নাই। Transit camp ত ডাক্তৰে নিয়মিতভাৱে

ভিজিট কৰে, মহিলাসকলৰ বাবে স্ত্ৰী-ৰোগ বিশেষজ্ঞা আৰু শিশুসকলৰ কাৰণে শিশু ডাক্তৰ পঠিওৱা হয়। শিশু সলকৰ বাবে তাত খেলা-ধূলাৰ ব্যৱস্থা কৰা হয়। ইয়াৰোপৰিও প্ৰত্যেক জিলাতে এখনকৈ ডিষ্ট্ৰিক লীগেল কমিটি আছে আৰু সেই কমিটি সমূহে তেওঁলোক ভালে আছে নে নাই মাজে মাজে গৈ খবৰ কৰে। সকলোৰে এই কথাখিনি চাব পাৰে। চেঙা সমষ্টিৰ মাননীয় সদস্যগৰাকীয়ে কৈছে যে তেখেতে যাবলৈ বিচৰিছিল। কিন্তু তেখেতক যাবলৈ দিয়া নাই। এই ডিষ্ট্ৰিক লীগেল কমিটিখনে এই কেম্পটো প্ৰায়েই ভিজিট কৰে। Transit camp ত থকা হিচাপে তেওঁলোকে যিখিনি সা-সুবিধা পাব লাগে সেইখিনি পাই আছে। মই দুটামান কথা জনাব বিচাৰিছো যে যদি কোনো ব্যক্তিয়ে তেওঁৰ পিতৃ-মাতৃ বা ভাই-ভনী ভাৰতীয় বুলি দাবী কৰে তেন্তে সেইসকল লোকে বিদেশী ন্যায়াধীকৰণৰ শুনানিৰ সময়ত ন্যায্য নথি-পত্ৰ যোগান ধৰি নিজকে ভাৰতীয় নাগৰিক বুলি প্ৰতিপন্ন কৰিব লাগিব। যেতিয়া বিদেশী ন্যায়াধীকৰণৰ তাত এটা কেচ পঠিওৱা হয়, বহুত মানুহৰ ঠিকনা পোৱা নাযায়। তেনেক্ষেত্ৰত হাট-বজাৰ আদি বিভিন্ন ৰাজহুৱা স্থানত সেই মানুহখিনিৰ নাম লিখি ডিচপ্লে কৰা হয় যে তেখেতৰ নামত এনেকুৱা এটা কেচ আছে আৰু তেওঁ বিদেশী ন্যায়াধীকৰণত গৈ হাজিৰ হ'ব লাগে আৰু নোটিচ খন Respond কৰিব লাগে। এনেকুৱাধৰণৰ ব্যৱস্থাৰ ক্ষেত্ৰত যিখিনি মানুহে ভাৰিছে যে তেওঁলোকৰ লগত অন্যায় কৰা হৈছে, তেওঁলোকে ন্যায় পোৱাৰ বাবে সকলোখিনি সুবিধা বিদেশী ন্যায়াধীকৰণত আছে আৰু তেওঁ যদি বিদেশী ন্যায়াধীকৰণত সন্তুষ্ট নহয় তেওঁ উচ্চ ন্যায়ালয়লৈ যাব পাৰে আৰু তাত ও সন্তুষ্ট নহ'লে সৰ্ব্বোচ্চ ন্যায়ালয়লৈ যাব পাৰে। কোনোবা এজন সদস্যই কৈছে যে এজন দুখীয়া মানুহে ইমান পৰ্য্যায়লৈ কেনেকৈ যাব। সেই কথাটো হয়। কিন্তু আমাৰ জনীয়াৰ মাননীয় বিধায়কে এটা কথা কৈছে যে যিমানে সম্পত্তি বা পইচা-পাতি নাথাকক কিয় আটাইতকৈ ডাঙৰ বস্তুটো হৈছে নাগৰিকত্ব। নাগৰিকত্ব যদি নাই কোনো সন্মানেই নাই। যদি আপোনাৰ নাগৰিকত্ব ইমান মূল্যৱান আৰু আপোনাক যদি সুযোগ দিছে, সেই মতে আগবাঢ়ি যাব লাগে। তেওঁলোকক বিদেশী বুলি ঘোষণা কৰাৰ পিছত আইন অনুসৰি Transit camp ৰ পৰা স্ব-দেশলৈ উভতাই নপঠিওৱা পৰ্য্যন্ত তেওঁলোকক Transit camp ত ৰখা হয়। Vide order No. Hon'ble Justice B.K. Sarma in writ petition C No.7036/2005 dtd.31/1/2014. যোৱা দুমাহত ১ ডিচেম্বৰৰ পৰা ২০২৪ চনৰ পৰা ৩০ জানুৱাৰী,২০২৫ ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিদেশী বুলি ঘোষিত আৰু Transit camp ত থকা লোকসকলৰ তালিকা ইয়াত গাঁঠি দিছো। ইয়াত গাঁঠি দিয়াৰ উদ্দেশ্যটো এইটোৱেই যে ইয়াত কোনো হিন্দু-মুছলিম বুলি কথা নাই। ইয়াত আমাৰ যিখিনি আজি কেম্পত আছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, আমাৰ এতিয়া সময় দুটা বাজিছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** গতিকে ইয়াত কোনো ধৰ্মীয় দৃষ্টিকোণৰ পৰা সেইবিলাক চোৱা হোৱা নাই। আমাৰ মাটিয়া Transit Camp ত বৰ্তমান মুঠ ২৬০ জন inmates আছে, তাৰে ভিতৰত বাংলাদেশৰ নাগৰিকৰ সংখ্যা হ'ল ১২৪ আৰু ম্যানমাৰৰ নাগৰিকৰ সংখ্যা হৈছে ১৩৫। গতিকে, বাংলাদেশৰ নাগৰিকতকৈ ম্যানমাৰৰ নাগৰিকৰ সংখ্যা বেছি। ছেনেগালৰ পৰা অহা নাগৰিকৰ সংখ্যা হ'ল ১। গতিকে ইয়াত কোনো ধৰ্মীয় দৃষ্টিকোণ বা ভাষা বা ধৰ্মতাৰ ভিত্তিত কথাটো কৰা নাই। বিদেশী হিচাপেহে এই গোটেইখিনি কথা কৰা হৈছে। Foreigners Tribunal Order, 1964 ৰ ৩ নং আদেশৰ পদ্ধতি অনুসৰি প্ৰাৰম্ভিক অনুসন্ধানৰ অন্তত সীমান্ত আৰক্ষীয়ে সন্দেহযুক্ত অবৈধ নাগৰিকৰ নাম সংশ্লিষ্ট আৰক্ষী অধীক্ষক (সীমান্ত) লৈ যাৱতীয় নথি-পত্ৰ আৰু প্ৰতিবেদনৰ সৈতে প্ৰেৰণ কৰে। আপোনালোকক সেইখিনি কথা মই অলপ আগতে

কৈছোৱেই যে এনেয়েই নপঠায়, তাত supporting documents থাকিলেহে পঠিয়াব পাৰিব। আৰক্ষী অধীক্ষকে সেয়া নিজা মন্তব্যৰ সৈতে সংশ্লিষ্ট বিদেশী ন্যায়াধীকৰণলৈকে প্ৰেৰণ কৰে। বিদেশী ন্যায়াধীকৰণে Foreigners Act, 1946, যি বিষয়ে আমাৰ চেঙাৰ বিধায়কে উল্লেখ কৰিছে, আৰু Foreigners Tribunal Order, 1964 ৰ ৩ নং আদেশ মতে গোচৰ নিষ্পত্তিৰ স্বাৰ্থত সন্দেহযুক্ত লোকক তেওঁক সন্দেহ কৰাৰ পৰা মুক্তি উল্লেখ কৰি ন্যায়াধীকৰণত হাজিৰ হৈ তেওঁৰ ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ বাবে বিদেশী ন্যায়াধীকৰণত notice জাৰি কৰে। এই noticeত উল্লেখিত লোকজনক বাৰে বাৰে জাননী জাৰি কৰিলেও কেতিয়াবা তাৰ কোনো সম্ভেদ পোৱা নাযায় বা সেই জাননী কাৰ্য্যকৰী কৰিব নোৱাৰে তেন্তে লোকজনৰ শেহতীয়াভাৱে জ্ঞাত ঠাই মানে last known place of the residents, স্থানীয় লোকৰ উপস্থিতিত, দৃশ্যমান অংশ যেনে হাট-বজাৰ আদিত জাননী দিয়া হয়। গতিকে বিদেশী ন্যায়াধীকৰণৰ জাননী সন্দেহযুক্ত লোকজনক যাৱতীয় নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুকৰণ কৰিহে জাৰি কৰা হয়। এই সংক্ৰান্তত Foreigners Act, 1946, আৰু Foreigners Tribunal Order, 1964 , মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ৰ পুনৰীক্ষক Review petition 22/2010- State of Assam -vs- Muslim mandal and others ৰ ভিত্তিত ০৩-০১-২০১৩ তাৰিখৰ আদেশ অনুকৰণ কৰা হয়। অনুসন্ধানকালীন পৰৱৰ্তী সময়ত সন্দেহযুক্ত লোকজনক আত্মপক্ষ সমৰ্থনৰ বাবে পৰ্য্যাপ্ত সুযোগ দিয়া হয়। যিহেতু Foreigners Act, 1946 ৰ দফা নং ৯ অনুসৰি নাগৰিকত্ব প্ৰমাণৰ দায়িত্ব সংশ্লিষ্ট সন্দেহযুক্ত লোকজনৰ ওপৰত ন্যস্ত থাকে, সেয়েহে বিদেশী ন্যায়াধীকৰণ বা অসম আৰক্ষীৰ উক্ত জাননীৰ জৰিয়তে সংশ্লিষ্ট সন্দেহযুক্ত নাগৰিকজনক তেওঁৰ ভাৰতীয় নাগৰিকত্ব প্ৰমাণ কৰিবলৈ সুযোগ প্ৰদান কৰা হয়। গতিকে জাননী জাৰি কৰাটো এটা ন্যায়িক পদ্ধতি। ইয়াৰ জৰিয়তে মানৱ অধিকাৰ খৰ্ব কৰাৰ কোনো কথা ইয়াত আহিব নোৱাৰে। ইয়াৰোপৰিও, অবৈধ বিদেশী চিনাক্তকৰণৰ বাবে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ত ১০-০১-২০১৪ তাৰিখৰ নিৰ্দেশ অনুসৰি গোচৰসমূহ বিদেশী ন্যায়াধীকৰণলৈ প্ৰেৰণ কৰা হ'ল। আমাৰ মাননীয় সদস্যসকলক কওঁ যে বিষয়টো গুৰুত্বপূৰ্ণ বুলি আমি চৰকাৰেও বিবেচনা কৰিছো। আমাৰ তৰফৰ পৰাও চেষ্টা কৰিছো যে এই মানুহখিনিৰ ক্ষেত্ৰত কিবা এটা নিষ্পত্তি যাতে কৰা হয়। এই কামখিনি চৰকাৰে এইকাৰণে কৰিব নোৱাৰে, কাৰণ কেচটো FT লৈ গ'ল আৰু FT হ'ল এটা quasi-judicial body. এই quasi-judicial বা judicial body ত চৰকাৰে হস্তক্ষেপ কৰিব নোৱাৰে। আমাৰ সন্মানীয় সদস্য অজয় কুমাৰ ৰায় ডাঙৰীয়াই কৈছে যে তেওঁৰ তাত এগৰাকী বৃদ্ধা মানুহ আছিল আৰু তেওঁৰ লগত নিজেই লাগি তেওঁক তাৰ পৰা উলিয়াই আনিছে। আমি জানো যে দুখীয়া মানুহ কিছুমান আছে তেওঁলোকে হয়তো কৰা নাই। গতিকে, আমাৰ সদনৰ সকলোৱে যাৰ যাৰ অঞ্চলত এনেকুৱা কথা আছে, সকলোৱে যদি অলপ সহায়ৰ হাত আগবঢ়াই আহো তেন্তে মই ভাবো আমি এই সমস্যাটো সমাধান কৰিব পাৰিম। এইবোৰ কথা বিধান সভাত সদায় চলিয়েই আছে। আমি আলোচনা কৰিয়েই আছো আৰু আলোচনা কৰি কৰি ইয়াৰ অন্ত নাইকিয়া হৈ গৈছে। আজিৰ দিনটোত আমি যদি সকলোৱে সহায়ৰ হাত আগবঢ়াওঁ, আমি যদি সকলোৱে একলগ হৈ কেনেকৈ সমাধান কৰিব পাৰো, কেনেকৈ stability আনিব পাৰো তাৰ বাবে সহযোগ কৰিলে নিশ্চয় সম্ভৱপৰ হ'ব। এইখিনি কথা কৈ মই সকলো মাননীয় সদস্যক ধন্যবাদ দিলো যে আপোনালোকৰ বক্তব্যৰ জৰিয়তে আপোনালোকৰ মনৰ কথাখিনি ক'লে আৰু চৰকাৰৰ তৰফৰ পৰা মই আপোনালোকক স্পষ্টীকৰণ দাঙি ধৰিলো। ধন্যবাদ।

**माननीय উপাধ্যক্ষঃ** এতিয়া Rule 50 ৰ অধীনত দুটা কাৰ্য্যসূচী বাকী আছে, কাৰ্য্যসূচী নং ৬ আৰু ৮।

মনোৰঞ্জন তালুকদাৰ আৰু দেবব্ৰত শইকীয়াৰ। আপোনালোক দুয়োজনে বক্তব্য উত্থাপন কৰিব। যিহেতু আপোনালোকৰ নাম দিছে, দুইটা বিষয়ৰ ওপৰতে আপোনালোকে ক'ব পাৰিব। এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ছিণ্ডিকেট ব্যৱস্থাটোৱে মই ভাৱো, অসমৰ সমাজ জীৱনত এক বিপৰ্যয় মাতি আনিছে আৰু আমাৰ অৰ্থনীতিতো তাৰ কু-প্ৰভাৱ পৰিছে। এটা বিধিগত ব্যৱস্থাৰ বিপৰীতে এদল মানুহে এই ছিণ্ডিকেটৰ জৰিয়তে লুণ্ঠন চলাই আছে, এই লুণ্ঠনে আমাৰ সমাজ জীৱনত খুব বেয়া প্ৰভাৱ পেলাইছে লগতে অৰ্থনীতিতো সাংঘাতিক ভাৱে ক্ষতি আনিছে। ক'লা টকাৰ প্ৰয়োগ বাঢ়িছে আৰু ৰাজনৈতিক ক্ষেত্ৰত এই ক'লা টকাই কি ধৰণে প্ৰভাৱ বিস্তাৰ কৰে সেই সকলো অভিজ্ঞত্ৰ আমাৰ আছে। মই প্ৰথমে ছুপাৰি ছিণ্ডিকেটৰ কথা ক'ব বিচাৰিছো। আমাৰ ৰাজ্য অসমৰ পশ্চিম প্ৰান্তত ছাগলীয়া আৰু শ্ৰীৰামপুৰ গেটত দুখন গেট আছে। এই গেটকেইখনত যি দুটা বাহিনী মোতায়েন কৰা হৈছে, আইনগত ভাৱে কোনে কৰিছে তাৰ কোনো অস্তিত্ব নাই কিন্তু অবৈধভাৱে তেওঁলোকক তাত মোতায়েন কৰা হৈছে। মই যিমান দূৰ জানো, চৰকাৰে তদন্ত কৰিবও পাৰে যে সেই বাহিনী দুটাই ১ কিলো ছুপাৰিত ৩০ টকাকৈ গুণ্ডা টেক্স লয়। এখন ট্ৰাকত যদি ২৫ মেট্ৰিক টন ছুপাৰি যায়, কেতিয়াবা ৩০ মেট্ৰিক টনো যায়, তেন্তে ৭.৫ লাখ টকা এখন ট্ৰাকৰ পৰা গুণ্ডা টেক্স আদায় কৰে। ছাগলীয়া আৰু শ্ৰীৰামপুৰৰ গেটেৰে দিনে প্ৰায় ৫০ খন ট্ৰাক যায়। এই ৫০ খন ট্ৰাকৰ পৰা এই ধৰণে যদি ৭.৫ লাখ টকাকৈ গুণ্ডা টেক্স লয় তেন্তে প্ৰতিদিনে ৩.৫ কোটি টকা সংগ্ৰহ কৰে।। আমাৰ পুলিচ-প্ৰশাসনেও ইয়াত সহযোগ কৰে। এনেধৰণে লুণ্ঠন কাৰ্য্যটো তাত চলি আছে। কাৰ নেতৃত্বত চলিছে? হৰেন মহন্ত নামৰ এজন ব্যক্তি আছে যিয়ে গোটেই ছিণ্ডিকেটটো চলায়। হাউলীতো ইয়াৰ চেণ্টাৰ এটা হৈছে। হাউলীত ছুপাৰিৰ উৎপাদন বেছি হয়। তাত ছিকনি ছুপাৰি বুলি কয়। তামোল কিনি শুকান ছুপাৰি কৰে। তাত প্ৰমোদ আৰু হৰ্ষ দাস বুলি দুজন ব্যক্তি আছে যিয়ে তাতেই বন্দৰস্ত কৰে যে কিমান মাল উঠিছে, কিমান মাল যাব, সকলো হিচাপ-নিকাচ কৰি তাত পইচাটো আদায় কৰে। এই ধৰণে ছুপাৰি ছিণ্ডিকেট চলি থকাৰ ফলত আমি দেখা পাইছো যে তামোল উৎপাদন কৰা কৃষকসকল ভয়ংকৰ ভাৱে ক্ষতিগ্ৰস্ত হৈছে। ছিণ্ডিকেটক ৩০ টকাকৈ কৰ দিবলগা হোৱাত ছুপাৰি তামোলৰ দাম কমি যোৱাত কৃষকে ভৰিব লগা হয়। যি ছুপাৰিৰ দাম ৩৫০ টকা আছিল এতিয়া সেই তামোলৰ দাম আহি ২৭০ টকা হৈছে। প্ৰত্যক্ষভাৱে আজি খেতিয়ক ক্ষতিগ্ৰস্ত হৈছে এই ছুপাৰি ছিণ্ডিকেটৰ ফলত এই যে ছিণ্ডিকেট হৈছে অকল চুপাৰিৰ ওপৰতে নহয়। আমাৰ ৰাজ্যখনলৈ বহিঃৰাজ্যৰ পৰা মাছ আহে, মাছত তেওঁলোকে একে গুণ্ডা tax লয়, কণী আহে, কণীত গুণ্ডা tax লয়, এই বিভিন্ন সামগ্ৰী যেতিয়া ৰাজ্যখনলৈ আহে, তেনেকে ব্ৰইলাৰ মুৰ্গী আহে, তাতো গুণ্ডা tax লয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা। মই এইখিনিতে এটা কথা সোঁৱৰণ কৰিব বিচাৰিছো। মোৰ স্মৃতি যদি ভ্ৰম হোৱা নাই। শ্ৰী সৰ্বানন্দ সোনোৱাল চৰকাৰ যেতিয়া প্ৰতিষ্ঠা হৈছিল, তেতিয়া শ্ৰী সৰ্বানন্দ সোনোৱালে ৰাজহুৱাকৈ ঘোষণা কৰিছিল যে আমাৰ ৰাজ্যত ছিণ্ডিকেট বন্ধ কৰিম। আমিও আচৰিত হৈছিলো যে ছিণ্ডিকেট বন্ধ হৈ যাব। কিন্তু এতিয়া দেখিছো ছিণ্ডিকেটটো বন্ধ হোৱা নাই। এতিয়া শ্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰ নাই, কিন্তু বি জে পি চৰকাৰে আছে। ছিণ্ডিকেটটো বন্ধ হোৱা নাই, ইয়াৰ টকাটো ক'ত যায়, কোনে খায় এই সকলো কথা-বতৰা নিশ্চিতভাৱে চিন্তা

কৰিব লাগিব আৰু এটা হৈছে মেঘালয়ৰ পৰা যিটো কয়লা আহে সেইটো এনে নাযায়। তাতো সেই গুণ্ডা tax টো দিব লাগে। গুণ্ডা tax দিয়ে, GST টো নিদিয়ে চৰকাৰে যিটো পাব লাগে। যোৱা ১১ ফেব্ৰুৱাৰীত গুৱাহাটীৰ পৰা চেণ্ট্ৰেল GST team এ তাত raid কৰিছিল আজিৰ খবৰ কাকতৰ খবৰমতে ৪০ খন ট্ৰাক ধৰিছিল। সেই ট্ৰাকবোৰ ধৰাৰ পিছত তাৰ যিবোৰ cul-prit, সেই culprit বোৰৰ মাজেৰে কয়লাবোৰ সৰাবৰাহ হয় বহিঃৰাজ্যলৈকে গুচি যায়। তাত কেইজনমান মানুহ প্ৰত্যেক্ষভাৱে জড়িত সকলোৱে জানে। খবৰ কাকততো নাম বিলাক ওলাইছে। এজন হৈছে ৰহিণ জিব্ৰা, আনজন হৈছে দীপাঙ্কৰ নাথ, ছহিদুল ইছলাম, ইলিয়াছ যাক গাৰো ভাইটি বুলি কয়। এই কেইজনৰ ছিণ্ডিকেটৰ মাজেৰে কয়লাবোৰ গৈ আছে। এই ধৰণৰ ছিণ্ডিকেটৰ ফলত যদি অকল চুপাৰিৰ পৰাই ৩ কৌটি, কয়লাৰ পৰা ৪-৫ কৌটি টকা এনেধৰণে উপাৰ্জন কৰে এটা বাহিনীয়ে আৰু সকলো ধৰণৰ সুৰক্ষা পায়, পুলিচৰ পৰা সুৰক্ষা পাই আছে আৰু সুৰক্ষা লৈ তেওঁলোকে এই কামটো কৰি আছে। আনফালে এই একে ছিণ্ডিকেটৰ কাৰবাৰটো আমি ইতিমধ্যে দেখিছো মাৰ্ঘেৰিটাৰ লিডুত কি ধৰণে খনন হৈছে। সেইটো বিষয়ত মন্তব্য দিম মই। এই ছিণ্ডিকেটটো বন্ধ হ'ব নে নাই ? মই চৰকাৰৰ ফালৰ পৰা জানিব বিচাৰিছো। আজি সদনত মুখ্যমন্ত্ৰী নাই। মই মুখ্যমন্ত্ৰীৰ পৰা উত্তৰ বিচাৰিম। চৰকাৰে এই ছাগলীয়া গেটত ছিণ্ডিকেট, শ্ৰীৰামপুৰ গেটত ছিণ্ডিকেট, কয়লাৰ ক্ষেত্ৰত মাৰ্ঘেৰিটাৰ লিডুত ছিণ্ডিকেটত নাম বহুতৰে আহিছে। সকলোৰে নাম ইয়াত ক'ব নোখোজো, মাত্ৰ মই চৰকাৰৰ পৰা আশ্বাস বিচাৰিছো চৰকাৰে কওঁক categorily অসমত ছিণ্ডিকেটটো বন্ধ কৰক আৰু যদি ছিণ্ডিকেট বন্ধ নকৰে যি ক'লা টকাৰ আদান-প্ৰদান হৈ আছে, যি সমগ্ৰ ৰাজ্যখনতে এটা অৰ্থনৈতিক ক্ষেত্ৰতো বিপদ মাতি আনিছে আৰু এই অনুশাসনহীনতাৰ বাবে এটা corrupt practice ত বহুত ডেকা ল'ৰাই আজি উৎসাহিত হৈছে। তেওঁলোকৰ মাজত সংঘাত হোৱাৰ ঘটনা ঘটিছে। মই ভাবো চুপাৰি, মাছ, কণী, মুৰ্গীৰ ক্ষেত্ৰত যিটো গুণ্ডা tax লয় তাৰ বাবে আকস্মিকভাৱে দাম বাঢ়ি যায়। বাৰিষা কালৰ ঠিক আৰম্ভণিতে মাছৰ পোনা আহে অসমলৈ বেংগলৰ পৰা। এই মাছৰ পোনাৰ গাড়ী বিলাকৰ এটা urgency থাকে। খুব কম সময়ৰ ভিতৰত তেওঁলোকে ধাপালৈ গুচি আহিব লাগে। এই ধাপালৈকে যদি সময়মতে আহি নাপায় তেতিয়াহ'লে মাছৰ পোনা মৰি যায়। এই মাছৰ পোনা লৈ অহা গাড়ীবোৰকো আগুৰি ধৰে আৰু তাৰ পৰা গুণ্ডা tax লয়। এতিয়া গৰুৰ ছিণ্ডিকেট বন্ধ কৰা বুলি দাবী কৰিছিল, কিছু সংখ্যকক গ্ৰেপ্তাৰো কৰিলে।সেই সময়তে কৈছিলো অধ্যক্ষ মহোদয় যে গৰুৰ ছিণ্ডিকেট শ্ৰীৰামপুৰ গেটৰ পৰা বা ছাগলীয়া গেটৰ পৰা গৰু আহে বা যায়। মই তেতিয়াই কৈছিলো যে এই শ্ৰীৰামপুৰৰ পৰা যিকেইখন জিলা পৰে সেই জিলাৰ SP ক কিয় গ্ৰেপ্তাৰ কৰ নহ'ল। মই দাবীটো উত্থাপন কৰিছো। মোৰ highwayৰ কাষতে ঘৰ মই গম পাওঁ কিমান গাড়ী দপদপাই গৈ থাকে। কেইদিনমান কমিছিল গ্ৰেপ্তাৰ কৰাৰ বাবে, এতিয়া আকৌ চলি আছে। দুই চাৰিজনৰ নামো ওলালে, মন্ত্ৰীৰ ঘৰলৈ টকা যোৱাৰ কথাও ওলাইছে গৰুৰ ছিণ্ডিকেটৰ। মোক মুখ্যমন্ত্ৰীয়ে সুধিছিল, গ্ৰেপ্তাৰ কৰা বুলিও ক'লে কিন্তু থানাৰ OC কেইজন কিয় ধৰা নপৰিল, যিকেইজনে পাছ কৰি দিয়ে। SP কেইজনে কিয় ধৰা নপৰিল, ভাগ পাই এই গৰু ছিণ্ডিকেটৰ। এতিয়াও এই গৰু ছিণ্ডিকেট চলি আছে। আমি গৰু গো-মাতা বুলি কৈছো, পূজা কৰিছো আৰু গৰুৰ পইচা খাই আছো ধুনিয়াকৈ, এইটো কি ধৰণৰ কথা। এই ধৰণৰ কাণ্ড কাৰখানা অসমত চলি আছে। গৰু চালানৰ পইচা, ম'হ চালানৰ পইচা, কণীৰ পইচা, মাছৰ পইচা, মাছৰ পোণাৰ পইচা, ব্ৰয়লায়ৰ পইচা, চুপাৰিৰ পইচা, এটা parraral অৰ্থনীতি চলিছে মাননীয় অধ্যক্ষ মহোদয়, এইটো বন্ধ কৰিব লাগে। এইটো কলা

অৰ্থনীতি, এই অৰ্থনীতিয়ে আমাৰ সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এইখিনি কথা উত্থাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগিসকলৰ খনি আৰু খনিজাত দ্ৰব্যৰ ওপৰত কব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিয়ম ৫০ ৰ অধীনত ডিমা হাছাও জিলাত অবৈধ কয়লা খননৰ বাবে শ্ৰমিকৰ মৃত্যু শীৰ্ষক বিষয়টোৰ ওপৰত আলোচনাৰ সুযোগ দিয়াৰ বাবে মহোদয়ক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটো জানুৱাৰী মাহত হৈছিল। ইয়াৰ ফলত প্ৰত্যক্ষ দৰ্শীৰ মতে ১৫ ৰ পৰা ২০ জন মানুহ অবৈধ ভাৱে কয়লা খনন কৰিব যাওঁতে পানী ভৰ্তী হৈ যোৱাৰ বাবে তেওঁলোক মৃত্যুৰ মুখত পৰিলে। সঠিক তথ্যটো কোনেও নাজানে। ১৫ জনৰ মৃতদেহ ইতিমধ্যে উদ্ধাৰ হ'ল, এতিয়া কি হৈ আছে, আমি সঠিক ক'ব নোৱাৰো, ১৫ জন নে ২০জন। নিখোজ হৈ থাকিব পাৰে, যিহেতু বহিৰাজ্যৰ শ্ৰমিকো তাত কাম কৰিবলৈ আহিছিল। মহোদয়, এই কথাটো গুৰুত্বপূৰ্ণ এই কাৰণে যোৱা সময়চোৱাত আমাৰ বিধান সভাতো বিভিন্ন প্ৰশ্ন উত্থাপন হৈছিল। ১৯ ফ্ৰেব্ৰুৱাৰী তাৰিখে সন্মানীয় সদস্যা শ্ৰীমতী শিৱামনি বৰাৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে অসমত ২০১৪ চনৰ আগলৈকে কয়লা খনন চলি আছিল, ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে ২০১৪ চনত ইয়াক নিষিদ্ধ কৰে। বিধান সভাৰ একেদিনাৰ এটা প্ৰশ্নৰ উত্তৰ কোৱা হৈছিল যে অসমত বৰ্তমানলৈকে তলত উল্লেখিত স্থান সমূহত কয়লা মজুত আছে, তিনিচুকীয়া জিলা, কাৰ্বি আংলং আৰু ডিব্ৰুগড় জিলাত আৰু কোৱা হৈছে Coal India Limited য়ে কয়লা খনন কৰিব পাৰে, কিন্তু Assam Mineral Development Corporation ৰ প্ৰতি বছৰে বছৰে উৎপাদন শূণ্য, কিন্তু dispatch in coal stock বা OB কয়লা বুলি তেনেকৈ কয়লাৰ পৰা ৰাজহ আহৰণ কৰি আছে। যিহেতু Assam Mineral Development Corporation যে কয়লা খনন কৰা নাই, তেওঁলোকৰ হাতত কোনো খনি নাই, অনুমতি নাই, তেওঁলোকে কেনেকৈ কামটো কৰিলো। OB কয়লা বুলি কৈছে। কিন্তু OB কয়লা কৰ পৰা আহিলে, কি কথা।

ইয়াৰ পূৰ্বে বিধান সভাৰ উপাধ্যক্ষ নোমল মমিন ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে অসম আৰক্ষীৰ CID বিভাগক মই উল্লেখ কৰা কাৰ্বি আংলং আৰু অন্যান্য জিলা সমূহৰ য'ত কয়লা খনন অবৈধ হৈছে, তাৰ বাবে অসম আৰক্ষীক তদন্তৰ ব্যৱস্থা কৰিবলৈ দিয়া হৈছে। মহোদয়, কয়লা যি অবৈধ খনন আৰু এই খননত যে ৰাজনৈতিক আৰু প্ৰশাসনিক আশীৰ্বাদ আছে, সেই কথাটো Justice D.B. Kotoki ৰ যিখন সমিতি হৈছিল, সেই সমিতিটো উল্লেখ আছে। তেখেতে কৈছে যে এই কয়লা বিলাকৰ illegal mining হৈছে আৰু ২০১৮ চনৰে SDO Civil, মাৰ্ঘেৰিটা, Director of Geology পাইছিল যে ১০০ জন মান মানুহে ৩০, ৪০ কেজিকৈ অবৈধ কয়লা খনিৰ পৰা পিঠিত কঢ়িয়াই আনি বজাৰত বিক্ৰী কৰে। ময়ো মাৰ্ঘেৰিটাত যাওঁতে, SDO ক কৈছিলো, ইমানকৈ সৰু গাড়ী কিয় আছে তাত। Coal India কৈছে তেখেতসকলক ডাঙৰ ডাম্পাৰ গাড়ী লাগে, পিক্আপা ভেন নালাগে, এই পিক্আপ ভেন বিলাকে অবৈধ খনিনৰ পৰা এনেকৈ মানুহে সংগ্ৰহ কৰা কয়লা আনি অবৈধ coke ডিপুত দিয়ে আৰু তাৰ পৰা ব্যৱসায় চলি থাকে। এই গোটেই বিলাক justict D.B. Kotoki ৰ report ত আহিছে

আৰু ঠিক তেনেকৈ কয়লা সংগ্ৰহ কৰে, Cement Industry, Big industry, Coke industry আদিয়ে আৰু তাৰ কোনোবা মানুহক আনকি চৰকাৰে পুৰস্কৃতও কৰিছে, যোৱা সময়ছোৱাত। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই যেতিয়া Chief Minister হৈ আছিল, তেতিয়া Justice B.B. Katoky ৰ report দিবলৈ কোৱা হৈছিল আৰু এই কমিটিয়ে প্ৰতিবেদন দিলে কিন্তু আমাৰ বিধান সভাত সৌ সিদিনালৈকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে যে এনেকুৱা কোনো কয়লা খনন হৈ থকা নাই। কিন্তু আমাৰ সদ্য CRPF ত Deputation ত যোৱা অসম কেডাৰৰ DGP, Shri G.P.Singh ডাঙৰীয়াই জানুৱাৰী ১৯ তাৰিখে এটা কথা ক'লে যিটো মই Quote কৰি দিব বিচাৰো - The Chief Minister has given me a direction that it came to his knowledge that rat hole mining is going on in Margherita, Lido, Lekhapani. I visited yesterday with the IG and SP, all the stake holders, the Mining Department, District Administration, Police Administration, The Forest Department, Coal India have all been given direction that wherever rat hole mining is going on, it will have to be completely shutdown within 7 days. তেখেতে অসমৰ পৰা বিদাই লোৱাৰ প্ৰাক মুহূৰ্তত এই কামটো কৰি গৈছে। কিন্তু ইয়াত বিভিন্ন তথ্য, Justice B.B. Katoky ৰ report, ২০১৮ চনৰ পাছত তেতিয়াৰ পৰা এইখিনি যে চলি আছিল, এই কথাখিনি চৰকাৰী নথিয়ে কয়। অৰ্থ্যাৎ জ্ঞাতসাৰে rat hole mining, অবৈধ কয়লা খনন চলি আছিলে। এইখিনি মই বা কোনো বিৰোধী দলে কোৱা কথা নহয়, চৰকাৰী নথিমতে এই কথাখিনি আজি মই উল্লেখ কৰিবলগীয়া হৈছে।

যিবিলাক কয়লা শ্ৰমিকে তাত কাম কৰে তেওঁলোকে ২০০০ বা ২৫০০ টকাতকৈও বেছি মূল্য পায় যাৰ কাৰণে তেওঁলোকে এনেকুৱা বিপদসংকুল কাম কৰিবলৈ যায়। তাৰফলত তাত বিভিন্ন ব্যৱসায়ো হৈছিল। ওমৰাংচুৰ এই ঘটনাৰ পাছত তাৰ যিখন বজাৰ, তিনি কিঃ মিঃ ওচৰে পাজৰে সেই বজাৰখনো নাইকীয়া হৈ পৰিল। তাত যিসকলে শাক -পাঁচলি বিক্ৰী কৰিছিলে তেওঁলোকেৰো এতিয়া আৰ্থিক দুৰৱস্থা হৈছে। তাত যিসকল লোকে লোনত বেঙ্কৰ পৰা ডাম্পাৰ কিনিছে বা অন্যান্য গাড়ী-ঘোৰা কিনিছে, সেইবিলাকো এতিয়া বেঙ্কৰ instalement দিব নোৱাৰি বিপদজনক অৱস্থালৈ গুছি গৈছে। অসমৰ Mineral Development Corporation য়ে যিটো OB কয়লাৰ নামত যে কয়লাখনিৰ পৰা এনেকৈ কয়লা সৰবৰাহ কৰিবলৈ সুযোগ দিছে, ইয়াৰ বাবে আমাৰ এই গোটেই ব্যৱস্থাটোত অসম Mineral Development Corporation ৰ Managing Director জনো জগৰীয়া। ইয়াৰ পূৰ্বৰ এজন Managing Director য়ে ১৬ জন ব্যক্তিৰ নাম দি তিনিচুকীয়াত এটা FIR দিছিলে, কিন্তু সদ্যহতে যি ঘটনা হ'লসেই সময়ছোৱাত থকা Managing Director য়ে কিন্তু এনেকুৱা কোনো কাম নকৰিলে বৰঞ্চ তেওঁ উৎসাহ জনাইছিলে আৰু সেইবাবেই ডিমা হাচাওৰ এজন ৰাজনৈতিকভাৱে প্ৰতিপত্তিশীল ব্যক্তিৰ পৰিবাৰৰ নামত এই Mineral Development Corporation বিভিন্ন চালান আৰু agreement আদি এতিয়া ওলাইছে। এইবিলাক একেবাৰে অবৈধ। এইটো তেওঁলোকৰ mining ৰ কাৰণে National Green Tribunal বা Forest and Environment ৰ permission লাগে। এই permission নোহোৱাকৈ কেনেকৈ তেওঁক ব্যৱসায় কৰিবলৈ দিয়া হৈছিল? আৰু B.B. Katoky ৰ report ত কোৱা হৈছে যে যিবিলাক আগতে খনন কৰিছিল আৰু খননৰ পাছত এই mining closure কৰিব লাগে, সেইবিলাকো কৰা হোৱা

নাছিল। এটা তথ্য দি থাকে যে ২০১৪ চনলৈকে হৈছিল। যদি হৈছিল এইবিলাক কিয় উন্মুক্ত অৱস্থাত ৰখা হ'ল? এই দায়িত্বটো কাৰ আছিল? সেইগতিকে এনেকুৱা বহুতখিনি কথাই যিটো আমি কৈছো যে ডিমা হাচাও জিলাত অবৈধ কয়লা খননৰ বাবে শ্ৰমিকৰ মৃত্যু, এই মৃত্যুৰ বাবে কোন দায়ী? অবৈধ ঠিকাদাৰ কেইজন দায়ী নে অসম চৰকাৰৰ যি সকল দায়িত্ব প্ৰাপ্ত বিষয়া বা যিজন ভাৰপ্ৰাপ্ত মন্ত্ৰী তেখেতসকলো ইয়াৰ বাবে জগৰীয়া। এই গোটেই কথাবিলাক আলোচনা আৰু ইয়াৰ তদন্তৰ প্ৰয়োজন। মই ইয়াৰ পূৰ্বেও যেতিয়া প্ৰাঞ্জল মৰাণ নামৰ এজন লোকৰ মৃত্যু হৈছিল ২০২৩ চনৰ ৭ এপ্ৰিলত, এখেতৰ dead body টো পৰবৰ্তী সময়ত যি অঞ্চলত Coal India ৰ Security থাকে সেই অঞ্চলত পেলাই দিয়া হৈছিল যাতে এনেকৈ এটা ভুল picture দিব পাৰে যে Coal India ৰ ভিতৰতহে এইটো খনন হৈছিল আৰু অবৈধ খননৰ থলীবিলাক বাচি যায়। সেইগতিকে তেওঁলোকে যিমানেই চেষ্টা কৰিছিল তাত ওলোৱা নাছিল আৰু গুৱাহাটীলৈ আহি তেওঁলোকে অনশন কৰিছিল, ধৰ্ণা কৰিছিল। তাৰ পিছত DGP য়ে কৈছিল এসপ্তাহৰ ভিতৰত মই উলিয়াই দিম। DGP য়ে কোৱা মতে এজন শীৰ্ষ বিষয়া যোৱাৰ পাছত এসপ্তাহৰ ভিতৰত dead body ওলাইছিল, যিটো বহুদিন ধৰি বিচাৰি পোৱা নাছিল। সেই গতিকে এনেকুৱা ধৰণৰ কিছুমান ঘটনা যিটো আঢ়েশৰ ওপৰত এতিয়া rat hole mining closure কৰা হৈছে, অসম চৰকাৰৰ এই বেয়া ঘটনাটো হৈ যোৱাৰ পাছত, সেইগতিকে এইবিলাক যে জ্ঞাতসাৰে চলি থকা নাছিল তাৰ কোনো নিশ্চয়তা নাই। যিবিলাক আমাৰ satellite imaging ৰ কথা কোৱা হয় যে remote sensing ত উত্তৰ পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দিয়া হয়, সেই remote sensing ৰ picture বিলাক কিয় লোৱা নহয়, যিবিলাক তথ্য ব্যক্তিগতভাৱে Google Search map ত পোৱা যায়। ডিমা হাচাওত এতিয়াও বহুত অবৈধ আৰু বন সম্পদ ধ্বংশ কয়লা খনি চলি আছে।

Justice B.B. Katoky ৰ যিটো প্ৰতিবেদন, তাত কোৱা হৈছে এই গোটেই বিষয়বিলাক এটা স্বতন্ত্ৰ সংস্থাক দিয়াৰ পোষকতা কৰিছিল। আমাৰ অসম চৰকাৰে inquiry কৰিছিল, ইয়াৰ ৰিপোৰ্ট লৈছে, সেইগতিকে অসম চৰকাৰৰ দায়িত্ব আছিল যে তেওঁ যিটো কৈছিল সেই কামটো কৰিব লাগে। CBI ৰ দৰে সংস্থাক ইয়াৰ তদন্তৰ দায়িত্ব প্ৰদান কৰি অভিযুক্ত লোকসকল আৰু চৰকাৰী বিষয়া সকলক শাস্তি প্ৰদানৰ কাৰণে তেওঁ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু কমিটিখনে সন্দেহ কৰা মতে কোনো পক্ষক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে ইচ্ছাকৃতভাৱে কয়লা খননৰ mapping ৰ তেওঁক যোগান ধৰা নহ'ল। তেখেতে সেই কমিটিৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে ইমান বৃহৎ অবৈধ খননকোনো চৰকাৰী পক্ষৰ লোক জড়িত নথকাকৈ কৰাটো সম্ভৱ নহয়। এইখিনিৰ পিছতো আমি কেনেকৈ ক'ব পাৰো যে বিধান সভাত শিৱামণি বৰাৰ উত্তৰত যিটো কৈছে যে এইক্ষেত্ৰত চৰকাৰ জ্ঞাত নহয়। সেইগতিকে চৰকাৰেও কিবা লুকুৱাব বিচাৰিছে নেকি, সেই কথাটো সন্দেহ হৈছে। সেইকাৰণে আমি ডিমাণ্ড কৰো যে এটা স্বতন্ত্ৰ সংস্থাৰ যোগেদি এই গোটেই তদন্তটো হ'ব লাগে। ভৱিষ্যতে যাতে এনেকুৱা নহওক তাৰ বাবে ব্যৱস্থা ল'ব লাগে। দোষীসকলক শাস্তি দিব লাগে। আনকি লোকসভাতো ২০১৯ চনৰ নৱেম্বৰ ২২ তাৰিখে অসম চৰকাৰে Illegal Coal Mining Digboi Forest Division ত হয় বুলি স্বীকাৰ কৰিছে। তাৰবাবে যিসকলে কতৰ্ব্যত অবহেলা কৰিছে তেখেতসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব বুলি কৈছে। এই গোটেইবিলাক কথা আজি মই প্ৰসঙ্গত আনিছো যাতে ওমৰাংচুৰ

নিচিনা ঘটনা আৰু কতো নহয় আৰু ভৱিষ্যতে যাতে আমি কাৰো অনিষ্ট নকৰো। Memorandum এখন Karbi Student's Association, Dima Hasao District Committee, Mining Area Affected People Association আৰু Kapili Area Mining Affected People Association য়ে AMDC, ৰাজ্যপাল সকলোকে দিছিল, যাতে তেখেতসকলে যিটো বিভিন্ন কাৰণ বশত তাত নতুনকৈ আকৌ Mining Area ল'ব বিচাৰিছে, যিটো কৰিলে তেখেতসকলে কৈছে যে Physical আৰু Environment ধ্বংশ হ'ব, land acquisition কৰিলে যিসকল ভূমিপুত্ৰ বা tribal ethics, customs আদি নষ্ট হ'ব, outside immigration হ'ব, loss of home হ'ব, loss of community property, যিহেতু আমি জানো যে tribal সকলে সম্পত্তিটো ৰাজহুৱা কৰে, তেওঁলোকৰ ব্যক্তিগত নামত নাথাকে, গাওঁখনৰ নামতে ভূমিটো থাকে। ইয়াৰ উপৰিও Scarcity of food হ'ব, destruction of social system and tribal culture and tribal people,loss of religion and cultural identity of the tribal people আৰু এনেকুৱা খননৰ ফলত হ'ব পৰা health hazard হ'ব, এই গোটেই বিলাক কথা চিন্তা কৰিবলগীয়া। ইতিমধ্যে তেওঁলোকে বহুত মাটি হেৰুৱাইছে। সেইগতিকে এই গোটেই কথাখিনি আপোনাৰ যোগেদি মই দৃষ্টি আকৰ্ষণ কৰিলো আৰু অসম চৰকাৰে এটা স্বতন্ত্ৰ আয়োগক দিব লাগে আৰু আপুনিও ইচ্ছা কৰিলে এখন সদন কমিটি গঠন কৰিব পাৰে গোটেই বিভাগক লৈ। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী সুশান্ত বৰগোঁহাঞি।

**শ্ৰী সুশান্ত বৰগোঁহাঞি, থাওৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই নিয়মাৱলী ৫০ অধীনত " Need to take action against the illegal syndicate operating in Assam enforcing unlawful taxes on betel nuts and other products imported to Assam"বুলি এটি আলোচনাৰ বিষয় আনিছে আৰু যদি তেখেতৰ পাতনিৰ ------interruption------

**মাননীয় অধ্যক্ষ ঃ** আপুনি দুয়োটা একেলগে ক'ব পাৰিব, যদি ক'ব বিচাৰে।

**শ্ৰী সুশান্ত বৰগোঁহাঞি, থাওৰা ঃ** হ'ব ছাৰ। মাননীয় অধ্যক্ষ মহোদয়, যিটো পাতনি তেখেতে মেলিলে সেই পাতনি হয় তেখেতৰ নিজৰ সপোনৰ কিবা পৰিকল্পনা, নহয় কোনোবাই syndicate কৰিবৰ কাৰণে তেওঁক এই পৰিলকল্পনা দিয়াৰ বাবে আজি ইমান সুন্দৰভাৱে ইয়াত বক্তব্য ৰাখিছে। নহ'লে এনেধৰণৰ বক্তব্য ৰখা সম্ভৱেই নহয়। Syndicate, মই আজি যেতিয়া হঠাতে ক'ব দিয়াৰ বাবে চাইছিলো আৰু সাধাৰণতে আজিকালি আমি Google কৰো কাৰণে দেখিছো A group of people or organization working together in an organised মই যেতিয়া আজি হঠাৎতে ক'ব দিয়াৰ বাবে চাইছিলো আৰু সাধাৰণতে আমি আজিকালি google কৰো কাৰণে দেখিছো। A group of people organization working together in an organise way to commit crime. এই বিষয়ে চাওঁতে অলপ নিজৰ ভিতৰতে

ভাবিছিলো যে চিণ্ডিকেট কেনেদৰে আৰম্ভ কৰিছিল। হঠাৎ মনত পৰি গ'ল যে শিৱসাগৰৰ কিছু অঞ্চল, বৰ্তমান আমাৰ মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়া তাৰ বিধায়ক। নিগম, ভাধৰা সেই অঞ্চল বিলাকত এটা সময়ত কোনো চৰকাৰী নিয়ম-নীতি নমনাকৈ মাটি দখল কৰি সেই সময়ৰ কমিউনিষ্ট পাৰ্টী অব ইণ্ডিয়াই কিছু সংখ্যক পৰিয়ালক তাত বহুৱাইছিল আৰু সেইসকলক কৈছিল যে আমি চিণ্ডিকেটৰ জৰিয়তে এদিন তাত নিগম বা corporation কৰিম আৰু খেতি-বাতিৰ যোগেদি আপোনালোকক ইয়াত ব্যৱস্থা কৰিম। সেই মানুহখিনিয়ে আজিও মাটিৰ পট্টা পোৱা নাই আৰু বহুত সময়ত মাটিৰ পট্টা দিয়াৰ বাবে আমাৰ বিধায়ক মহোদয়কো আমনি কৰি থাকে। কমিউনিষ্ট পাৰ্টী অব ইণ্ডিয়াই সেই সময়ত এনেধৰণৰ চিণ্ডিকেট আৰম্ভ কৰিছিল। পৰৱৰ্ত্তী পৰ্য্যায়ত তেওঁলোকে যিহেতু আইন-কানুন নামানিছিল আৰু এটা সময়ত তেওঁলোকে মানুহৰ বস্তু-বাহানি কাঢ়ি লৈ লোকক দিয়াৰ নিচিনা ব্যৱস্থা কৰাৰ নিচিনা এটা পৰিবেশেদি চিণ্ডিকেট আৰম্ভ কৰিছিল কাৰণে আজি এই চিণ্ডিকেটৰ ওপৰত সাৱলীলভাৱে তেখেতে ব্যাখ্যা কৰা দেখা পোৱা গৈছে। এতিয়া গোটেই ব্যৱস্থাটো এনেধৰণৰ হয় নেকি যে ইয়াত তেখেতে যি তামোলৰ কথা কৈছে, এই তামোলৰ যি চিণ্ডিকেটৰ কথা তেখেতে পাতনি মেলিছে, সেই তামোলৰ চিণ্ডিকেটৰ বিষয়ে যেতিয়া ইয়াত ওলাইছিল মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনৰ ভিতৰত কৈছিল যে অসমৰ পৰা এপিচ চুপাৰীও বাহিৰলৈ যাব নোৱাৰে। তাৰবাবে সকলো সংশ্লিষ্ট পক্ষক তেখেতে অৰ্ডাৰ দিছিল। আমাৰ তাত কেঁচা তামোলৰ ব্যৱসায় বহুতে কৰে। কিন্তু তেনেধৰণৰ চুপাৰী বা কোনো উদ্যোগ আমাৰ তাত থলুৱা ভাৱে নাই। কিন্তু সেইসময়ত বৰাক ভেলীৰ বিৰোধী পক্ষ আৰু শাসকীয় পক্ষৰ বহুত বিধায়ক আৰু মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াইও কৈছিল যে তেওঁলোকৰ সেই অঞ্চলত বহুত দুখীয়া মানুহৰ কষ্ট হৈছে আৰু অসমত উৎপাদিত চুপাৰী সমূহ মুকলি কৰি দিব লাগে যাতে দুখীয়া পৰিয়ালে সকাহ পায়। এই সদনৰ মাজত তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে এই যি আমাৰ অসমত উৎপাদিত চুপাৰী সেই চুপাৰী সমূহ যাৱতীয় ভাৱে যাবলৈ ব্যৱস্থা কৰি দিব লাগে আৰু ইয়াৰ পিছত সেই পৰিয়াল বিলাকে সকাহ পালে। সেই ব্যৱস্থাটো কৰিছিল আমাৰ এই সদনৰ মাননীয় এই বিধায়ক সকলে। আজি যিবিলাক কথা তেখেতে কৈছে এইবিলাক কথাইদি আমি যদি ভাবো আমাৰ ইয়াত পোনা ইমান উৎপাদন হয় যে বেংগলৰ পৰা আজি পোনা আনিব লগীয়া অৱস্থা আজি আমাৰ অসমৰ নাই। আজি যদি কোনোবাই পোনা বেংগলৰ পৰা আনিছে সেই বেংগলৰ পোনাৰ ব্যৱস্থাৰ কাৰণে মই নাভাবো যে সেই পোনা আমাৰ অসমৰ কোনোবা মানুহে গৈ তাৰপৰা পইচা ল'ব কাৰণ অসমৰ পোনায়েই যথেষ্ঠ। আগতে আমি দেখিছিলো নগাওঁ আদি ঠাইৰ পৰা বেপাৰী গৈ আমাৰ শিৱসাগৰ আদিত চাইকেলৰ পিছফালে ডাঙৰ এটা টৌ লৈ ঘৰে ঘৰে বেছি ফুৰে। কিন্তু আজি আমাৰ তাত ইমানখিনি পোনা উৎপাদন হয় যে আমি স্থানীয়ভাৱে সেই পোনা বিলাক কিনো আৰু আমাক বিচাৰি যিসকলে ব্যৱসায় কৰে সেইসকলে সেই পোনাৰ যোগেদি তেওঁলোকৰ ব্যৱসায় আৰম্ভ কৰে। আজি এই কথাবিলাক এইকাৰণেই কৈছো যে এনেধৰণৰ বক্তব্য ৰাখি সদনৰ যোগেদি মানুহক এনেধৰণৰ ছবি দিবলৈ তেখেতে যি চেষ্টা কৰিছে সেই চেষ্টাই কিন্তু আমাৰ যিসকল থলুৱা লোকে চুপাৰী বিক্ৰী কৰি আছে সেই সকলক পুনৰ অসুবিধাত পেলোৱা হ'ব। আজি আমাৰ মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই দায়িত্ব ল'ব লাগিব। কাইলৈ ক'ব লাগিব যে সকলোখিনি চুপাৰী বন্ধ কৰি দিয়ক। আমাৰ অসমৰ গাওঁত উৎপাদন কৰা চুপাৰীও বন্ধ কৰি দিয়ক। তেতিয়া তেওঁ দায়িত্ব ল'ব লাগিব।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, বিধায়ক, সৰভোগ ঃ** চিণ্ডিকেট বন্ধ কৰক।

**শ্ৰী সুশান্ত বৰগোহাঁই, থাওৰা ঃ** চিণ্ডিকেট কেনেকৈ চিণ্ডিকেট আপুনি প্ৰমাণটো দিব লাগিব। আপুনি গৈ গাওঁত সোধক যে কিমানত কিনিছে। আপুনি যদি চিণ্ডিকেট জানে তেনেহ'লে প্ৰত্যক্ষভাৱে আপুনি কৰ'বাত জড়িত হৈ থাকিব লাগিব। হয়তো আপুনি সেই গেট কেইখনত থিয় হৈ থাকিব লাগিব নতুবা তাত জড়িত হৈ থকা মানুহে আপোনাক এই কথাবিলাক ক'ব লাগিব। আজি কোনোবাইটো দায়িত্ব ল'ব লাগিব। নহ'লে সেই মানুহখিনিক আকৌ বিপদত পেলোৱা হ'ব আৰু সেইকাৰণে মই মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে আমাৰ দুখীয়া মানুহখিনি যাতে বিপদত নপৰে। মই আকৌ কৈছো যে মোৰ সমষ্টিত বা আমাৰ উজনি অসমত চুপাৰী বনোৱা কোনো মানুহ নাই। কিন্তু চুপাৰী বনোৱা মানুহ নগাওঁ, বৰাক ভেলী, বৰপেটা বা গোৱালপাৰাত আছে। এইসকলক পুনৰ যদি বিপদলৈ ঠেলিব বিচাৰে তেতিয়াহ'লে সেই মানুহ সকলৰো বিপদ হ'ব আৰু আমাৰ অৰ্থনীতিতো কিছু প্ৰভাৱ পৰাৰ সম্ভাৱনা থাকে। আজি যিখিনি বক্তব্য তেখেতসকলে দিছে এই বক্তব্য বিলাক আচলতে বহুদিনৰ আগতে যিবিলাক কিতাপ হৈছিল Das Capital আদি কিতাপ, সেই কিতাপ বিলাকৰ এতিয়া printing নোহোৱা হ'ল। সেই কিতাপবোৰ পঢ়াৰ কাৰণে এতিয়া চিন্তা-চৰ্চা চলি আছে। আজি এই কথাবোৰ চিন্তা-চৰ্চা কৰি থাকিলে আমি আকৌ বহুদিনলৈ ঘূৰি যাব লাগিব কাৰণ এতিয়া capitalist economic হ'ল। Capitalist economic আজি তেওঁলোকে ভৰাৰ দৰে সমাজখন নাই। ইয়াত বহুত দুখীয়া মানুহ আজি ধনী হ'ল। বহুখিনি মানুহে নিজৰ চেষ্টাৰ ফলত প্ৰভাৱশালী হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ এটা ব্যৱস্থা হ'ল কাৰণ আজিৰ এই মুক্ত অৰ্থনৈতিক ব্যৱস্থাটোত বহুতে বেংকৰ যোগেদি সুবিধা লৈ ব্যৱসায় কৰিছে। এটা সময় আছিল যেতিয়া ধনী মানুহ ধনী হয়েই আছিল আৰু দুখীয়া মানুহ দুখীয়া হয়েই আছিল। তেতিয়া Communism Idology টোৰ প্ৰাসঙ্গিকতা আছিল। কিন্তু আজি সেই প্ৰাসঙ্গিকতা সমূহ লাহে লাহে নাইকিয়া হৈ গৈছে। সেই প্ৰাসঙ্গিকতা সমূহ নাইকিয়া হৈ যোৱাৰ কাৰণে কিছু দল আজি দূৰ্বল হৈ গৈছে। এই কথাবোৰ আজি এইকাৰণেই কৈছো যে কথাবোৰ ভালদৰে আলোচনা হ'ব লাগে। সেই দুখীয়া মানুহখিনি যাতে আকৌ দুখীয়া হৈ নাযায় তাৰবাবে সকাহ দিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। যি কেইজন মানুহৰ লগত আলোচনা কৰি কথা-বতৰাবোৰ উল্লেখ কৰিছে সেই মানুহ কেইজনৰ যোগেদি তেওঁলোকে যাতে দুখীয়া মানুহক বিপদত নেপেলায় তাৰবাবে মই অনুৰোধ জনাইছো। মই নাভাবো যে আজি এই অসমখনত এনেধৰণৰ illegal syndicate কৰিবলৈ সাহস কৰিব। কাৰণ চিণ্ডিকেট কি বস্তু আমি এটা সময়ত দেখিছিলো, বুজিছিলো আৰু বাতৰি কাকতত পঢ়িছিলো। গতিকে আজি যিবোৰ কথা ওলাইছে সেইবোৰ কথাৰ যে কিবা প্ৰাসঙ্গিকতা আছে মই নাভাবো। মাননীয় অধ্যক্ষ মহোদয়, Need to take action against the illegal syndicate এই শীৰ্ষক আলোচনাত মই মোৰ বক্তব্য ৰাখিলো লগতে মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াকো ধন্যবাদ জনাইছো যে এই কথাবোৰ কৈ এইকাৰণেই ভাল কাম কৰিলে যে এই আলোচনাৰ গোটেই কথাবোৰৰ ওপৰত ভৰিষ্যতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বক্তব্য ৰাখিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ), বিধায়ক, মানকাছাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অৰ্থনীতিৰ যিটো ব্যৱস্থা আৰু আমি সকলোৱে জানো যে GST অহাৰ পিছৰে পৰা অৰ্থনৈতিক ক্ষেত্ৰত

ব্যৱসায়ী সকলৰ ওপৰত যিধৰণৰ প্ৰভাৱ পৰিছে বা মূল্যবৃদ্ধিৰ বাবে আমি যেনেদৰে মাধমাৰ খাইছো ইতিমধ্যে এই সকলোবোৰ কথা আমি গম পাইছো। GST, CGT আছেই, তাৰ উপৰিও মূল্যবৃদ্ধিও হৈছে। আজিৰ এই প্ৰাসঙ্গিক বিষয়টো হ'ল চিণ্ডিকেটৰাজতো কি। এইটো কোনে কৰিছে বা কেনেকৈ কৰিছে সেইবোৰ কথা মই ক'বলৈ বিচৰা নাই। মই ক'ব বিচাৰিছো যে প্ৰতিটো চিণ্ডিকেটৰ জৰিয়তে কৃষকৰ বা যিবোৰ উপভোক্তা বা যিখিনি আমি কিনি পঞ্জীয়ণ কৰো সেইবোৰে আমাক কি দৰে প্ৰভাৱান্বিত কৰিছে সেই বিষয়ে মই কিছু কথা ক'ব বিচাৰিছো। মোৰ সমষ্টি মানকাছাৰ আৰু মেঘালয় ৰাজ্যৰ চাৰিখন জিলাৰ সকলো চুপাৰী মোৰ অঞ্চলতে প্ৰচেচ হয় আৰু তাৰপৰাই বিভিন্ন ঠাইলৈ যায়। ইতিমধ্যে মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কোনোবা মহন্তৰ নাম কৈছে যদিও মই তেখেতক চিনি নাপাওঁ। চুপাৰীৰ লগত এটা সময়ত মানকাছাৰৰ ৪০-৫০ হাজাৰ মানুহ প্ৰত্যক্ষভাৱে  জড়িত আছিল। আজিৰ দিনত per k.g 30 টকাৰ ঠাইত 32 টকা হ'ল। এইবোৰ কথা চুপাৰী ব্যৱসায়ী সকলে আমাক কৈ থাকে যে আপোনালোকে এইবিষয়ত কিয় নিমাত হৈ আছে। এই ৩২ টকা কেৱল মধ্যভোগী মানুহখিনিয়েই পায়। যিটো ১৫ দিনমান আগতে per k.g 30 টকা আছিল। যুগে যুগে  আমাৰ তাত চুপাৰীৰ ব্যৱসায় হৈ থাকে। ইমান বছৰে এইবোৰ কথা কোৱা হোৱা নাছিল। কিন্তু এইখন চৰকাৰ অহাৰ পিছৰে পৰা এই চিণ্ডিকেট ব্যৱস্থাটো আৰম্ভ হৈছে। যিবোৰ কৃষকে মেঘালয়ৰ পৰা চুপাৰীবোৰ কিনি আনি ইয়াত কাটে, শুকুৱাই আৰু প্ৰচেচ কৰে আৰু তাৰপিছত তেওঁলোকে বিক্ৰী কৰে। ইয়াত কম হোৱা কাৰণে মধ্যভোগী মানুহখিনি নোহোৱা হৈছে।  মাজত যিখিনি মানুহে ব্যৱসায় কৰিছিল এতিয়া তেখেত সকলে ডাঙৰ ডাঙৰ গোদাম তাত বনাই লৈছে। তাৰপৰা কিনোতে ৩২ টকা তেখেতসকলক দিব লাগে। বিজয়নগৰ, গুৱাহাটী, হাউলীত যদি ৩২ টকা কাটি ৰাখে মই locally process হোৱাৰ বিষয়ে কৈছো। এই কেঁচা চুপাৰীখিনি বেলেগলৈ যায় কিয়নো শুকালে ৩২ টকাকৈ দিব লাগে। কেঁচা চুপাৰী যোৱাৰ লগে লগে মোৰ সমষ্টিৰ ২০-৩০ হাজাৰ মানুহে আজি কৰ্ম সংস্থাপন হেৰুৱাইছে। আগতে যথেষ্ট সংখ্যক মহিলাই  ঘৰতে চুপাৰী কটা, বইল কৰা, শুকোৱা, ৰং কৰা, পেকেটিং কৰা, godowning কৰা ইত্যাদি কামত জড়িত হৈ আছিল কিন্তু আজি এই মানুহখিনি বঞ্চিত হৈছে। ম্যানমাৰৰ পৰা বা বাৰ্মাৰ পৰা যিখিনি চুপাৰী আহে সেইখিনিত আমি শুনা মতে per truck ২৫ ৰপৰা ৩০ লাখলৈকে লোৱা হয়। বাংলাদেশৰ পৰা বাঘমাৰা হৈ আহি কৃষ্ণাইৰ পৰা বাৰ্মিজ চুপাৰী গৈ আছে আৰু তাৰ ওপৰত ছিণ্ডিকেট চলি আছে। ভিতৰত বাৰ্মিজ আৰু তাৰ ওপৰত কেই বস্তামান লোকেল চুপাৰী দি গোটেইখিনি লোকেল চুপাৰী কৰি দিয়া হয় আৰু এই প্ৰক্ৰিয়াটো সঁচা। মই এই কাৰণেই কথাটো ক'ব বিচাৰিছো যে এই প্ৰক্ৰিয়াত  parallely economy ৰ কথা কোৱা হৈছে এইটো কেৱল চুপাৰীৰ ক্ষেত্ৰতেই নহয়, কয়লা, বোল্ডাৰ সকলোৰে ক্ষেত্ৰত আলোচনা হৈছে। মানকাছৰেৰে যি বোল্ডাৰ যায় সেই সংক্ৰান্তত মোৰ তথা অভিভাৱক মন্ত্ৰী কেশৱ মহন্তৰ নাম সদায় নিউজত আহি থাকে যে আমি ইয়াত জড়িত হৈ আছো । SP, DC ৰ নামো সদায় আহি থাকে যে তাত কিয় ছিণ্ডিকেট হৈছে? সোণাৰহাটত বাংলাদেশলৈ যাবলৈ এক ট্ৰাকত ১০ হাজাৰ টকাকৈ লোৱা হয়। গতিকে তাত কোন হয় সেইজন ব্যক্তি যিয়ে এইবোৰ কৰি আছে? এই চুপাৰী, বোল্ডাৰ, কয়লাৰ উপৰিও যিখিনি consume কৰি আছো যেনে- মাছৰ ফৰ্মেলিন কিহৰ কাৰণে নোহোৱা হৈ গ'ল, নোহোৱা হোৱাৰ system টো কি? কণী, পাণ, নহৰু, ফল-মূল আদিৰ ক্ষেত্ৰত কি হৈ আছে এই system টোৰ কথা কোনোবাই  স্বীকাৰ কৰক বা নকৰক মই কিন্তু জানো। মাননীয় বিধায়ক সুশান্ত বুঢ়াগোঁহাই

ডাঙৰীয়া এজন বৰ ভাল বক্তা, তেওঁ চিপিএম ক টাৰ্গেট কৰি establish কৰিব বিচাৰিছে যে কোনো ধৰণৰ ছিণ্ডিকেট হোৱা নাই কিন্তু আমি প্ৰত্যেকেই জানো আচলতে কি হৈ আছে, মূল্যবৃদ্ধিৰ মাধমাৰটো ক'ত হৈ আছে । সোণাৰহাটত বোল্ডাৰ যায় তাতো মোৰ নাম সাঙোৰ খাই যে মই হৰেণ মহন্তৰ লগত জড়িত হৈ আছো অথচ মই এই বিষয়ত একো নাজানো, মোৰ নাম এই ক্ষেত্ৰত কিয় আহিব? কথাটো হৈছে যিখিনি আজি ছিণ্ডিকেট system চলি আছে মই কাকো fix কৰিব খোজা নাই। বৰ্তমানৰ চৰকাৰে যিটো price hike হৈ আছে সেই ক্ষেত্ৰত responsibility ল'ব লাগে। আজি কণীৰ দাম সীমামূৰীয়া ৰাজ্য পশ্চিমবংগত কিমান আৰু আমাৰ অসমত কিমান? পাণৰ ছিণ্ডিকেট কেতিয়াৰ পৰা আছিল, নহৰুৰ ছিণ্ডিকেট বন্ধ হৈছে নে নাই আমি নাজানো নেকি ? নাছিকৰ পৰা অহা ফল-মূল, পিয়াঁজৰ ছিণ্ডিকেট, চিমেন্ট, গাহৰি, ব্ৰইলাৰ, গৰু, ম'হৰ গাড়ী প্ৰত্যেকৰেই ওপৰত ছিণ্ডিকেট চলি আছে । এই কথা বিলাক খোলা-খুলিকৈ নক'লে কোনেও নুবুজিব। মই এই কাৰণেই স্পষ্ট ভাৱে কৈছো যাতে অসমৰ জনসাধাৰণে অধিক মূল্য দি এই বস্তুবোৰ কিনি খাব নালাগে। গৰুক আপোনালোকে গো-মাতা বুলি স্বীকাৰ কৰি তাৰ ওপৰত আকৌ ধান্দা কৰি থাকে। ম'হৰ ক্ষেত্ৰত per truck ত চাৰিৰ পৰা পাঁচ লাখ টকালৈকে কি কাৰণে লোৱা হয়? এই যে system বোৰ চলি আছে এই কথাটো সম্পূৰ্ণৰূপে সঁচা গতিকে ইয়াক কেনেকৈ মিনিমাইজ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। GST এ ইতিমধ্যে ৰাইজক মাধমাৰ দিয়েই আছে। এই জিএসটি, চিজিএসটি ৰ পৰিৱৰ্তে ৰাইজক আৰু মূল্যবৃদ্ধি কৰি মাধমাৰ দিয়াৰ যিটো ব্যৱস্থা ইয়েই অসমৰ ৰাইজক যথেষ্ট ক্ষতি সাধন কৰিছে। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য, শ্ৰী জিতু গোস্বামী।

**শ্ৰী জিতু গোস্বামী, বড়মপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সন্মানীয় সদনত আমি এনেকুৱা এটা বিষয় আলোচনা কৰিছো যিটো বিষয়ৰ কোনো authenticity য়েই নাই। আমি কৈ আছো ছিণ্ডিকেট, আমাৰ মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যিটো কথা আনিছে সেইটো হৈছে প্ৰথম-Need to take action against the illegal syndicate operating in Assam enforcing unlawful taxes. Who is taking taxes? ছিণ্ডিকেটতো ক'ত? যদি কয় ছিণ্ডিকেটটোৰ authenticity আছে, ইয়াত ছিণ্ডিকেটো হৈছে। এই ঠাইত এজন অফিচাৰ বহি আছে, কোনোবা এটা toll লৈছে। এখন ডাঙৰ গেট লগাই তাত কোনোবাই পইছা collection কৰি আছে। তেতিয়াহে ক'ব যে এইখন ছিণ্ডিকেটৰ authenticity আছে। আমি সদনত ছিণ্ডিকেটৰ ওপৰত আলোচনা কৰিছো যাৰ authenticity নাই । দ্বিতীয় কথা, মাননীয় অধ্যক্ষ মহোদয়, মনোৰঞ্জন তালুকদাৰে কৈছে যে আমাৰ অসমত কয়লাৰ ছিণ্ডিকেট চলি আছে । কয়লাৰ ছিণ্ডিকেট অসমৰ ক'ত চলি আছে? অসমত minig য়ে নাই ,কয়লাৰ ক্ষেত্ৰত অসম কেৱল transit road ৰ ৰাজ্য। কয়লা উৎপাদন হয় মেঘালয়, অৰুণাচল আৰু নাগালেণ্ডত। এই ক্ষেত্ৰত transit road এটাত ছিণ্ডিকেট ক'ৰ পৰা চলিব? মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে কৈছে যে চুপাৰী ছিণ্ডিকেট , কয়লা ছিণ্ডিকেট, গৰুৰ ছিণ্ডিকেট এই ছিণ্ডিকেটবোৰো চলি আছে । ঠিক আছে। এইটো মই মানি লৈছো কিন্তু ক'ত চলি আছে? আমি প্ৰত্যেকেই জানো যে অসমত কয়লা উৎপাদন নহয়। অলপ দিনৰ আগতে উমৰাংছোৰ এটা অবৈধ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হৈছিল। এই মৃত্যুৰ কাৰণ আছিল তাত অবৈধভাৱে খনন চলোৱা হৈছিল।

চৰকাৰেও কৈছে যে এইটো অবৈধ মাইনিং। Illegal mining কেৱল অসমতে হোৱা নাই, ভাৰতবৰ্ষৰ প্ৰতিখন ঠাইতে illegal mining কৰে, তাত ধৰা পৰাৰ পিছত চৰকাৰে ব্যৱস্থা লয়। আমাৰ NC Hills ৰ উমৰাংছোত যিটো illegal mining ধৰা পৰিলে, তাৰ ওপৰত চৰকাৰে বিহীত ব্যৱস্থা লৈছে। Illegal mining যদি হৈছে বা বাহিৰৰ পৰা transit কয়লাত যদি seize হৈছে, সেইখিনি কয়লা seize কৰাৰ অধিকাৰ Assam Mineral Development Corporation ৰ আছে। মই আপোনাক ডাটা সহিতে ক'ব পাৰো যে AMDC এ তেওঁলোকৰ প্ৰশ্নৰ উত্তৰত কৈছে যে যোৱা তিনিটা বছৰত অসমত প্ৰায় ১৯ হাজাৰ টন কয়লা জব্দ কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, coal is a national asset. আজি কয়লা জব্দ কৰাৰ পিছত সেই কয়লাখিনি যদি illegally ৰাখি তাক বেয়া হ'বলৈ দিয়া যায় সেইটো national lost. ইয়াত AMDC এ auction কৰি যদি কয়লাখিনি transit কৰিব দিছে তেতিয়াহ'লে অসমৰ লগতে ভাৰতৰ কাৰণেও লাভ। মই মাননীয় দেৱব্ৰত শইকীয়া আৰু মাননীয় মনোৰঞ্জন ডাঙৰীয়াক জনাব বিচাৰিছো যে AMDC য়ে যোৱা তিনিটা বছৰত ২০২১-২২ চনত state exchequer ত প্ৰায় ৪,৮১,৩৮, ৯৮৭ টকা আৰু ২০২২ -২৩ চনত ১১, ৫২,৮৬, ৮৫৪ টকা আৰু ২০২৩-২৪ ত ৪,৮৫, ৫৬, ৬৬৯ টকা only state exchequer ত জমা কৰিছে। ইয়াৰ উপৰিও central exchequer ত ২০২০-২১ চনত ৩,৭৭, ৯৪, ৫৯৩ টকা, ২০২২-২৩ চনত ১০,১২, ৩৫, ২১০ টকা আৰু ২০২৩ -২৪ চনত ৩,৫২,০০০০০ টকা । প্ৰায় ১৭ কোটি টকা state exchequer ত জমা কৰিছে। AMDC য়ে যিখিনি কয়লা seize কৰিলে, যিখিনি over burden coal সেইখিনি বিক্ৰী কৰি অসমৰ বাবে অকলে contribute কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, Assam is a transit road, from Meghalaya, from Arunachal and from Nagaland, তিনিও খন ৰাজ্যৰ কয়লা অসমৰ মাজেৰে যায় কাৰণে আমাৰ মাননীয় তালুকদাৰ ডাঙৰীয়াই ভাবিছে যে গোটেই কয়লাৰ ছিণ্ডিকেটতো অসম চৰকাৰে কৰে বুলি। কয়লা ছিণ্ডিকেটৰ বাবে আপোনালোকক আৰু এটা information দিও যে Central GST য়ে কয়লাৰ GST লয়। এখন গাড়ীও অসমৰ মাজেৰে পাৰ নহ'ব যদি সেই কয়লাত তেওঁলোকে Central GST বা State GST নিদিয়ে। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ মুখেৰে কৈছে যে, Director General of GST Intelligency য়ে আহি অসমত আজি প্ৰায় ৮০ খন গাড়ী seize কৰিছে কিয়নো তেওঁলোকে checking কৰি থাকে। তেওঁলোকে প্ৰতিদিনে without GST কয়লা এখনো গাড়ী বাহিৰলৈ যাব নিদিয়ে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ক'বলৈ খুব ভাল, চুপাৰীৰ কথা কৈ আছে। যেতিয়া চুপাৰীৰ কথা এইখন সদনতেই যোৱা বছৰ যেতিয়া আলোচনা হৈছিল, আমাৰ বৰাকৰ প্ৰত্যেকজন সদস্যই উঠি কৈছিল যে আমাৰ কেচা চুপাৰী যাবলৈ দিব লাগে। AIUDF আৰু কংগ্ৰেছৰ প্ৰত্যেকজন সদস্যই উঠি কৈছিল, যে কেচা চুপাৰী যাব দিব লাগে ন'হলে আমাৰ কৃষকৰ চুপাৰী বিক্ৰী কৰিবলৈ বজাৰ নাই। তাৰ পাছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনতে উত্তৰ দিছিল আজি মোৰ নগাওঁ জিলাৰ ৰূপহীত আৰু চামগুৰি অঞ্চলত ডাঙৰ ডাঙৰ চুপাৰী ব্যৱসায়ী তেওঁলোকৰ যদি আমাৰ ইয়াৰ পৰা চুপাৰী বাহিৰলৈ নাযায়, তেওঁলোকৰ ঘৰ নচলে। এনেকুৱা এটা পৰিস্থিতি একেখন সদনতে দুমুখীয়া নীতি আমি কেতিয়াও গ্ৰহণ কৰিব নালাগে। এফালে আমি কৃষকৰ কথা চিন্তা কৰিব লাগিব। এফালে আমি State exchequer ৰ কথা চিন্তা কৰিব লাগিব। illegal coal mining হ'লে, illegally coal গ'লে তাত যদি আমাৰ বিভাগে তাক ৰাখি আমাৰ contribution লয়, আমাৰ exche-

quer ৰ কাৰণে এইটো কি দেশৰ কাৰণে ভুল হ'ল নেকি? মাননীয় অধ্যক্ষ মহোদয়, ছিণ্ডিকেট terminology য়ে টো ভুল। এইটো কৈ কৈ অসমত এনেকুৱা হৈছে যেন ছিণ্ডিকেট এটা চলি আছে। মোক এটা কথা কওঁক অমুকখন গেটত ধৰি অমুকজন অফিচাৰে পইচা লৈছে। অমুকজন মানুহে তাত পইচা লৈ আছে, এইখন ৰছিদ আছে, এইবোৰ কথা ক'বৰ কাৰণে ভাল। অসমৰ ৰাইজক ভুৱা তথ্য দি আমি আচল কথাখিনি নজনাৰ কাৰণে এই কথা হৈছে। আজি অসমত আমি কথা পাতিব লাগিছিল কয়লাৰ কাৰণে নহয়। কাৰণ অসম coal rich state নহয়। অসমখন rich ক'ত? we have limestone.আজি যদি ক'লে হয়, যে ইয়াতে limestone ৰ ছিণ্ডিকেট চলি আছে। তেতিয়াও শুনিবলৈ ভাল আছিল। আজি যদি বেলেগ কিবা কথা ক'লে হয় শুনিবলৈ ভাল আছিল। মই কওঁ মাননীয় মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যি তথ্য তেওঁ ক'ৰবাৰ ছিণ্ডিকেটৰ চোৰ কেইটামানে দিয়া তথ্য আপুনি এই তথ্যখিনি আপোনাৰ লগত ৰাখক আৰু ভৱিষ্যতে অসমৰ ৰাইজক ভুল পথে পৰিচালিত নকৰিব আৰু এই পবিত্ৰ সদনখনত এইবোৰ authenticity নথকা ছিণ্ডিকেটৰ কথা পাতাৰ কাৰণে সময়ৰ অৱকাশ নাই ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, আবুল কালাম ৰছিদ আলম ডাঙৰীয়া।

**শ্ৰীআবুল কালাম ৰছিদ আলম, (পূব গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ছিণ্ডিকেট চক্ৰৰ অতপালিত ক্ষুণ্ন অসমৰ জনজীৱন। কি ধুনীয়াকৈ আমাক শাসক পক্ষৰ দুজন বিধায়কে ক'লে যে ছিণ্ডিকেট চলা নাই। গোটেই অসমৰ ৰাইজে হাঁহি আছে তেওঁলোকক। কিমান সচাঁ কথা কৈ আছে তেওঁলোকে। চৰকাৰৰ দায়িত্ব ৰাজহ সংগ্ৰহ কৰা আৰু বিতৰণ কৰা। কিছুমান কল্যাণমুলক আঁচনি লৈ ৰাইজলৈ পঠাই দিয়া, মনোৰঞ্জন তালুকদাৰে যি এযাৰ কথা ক'লে, parallel economy , চৰকাৰী ৰাজহ যিমান চলি আছে, তাতকৈ বহুত গুণ বেছি ৰাজহ এই ছিণ্ডিগেট চক্ৰটোৰে চলাই আছে। প্ৰতিদিনে মেঘালয়লৈ যি কয়লাৰ গাড়ী গৈ আছে ১লাখ২৫ হেজাৰ টকা entry fees দিব লাগে। এখনো কাগজ পত্ৰ নাই, কোনো জি এচ টি নাই একো নাই, চালানৰ পৰা ১ লাখ ৫ হাজাৰ টকা দিব লাগে। তেওঁলোকে যদি চকুৰে দেখা নাই, আজিয়েই মোৰ লগত ব'লক মই দেখাই দিম শ , শ, গাড়ী। যদি সেই বিলাক গাড়ীৰ পৰা সচাঁকৈ ৰাজহ চৰকাৰে যদি উঠালে হেতেন, এই টকাটো চৰকাৰৰ খাতাত গ'ল হয়। কিন্তু চৰকাৰৰ খাতাত যোৱা নাই, হিচাব কৰিব এই গোটেই টকা ছিণ্ডিগেটৰ খাতাত গৈ আছে। প্ৰাইভেট ৰেভিনিউ উঠাই আছে, ঠিক তেনেকুৱাকৈ তামোলৰ কথা বিতং কৈছে, তেওঁ কৈছে যে তামোলৰ ব্যৱসায় যদি নকৰে, আমাৰ তামোলৰ খেতি যিসকলে কৰিছে, তেওঁলোকৰ ক্ষতি হ'ব। হয় আমি কৈছিলো তামোলৰ খেতি কৰিব লাগে কিন্তু ছিণ্ডিগেট কৰিবলৈ দিয়া নাই, ৩২ টকা প্ৰতি কেজিত ছিণ্ডিগেট কৰিবলৈ দিয়া নাই। কৃষ্ণাইত গুদাম আছে, কোনে আনি আছে, মই ইয়াত বক্তব্য দিয়াৰ আগত সুধিছো, কোনে লয়, যে ট্ৰাকে লয়, ট্ৰাকত জমা দিব লাগে ৩২ টকা প্ৰতি কেজি হিচাবত। সেই টকাটো কোনে লয়? নাম সহ কৈছো চহিদুল। এই চহিদুলৰ লগত কাৰ লিংক, এইটো উলিয়াই লওঁক।

(সদনত হুলস্থুল)

অধ্যক্ষ মহোদয়, যোগীঘোপাৰ পৰা যিখন কয়লাৰ গাড়ী যায় প্ৰত্যেক গাড়ীৰ পৰা ২ লাখ টকা entry fees লয়, এই entry fees মানে কোনো কাগজ পত্ৰ নাই তাতে জি এচ টি কে ধৰি। তাতে জি এচ টি নোহোৱাকৈ যায় প্ৰমাণ কৰিছে, যে ৮০ হাজাৰ টকা ১ লাখ টকা জি এচ টি লৈছে। সেই কয়লাৰ দামে হ'ল ৩ লাখ টকা। তাৰ পৰা যিখিনি বাহিৰত যায় মই আপোনালোকক হিচাব কৰিব দি আছো, সদনত যে চৰকাৰী ৰেভিনিউ কিমান উঠে আৰু প্ৰাইভেট ৰেভিনিউ কিমান

উঠে। ডিটেইলচ কৈছে ইয়াতে, যেতিয়া বাহিৰৰ পৰা বইলাৰ মুৰ্গী আহে, মই দুই এটা উদাহৰণহে দিম কাৰণ মোৰ হাতত সময় কম আছে, ব্ৰইলাৰ গাড়ী যেতিয়া আহে, সৰু পিকআপত। মই এতিয়া অহাৰ আগত যিবিলাক ব্ৰইলাৰ ব্যৱসায় কৰে সিহঁতক ফোন কৰি আহিছো। তেওঁলোকে শুনি আছে, ৪৫ হাজাৰ টকা পিকআপ লোৱা হয়, ৪৫ হাজাৰ টকাত এটা পিকআপ আৰু ছয় চকীয়া গাড়ীত ৯০ হাজাৰ টকা লোৱা হয়। যদি এই টকাটো, কিয় দিয়া হয়, যদি নিদিয়া হয়, তেনেহ'লে Veterinary Department ৰ পৰা যাব। এই ব্ৰইলাৰ মুৰ্গীৰ বেমাৰ আহি আছে। যি গাড়ীয়ে পইচা নিদিব, সেই গাড়ীৰ ব্ৰইলাৰ মুৰ্গী মাটিৰ তলত পুতি থব। ঠিক তেনেকুৱা শ্ৰীৰামপুৰ গেটেদি যদি আহে ৫৫ হাজাৰ, ৫৭ হাজাৰ, ৰেট বেলেগ বেলেগ।

(সদনত হুলস্থুল)

আপুনি যদি initiative লয়, ব্যৱসায় বন্ধ হ'ব। সেই কাৰণে গাত লাগি আছে। তেওঁলোকৰ ৰেভিনিউ বেছি হৈ আছে, চৰকাৰী ৰেভিনিউতকৈ। তেওঁৰ পৰাও ভাগ বিচাৰে, কেনেকৈ জানে মই কোৱা নাই তেওঁলোকে কৈ আছে। যিটো সত্য সেইটো মই কৈ আছো, অসমৰ ৰাইজে দেখি আছে।

শুনক, আপোনালোকে যি উত্তৰ দিব লাগে, দি থাকক আৰু বেছি দিন নাই, যি কৰে কৰি থাকক, পুলিছে নাপায় পইচা। এতিয়া পুলিছক দোষিছে, পুলিছে এক পইচাও নাপায়। ছয়মাহ পিছত এইবোৰ নচলিব, মই কোৱা নাই পুলিছে information দিছে, DSP য়ে কৈছে মোক। বালিৰ মহল আছে জিনাৰী নদীত,দুধনৈ নদীত,কৃষ্ণা নদীত , তাতে এটা এৰিয়া দিয়া থাকে সেই এৰিয়াত গৈ গোটেই নদীৰ বালি খুন্দি থাকে। সেই বালিত কোনো forest royalty নাই , এখন গাড়ীত ২৫ চি এম কে বালি আহে, আৰু যদি কোনোবাই এখন চালান কাটে মাত্ৰ ১০ চি এমৰ। সেই চালানেদি কমেও ২,৩ ট্ৰিপ মাৰে, গভৰ্ণমেন্টৰ ৰেভিনিউ ক'ত নোহোৱা হৈ আছে , অধ্যক্ষ মহোদয় সেইখিনি information দি আছো বাকী কি কৰে চৰকাৰে কৰিব। মই এটা কথা কৈছো চৰকাৰী ৰেভিনিউতকৈ প্ৰাইভেট ৰেভিনিউ বেছি হৈ আছে। তাৰে প্ৰমান কৰি আছো মই । যি কয় কৈ থাকক সত্য সকলোৱে জানে, তেনেহ'লে কিমান টকা এই বালিৰ গাড়ীত ৰেভিনিউ লষ্ট কৰি আছে? মাননীয় অধ্যক্ষ মহোদয়, মই আৰু একো নকওঁ, এটা কথা কম যে গভৰ্ণমেন্ট ৰেভিনিউতকৈ প্ৰাইভেট ৰেভিনিউ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, Item No. 8। এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গাদাস বড়ো ।

**শ্ৰী দুৰ্গাদাস বড়ো, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আজি যিটো আলোচনা হৈ আছে Syndicate ৰ বিষয়ে কিন্তু ইয়াতকৈ ডাঙৰ কথাটো হৈছে যে আজিৰ পৰা কিছুদিন আগতে আমি DRSC সমিতি গৈছিলো কেইখনমান জিলা লৈকে চৰজমিন তদন্তৰ বাবে আৰু তেতিয়া আমি সেই বালিৰ মহল বিলাক চাইছিলো। তাত আমি দেখা পাইছিলো যে এই বালিৰ মহল বিলাকৰ পৰা চৰকাৰে যি পৰিমাণে ৰাজহ পাব লাগে কিন্তু সেইমতে কিছুমান ঠাইত ৰাজহ কম পোৱা দেখা গৈছিল। ৰাজহ কিয় কমিছে এইটো চৰকাৰে চাব লাগে। কাৰণ ৰাজহ বৃদ্ধি হৈ থাকিলে চৰকাৰলৈ কোনো প্ৰশ্ন নাহে আৰু Syndicate ৰ কথা নাহে। দ্বিতীয়তে মূল্য বৃদ্ধিৰ বিষয়ে আপোনালোক সকলোৱে অৱগত। এইখন চৰকাৰে আত্মনিৰ্ভৰ হোৱাৰ বাবে যুৱ প্ৰজন্মক উৎসাহিত কৰিছে আৰু বহুতে ব্ৰয়লাৰ ফাৰ্ম খুলিছে, কণীৰ ফাৰ্ম খুলিছে তাৰ ভিতৰত এখন অন্যতম কণীৰ ফাৰ্ম আপোনাৰ সমষ্টিটো হৈছে। কিন্তু আমাৰ ইয়াত কণীৰ যথেষ্ট চাহিদা থকা বাবে বহুত যুবকে টকা পইছা খৰছ কৰি তেনেকুৱা ফাৰ্ম খুলিছে কিন্তু ইয়াৰ পিছতো আমাৰ ওচৰৰে পশ্চিম বংগৰ

পৰা যি ধৰণে কণী আহে তাৰ লগত আমাৰ যুৱক সকলে ফেৰ মৰাটো কঠিন হৈ পৰিছে। আমি বাতৰি কাকত বা টি ভি ত দেখা পাইছো যে তেওঁলোকে পশ্চিমবংগৰ পৰা মূল গেটেৰে অসমত প্ৰবেশ কৰিব নোৱাৰি নিজাকৈ তেওঁলোকে কিছুমান সৰু সৰু গেট খুলি লৈছে। আৰু তাত কুকুৰা লৈ আহা আমি দেখা পাওঁ। আৰু এই ক্ষেত্ৰত তেওঁলোকক ৰাস্তাত ধৰিলে তেওঁলোকে যি বোৰ বক্তব্য আগবঢ়াই তাৰ পৰা ৰাইজৰ সন্দেহ হয়। মই ৰাজ্য চৰকাৰক এই ক্ষেত্ৰত পদক্ষেপ লোৱাৰ বাবে অনুৰোধ কৰিছো কিয়নো ইয়াৰ লগত মূল্য বৃদ্ধি জড়িত হৈ আছে। আৰু এই বিষয়ে কিছুমান সংবাদ পত্ৰ বা টি ভি ত তথ্য সহকাৰে যিবোৰ কথা কোৱা বা দেখুওৱা হৈছে তাৰ ওপৰত কিন্তু চৰকাৰে এতিয়ালৈকে কোনো Challenge কৰা দেখা নাই। ইয়াৰোপৰি চুপাৰিৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ৰাজ্য চৰকাৰৰ ৰাজহ বৃদ্ধিৰ বাবে। অলপ আগতে চৰকাৰী পক্ষৰ এজন বিধায়কে খুব ভালকৈ কৈছে যে এইখন Transit State বুলি কৈছে। এই Transit State ৰ মাজেৰে যেতিয়া চুপাৰি কয়লাকে ইত্যাদিকে ধৰি বহুতো বস্তু Transit হয়, মই এই তালিকা খনৰ বিষয়ে নকওঁ কাৰণ বহুত দীঘল হয়, গতিকে এই Transit State ৰ Starting আৰু Ending ৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নেকি চৰকাৰৰ Syndicate ব্যৱস্থাটো নোহোৱা কৰিবৰ বাবে। Starting Gate বুলি কোৱাৰ লগে লগে মেঘালয়কে ধৰি অৰুনাচল, মিজোৰাম আদিৰ পৰা যি Starting Gate ৰে আহে তাত কিবা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নেকি চৰকাৰে। আৰু যদি নোৱাৰে তেতিয়া হলে সেইটো নোৱাৰে বুলি ৰাইজে জনাটো উচিত। গতিকে মই সকলো বোৰ বদনামী বিষয়ৰ ওপৰত বিৰোধীয়ে Syndicate হোৱা বুলি কৈছে গতিকে চৰকাৰৰ ফালৰ পৰা এনেকুৱা এটা শুদ্ধ উত্তৰ দিব বুলি মই ভাবো তেতিয়া চৰকাৰৰ বিৰোধে থকা এই Syndicate ৰ ধৰণাটো নোহোৱা হ'ব। যি সকলে তেনেকুৱা বেয়া কাম কৰি আছে, যি দৰে চৰকাৰ খনে Drugs ওপৰত বাল্য বিবাহৰ ওপৰত ব্যৱস্থা লৈছে, তেনেকৈ এই Syndicate ৰ ব্যৱস্থাটো বন্ধ কৰিব পাৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই নিয়ম ৫০ ৰ অধীনত এটা প্ৰসংগ আনিছে কিন্তু তেখেতে লিখাটো মই ভালদৰে ধৰিব পৰা নাই তেখেতে লিখিছে যে, "To raise a discussion regarding need to take action against the illegal syndicate operating in Assam enforcing unlawful taxes on betel nuts and other products imported to Assam". কিন্তু মই জনাত আমাৰ অসমৰে তামোল পান, চুপাৰি আমাৰ অসমীয়া সভ্যতাৰ এক প্ৰতীক আৰু এইটো আজিৰ নহয় অতীতৰ পৰাই তামোল পান অসমত চলি আহিছে। আজিৰ পৰা কিছুদিন আগতে মই ভূটানলৈ গৈছিলো শ্ৰীৰামপুৰ গেটেৰে আলিপুৰদুৱাৰ হৈ । কিন্তু মই তাতটো কোনো গেট দেখা নাপালো তেতিয়া হলে Syndicate ৰ কথাটো কৰ পৰা আহিল। মোৰ ধৰণা হৈছে যে মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ কৰবাত হয়টো জ্বলন হৈ আছে বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত থকা চৰকাৰৰ খনে দুৰ্নীতি বিৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে BJP চৰকাৰ ২০১৬ চনৰ অহাৰ পৰা। আজি আমাৰ চৰকাৰে কোনো হিন্দু মুছলমান বুলি চোৱা নাই যিয়ে দুৰ্নীতি কৰিছে তেওঁলোকক Arrest কৰিছে। ইয়াৰোপৰি আমি দেখা পাইছো যে কোনোবাই যদি পুলিছক মাৰিছে বা পলাব বিচাৰিছে তেতিয়া পুলিছে Encounter কৰিছে। এতিয়া মোৰ আগৰ খানাপাৰৰ Syndicate ৰ কথা মনত পৰিছে, আগৰ চৰকাৰৰ দিনত শ্ৰীৰামপুৰ

গেট বা ছাগলীয়া গেট বা অন্যান্য গেটত কেনেদৰে দূৰ্নীতি হৈছিল। কংগ্ৰেছ চৰকাৰৰ সময়ত Syndicate ৰ বাবে কাগজ ক'ল বন্ধ হৈ গ'ল যেনে পাচগ্ৰাম কাগজ ক'ল Syndicate ৰ বাবে কি দৰে বন্ধ হৈ গল লগতে কয়লা, জাগীৰোডৰ Syndicate কথা কোনোবে পাহৰা নাই। গতিকে আজি Syndicate প্ৰসংগ উথ্থাপন কৰি লাভ নাই। বৰ্তমান অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উদ্যমিতা আচঁনিৰ জৰিয়তে অসমৰ লাখ লাখ মহিলাক প্ৰকৃতিয়ে দিয়া উপাদান সমূহ লৈ উৎপাদনৰ বাবে উৎসাহিত কৰিছে। যদি আজি মুখ্য মন্ত্ৰী মহোদয়ৰ অসমৰ উন্নয়নৰ প্ৰতি ইচ্ছা নাথাকিলে হেতেন আৰু Syndicate ক প্ৰশ্ৰয় দিয়া হেতেন এনেকুৰা ধৰণৰ আঁচনিবোৰ কেতিয়াও ন'ললে হেতেন। মুখ্য মন্ত্ৰী মহোদয়ৰ সদিচ্ছাৰ বাবে আজি অসমৰ হাজাৰ হাজাৰ যুৱক-যুৱতীক কেনেদৰে মৎস্য পালন, ছাগলী পালন, কুকুৰা পালন আদিৰ লগতে কি দৰে আজি অসমত কণীৰ উৎপাদন বৃদ্ধি কৰিব পাৰি তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। সেইবাবে আমি যদি চাওঁ আগৰ চৰকাৰৰ দিনত মাছৰ পোনা, কণী ইত্যাদিকে ধৰি বিভিন্ন বস্তুৰ যি ধৰণে Syndicate কৰিছিল আজি কিন্তু এই চৰকাৰৰ দিনত সেইবোৰ কোনোৱে সাহস কৰিব পৰা নাই। আগৰ সময়ত social media বা camera নাছিল কিন্তু আজি কালি এইবোৰ থকাৰ বাবে লগে লগে ফটো লয় ভিডিঅ' কৰি social media দিব পাৰে। আজি সঠিক ভাৱে বিধায়ক সুশান্ত ডাঙৰীয়াই উথ্থাপন কৰিছে এই বিষয়ে। আচলতে তালুকদাৰ ডাঙৰীয়াই এই প্ৰসংগটো আনি চৰকাৰৰ ভাৱমূৰ্ত্তি বিনষ্ট কৰিব বিচাৰিছে। মাননীয় বিধায়ক জিতু গোস্বামী ডাঙৰীয়াই অসমৰ Transit Route ৰ বিষয়ে সুন্দৰ ভাৱে কৈছে। আমাৰ অসমত ৰপ্তানি হোৱা বহুতো সামগ্ৰী আছে আৰু লগতে অসমলৈ আমদানি কৰা বহু সামগ্ৰীয়ো আছে তাকে লৈ যদি কোনোবাই ৰাস্তাত ধৰা Syndicate কৰা কথা কয় কিন্তু যদি শ্ৰীৰামপুৰ গেটেই নাই আন ঠাইটো নাই তেতিয়া হলে Syndicate ৰ কথাটো অপ্ৰাসংগিক। এই চৰকাৰৰখনৰ বৰ্তমান দূৰ্নীতি নিবাৰণৰ যিটো প্ৰয়াস যেনে Syndicate নোহোৱা কৰা, কলা বজাৰ নোহোৱা কৰা ইয়াক লৈ যদি কৰোবাৰ জ্বলন হৈছে তাত আমাৰ ক'ব লগা একো নাই। আগতে গোৱালপাৰত কয়লাৰ Syndicate আছিল এতিয়া বন্ধ হৈ গ'ল তাৰ বাবে বহুতৰ জ্বলন হৈছে, তেওঁলোকে আশা কৰি আছে যে আমি কিবা পাম। হয়টো আগতে কোনোবা Syndicate কৰা মানুহে কিবা তথ্য তালুকদাৰক দিছে আৰু সেইহে তেখেতে এইবোৰ প্ৰকাশ কৰিছে। এইটো এটা ভিত্তিহীন বিষয়। ইয়াত আলোচনা কৰা এইটো বিষয় নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান, দলগাঁও ঃ** মাননীয় অধ্যক্ষ মহোদয়, জানুৱাৰী মাহৰ ৬ তাৰিখে যিটো ঘটনা উমৰাংচুত হ'ল, সেই ঘটনা ডাঙৰ tragedy বুলি কব লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাজতে এটা তদন্তৰ প্ৰতিবেদনৰ কাৰণে এখন সমিতি বনাই দিছিল আৰু সেই সমিতিৰ প্ৰতিবেদন দিছে যে প্ৰায় ৩০ জন শ্ৰমিক তাত নিখোজ হৈছে। তাৰে ৯ জনৰ নাম মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰকাশ কৰিছে, তাৰে ভিতৰত মোৰ সমষ্টিৰ ৩ জন শ্ৰমিক আছিল, তেওঁলোক হ'ল হুছেইন আলি, মস্তুৰা শেখ আৰু জাকিৰ হুছেইন। এই ৩ জন শ্ৰমিকে মোৰ সমষ্টিৰ পৰা তালৈ কাম কৰিবলৈ গৈছিল আৰু কাম কৰিবলৈ মানুহ কেতিয়া যায়, যেতিয়া আপোনাৰ ঘৰত অন্ন বস্ত্ৰৰ অভাৱ হয় আৰু বিশেষকৈ আমাৰ মানুহখিনিৰ অভাৱ অভিযোগ বহুত আছে, সেই মানুহখিনি মেঘালয় বা ডিমা হাছাও এৰিয়াত কাম কৰিব যায়। কিন্তু এটা পৰিতাপৰ বিষয় মাননীয় অধ্যক্ষ মহোদয়, যে ২০১৮ চনৰ পৰা কয়লা খনন বন্ধ থকা বুলি চৰকাৰী পক্ষই বিবৃতি দিছে আৰু কয়লা খনন হোৱা নাই বুলি

কৈছে। কিন্তু উমৰাংচু ডিমা হাছাও অসমৰ ভিতৰতে এখন ঠাই। সেই ঠাইত ৩০ জন মানুহ নোহোৱা হৈ গ'ল। সেই ২০ জন মানুহৰ পৰিয়ালৰ কি অৱস্থা হ'ব। এই যিখিনি nexus, এই যে আপোনাক কথাটো কোৱা হৈছে যে চৰকাৰৰ কোনোবা নহয় কোনোবা মানুহ জড়িত থাকিব লাগিব। ইমান ডাঙৰ কাম তাত চলি আছে, কয়লা তাত দুইনম্বৰী ভাৱে খনন কৰি আছে। তাত এজন ডাঙৰ মানুহৰ নামো পেপাৰত ওলাইছে, চাম গাৰ্লোছাৰ নাম ওলাইছে, তেখেতৰ ঘৈণীয়েকৰ নাম ওলাইছে, He has good terms with the government, সেই কাৰণে হয়তো তেখেতসকলক আপোনাৰ আঁওতাত অনা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যিসকলৰ কাৰণে আজি আমাৰ এই দুখীয়া ৩০ জন ব্যক্তি মৃত্যুৰ মুখত পৰিলে, সেই সকলৰ পৰিয়ালৰ মুখৰ ফালে চাই তেখেতসকলৰ পৰিয়ালৰ কাৰণে কিবা এটা ব্যৱস্থা কৰি দিব লাগে, সেই ব্যক্তিসকলে উমৰাংচুত গৈ মৃত্যু বৰণ কৰিলে, মেঘালয়ত কয়লা খনিত গৈ মৃত্যু বৰণ কৰিলে, তেখেতসকলৰ পৰিয়ালৰ যদি কোনোবা শিক্ষিত ল'ৰা আছে, তেওঁৰ কৰবাত চাকৰি হওঁক, বা তেখেতসকলক ১০ লাখ বা ২০ লাখ টকাৰ এককালীন সাহাৰ্য দিব লাগে লগতে যিসকলে এই অবৈধভাৱে খনন কাৰ্য্য চলাই, তেখেতসকলৰ ওপৰত আপুনি বিহিত ব্যৱস্থা ল'ব লাগে। কিন্তু চৰকাৰে সেই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা ঘটি আছে, আজিৰ পৰা প্ৰায় দুইবছৰ আগতে মেঘালয়ত মোৰ সমষ্টিৰ পৰা প্ৰায় চাৰি পাঁচজন মানুহ তাত গৈ কয়লাখনিত মৃত্যু বৰণ কৰিব লগীয়া হৈছে। কিন্তু যদি কয়লা অবৈধ ভাৱে খনন কৰি আছে, যিসকল তাত জড়িত আছে, তেখেতসকলৰ যিকোনো পৰিস্থিতিত যিসকল ব্যক্তি ঢুকাইছে, তেখেতসকলক ক্ষতিপূৰণ উলিয়াই দিয়াৰ কাৰণে চৰকাৰে বিধি ব্যৱস্থা কৰিব লাগে আৰু যদি কয়লা খনন কাৰ্য্য legally যদি কৰা হয়, তেতিয়া হলে যিসকল শ্ৰমিকে তাত কাম কৰিব, তেখেতসকলৰ যাতে insurance ব্যৱস্থা কৰি দিয়া হয় আৰু যদি কোনোবাই ক্ষতিগ্ৰস্ত হয়, তাৰ কাৰণে এককালীন সাহাৰ্যৰ বিধি ব্যৱস্থা কৰি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ এই উমৰাংচুৰ ঘটনাটো, এটা ডাঙৰ ঘটনা ঘটিছে। ইয়াৰ ওপৰত এটা তদন্ত হ'ব লাগে। যিসকল বিষয়া তাত জড়িত আছে, বিশেষকৈ ফৰেষ্ট বিভাগৰ মানুহ জড়িত, SP তাত জৰিত থাকিব লাগিব, নহলে কোনো দিন ইমান ডাঙৰ কাম হ'ব নোৱাৰিলেহেঁতেন। গতিকে মাননীয় অধ্যক্ষ মহোদয়, যিসকল ব্যক্তি ইয়াৰ লগত জড়িত আছে, তেখেতসকলক শাস্তি প্ৰদান কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী কমলক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৩ টা কথা কবলৈ বিচাৰিছো। ২০১১-১২ চনত আমাৰ GSDP আছিল ১.৪৩ লাখ কোটি টকা, ২০১২-১৩ ত ১.৫৭ লাখ কোটি টকা, ২০১৩-১৪ চনত ১.৭৭ লাখ কোটি টকা, ২০১৪-১৫ চনত ১.৯৫ লাখ কোটি টকা, এনেকৈ বাঢ়ি বাঢ়ি গৈ ২০২১-২২ চনত ৪.১২ লাখ কোটি টকা GSDP হৈছে। ২০২৩-২৪ আৰু ২০২৪-২৫ চনত প্ৰায় ৬ লাখ কোটি টকাকৈও বেছি GSDP হৈছে। ২০২৬-২৭ চনত আমাৰ GSDP ৰ target টো হৈছে ১০ লাখ কোটি টকা।

মোৰ প্ৰশ্নটো হ'ল যে আগৰ চৰকাৰ বিলাকে যদি ছিণ্ডিকেট কৰা নাই, তেনেহলে আমাৰ

GSDP ইমান কমকৈ কিয় বাঢ়িলে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দিনত যদি ছিণ্ডিকেট হৈছে, তেনেহলে GSDP প্ৰায় ১০ লাখ কোটি টকা কেনেকৈ হ'বলৈ পালে, ইয়াৰ সঠিক উত্তৰটো লাগে।

দ্বিতীয় কথাটো হ'ল যে আজি কণী, ব্ৰয়লা, চুপাৰী, কয়লা আদিৰ ছিণ্ডিকেটৰ কথা কোৱা হৈছে। কিন্তু ড্ৰাগচ ছিণ্ডিকেটৰ কথা কোনেও কোৱা নাই। আজি ড্ৰাগচে আমাৰ সমাজ ব্যৱস্থাটোক ধ্বংস কৰি পেলাইছে। আজি বোৰ্ডাৰ অঞ্চলত গৈ যদি এটা এটা পৰিয়ালৰ অৱস্থাৰ বুজ লওঁ, physically আৰু mentally- দুই ধৰণে মানুহে ড্ৰাগচক সহায় কৰি আছে। মই কোনো communal কথা কব বিচৰা নাই। আমি আজি কণী, ব্ৰয়লা, চুপাৰী, কয়লা আদিৰ ছিণ্ডিকেটৰ কথা কৈ আছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা বাৰ কৈছে যে কেচা চুপাৰীবোৰ এৰি দিব লাগে, আৰু সেই মতে প্ৰক্ৰিয়াবোৰ চলি আছে। কিবা যদি পৰামৰ্শ লাগে, সেই পৰামৰ্শখিনি চৰকাৰক দিব পাৰি। কিন্তু ড্ৰাগচৰ যিটো ছিণ্ডিকেট চলি আছে, মই ভাৱে ড্ৰাগচ ছিণ্ডিকেটৰ লগত গৰু ছিণ্ডিকেট জড়িত হৈছে আৰু এই ছিণ্ডিকেট নোহোৱা কৰিবৰ কাৰণে কি কৰিব পাৰি, সেই পৰামৰ্শটোৰহে আহি আৱশ্যক আছিল। আমি দেখিছো ড্ৰাগচ ছিণ্ডিকেটক লৈ আমাৰ কোনো দায়বদ্ধতা নাই। আমি কেৱল চৰকাৰখনক কেনেকৈ defame কৰিব পাৰি, কেনেকৈ অনাৱশ্যকীয় প্ৰশ্ন কিছুমান কৰি থাকিব পাৰি, সেই কথাত আমি বেছিকৈ মনোনিবেশ কৰি আছো।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক আৰু এটা কথা ক'ব বিচাৰিছো। আমাৰ ওচৰে পাজৰে কিছুমান এনেকুৱা সাধাৰণ পৰিয়ালৰ লৰা আছিল, সিহঁতে যদি এবেলা খাব পাই আন বেলা খাব নাপাইছিল। কিন্তু সেই পৰিয়াল কেইটাৰ আজি যদি ঘৰ চাই দেখিব যে তেওঁলোকে দুমহলীয়া ঘৰ বনাই, গাড়ী লৈ এটা হুলুস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰিছে। আমাৰ সমাজ ব্যৱস্থাটো যিখিনি মানুহে ধ্বংস কৰি আছে, সেইখিনি মানুহক চিনাক্ত কৰিব লাগে আৰু এখন সুস্থিৰ সমাজ গঢ়ি তুলিব লাগে। এইটোৱে মই বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাৰ বাবে আজি এই বিতৰ্কত ভাগ লবলৈ বিচাৰিছো। আজি যি কয়লা, মুৰ্গী, কণী, চুপাৰী আদি ছিণ্ডিকেটৰ কথা উত্থাপন কৰা হৈছে, মই সঁচা তথ্যৰ ওপৰত ভিত্তি কৰি কেইটামান কথা কবলৈ বিচাৰিছো। বিধায়ক হোৱাৰ পিছতে আজিৰ পৰা প্ৰায় ২ বছৰ মান আগতে মই তিনিচুকীয়ালৈ গৈছিলো, তাত ইলেকট্ৰনিক মাধ্যমৰ সাংবাদিক এজনে মোক ছিণ্ডিকেটৰ ওপৰত অকণমান মন্তব্য ৰাখিবলৈ দিছিল। মই কৈছিলো যে মোৰ সেই বিষয়ৰ ওপৰত অলপো ধাৰণা নাই, কেনেকৈ কি হয়, মই আচলতে নাজানো। তেখেতে মোৰ whatsapp ত দুখন কাগজ দি তাৰ ওপৰত মোক মন্তব্য ৰাখিবলৈ কৈছিল। কাগজখন মই ৰাখি থৈছিলো, সেইখন মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দিম। ৰঙিয়াৰ ভাৰ্গৱ চৌধৰী (তেখেতৰ ফোন নম্বৰটো আছে) আৰু হৰিকান্ত ৰাজবংশী, তেখেতসকলে ১৬ নৱেম্বৰ, ২০২২ তাৰিখে তেতিয়াৰ DGP মহোদয়ক এখন স্মাৰক পত্ৰ দিছিল। তাত বেছিভাগ চৰকাৰৰ ভাল কথাবোৰেই উল্লেখ আছিল যদিও তেওঁলোকে কৈছিল যে ৰঙিয়াৰ উত্তৰ-পূৱ বন সংমণ্ডলৰ প্ৰায় ৫ শ খন বৈধ ট্ৰাক, যিবোৰে উজনি অসমৰ পৰা কাঠসমূহ নামনিলৈ লৈ আহে, সেই ট্ৰাক সমূহক জিতু দাস আৰু গৰিন সৰকাৰে ভাবুকি দিছে আৰু বাগৰি থানাত ১ লাখকৈ টকা প্ৰত্যেকখন ট্ৰাকক দাবী দিয়ে। এই খন মই আপোনাক দি দিম ছাৰ, মই সত্য কথা কৈ আছো। এই যি দুজনে লিখিছে ভাৰ্গৱ চৌধুৰী আৰু হৰিকান্ত ৰাজবংশী, ফোন নম্বৰ কেইটাও আছে। মন্ত্ৰী

মহোদয়ে ফোন কৰিলে উলিয়াব পাৰিব। এই কথাটোত তাৰ পিছত বিজেপিয়ে কি এক্সচন লৈ ল'লে কি লোৱা নাই সেইটো আমি নাজানিলো। মোৰ কথাটো হ'ল ছাৰ, এই যে ছিণ্ডিকেট সম্পৰ্কত যি ধাৰণা মানুহৰ সেইটো সচাঁ কথা। ছিণ্ডিকেট হৈছে, সকলোতে ১০০ বিধ সামগ্ৰীতে ছিণ্ডিকেট চলি থকা বুলি কৈছে। এই ক্ষেত্ৰত চৰকাৰে এটা বিহীত ব্যৱস্থা ল'ব লাগে। এজন ডিজিপিলৈ লিখিত ভাৱে স্মাৰক পত্ৰ দিয়াৰ পিছতো ছাৰ, সেইটোৰ ওপৰত ব্যৱস্থা গ্ৰহণ নকৰে আৰু প্ৰত্যেক ৫০০ খন ট্ৰাক যদি বাগৰি যায়, থানাৰ পুলিচ জড়িত আছে বুলি কৈছে। সেই কাৰণে মই কপিটো দিম আপুনি মন্ত্ৰী মহোদয়ক দিব। এইটোৰ ওপৰত এটা ব্যৱস্থা ল'ব লাগে আৰু মই এটা কথা কও আৰু ভৱিষ্যতে যাতে ছিণ্ডিকেট শব্দটো নাহে আৰু বিধান সভাত যাতে আগন্তুক দিনত চিণ্ডিকেট সম্পৰ্কে আলোচনা কৰিব লগীয়া নহয় তাৰ ব্যৱস্থা চৰকাৰে লব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড° ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, চিণ্ডিকেট যদি চলে এখন ৰাজ্যত দুই ধৰণৰ ক্ষতি। এটা ক্ষতি হ'ল চৰকাৰে ৰাজহৰ পৰা বঞ্চিত হয় আৰু দ্বিতীয়তে জনসাধাৰণে চাফাৰ কৰিব লগীয়া হয় বা ভুক্তভোগী জনসাধাৰণ হয়। আৰু আমি লক্ষ্য কৰিছো যে এইটোয়ে হৈছে। হয়তো বহুতে কৈছে যে চিণ্ডিকেট হোৱা নাই, ক'ত হৈছে, ক'ত চিণ্ডিকেট হৈছে এই কথাবাৰ্তা বিলাক নকৈ আমি বিষয়টো গুৰুত্বসহকাৰে ল'ব লাগে। সেইটো বাস্তৱ কথা। আজিৰ এই টেকন'লজিকেল যুগতো কোনোবা আগৰ দৰে বহি ৰাস্তাত চিলিপ দি পইচা কালেক্চন কৰি তেনেকৈ চিণ্ডিকেট নচলাই। এতিয়াটো এটা কোড নম্বৰতো চলে। কোড নম্বৰত সকলো চলি আছে তেনেকুৱা ধৰণত চলে। আমাৰ Public Undertaking Committee য়ে এবছৰ মান আগত গৈছিলো তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলালৈ। লিডু মাৰ্ঘেৰিটা অঞ্চলত আমি যেতিয়া ভিজিত কৰিব যাও কয়লা, আমাৰ মাননীয় সদস্য সকল আছেই তেখেত সকলে নিজে দেখিছে। যি সকল বিষয়া আছিল চৰকাৰৰ যিটো বৈধ কয়লা মাইনিং হয় তাত একো নাই বন্ধ, আমাৰ গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে বন্ধ। কিন্তু তাৰ বেক চাইদে পাহাৰৰ কাষে কাষে হাজাৰ হাজাৰ মেট্ৰিকটন দমে দমে তেখেত সকলৰ ঘৰত থৈ দিছে। আমি সমিতি জিলাত থকাৰ পিছতো শ শ ট্ৰাক আমি ৰাস্তাত দেখিছো। টেলডিপো বিলাকত সোমাই থৈ দিছে। অসম চৰকাৰৰ এখন শক্তিশালী সমিতি তাত গৈছে তাৰপিছতো ভয় নাই, কিমান মানে তেখেত সকলে সাহসেৰে এই কাম বিলাক চলাইছে, সেই কথাটোৰে মই কব বিচাৰিছো। আমি দুদিন তাত আছো তথাপি সেই দুদিনো ট্ৰাক বিলাক চলিছে। ইমান সাহস, সেই দুদিনো ৰাতি চলাইছে। এই কথাটো সত্য যে এইবিলাক কাৰবাৰ চলি আছে অসমত। তাৰ পিছত তাত আমি জিঅ'টেগ কৰাই যেতিয়া ফটো লৈ আনিলো, মিটিং কৰিলো ডিচি এচপি ক লৈ, চিজ কৰা হ'ল বহুত কেইবাশ কেইবাহাজাৰ মেট্ৰিকটন চিজ কৰিছে, এইখিনি হৈছে। পিছলৈ খবৰ ল'বলৈ আকৌ আমি যাম, সময় হয়তো হোৱা নাই। যিয়ে নহওঁক মই এইটো কোৱাৰ অৰ্থ হ'ল যে মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমাৰ দুই ধৰণৰ ক্ষতি। আজি অসমত কিমান ইটাভাটা আছে, শ শ ইটা ভাতা, তাত কয়লা লাগেই, বৈধভাৱে যদি আমি আমাৰ ৰাজ্যৰ কয়লাখিনি চাপ্লাই দিব পাৰো আজি ১৫ টকাত আমি পাৰ ইটা কিনিব নালাগে, ৮/১০ টকাত আমি কিনিব পাৰিম। আৰু সৰ্বসাধাৰণ ৰাইজে আজি বেছি দামত কিনিব লগীয়া হৈছে। এইখিনি আমি সঠিক ভাৱে তাৰ প্ৰয়োগ নকৰাৰ কাৰণে হৈছে। মই এটাহে উদাহৰণ দিলো বাকীতো আছেই ৰাজ্যৰ বাহিৰৰ গৰু ছাগলী, ম'হৰ পৰা আৰম্ভ কৰি মাছ-ব্ৰইলাৰ, পান-তামোল আদি কৰি যিবিলাক হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তামোলৰ কথা বহুতে কৈছে। অসমৰ বিটিএডিত যথেষ্ট তামোল গছ আছে। বৰাক ভেলীত যথেষ্ট, আমাৰ ব্ৰহ্মপুত্ৰ ভেলীতো আছে। এতিয়া বাৰ্মিজ চুপাৰিৰ নামত

আমাৰ কৃষক সকলে চাফাৰ কৰে তেখেত সকলে আগত যিটো মূল্য পাইছিল সেইটো মূল্য আজি পোৱা নাই। আজি হাউলী, কলগাছিয়া, বৰপেটা গাৱে গাঁৱে গৈ লোকেল চুপাৰি কিনি আনে সেইবিলাক তেখেত সকলে কাটি সেইবিলাক প্ৰচেচিং কৰে তাৰ পিছত বিক্ৰীকৰে শ শ হাজাৰ হাজাৰ মানুহ কামত লাগিছিল এইবিলাক সকলো বন্ধ। কিয় বন্ধ এতিয়া তেখেত সকলে উচিত মূল্য নাপায়। বেছি পইটা ভৰিব লাগে। এই বাৰ্মিজ চুপাৰিৰ লগে লগে, বাৰ্মিজ বন্ধ হওঁক, আমি নিবিচাৰো অসমত বাৰ্মিজ খুৱাব লাগে। এই বাৰ্মিজৰ বাহানা দি অসমৰ কৃষক সকলৰ প্ৰত্যেক ঘৰতে তামোল বাৰী আছে এই কৃষকে হাজাৰ হাজাৰ টকা লোকচান কৰি আছে, ওপৰত আমি ১৩০০/১২০০ টকা অৰুণোদয় দিলেও লাভ নহ'ব। সেই গতিকে আমি যদি চিণ্ডিকেট কন্ট্ৰোল কৰিব পাৰো তেখেত সকলক যদি আমি তেখেত সকলে উৎপাদন কৰা সামগ্ৰীৰ উচিত মূল্য পাই তেতিয়া হলে আৰু চিণ্ডিকেটৰ কাৰণে যদি অতিৰিক্ত দাম বাঢ়ে বাহিৰৰ পৰা অহা সামগ্ৰীখিনি তাৰে দাম এটা নিয়ন্ত্ৰণত থাকিব গতিকে এই গোটেইখিনি ডিপেণ্ড কৰে চিণ্ডিকেটৰ ওপৰত। গতিকে মই ভাবো চৰকাৰে এই কথাটো কোৱা ঠিক নহয় যে একে বাৰে নোৱাৰিলেও যদি কমচেকম ৫০ শতাংশও যদি reduce কৰে ৫০ শতাংশ এলাও কৰিব নোৱাৰি। চিণ্ডিকেটটো কোনো পদ্ধেই এলাও নহয়, দুখৰে এই কথাটো কৈছো। একেবাৰে নিৰ্মূল কৰিব নোৱাৰিলেও প্ৰচেষ্টা হাতত লওঁক। চিণ্ডিকেটক নাকী লগাওঁক, সৰ্বসাধাৰণ ৰাইজে যাতে ভুক্তভোগী হ'ব নালাগে, এই খিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই ডিমাহাছাও জিলাত অবৈধ কয়লা খননৰ বাবে শ্ৰমিকৰ মৃত্যু শীৰ্ষক যি ঘটনা তাৰ ওপৰত আলোচনা কৰিছে আৰু আলোচনা কৰাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ ডাঙৰীয়া, অত্যন্ত হৃদয়বিদাৰক ঘটনা যে যোৱা ৬ জানুৱাৰী তাৰিখে ডিমাহাছাও জিলাৰ ওমৰাংচু এলেকাত য'ত কলামাটি তিনিকিলি এলেকা বুলি কয় তাত অবৈধ কয়লা খননিত শ্ৰমিক সকলে ৰাতিপুৱা আবদ্ধ হৈ পৰে আৰু আবেলি ভাগত সেই অবৈধ কয়লা খনিৰ তৰফৰ সেই এলেকাৰ পৰা ডিমাহাছাও জিলাৰ ডিচি আৰু এচপি লৈ খবৰ যায়। আৰু ৭ জানুৱাৰীৰ পৰা তাত উদ্ধাৰ কাৰ্য চলায়। আমাৰ দলৰ ফালৰ পৰাও এটা প্ৰতিনিধি দল সেই এলেকালৈ প্ৰেৰণ কৰিছিল আৰু সেই প্ৰতিনিধি দলত ময়ো আছিলো। আমি ৮ জানুৱাৰী তাৰিখে ওমৰাংচুত গৈ উপস্থিত হৈছিলো আৰু উপস্থিত হোৱাৰ পিছত তাত গোটেইখিনি পৰ্যবেক্ষণ কৰিলো, স্থানীয় ৰাইজৰ লগত কথা পাতিলো, ডিচি, এচপিৰ লগত কথা পাতিলো, অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰীও তাত আছিল। তেখেত সকলৰ লগতো আমি কথা পাতিলো। সাংবাদিক বন্ধু সকলৰ লগতো আমি কথা পাতিলো আৰু সেই কথাবাৰ্তা পাতি তাতে কিছু কথা আমি দেখিলো আৰু নতুন কথাৰ অভিজ্ঞতাও হ'ল। কি ধৰণে তাত অবৈধ খনন চলি আছে তাৰ এটা প্ৰত্যক্ষ তথা পৰোক্ষ সাক্ষী হিচাপে জড়িত হৈ পৰিলো। সেই কথাখিনিকে কিছু আপোনাৰ জৰিয়তে চৰকাৰৰ ওচৰত আলোকপাত কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এএমডিচি এলেকাত য'ত শ্ৰমিক সকল আবদ্ধ হৈছিল ৬ জানুৱাৰী তাৰিখে, সেই কয়লা খনি এএমডিচি ৰ এলেকাৰ। পৰৱৰ্তী সময়খিনিত সেই এএমডিচিৰ অধীনত থকা কয়লা খনি তাৰে প্ৰভাৱশালী কিছু ব্যক্তিয়ে অবৈধ ভাৱে খনন কাৰ্য্য কৰে। আমি জানো যি সময়ত আমাৰ দেশৰ উচ্চতম ন্যায়ালয়ে ৰেট হ'ল মাইনিং বন্ধ কৰিছে সেই সময়খিনিত কেৱল এটা অবৈধ কয়লা খনন চলি নাই, তাত বহুতো অবৈধ কয়লা খনন আছে। আমি যেতিয়া পাহাৰৰ ওপৰৰ পৰা গৈ আছিলো তাত যাতায়ত কৰা পৰিৱেশ ইমান সুচল নহয়।

তথাপিও আমি কষ্টৰে যাত্ৰা কৰি ওপৰলৈ গৈ আছিলো। তাত আমি দেখিছো যে বহুত অবৈধ ৰেট ফিলিং মাইনিং চলি আছে। তাত লেবাৰ সকলে কেম্প পাতিছে। তাত বজাৰো বহিছে। আৰু তেনেকুৱা ভাৱে এটা organise কৰি তাত অবৈধ কয়লা খনন কাৰ্য চলাই আছে। গোটেই খিনি কথা যেতিয়া কোনে চলাই আছে বুলি আমি প্ৰশ্ন কৰিছো তেতিয়া স্থানীয় ৰাইজৰ লগতে তাৰ পৰৱৰ্তী সময়খিনিত অসমৰ সংবাদ মাধ্যমত বিভিন্ন ব্যক্তিৰ নাম ওলাই আহে। তাত এজন প্ৰভাৱশালী ব্যক্তিৰ পত্নী ওজা উপাধিৰ এগৰাকীৰ নামত গোটেই অবৈধ কয়লা খনন চলি আছে। একেমুখে প্ৰত্যেক জন ব্যক্তিয়ে কৈছে যে এজন প্ৰভাৱশালী ৰাজ্য চৰকাৰৰ লগতে তাৰে প্ৰভাৱশালী ব্যক্তি এজনৰ পত্নীয়ে ওজা উপাধীৰ এজনি মহিলাই গোটেই অবৈধ কয়লা খনন কাৰ্য ইয়াত চলাই আছে। আৰু প্ৰত্যেক দিনে ট্ৰাকে ট্ৰাকে এই কয়লা তাৰ পৰা প্ৰেৰণ কৰি আছে বহু ৰাজ্যলৈ আৰু অসমৰ বিভিন্ন প্ৰান্তলৈও। গতিকে আমাৰ প্ৰশ্ন হ'ল দিনৰ পোহৰত তাত ডিমাহাচাও জিলাৰ এচপি আছে, ডিচি আছে, বন বিভাগ আছে, পৰিবহণ বিভাগো আছে সকলো থকাৰ পিছতো কেনেকৈ কেম্প পাতি অবৈধ কয়লা খননৰ কাৰ্য চলাই আছে এইটো এটা ডাঙৰ প্ৰশ্ন। কোনো কাৰণতে আজি ৰাজ্য চৰকাৰৰ উত্তৰত কি কব নাজানো কোনো কাৰণতে যদি ৰাজ্য চৰকাৰে ভাৱে বা কয় যে আমি অবৈধ কয়লা খননৰ বিষয়ে নাজানো এইটো অত্যন্ত দুখ আৰু পৰিতাপৰ কথা হ'ব। কোনো এজন মানুহেও মানি নলয় কাৰণ আমি তাত দেখি আহিছো গতিকে এই যে অবৈধ কয়লা খননৰ কাৰ্য চলাই আছে কেৱল এই ওজা উপাধিৰ মহিলা গৰাকীয়েই তাত জড়িত নহয়। ইয়াৰ লগত প্ৰভাৱশালী প্ৰশাসনৰ ব্যৱস্থা জড়িত নহ'লে কেতিয়াও অবৈধ কয়লা খননৰ কাৰ্য চলাব নোৱাৰে। আপোনাক ইয়াৰ জৰিয়তে মই দুটামান কথা জনাব বিচাৰিছো।

কোনো কাৰণতে আজি ৰাজ্য চৰকাৰে উত্তৰত কি ক'ব নাজানো, কোনো কাৰণত যদি ৰাজ্য চৰকাৰে ভাৱে যে অবৈধ কয়লা খননৰ বিষয়ে নাজানো, এইটো অত্যন্ত দুখ আৰু পৰিতাপৰ কথা হ'ব। আজি তাত দেখি আহিছো এই যে অবৈধ কয়লা খনন চলাই আছে কেৱল হোজাই উপাধি নামৰ মহিলা গৰাকী তাৰ লগত জড়িত নহয়। ইয়াৰ লগত প্ৰভাৱ থকা প্ৰশাসন ব্যৱস্থা জড়িত নহ'লে কেতিয়াও অবৈধ কয়লা খনন কাৰ্য্য চলাব নোৱাৰে। ইয়াৰ জৰিয়তে মই কেইটামান কথা ক'ব বিচাৰিছো। আপোনালোকে চাব যে ২০২২ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে AMDC ৰ পৰিচয়ৰ সেই সময়ৰ পৰিচালন সঞ্চালকে ৰেল বিভাগলৈ এখন পত্ৰ দিছিল আৰু পত্ৰ খনত তেওঁলোকে এটা NOC বিচাৰিছিল যাতে লাখ লাখ মেট্ৰিকটন কয়লা ৰেলৰ ৰেকত অসমৰ বাহিৰলৈ পঠিয়াব পাৰে। এখন পত্ৰ তেওঁলোকে প্ৰেৰণ কৰিছিল। এতিয়া AMDC ৰ অধীনত কোনো তেনেকুৱা খনন নাই, কয়লা খনি নাই তেতিয়াহ'লে NOC প্ৰদান কৰাৰ ক্ষেত্ৰত তেওঁলোকে কিয় উদ্যোগ লৈছিল? দ্বিতীয় কথা ২০২৩ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে ডিমা-হাচাও কয়লা ক্ৰয়-বিক্ৰয় এটা নটাৰী চুক্তি হৈছিল আৰু সেই নটাৰীত চুক্তি ননী গোপাল গালোৰ্চা নামৰ ব্যক্তিয়ে Eureka Enterprise কয়লা বিত্তিত চুক্তিবদ্ধ হৈছে। এতিয়া ডিমা হাচাওত অবৈধভাৱে যদি কয়লা খনন হোৱা নাই সেই চুক্তি কৰিবলগীয়া হৈছিল। তৃতীয় কথাটো হ'ল যে অবৈধ কয়লা খননৰ নামত যিটো চিণ্ডিকেট চলাই আছে, সেই চিণ্ডিকেটৰ নামত নিশ্চিত ভাৱে প্ৰত্যেকদিনে যিটো পৰিবহণ বিভাগে তাত ১০ মেট্ৰিকটন বুলি কয় তেওঁলোকে কয়লা ট্ৰাকৰ জৰিয়তে আহে। কিন্তু তেনেকুৱা নহয়। ৪০ মেট্ৰিকটন কয়লা তাৰ পৰা আহে আৰু কেতিয়াবা যদি চৰকাৰে, বিভাগে তাৰপৰা টকা পায়, মাত্ৰ ১০ লাখ মেট্ৰিকটনৰ পায়, কিন্তু ৪০, ৩৯ হাজাৰ মেট্ৰিকটন কয়লাৰ টকা-পইচা নাই। প্ৰত্যেকখন ট্ৰাকত ৯০ হাজাৰকৈ টকা তাত চিণ্ডিকেটৰ নামত সকলে আদায়

কৰে। গতিকে এনেকুৱাভাৱে আজি অবৈধ কয়লা খনন চলাই থকাৰ কাৰণে ৯ জন শ্ৰমিকে আজি মৃত্যুবৰণ কৰিবলগীয়া হ'ল আৰু অবৈধ কয়লা খনিত ৬ জানুৱাৰী তাৰিখে শ্ৰমিকসকল তাত প্ৰৱেশ কৰিছে কোনো restore নাছিল। কিমানজন শ্ৰমিকে তাত প্ৰৱেশ কৰিছে তাৰ উপযুক্ত তথ্য কাৰো ওচৰত নাই। এই যে অবৈধ চিণ্ডিকেটকাৰী সকলৰ কবলত পৰি ইয়াৰ কাৰণে দায়ী কোন? মাত্ৰ মহৰি লেভেলৰ দুজন ব্যক্তিক এনেয়ে গ্ৰেপ্তাৰ কৰিছে। কিন্তু যিসকল মুল, যিসকল জড়িত, যিসকল ব্যক্তি ইয়াৰ পৰা লাভান্বিত হৈছে, যিসকল সহযোগী হৈছে তেওঁলোকক কিয় গ্ৰেপ্তাৰ কৰা হোৱা নাই, ইয়াৰ উত্তৰ আমি চৰকাৰৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ, কেইমিনিট পাম।

**মাননীয় অধ্যক্ষ** ঃ এনেয়েতো আপোনাৰ সময় ৩ মিনিট।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ চাৰ, ইয়াত ৬ মিনিট, প্ৰায় ৭ মিনিট আছে।

**মাননীয় অধ্যক্ষ** ঃ বহুত সদস্য আছে, আপুনি অকলে আছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়া, মই যদি এই বিষয়টোৰ ওপৰত খুব details ক'বলৈ আধাঘণ্টামান পালোহেঁতেন খুব details ত গোটেই বস্তুখিনি এটা এটাকৈ উলিয়াই দিব পাৰিলোহেঁতেন। এই মূহুৰ্তত মোৰ লগত ২৩ টা এনেকুৱা বস্তু আছে যিকেইটাৰ ওপৰত অসমত অবৈধ চিণ্ডিকেট চলি আছে বুলি মই খুব ভালকৈ জানো। তাৰ documentary evidence এই সম্পৰ্কত গোটাইছো। এতিয়া কয়লা আৰু চুপাৰী সম্পৰ্কীয় দীঘলীয়াকৈ চৰ্চা হৈ আছে মই ভাৱো, অসমত আটাইতাকৈ ডাঙৰ যিটো চিণ্ডিকেট আটাইতকৈ বেছি পইচা পোৱাৰ চিণ্ডিকেট, সেইটো হ'ল গুট্‌খা। চুপাৰী যিবিলাক পেকেট, সেই গুট্‌খাটোক তাৰ কাৰণে আমি সকলোৰে জনা দৰকাৰ যে অসম বিধান সভাৰ পৰা আইন উত্থাপন কৰা হৈছিল, আকৌ কেনেকৈ গুৱাহাটী High Court ৰ পৰা সেইখন উঠাই অনা হ'ল আৰু এনেকৈ এই কেলেংকাৰী কৰি Election ত কিমান টকা লয় মাহে মাহে কিমান টকা লয় সেইবিলাক কথা অসমৰ বহু জনা মানুহে জানে। এইটো আটাইতকৈ বেছি ২ নম্বৰী income source. ২ নম্বৰত যিটো ২ নম্বৰী income source সেইটো নিশ্চয় কয়লা আৰু চুপাৰী। বাকী ৰাসায়নিক সাৰ, অৰুণাচলী সুৰা, কাঠ, বালি, গৰু, ম'হ, গাহৰি, শিল, লাইম ষ্টোন, কণী, চাউলো চলে, আনকি চিনা আপেল, বাৰ্মিজ জালুক, ফল-মূল বিভিন্ন ধৰণৰ নাছিকৰ পৰা অহা পান. তাৰপাছত over loading বিলাক আছে. বিভিন্ন ধৰণৰ মই যদি কওঁ, পোনে পোনে তেতিয়াহ'লে প্ৰথম কথাটো হ'ল যে হৰেণ মহন্ত নামৰ মানুহটোক যদি গ্ৰেপ্তাৰ কৰি দিয়ে অসমত মোতামতি চিণ্ডিকেট আজিৰ ভিতৰতে নাইকিয়া হৈ যাব। ইয়াত বহুতেই নামতো ললে. মই details কৈ থাকিবলৈ মোক সময় নিদিব. সেই কাৰণে মই কৈছো যে হৰেণ মহন্ত নামৰ মানুহটোক যদি directly গ্ৰেপ্তাৰ কৰি দিয়ে আধা চিণ্ডিকেট অসমত বন্ধ হৈ যাব। এতিয়া বহুতেই কৈ আছে যে মই দুটা কথা কৈ লওঁ যে, আজি যিটো local চুপাৰীৰ কথা কৈছিল, আচলতে local চুপাৰী বোলা বস্তুটো আজিৰ দিনটোত যিটো illegal চিণ্ডিকেট চলি আছে এইটোৱেই কিমান ক্ষতি কৰিছে আমাৰ খেতিয়কবিলাকত চাওঁক। আগতে ১ কুইণ্টল চুপাৰীৰ কেঁচা তামোল বিক্ৰী কৰি এটা পৰিয়ালে পাইছিল ৫ হাজাৰ ৫ শ টকা আৰু BJP চৰকাৰে যিদিনাৰ পৰা চিণ্ডিকেট লগালে এতিয়া গাওঁত ১ কুইণ্টল কেঁচা তামোলৰ দাম হ'ল ৪ হাজাৰ টকা। ব্ৰহ্মপুত্ৰ উপত্যকাত এক কেজি লোকেল চুপাৰীৰ ওপৰত ৩২ টকাকৈ আৰু বৰাক উপত্যকাত ৫০ টকাকৈ commission লোৱা হয়। যিটো কাৰণত একদম

লাখ লাখ খেতিয়ক মইতো ভাৱো যে BJP চৰকাৰে অসমৰ এডালো যদি কাৰোবাৰ ঘৰত তামোল গছ আছে আৰু যদি তামোল এটাও বিক্ৰী কৰে বাহিৰত তাৰ পৰা পইচা খায়। এই হ'ল যিবিলাকে বজাৰত বিক্ৰী কৰে যাৰ ঘৰত বিক্ৰী কৰে তাৰ প্ৰত্যেক ঘৰৰ পৰা পইচা খায়। ১ কেজি তামোলত ৩২ টকাৰ পৰা ৫০ টকাৰ ভিতৰত। ২ নম্বৰ বাহিৰৰ পৰা অহা চুপাৰী কি নো, বাহিৰৰ পৰা চুপাৰীটো বন্ধ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰধান মন্ত্ৰী কাৰ্য্যালয় আৰু গৃহ বিভাগে অসমৰ চৰকাৰৰ special unit paid দিছিল। এইকাৰণেই নিৰ্দেশ দিছিল যে, বাহিৰৰ পৰা অহা বাৰ্মা বুলি কয় বা য'ৰপৰা শিথিল চুপাৰী ইণ্ডোনেচীয়াৰ পৰা অহা সেই চুপাৰীখিনিৰ লগত আচলতে কি আহে, চুপাৰীখিনিৰ মাজত ড্ৰাগ্‌ছ আহে, চুপাৰীখিনিৰ মাজত বন্দুকবিলাক আহে, বোমা আহে আৰু সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগ আৰু প্ৰধান মন্ত্ৰীৰ কাৰ্য্যালয়ে অসম চৰকাৰক নিৰ্দেশ দিছিল যে অসমৰ মাজেদি এই গোটেই কাৰবাৰটো হৈ আছে। এইটো সম্পূৰ্ণৰূপে বন্ধ হ'ব লাগে আৰু এই চুপাৰী কাৰবাৰটোৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বহুত উগ্ৰপন্থী সংগঠনে পইচা পায়। সেই কাৰণে এইটো বন্ধ কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক নিৰ্দেশ দিছিল। কিন্তু আজিৰ দিনটোত অসমৰ মাজেদি কমেও ৪০-৫০ খন এনেকুৱা বাৰ্মিচ চুপাৰীৰ ট্ৰাক পাৰ হৈ থাকে। এই কথাটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিমান পইচা লয়, কি পইচা লয় এইবিলাক ইয়াত আমাৰ কথা পাতি থকাৰ লাভ নাই। কিন্তু বাৰ্মিচ চুপাৰী Custom duty, বাৰ্মিচ চুপাৰীৰ সমস্যাটো কি আমাৰ বাৰ্মাৰ লগত কেঁচা চুপাৰী অনাৰ কাৰণে কোনো চুক্তি নাই। MoU যিহেতু নাই, আনিবই নোৱাৰো। গতিকে custom duty লগাব নোৱাৰে তাত GST লগাব নোৱৰে। GST যদি লগায়, সেইটো মনিপুৰৰ চুপাৰী বুলি এনেয়ে GST লগায়। গতিকে এইটো এটা ভয়ংকৰ বস্তু বন্ধ কৰাতো উচিত। গৰু চিণ্ডিকেটৰ ফলস্বৰূপে মিচিং মানুহ আৰু নেপালী মানুহ আমাৰ SC আৰু আমাৰ উজনী অসমৰ বহুত মানুহ অৰুণাচল প্ৰদেশৰ কাষৰ পৰা যোৱা শদিয়াৰ পৰা, এই ফালে জোনাইলৈকে আৰু মাজুলীলৈকে অঞ্চলৰ মানুহবিলাক আমাৰ tribal মানুহবিলাকৰ কাৰণে সাংঘাতিক বিপদ হৈছে। আগতে যিহাল গৰু আমি ৩৫ হাজাৰ টকা পাইছিলো, এতিয়া ২৫ হাজাৰ টকা পাওঁ চিণ্ডিকেট লগোৱাৰ পিছত আৰু মুছলমান মানুহৰ কাৰণে বিপদ হৈছে যে যিবিলাক মানুহে গৰুৰ মাংস খায়, আগতে ২৫০ টকাত কিনিব পাৰিছিল, এতিয়া ৪৫০ টকাৰ পৰা ৫০০ টকা হ'ল। খেতিয়কৰ লোকচান হ'ল আনহাতে খোৱা মানুহবিলাকৰ কাৰণে গৰুৰ দাম বাঢ়ি গ'ল। মোৰ ওচৰত আজি ৰিপোৰ্ট এটা আহিছে বিধান সভাত পাইছো কোনোবাই কৈ আছে যে কয়লাৰ চিণ্ডিকেট হোৱা নাই ইয়াত কয়লাৰ চিণ্ডিকেটত স্পষ্টকৈ মোক আজি যিটো report দিছে, এই report টোত আজি কৈছে যে ২৪৮ টা illegal coal mining চলি আছে বৰাক উপত্যকাত, ইয়াত লিখি দিছে আৰু open cast mining wild life sanctuary ৰ ভিতৰত। কাৰ্বি-আংলঙত আমাৰ Nambor wild life sanctuary ভিতৰত open cast mining চলি আছে। তাৰ সমষ্ট তালিকা ইয়াত আছে আৰু অবৈধ কয়লা ধৰিছে, ইয়াৰ সমষ্ট তালিকা ইয়াত আছে। যদি দৰকাৰ হয় ইয়াত যিহেতু ক'বলৈ দিয়া নাই বাহিৰত ক'ম। মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ।

**শ্ৰী মানব ডেকা, বিধায়ক (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই আজি নিয়ম ৫০ ৰ অধীনত যি ছিণ্ডিকেটৰ ওপৰত আলোনা আনিছে তাত অংশ গ্ৰহণ কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। আজি মোৰ মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ প্ৰতি ধাৰণাটো অলপ সলনি হ'ল। তেখেত হয়তো আমাৰ বিধান

সভাৰ আটাইতকৈ বয়োজ্যেষ্ঠ ব্যক্তি আৰু সাংঘাতিকভাৱে কমিউনিষ্ট বিচাৰধাৰাৰ লগত থকা মানুহ। তিনি-চাৰি দিন আগতে ইয়াৰ ওপৰত উপস্থাপন কৰিছিল আৰু মই তেতিয়া ভাৱিছিলো যে তেওঁ যিহেতু এখন সদনত এইখিনি উপস্থাপন কৰিব Concrete evidence লৈ উপস্থাপন কৰিব। কিন্তু মনোৰঞ্জন ডাঙৰীয়াই যে কোনোবা মিষ্টাৰ ইণ্ডিয়াই গেজেট লগাই ছিণ্ডিকেট চলাই আছে আৰু গেজেট লগাই নোহোৱা হৈ যায় এনেধৰণৰ কথাবিলাক কৈছে। আপোনাৰ হাতত সঠিক তথ্য নাই। এতিয়া মোৰ প্ৰশ্ন হ'ল যে মাননীয় সদস্য মনোৰঞ্জন ডাঙৰীয়াৰ নিচিনা ব্যক্তি এজনে এনেকুৱা কাম এটা কিয় কৰিলে? তেখেতে কৈ আছে যে আজি প্ৰায় ৮-১০ বছৰৰ পৰা এনেকুৱা ছিণ্ডিকেট চলি আছে। ৮-১০ বছৰে এনেকুৱা প্ৰশ্ন এটা বিধান সভাত কিয় নানিলে? ইয়াৰ লগত এটা ডাঙৰ ষড়যন্ত্ৰ জড়িত হৈ আছে। সময়টো চাব লাগিব, Advantage Assam চলি আছে আৰু ইয়াৰ ফলত ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন দেশৰ পৰা বিনিয়োগ আহিছে। আজি যদি উত্তৰ-পূৰ্বাঞ্চলত বিনিয়োগ হয় আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ব চীন। আপুনি চাইনিজ এজেণ্ডাত আজি এই বিধানসভাত এনেধৰণৰ প্ৰশ্ন আনিছে। এইটো একেবাৰে সত্য কথা। আপোনালোক কমিউনিষ্ট সকলে প্ৰয়াত প্ৰধানমন্ত্ৰী মাননীয় মনমোহন সিং ডাঙৰীয়াৰ দিনত যেতিয়া GATT চুক্তি কৰিছিল, আপোনোলোকে এনেকুৱা পৰিৱেশৰ সৃষ্টি কৰিছিল। মই ভাৱো যে আপুনি গৰিহণাৰ যোগ্য। ইয়াৰ ওপৰত তদন্ত হ'ব লাগে। সময়খিনিৰ কাৰণে মই কৈ আছো। আপুনি যোৱা ৮-১০ বছৰে বিধান সভাত উপস্থাপন কৰা নাই। আপুনি কোন কেইটা বিষয় লৈছে, এবাৰ চাব। সকলোতকৈ বেছি বিনিয়োগ কৰা হৈছে খনি আৰু খনিজাত সম্পদতত। গতিকে আপুনি কৈছে যে তাত গুণ্ডা টেক্স লয় যাতে সেই কোম্পানীবিলাকে ভয় খায় ইয়ালৈ নাহে। আপুনি poultry sector ত গুণ্ডা টেক্স লয় বুলি কৈছে। আপুনি গুণ্ডা টেক্সৰ নিচিনা শব্দটো এইকাৰণেই ব্যৱহাৰ কৰিছে যে অসম বিধান সভাৰ এনেকুৱা ধৰণৰ কথা সংবাদ মাধ্যমত আহিব। আপুনি এনেকুৱাধৰণৰ পৰিকল্পনা Advantage Assam ক sabotage কৰাৰ কাৰণে কৰিছে। তাৰ কাৰণে আপুনি গৰিহণাৰ যোগ্য। আজি অসমৰ যি জি এচ ডি পি ৬ লাখ কোটি টকা হৈছে। আপোনালোকে কয় যে আমাৰ টেক্সত লোকচান হৈছে। আপোনালোকে জানেনে আগৰ চৰকাৰৰ দিনত আৱকাৰী বিভাগৰ ৩ হাজাৰ ২ শ কোটি টকা হৈছে। যদি likage এ হৈছে জি এচ ডি পি কেনেকৈ পাইছে, টেক্সৰ সংগ্ৰহ কেনেকৈ বাঢ়িছে? মই আপোনাৰ নিচিনা এজন জ্যেষ্ঠ সদস্যক Concrete evidence লৈ কথা ক'বলৈ অনুৰোধ কৰিছো। আপুনি এবাৰ কৈছে যে কয়লাৰ ছিণ্ডিকেট হৈ আছে। তাৰ পিছত কৈছে যে জি এচ টি নিদিয়াৰ কাৰণে ৮০ খন ট্ৰাক ধৰিছে। আপুনি মোক কওঁক যে যদি ইমান ভালকৈ ছিণ্ডিকেট চলি থাকে তেন্তে কোন জি এচ টি বিষয়াই ট্ৰাক ধৰিবৰ বাবে সাহস কৰিব? আপোনালোকৰ ট্ৰাক ধৰিলেও জগৰ লাগে আৰু ট্ৰাক নধৰিলেও জগৰ লাগে। তেনেকৈ Double standard ৰ কথা ক'লে নহ'ব। কংগ্ৰেছ দলৰ সদস্য মাননীয় সদস্য আব্দুল ৰছিদ ডাঙৰীয়াই কৈছে যে ব'লক মই দেখুৱাই দিম। বৰ্তমান মোবাইলৰ যুগ। মোবাইলত ভিডিঅ' কৰি এনেকৈ পইচা লৈ ট্ৰাক গৈ আছে বুলি আমাৰ বিধান সভাত জমা নিদিয়ে কিয়? মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই গৰু বন্ধ কৰিব বিচাৰিছে নেকি? আপুনি বিধান সভাত গৰু বন্ধ কৰিব লাগে বুলি কৈ দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ নামটো এনেই লৈছে। মাননীয় সদস্য আশ্ৰাফুল ডাঙৰীয়াই কৈছে যে মাননীয় সদস্য মানব ডেকা ডাঙৰীয়াই গৰু আৰু কাঠৰ কথা বেছিকৈ ক'ব লাগে। মই কি কৈছো, মোক কিয় আপুনি আক্ৰমণ কৰিছে?

.....Interruption.....

**শ্ৰী মানব ডেকা, (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আশ্ৰাফুল ডাঙৰীয়াই বক্তব্য ৰখা নাই। আপুনি মিচিং অঞ্চলৰ মানুহৰ কাৰণে বক্তব্য ৰাখিছে। মোৰ তাতো মিচিং মানুহ আছে। আপুনি কওঁক আপোনাৰ তাত বজাৰ কেইখন বন্ধ কৰি দিবৰ বাবে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বজাৰ বন্ধ কৰিব দিয়া নাই, ছিণ্ডিকেট বন্ধ কৰিব দিছো।

**শ্ৰী মানব ডেকা, (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বক্তব্য ৰাখিছে অখিল গগৈ ডাঙৰীয়াই। আপোনালোকে বজাৰ খুলিলেও ছিণ্ডিকেট হয় বুলি কয় আৰু বজাৰ বন্ধ কৰিলেও কয়। আপোনালোকে দুইফালে খেলিলে নহ'ব। হেড হ'লে আপুনি জিকিব লাগিব আৰু টেল হ'লে আমি হাৰিব লাগিব। তেনেকৈ নহ'ব। দুইফালে আপুনি কেনেকৈ খেলিব? মই দীঘলীয়া নকৰো। এই বিধান সভাত এটা কথা ৰেকৰ্ড হ'ব লাগে যে মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই Advantage Assam, Investment ক sabotage কৰাৰ কাৰণে সময় মিলাই এনেকুৱাধৰণৰ গুণ্ডা টেক্সৰ কথা কৈ অসমৰ উন্নতিত বাধা প্ৰদান কৰিছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰটো অন্য এদিন দিব।

**সদন ০৬-০৩-২০২৫ তাৰিখে পুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।**